

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৫১ ■ গুৱাহাটী ■ শনিবাৰ, ৩০ জুলাই, ২০২২, ১৩ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 351 Dainandin Barta ■ Guwahati, Saturday ■ 30 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## হাজোৰ পাখামেলাত 'দৈনন্দিন বাৰ্তা' কাকতৰ টোপোলা দুৰ্বৃত্তই ফালি পেলালে নৰ্দমাত

### এই কাৰ্যক গৰিহণা পঢুৱৈ তথা সচেতন সমাজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৯ জুলাই ঃ** হাজোৰ সদাব্যস্ত পাখামেলা চ'কৰ পদপথত দৈনন্দিন বাৰ্তা কাকতৰ টোপোলাৰ আজিৰ সংখ্যাটি কোনো দুৰ্বৃত্তই ফালি-ছিৰি নৰ্দমাত পেলাই থৈ যায়। যাৰ বাবে পঢুৱৈ সমাজত খুবেই চৰ্চিত হৈছে বিষয়টো। উল্লেখ্য যে, কোনো বিষয়ত ব্যক্তিগত আক্ৰোশ কাৰোপতি থাকিলে এটা অনুষ্ঠান, এটা প্ৰতিষ্ঠিত গোষ্ঠীক আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লোৱাটো নিন্দনীয় ঘটনা। এনে ঘটনাক তীব্ৰ গৰিহণা দিছে আজি ■ ৮ পৃষ্ঠাত

### তথ্য জনা অধিকাৰ আইনে উদঙালে অসমৰ ভূমি, বাগান, বনাঞ্চল নগাৰ দখলত

### বিগত সাত বছৰত যোৰহাট জিলাৰ মৰিয়নিৰ অসম-নাগালেণ্ড সীমান্তৰ অসমৰ ৩৯.৬৩ হেক্টৰ ভূমি আৰু ১৯খন গাঁও নগাই অধিগ্ৰহণ কৰিলে

# অসমৰ ১৮,৬৫১.২৯ হেক্টৰ ভূমি নগাৰ দখলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৯ জুলাই ঃ** ১৯৬৩ চনৰ ১ ডিচেম্বৰত নগালেণ্ড ৰাজ্য হিচাপে স্বীকৃতি পোৱাৰ পাচৰে পৰা অসমৰ প্ৰাকৃতিক সম্পদ, ভূমি, বনাঞ্চল আদিৰ ওপৰত নগা লোকৰ লোলুপ দৃষ্টি বাঢ়ি আহিছিল। সেই সময়ৰ পৰাই কিদৰে নগাই অসমৰ ভূমি, প্ৰাকৃতিক সম্পদ বেদখলকৃত কৰি নগালেণ্ডৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰি সেইয়াও আৰম্ভ হয় বিগত ১৯৭০ দশকৰ পৰাই। নগাৰ দৌৰাত্ম্য, আগ্ৰাসন, ভাবুকি আদিৰ বিৰুদ্ধে কেন্দ্ৰীয় ■ ৮ পৃষ্ঠাত



যোৰহাটত অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় ৰন্ধনশালা উদ্বোধন

## পাঁচ বছৰত ৰাজ্যৰ শিক্ষাখণ্ড দেশৰ অন্যতম শ্ৰেষ্ঠ শিক্ষাখণ্ড হ'ব ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় ৰন্ধনশালা শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে এই কেন্দ্ৰীয় ৰন্ধনশালাটো পৰিদৰ্শন কৰাৰ লগতে একাংশ শিক্ষাৰ্থীৰ সৈতে আহাৰো ■ ৮ পৃষ্ঠাত



### কমনৱেলথ গেমছ আৰম্ভ

## জয়েৰে যাত্ৰা আৰম্ভ অসমৰ শিৱ থাপাৰ

### পাকিস্তানৰ খেলুৱৈক পৰাস্ত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ জুলাই ঃ** ভবা ধৰণেই কমনৱেলথ গেমছত আগুৱাবলৈ সক্ষম হৈছে অসমৰ খেলুৱৈ। ২৮ জুলাইত বাৰ্মিংহামত উদ্বোধন কৰা ২২সংখ্যক কমনৱেলথ গেমছত আজি প্ৰথম দিনাই অসমৰ ক্ৰীড়া ক্ষেত্ৰৰ বাবে আহিছে এক আশাব্যঞ্জক খবৰ। অসমৰ তাৰকা বক্সাৰ শিৱ থাপাই চমকপ্ৰদ জয়েৰে প্ৰথমখন খেলত জয়েৰে কমনৱেলথ অভিযান আৰম্ভ ■ ৮ পৃষ্ঠাত



### টিটিত মণিকাৰো জয়





# খোৱাঙত প্ৰধান শিক্ষকক, মৰিগাঁৱত আবকাৰী বিষয়া বৰষা বৰাক গ্ৰেপ্তাৰ





**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৯ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত সহায়ক হিচাপে থকা এজন প্ৰধান শিক্ষকে এজন শিক্ষকৰ পৰা উৎকোচ লৈ থকা অৱস্থাতে আজি মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাই ■ ৮ পৃষ্ঠাত

### চিকিৎসালয়ৰ বাহিৰত কান্দোনত ভাগি পৰিল মডেল অৰ্পিতা

## অৰ্পিতাৰ ফ্লেটৰ পৰা উদ্ধাৰ যৌন পুতলা!

**'মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰা হৈছে', এই মন্তব্য পশ্চিমবংগৰ অপসাৰিত মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ**



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ জুলাই ঃ** আজি স্বাস্থ্য পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ অনাৰ সময়তে চেটাৰ্জীয়ে এনেদৰে কয়। তেওঁ কয় যে তেওঁ এটা ষড়যন্ত্ৰৰ ভুক্তভোগী হৈছে। তেওঁ লগতে কয়— 'মমতা বেনাৰ্জীৰ সিদ্ধান্ত সঠিক'। তৃণমূল চৰকাৰে তেওঁক সকলো পদৰ পৰা আঁতৰাই দিয়াৰ পিছত, পাৰ্থৰ মন্তব্যক ৰাজনৈতিক মহলৰ এটা অংশই যথেষ্ট গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিছে। পাৰ্থ আৰু তেওঁৰ ঘনিষ্ঠ সহযোগী অৰ্পিতা মুখাৰ্জী, যাক গোচৰটোত ■ ৮ পৃষ্ঠাত

### শিৱসাগৰত কৃতজ্ঞতা পেন্সন কেন্দ্ৰৰ শুভ উদ্বোধন শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ

## তৃতীয়-দ্বাদশ শ্ৰেণীলৈকে বিজ্ঞান-গণিতৰ পাঠ্যপুথি আৰু পাঠদান হ'ব ইংৰাজী মাধ্যমত



### শিৱসাগৰ অসামৰিক চিকিৎসালয়ত পুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৯ জুলাই ঃ** শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ চৌহদত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে নৱ-নিৰ্মিত ■ ৮ পৃষ্ঠাত

## আমিনুল বা এইসকল ব্যক্তি ভাৰতবিৰোধী ঃ মন্ত্ৰী হাজৰিকা

### ভূপেন বৰাই নিজে উচটাই দি নিজে ফচিছে, সেয়ে সাৱধান হ'বলৈ অনুৰোধ কৰিছোঁ ঃ অখিল গগৈ কিহত বিক্ৰী গৈছে তেওঁ নিজে ভালকৈ জানে



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৯ জুলাই ঃ** আমিনুল ইছলাম বা এইসকল ব্যক্তি ভাৰতবিৰোধী। এই ভাৰতবিৰোধী বাকীসকল তেওঁলোকৰ লগৰ। তেওঁলোকক যেতিয়া আমি ধৰো তেতিয়া তেওঁলোকৰ গাৰ ফৰফৰনি উঠে । এই মন্তব্য মন্ত্ৰী পীযূষ হাজৰিকাৰ। শুকুৰবাৰে বঙাইগাঁৱত পেন্সন সেৱা কেন্দ্ৰ মুকলি অনুষ্ঠানত ■ ৮ পৃষ্ঠাত

# স্মৃতি ইৰাণীৰ কন্যাৰ বাৰ বিতৰ্কৰ নতুন মোৰ

### তিনি কংগ্ৰেছ নেতালৈ চমন জাৰি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ জুলাই ঃ** নতুন মোৰ লৈছে কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীৰ কন্যাৰ বাৰ কেলেংকাৰিয়ে। গোৱাত স্মৃতি ইৰাণীৰ কন্যাৰ অবৈধ বাৰ থকা সম্পৰ্কে কৰা সকলো টুইট আঁতৰ কৰিব লাগিব কংগ্ৰেছ নেতাই। আজি এই নিৰ্দেশ দিয়ে দিল্লী উচ্চ ন্যায়ালয়ে। কংগ্ৰেছৰ তিনিওজন নেতাকো বিষয়টো সন্দৰ্ভত আদালতত হাজিৰ ■ ৮ পৃষ্ঠাত



## শোণিতপুৰত সজীৱ গুলীসহ দুটাকৈ পিষ্টল উদ্ধাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৯ জুলাই ঃ** ৰাজ্যত জেহাদী কাৰ্যকলাপৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে আজি নিচেই পুৱাতে শোণিতপুৰৰ বেলশিৰি অঞ্চলত দুটাকৈ মাৰণাস্ত্ৰসহ সাতজাঁই গুলী উদ্ধাৰ কৰিবলৈ ■ ৮ পৃষ্ঠাত

### বৰপেটাত ৮টা জেহাদী গ্ৰেপ্তাৰ ঃ ৯ দিনৰ বাবে আৰক্ষীৰ জিম্মাত

### বৰপেটাৰ আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হা

# আৰক্ষীয়ে পুলিয়ে-পোখাই উভালি পেলোৱাৰ চেষ্টা অব্যাহত ৰাখিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৯ জুলাই ঃ** ইটোৰ পিছত সিটো জেহাদী কাৰ্যকলাপৰ সৈতে জড়িত তথা নতুবা জেহাদী সংগঠনৰ সৈতে সম্পৰ্ক থকা ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে বৰপেটা আৰক্ষীয়ে। যেন বৰপেটাক জেহাদীৰ ঘাটিলৈ পৰিণত কৰাৰ বিচাৰিছে জেহাদীয়ে। ৰাজ্যখনৰ লগতে বৰপেটা জিলাৰ চৰ-চাপৰিকে ধৰি বিভিন্ন অঞ্চলত গোপনে ধৰ্মীয় জেহাদীৰ সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ তৎপৰ হৈ থকা এক বৃহৎ মৌলবাদী চক্ৰৰ বিৰুদ্ধে আৰক্ষীয়ে তৎপৰতা অৱলম্বন কৰিছে । এনে মৌলবাদীৰ ঘাটিৰ বাবে জিলাখনৰ সকলো স্তৰৰ ৰাইজ শংকিত হৈ পৰিছে। অসম আৰক্ষীৰ এই ছাৰ্জিকেল ষ্ট্ৰাইকত বৰপেটাৰ ১১ মৌলবাদী আৰক্ষীৰ জালত পৰিছে। জিলাখনৰ জনীয়া-চাপৰা-চালেকুৰা-গৰেমাৰী আৰু সৰ্থেবাৰীৰ পৰা এই ১১গৰাকী জেহাদীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ঘটনাই বিশেষ চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু এয়া আৰক্ষীৰ সাফল্য বুলি দাবী কৰিছে। এই সম্বন্ধে আজি পুৱাৰ ভাগত বৰপেটা জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আৰক্ষী অধীক্ষক ■ ৮ পৃষ্ঠাত

## মূল্যবৃদ্ধি

### কেতবোৰ জ্বলন্ত সমস্যা সমাধানৰ দাবীত জাঙুৰ খাই উঠিল অধিবক্তা সমাজ

### মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ অল ইণ্ডিয়া লয়াৰ্ছ ইউনিয়নৰ নগাঁও জিলা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ জুলাই ঃ** মূল্যবৃদ্ধিকে ধৰি বিভিন্ন জ্বলন্ত সমস্যা সমাধানৰ দাবীত এইবাৰ জাঙুৰ খাই উঠিছে অধিবক্তা সমাজ। অল ইণ্ডিয়া লয়াৰ্ছ ইউনিয়নৰ নগাঁও জিলা সমিতিয়ে আজি এই সন্দৰ্ভত উপায়ুক্তৰ জৰিয়তে ■ ৮ পৃষ্ঠাত



*গুৱাহাটীত বিজেপিৰ প্ৰতিবাদ*

## ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত ১২সংখ্যক আন্তঃৰাষ্ট্ৰীয় বাঘ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৯ জুলাই ঃ** ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে জীয়াই থকাৰ প্ৰেৰণা দিছে। সেয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰাকৃতিক সম্পদসমূহ ৰক্ষণা-বেক্ষণ দিয়াটো সকলোৰে কৰ্তব্য। ইয়াৰ সৌন্দৰ্য, ■ ৮ পৃষ্ঠাত



## বিদ্যালয়ৰ পোছাকতে আত্মহত্যা নৱ-বিবাহিতাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, Ã২৯ জুলাই ঃ** দেৰগাঁও থানাৰ অন্তৰ্গত বাদুলীপাৰত কালি সংঘটিত আত্মহত্যাৰ ঘটনাক কেন্দ্ৰ কৰি আজি অঞ্চলটোত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বাদুলীপাৰ চাহ বাগিচা অঞ্চলৰ পুৰণা লাইনৰ ৰাজু কৰ্মকাৰ আৰু জলবী কৰ্মকাৰৰ কন্যা ৰেণু ■ ৮ পৃষ্ঠাত

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত অসমৰ ভিতৰত ষষ্ঠ স্থানপ্ৰাপ্ত নগাঁৱৰ এগৰাকী ছাত্ৰৰ কৰুণ গাথা

**Spondylopathies নামৰ এক জটিল ৰোগত আক্ৰান্ত মেধাৱী যুৱকজন মাটি-ভেটি কৰিছে বেছি চিকিৎসা ঃ চৰকাৰক উন্নত চিকিৎসাৰ বাবে সহায়ৰ আহ্বান**



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ জুলাই ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ মাহৰিআটীৰ এজন উচ্চ শিক্ষাৰে শিক্ষিত যুৱকৰ কৰুণ জীৱন গাথা। যুৱকজনৰ নাম ৰূপজ্যোতি বেজবৰা। ১৯৯৬ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৰূপজ্যোতিয়ে অসমৰ ভিতৰতে লাভ কৰিছিল ষষ্ঠ স্থান। ১৯১৯ চনত কটন কলেজৰ পৰা মেজৰসহ স্নাতক ডিগ্ৰী লাভ কৰি ২০০২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিও প্ৰচুৰ মেধাসম্পন্ন ছাত্ৰ ৰূপজ্যোতিয়ে যোগাৰ কৰিব নোৱাৰিলে এটা চৰকাৰী চাকৰি। ফলত মানসিকভাৱে ভাগি পৰে ৰূপজ্যোতি। ব্যৱসায় কৰিবলৈও হাতত নাই ধন। এনে সময়তে মানসিকভাৱে ভাগি পৰা উচ্চ শিক্ষাৰে শিক্ষিত ৰূপজ্যোতিৰ জীৱনলৈ নামি আহিল ঘোৰ অমানিশা। Spondylopathies নামৰ এক জটিল ৰোগত আক্ৰান্ত হ'ল যুৱকজন। উপাৰ্জন বুলিবলৈ ঘৰখনটো কাৰো একো নাই। ৰূপজ্যোতিৰ পিতৃ দেৱেন বেজবৰাৰ ২০১৮ বৰ্ষতে মৃত্যু ঘটিছিল। মাটি বিক্ৰী কৰি মাতৃ আৰতি বেজবৰাই যিমান পাৰে সিমান পুত্ৰক সুস্থ কৰিবলৈ চিকিৎসা কৰিছিল। বৰ্তমান সৰ্বস্বান্ত ■ ৮ পৃষ্ঠাত

## ১,৪৮২টা ৱেবছাইট ব্লক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ জুলাই ঃ** ২০২২ চনৰ জানুৱাৰীৰ পৰা মাৰ্চলৈকে ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰণালয়ে মুঠ ১,৪৮২টা ৱেবছাইট বা ইউ আৰ এল ব্লক কৰিছিল, যিটো এটা আইনী নীতি সংস্থা ছফ্‌টৱেৰ ফ্ৰিডম লিগেল চেণ্ট্ৰেলে দাখিল কৰা আৰ টি আই প্ৰশ্নত প্ৰকাশ পাইছে। ব্লক কৰা ছাইটসমূহত সকলো ধৰণৰ URL যেনে ৱেবপেজ, ৱেবছাইট আৰু ছ'চিয়েল মিডিয়া প্লেটফৰ্মত থকা পৃষ্ঠাসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। এই ৱেবছাইটসমূহ তথ্য প্ৰযুক্তি ■ ৮ পৃষ্ঠাত

### অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ প্ৰতিক্ৰিয়া

# বিজেপি নেতৃত্বাধীন চৰকাৰৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ বাবে কংগ্ৰেছ দলৰ দলপতিয়ে ২০১৪ চনৰ পৰা বিৰোধী দলপতিৰ মৰ্যাদা পোৱা নাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৯ জুলাই ঃ** লোকসভাত বিৰোধী পক্ষত কংগ্ৰেছ দলৰ সৰ্বাধিক সাংসদ থকাৰ পিছতো ২০১৪ চনৰ পৰা বিজেপি চৰকাৰৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ বাবে কংগ্ৰেছ দলৰ দলপতিয়ে বিৰোধী দলপতিৰ মৰ্যাদা পোৱা নাই। জনতা দলৰ চৰকাৰৰ সময়ত অনা ১৯৭৭ চনৰ আইনখনত ১০ শতাংশ সদস্য থাকিলেহে বিৰোধী দলপতিৰ মৰ্যাদা পায়, সেয়া উল্লেখ নাই। বিজেপিয়ে অনাহকত ইয়াৰ ওপৰত বিতৰ্কৰ সৃষ্টি কৰি আহিছে। এই বিষয়টোৰ সন্দৰ্ভত অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত কয় যে, ১৯৭৭ চনত জনতা দলৰ চৰকাৰে সংসদৰ আইনত বিৰোধী দলৰ দলপতিৰ দৰমহা আৰু ভাত্তা গৃহীত কৰে, যিয়ে এল অ' পিক আইনী স্বীকৃতি আৰু দৰমহা আৰু অন্যান্য বিশেষাধিকাৰ প্ৰদান কৰে। আইনখনৰ ধাৰা ২-ত স্পষ্টভাৱে, এল অ' পি কোন হ'ব পাৰে আৰু দুয়োটা সদনত এল অ' পি চিনাক্ত কৰাৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰিছিল। সংজ্ঞাটোত কোৱা হৈছে যে, 'এই আইনত যিকোনো সংসদৰ সদনৰ সন্দৰ্ভত বিৰোধী দলৰ দলপতি অৰ্থ হৈছে ৰাজ্য পৰিষদ বা লোকসভাৰ সদনৰ সদস্য, যি বৰ্তমান সেই স্বীকৃত চৰকাৰৰ বিৰোধিতাত থকা দলসমূহৰ সেই সদনৰ নেতা যি সদনৰ অধ্যক্ষৰ দ্বাৰা স্বীকৃত। ১৯৭৭ আইনৰ সংজ্ঞা ধাৰাত কোনো ১০ শতাংশ সদস্যতাৰ প্ৰয়োজনীয়তা উল্লেখ কৰা হোৱা নাই। বিজেপিয়ে অধ্যক্ষৰ সাধাৰণ নিৰ্দেশনাৰ অস্পষ্টতা সৃষ্টি কৰি অনাহত বিতৰ্কৰ সৃষ্টি কৰিছে। নিৰ্দেশনাত সংসদত বিৰোধী হিচাপে এটা দলক স্বীকৃতি দিয়াৰ প্ৰয়োজনীয়তা হিচাপে সদনৰ মুঠ সদস্যৰ সংখ্যাৰ এক দশমাংশ নিৰ্ধাৰণ কৰা হৈছে। ইয়াতো মন কৰিবলগীয়া যে এই দিশটো সদনত এটা দলৰ স্বীকৃতিৰ সৈতে সম্পৰ্কিত। তথাপি, সংবিধানৰ দশম অনুসূচী আৰু জনপ্ৰতিনিধিত্ব (সংশোধনী) আইন, ১৯৮৮ত বিৰোধী দলপতিৰ সংজ্ঞাৰ বিষয়ত কোনো ধৰণৰ ১০ শতাংশৰ কথাৰ উল্লেখ নাই। আনকি এনে কোনো আইন বা অধ্যক্ষৰ নিৰ্দেশনা নাই যিয়ে এল অ' পি পদৰ বাবে ১০ শতাংশ প্ৰয়োজনীয়তা বিশেষভাৱে উল্লেখ কৰিছে। ১৯৭৭ চনৰ আইনখনে কোনো চৰ্তৰ ওপৰত একো কোৱা নাই, যাক বিৰোধীক স্বীকৃতি দিবলৈ ব্যৱহাৰ কৰিব লাগিব। কিন্তু বিজেপিয়ে 'সদনৰ ১০ শতাংশ শক্তি'ৰ নিৰ্দেশনাৰ উদ্ধৃতি দিছে, তাৰ কোনো সাংবিধানিক ভিত্তি নাই। এয়া মাথোঁ গণতন্ত্ৰৰ আত্মাক হত্যা কৰাৰ ষড়যন্ত্ৰৰ এক অংশ। বিগত ৮ বছৰত বিজেপিয়ে ভাৰতৰ গণতন্ত্ৰৰ প্ৰতিটো অংশক আঘাত হানি আহিছে আৰু এই বিতৰ্কৰ মূল ভিত্তি হৈছে বিৰোধীৰ মুখ বন্ধ কৰি নিজৰ মনমতালিৰে দেশৰ শাসন ভাৰ চলোৱা। আনকি, পূৰ্বৰ জনতা দল বিৰোধীত থকা সময়তো শাসনাধিষ্ঠিত কংগ্ৰেছ দলে কেতিয়াও বিৰোধী দলপতিৰ পদক লৈ কোনো বিতৰ্কৰ সূচনা কৰা নাছিল, কাৰণ কংগ্ৰেছে বিশ্বাস কৰিছিল সুস্থ গণতান্ত্ৰিক শাসন ব্যৱস্থাত। আনকি বৰ্তমান বিজেপি চৰকাৰ ভাৰতীয় গণতান্ত্ৰিক ইতিহাসত এক ক'লা অধ্যায় হিচাপে চিহ্নিত হৈ থাকিব বুলি অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এনেদৰে কয়।



# লাহৰীঘাটৰ জঁটাধাৰী সমাজৰ উদ্যোগত ব'লে ব'ম যাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ জুলাই ঃ** সম্প্ৰতি অসমীয়া বৰ্ষৰ পৱিত্ৰ শাওণ মাহ চলি আছে আৰু এই শাওণ মাহতে হিন্দু ধৰ্মৰ লোকসকলে নিজকে পৱিত্ৰ কৰা, পুণ্য অৰ্জন কৰাৰ লগতে শংকৰ ভগৱানক সন্তুষ্ট কৰাৰ উদ্দেশ্যে ভক্তসকলে বিভিন্ন তীৰ্থ স্থানত সদলবলে পদযাত্ৰা কৰি গন্তব্য স্থানত যায়। তাৰেই লগত সংগতি ৰাখি আজি মৰিগাঁও জিলাৰ লাহৰীঘাটৰ জঁটাধাৰী সমাজৰ উদ্যোগত ব'লে ব'ম যাত্ৰা কৰে। প্ৰায় ৪০জনীয়া ভক্তসকলে লাহৰীঘাট শিৱ মন্দিৰৰ পৰা ৪ দিনীয়া কাৰ্যসূচী লৈ গুৱাহাটী বশিষ্ঠ আশ্ৰমলৈ ব'লে ব'ম যাত্ৰা আৰম্ভ কৰে।

# সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৯ জুলাই ঃ** চৰাইদেউ জিলাৰ সদৰ সোণাৰিৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ আয়োজন গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানটি অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলায় থকা হৈছে। ১৯৭০ চনৰ ৫ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানটি অহা ৯, ১০ আৰু ১১ ছেপ্টেম্বৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। মন কৰিবলগীয়া যে সোণাৰিৰ একাংশ সমাজ-সচেতন, দূৰদৰ্শী আলোকসন্ধানী, জ্ঞানান্বেষী, স্বপ্নদ্ৰষ্টাৰ আশাশুধীয়া প্ৰচেষ্টাত গঢ় লৈ উঠা সোণাৰি মহাবিদ্যালয়খনেই বৃহত্তৰ সোণাৰি অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে পৰিচিত আছিল। পৰৱৰ্তী সময়ত সোণাৰি আৰু ইয়াৰ আশে-পাশে বহুকেইখন উচ্চ শিক্ষানুষ্ঠান গঢ় লৈ উঠিল যদিও জন্মলগ্নৰে পৰা আজিকোপতি সোণাৰি মহাবিদ্যালয়ৰ গৰিমা অক্ষুণ্ণ আছে। প্ৰতি বছৰেই শ শ ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে ইতিমধ্যে ২০২০ বৰ্ষতেই সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে যদিও মহামাৰী ক'ভিডজনিত পৰিস্থিতিৰ বাবে সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানটি পিছুৱাই দিয়া হৈছিল। উল্লেখ্য যে, প্ৰাক্তন ছাত্ৰ নেতা তথা বৰ্তমান যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈক সভাপতি, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈক সম্পাদক হিচাপে লৈ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি গঠনৰ জৰিয়তে ইতিমধ্যে আৰম্ভণী অনুষ্ঠান ২০১৯ বৰ্ষত অনুষ্ঠিত কৰাৰ উপৰি বিগত সময়ছোৱাত গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে মহাবিদ্যালয়খনে। ইয়াৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনে অতিক্ৰম কৰা সুদীৰ্ঘ পৰিক্ৰমাক ৰোমন্থনৰ লগতে আগন্তুক দিনত সোণাৰিৰ অন্যতম উচ্চ শিক্ষানুষ্ঠানখনে কেনেদৰে দিক্ নিৰ্ণায়কৰ ভূমিকা পালন কৰিব পাৰে তাৰেই আলাপ-আলোচনা কৰিবলৈ সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানটি আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট শিক্ষাবিদ, বুদ্ধিজীৱী তথা ৰাজনীতিবিদৰ অংশগ্ৰহণৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনৰ বৰ্তমানৰ তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, অভিভাৱক তথা শুভাকাংক্ষী ৰাইজৰ সহযোগিতা কামনা কৰিছে মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষ তথা উদ্‌যাপন সমিতিয়ে।

# বঙাইগাঁৱত ধৰ্ষণৰ গোচৰত অভিযুক্তক ১২ বছৰৰ সশ্ৰম কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৯ জুলাই ঃ** বঙাইগাঁও জিলাৰ সত্ৰ ন্যায়াধীশৰ আদালতে মঙলবাৰে এক ৰায়যোগে ধৰ্ষণৰ গোচৰত জড়িত সুদীপ বিশ্বাস ওৰফে বুঢ়া নামৰ ব্যক্তি এজনক ভাৰতীয় দণ্ডবিধি আইন ৩৭৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ১২ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকাৰ অৰ্থদণ্ড বিহিছে। অৰ্থদণ্ড অনাদায়ে এবছৰ অতিৰিক্ত কাৰাদণ্ড বিহিছে। উল্লেখ্য, পদকীয়াই ২০১৬ বৰ্ষৰ প্ৰথম ভাগত জাৰকালি ভুক্তভোগী চল্লিশ বছৰ ঊৰ্দ্ধৰ বিধৱাগৰাকীয়ে পাতিলাদহাৰ কৰ্মক্ষেত্ৰৰ চাহ দোকানৰ পৰা সন্ধিয়া ৭ মান বজাত ঘৰলৈ উভতি অহাৰ সময়ত নিৰ্জনতাৰ সুযোগ লৈ বলপূৰ্বকভাৱে ধৰ্ষণ কৰে। পিছত ভুক্তভোগী মহিলাগৰাকীক ছুৰীৰে প্ৰাণনাশৰ ভয় দেখুৱাই ঘটনা প্ৰকাশ নকৰিবলৈ সকীয়াই দিয়ে। পৰৱৰ্তী সময়ত ধৰ্ষণৰ ফলত শাৰীৰিক পৰিৱৰ্তন হোৱাত ভুক্তভোগীৰ নিকটাত্মীয়ই সোধা-পোছা কৰাত ঘটনা পোহৰলৈ আহে। ঘটনা সংক্ৰান্তত গাঁৱলীয়া বিচাৰ দিয়া হয় যদিও পদকীয়াজন বিচাৰত উপস্থিত নাথাকিল। পিছত দাখিল কথা এজাহাৰ মৰ্মে পদকীয়া সুদীপ বিশ্বাসৰ বিৰুদ্ধে তদন্তকাৰী বিষয়াই সাক্ষী প্ৰমাণ লাভ কৰি পলাতক ঘোষণা কৰি অভিযোগ-পত্ৰ দাখিল কৰে। গোচৰটোৰ বিচাৰৰ সময়ত সাক্ষী-প্ৰমাণ পাই সত্ৰ ন্যায়াধীশ সত্যনাথ শৰ্মাই উক্ত ৰায়যোগে পদকীয়াৰ শাস্তি প্ৰদান কৰে। উক্ত গোচৰটোত চৰকাৰী পক্ষৰ হৈ অধিবক্তা ৰাজেশ কুমাৰ বৰ্মনে যুক্তি প্ৰদৰ্শন কৰে।

# ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটা ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৯ জুলাই ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটা ঘোষণা কৰা হৈছে। ন্যাসে স্ব-মূল্যায়নৰ জৰিয়তে প্ৰথমবাৰৰ বাবে অসমৰ তিনিখন প্ৰাথমিক বিদ্যালয়ক এই বঁটাৰ বাবে নিৰ্বাচিত কৰিছে। প্ৰাথমিক শিক্ষাৰ উত্তৰণৰ বাবে বিদ্যালয়সমূহক উৎসাহিত কৰাৰ বাবে ন্যাসে এই পদক্ষেপ হাতত লৈছে। ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটাৰ বাবে দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত ১৭৭নং বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয় আৰু ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়, কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত ৰামদিয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ক নিৰ্বাচিত কৰা হৈছে। ১৯৩৬ চনত দানবীৰ হলিৰাম নাথ চহৰীয়াই স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে ছিপাঝাৰত প্ৰতিষ্ঠা কৰা বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাবলৈ দূৰ-দুৰণিৰ অভিভাৱকে হেতা-ওপৰা লগায়। সম্প্ৰতি বিদ্যালয়খন ৪৪৪ গৰাকী শিক্ষাৰ্থী অধ্যয়নৰত। প্ৰতি বছৰে ৩০গৰাকীৰো অধিক শিক্ষাৰ্থীয়ে বিদ্যালয়খনৰ পৰা নিম্ন বুনিয়াদী বৃত্তি লাভ কৰে। প্ৰতিটো গুণোৎসৱত বিদ্যালয়খনে এ-প্লাছ গ্ৰেড লাভ কৰা এই বিদ্যালয়খনৰ পৰা এতিয়ালৈকে দুগৰাকী কৃতী শিক্ষকে শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। বিদ্যালয়খনৰ আছে হাতেলিখা আলোচনী। আনহাতে, ১৯৩০ চনত স্থাপিত ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়খন বৰ্তমান ৪৩৮গৰাকী শিক্ষাৰ্থী অধ্যয়নৰত। প্ৰতিটো গুণোৎসৱত এ-প্লাছ গ্ৰেড লাভ কৰা এই বিদ্যালয়খনৰ শিক্ষকে শিক্ষকৰ ৰাজ্যিক বঁটা লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া পুথিভঁৰাল থকা এই বিদ্যালয়খন ডিজিটেল পদ্ধতিৰে ইংৰাজী আৰু গণিত শিকোৱাৰ ব্যৱস্থা আছে। বিদ্যালয়খনৰ 'অংকুৰণ' নামৰ এখন ছপা আলোচনীও আছে। আনহাতে, ১৯৬১ চনত স্থাপিত ৰামদিয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ত বৰ্তমান ২০০গৰাকী শিক্ষাৰ্থী অধ্যয়নৰত। প্ৰতিটো গুণোৎসৱত বিদ্যালয়খনে এ-প্লাছ গ্ৰেড লাভ কৰিছে। বিদ্যালয়খনৰ শিক্ষাৰ্থীৰ সামগ্ৰিক উত্তৰণৰ বাবে বিদ্যালয়খনে ভালেমান পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিদ্যালয়খনৰ হাতেলিখা আলোচনী আছে। অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা-সাংবাদিকতাৰ দিনত বিদ্যালয়কেইখনক এই বঁটা প্ৰদান কৰা হ'ব বুলি পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

# মাজবাটৰ দেউচানী গাঁৱৰ সমাজ সেৱক পুনেশ্বৰ গোৱালা শয্যাগত

## চৰকাৰৰ সহায় বিচাৰিছে গোৱালাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৯ জুলাই ঃ** ওদালগুৰি জিলাৰ মাজবাটৰ দেউচানী গাঁৱৰ সমাজ সেৱক তথা গাঁওৰক্ষী বাহিনীৰ প্ৰাক্তন সম্পাদক পুনেশ্বৰ গোৱালা (৫৫) বহু দিনৰ পৰা শয্যাগত অৱস্থাত বিছনাতে থাকিব লগা হৈছে। পুনেশ্বৰ গোৱালাই সাংবাদিকক জানিবলৈ দিয়া মতে ২০২০ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে আবেলি ৪ মান বজাত পথাৰৰ পৰা দেউচানী গাঁৱৰ ৰাস্তাৰে নিজৰ গৰু ঘৰলৈ আনি থাকোতে পিছফালৰ পৰা অহা তীব্ৰবেগী মটৰচাইকেল আৰোহী এজনে নিয়ন্ত্ৰণ হেৰুৱাই পুনেশ্বৰ গোৱালাক খুন্দা মাৰি পলায়ন কৰে। মটৰচাইকেলৰ খুন্দাত পুনেশ্বৰ গোৱালাৰ বাঁও ফালৰ হাত আৰু ভৰি ভাঙি যায়।



পৰিয়ালৰ লোকে লগে লগে আঘাতপ্ৰাপ্ত গোৱালাক ঢেকীয়াজুলিৰ জে কে নাথৰ ব্যক্তিগত চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেজপুৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। তেজপুৰ মেডিকেল কলেজ হাস্পাতালৰ চিকিৎসকে অস্ত্ৰোপচাৰ কৰিব লাগিব বুলি কোৱাত দুখীয়া পৰিয়ালটিয়ে অস্ত্ৰোপচাৰ নকৰি নিজ ঘৰলৈ ওভতি আহি প্ৰায় এমাহমান পিছত গোহালিৰ গৰু, ছাগলী, মুৰ্গী আদি বিক্ৰী কৰি অস্ত্ৰোপচাৰ কৰিবলৈ গুৱাহাটী জি এন আৰ চিলৈ লৈ যায়। জি এন আৰ চিৰ চিকিৎসকে চোৱা-চিতা কৰাৰ পিছত অস্ত্ৰোপচাৰ কৰাবলৈ পৰামৰ্শ দিয়ে। পৰিয়ালৰ লোকে অস্ত্ৰোপচাৰ কৰাবলৈ কিমান খৰচ হ'ব বুলি কোৱাত দুই লাখ টকা খৰচ হ'ব বুলি চিকিৎসকে কয়। দুখীয়া পৰিয়ালটিয়ে দুই লাখ টকা ক'ত পাব, কি কৰিব, কি নকৰিব। ঘৰৰ গৰু-ছাগলী বিক্ৰী কৰি ৩০ হাজাৰ মানহে টকা লগত লৈ গৈছিল পৰিয়ালটিয়ে। অৱশেষত অস্ত্ৰোপচাৰ নকৰি ঘৰলৈ ওভতাই লৈ আনে গোৱালাক। এতিয়া ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী বিছনাত শয্যাগত অৱস্থাত। এতিয়া আঘাতপ্ৰাপ্ত পুনেশ্বৰ গোৱালাই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কৰযোৰে প্ৰাৰ্থনা জনায় যে মোক অলপ সহায় কৰি অস্ত্ৰোপচাৰটো কৰাই দি পৰিয়ালটোক পোহপাল কৰাত সহায় কৰক। আপোনাক ভগৱানে সহায় কৰিব।

# মাহজোৰা নাট কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৯ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কাকপথাৰ আঞ্চলিক সমিতি আৰু 'উৎস' অসমৰ উদ্যোগত তথা কাকপথাৰ মহিলা সমিতিৰ সহযোগত কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘ প্ৰাংগণত ৩ জুলাইৰ পৰা কেইবাজনো বিশিষ্ট নাট্য কৰ্মীৰ তত্ত্বাৱধানত আৰম্ভ কৰা নাট, ব্যক্তিত্ব বিকাশ আৰু ভোৰতাল নৃত্য প্ৰশিক্ষণ কৰ্মশালাৰ ২৭ জুলাইত সফল সামৰণি পৰে। শতাধিক কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ অন্তত যোৱানিশা তিনিখন শিশু নাটকৰ লগতে এখন প্ৰাপ্তবয়স্ক নাট মঞ্চস্থ কৰা হয়। এই নাট কৰ্মশালাৰ সামৰণী অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক সুৰজিত মৰাণ, জিলা সমিতিৰ সভাপতি সোণমণি চলিহা, সম্পাদক কাঞ্চন বৰা, উৎস অসমৰ সঞ্চালক বিপুল ফুকন, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্ত আদি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সামৰণী অনুষ্ঠানটোত মাজুলী কমলাবাৰী সত্ৰৰ বৰবায়ন কিৰণ বৰাৰ পৰিচালনাত ভোৰতাল নৃত্য, বিপনজিৎ গগৈ, ডলী কোঁৱৰ আৰু ৰণজিৎ সন্দিকৈৰ পৰিচালনাত তিনিখন শিশু নাটকৰ লগতে সুনিত কুমাৰ বড়াৰ পৰিচালনাত মঞ্চস্থ হোৱা প্ৰাপ্তবয়স্ক নাটকে সহস্ৰাধিক দৰ্শকক মুগ্ধ কৰি তোলে।

# প্ৰতীক্ষা নামৰ বে-চৰকাৰী সংস্থাৰ দ্বাৰা ইউনিটেৰিয়ান জাতীয় বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া গ্ৰীষ্মকালীন শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ২৯ জুলাই ঃ** শিক্ষা অবিহনে এটা জাতি বা অঞ্চল কেতিয়াও আগুৱাই যাব নোৱাৰে। শিক্ষাই জাতিৰ মেৰুদণ্ড। সেয়েহে 'প্ৰতীক্ষা' নামৰ এটা বে-চৰকাৰী সংস্থাই প্ৰত্যেকবাৰৰ দৰে এইবাৰো নৱম আৰু দশম শ্ৰেণী ছাত্ৰ-ছাত্ৰীৰ বাবে কৰিছে গ্ৰীষ্মকালীন বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছিল। উল্লেখ্য যে নগাঁও জিলাৰ জুৰীয়া থানাৰ অন্তৰ্গত উদমাৰীস্থিত 'প্ৰতীক্ষা' নামৰ এটা বে-চৰকাৰী সংস্থাই যোৱা কেইবা বছৰ ধৰি সমগ্ৰ উদমাৰী, শিঙ্গাৰী, মাহগুৰি আদি অঞ্চলৰ নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসমূহৰ বাবে গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। কালি বিভিন্ন ধৰণৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে এই পাঠদান শিবিৰটোৰ সামৰণী অনুষ্ঠান সমাপ্ত হয়। পাঠদান শিবিৰটোৰ অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু পাঠদান দিয়া শিক্ষকসকলক বিদায় আৰু যোৱাবেলি এই পাঠদান শিবিৰত অংশগ্ৰহণ কৰাসকলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা দিয়াৰ উদ্দেশ্যে অনুষ্ঠিত কৰা অনুষ্ঠানৰ কাৰ্যসূচী মতে পুৱা তৈয়াবুৰ ৰহমানৰ নেতৃত্বত চাফাই অভিযান, ছফিকুল ইছলামৰ, ছৈদুৰ আলমৰ নেতৃত্বত গছপুলি ৰোপণ আদি কৰি বিভিন্ন কাৰ্যসূচীৰে সম্পূৰ্ণ কৰা হয়। পিছত সংস্থাটোৰ সভাপতি আশ্বাদুল আলমৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ জৰিয়তে যোৱাবেলি এই পাঠদান শিবিৰত অংশগ্ৰহণ কৰাসকলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা দিয়াৰ লগতে সৰ্বাধিক নম্বৰ পোৱা ছাত্ৰজনক এককালীন আৰ্থিক সাহায্য আগবঢ়ায়। সংস্থাটোৰ সম্পাদিকা নাজিয়া হাচান চৌধুৰীয়ে জানিবলৈ দিয়া মতে এইবেলি পাঠদান শিবিৰটোত অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ পৰা নৱম আৰু দশম শ্ৰেণীৰ মুঠ ২২০গৰাকী ছাত্ৰ-ছাত্ৰীক সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু ইংৰাজী বিষয়ত ছগৰাকী অভিজ্ঞ শিক্ষকৰ দ্বাৰা পাঠদান দিয়া হয় । সৰ্বদিশত পিছপৰা এই অঞ্চলটোৰ শিক্ষাৰ্থীসকলক আগুৱাই নিয়াৰ উদ্দেশ্যে আয়োজন কৰা এই বিনামূলীয়া পাঠদান শিবিৰটোৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাত উপস্থিত থাকে সমাজকৰ্মী তৈয়াবুৰ ৰহমান।

# বঙাইগাঁৱত আছু নেতাৰ মটৰচাইকেল চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৯ জুলাই ঃ** বঙাইগাঁও চহৰৰ আৰোগ্য হাস্পতালৰ সন্মুখৰ পৰা বুধবাৰে বিয়লি ৫ মান বজাত আছু নেতা নীলোৎপল চক্ৰৱৰ্তীৰ এ এছ-১৯ এম-১১৮৩ নম্বৰৰ গ্লেমাৰ মটৰচাইকেলখন চুৰি হয়। বঙাইগাঁও জিলাৰ বইটামাৰী ৰঘুনন্দনপুৰ নিবাসী সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নীলোৎপল চক্ৰৱৰ্তীয়ে পিছত এই মটৰচাইকেল চুৰি সন্দৰ্ভত সন্ধিয়া বঙাইগাঁও সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে যদিও চুৰি হোৱা মটৰচাইকেলখনৰ এতিয়ালৈকে কোনো শুংসূত্ৰ পোৱা নাই। উল্লেখ্য যে বঙাইগাঁও জিলাত যোৱা কেইদিনমানৰ পৰা পুনৰ মটৰচাইকেল চুৰিৰ ঘটনা সংঘটিত হৈ থকাত প্ৰশাসনক ইয়াৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে আছু নেতাগৰাকীয়ে।

# মৰাণত মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত কেন্সাৰ স্ক্ৰীনিং শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৯ জুলাই ঃ** সম্প্ৰতি সমাজত কেন্সাৰ ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰিছে। ৰোগীয়ে কেন্সাৰৰ আগতীয়াকৈ অনুমান কৰিব নোৱৰাৰ বাবেই ই চিকিৎসকৰ আউটিৰ পৰা বাহিৰলৈ যায় আৰু ৰোগীয়ে অৱশেষত মৃত্যু বৰণ কৰিবলগীয়া হয়। ৰোগীয়ে প্ৰাথমিক অৱস্থাতে যাতে তেওঁলোকৰ শৰীৰত কেন্সাৰৰ অৱস্থিতি ধৰা পেলাব পাৰে তাৰ বাবেই অখিল ভাৰতীয় মাৰোৱাৰী যুৱ মঞ্চই এক জনসচেতনতামূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে মঞ্চই প্ৰায় দুই কোটি টকা ব্যয়ৰে অত্যাধুনিক সা-সৰঞ্জামসম্বলিত এখন গাড়ীৰে উপযুক্ত চিকিৎসকৰ অধীনত সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি দুখীয়া-নিছলা ৰোগীৰ কেন্সাৰ ৰোগ ধৰা পেলাই চিকিৎসা প্ৰদানৰো ব্যৱস্থা কৰি আহিছে। এনে এখন অত্যাধুনিক সা-সৰঞ্জামসম্বলিত গাড়ীৰ দ্বাৰা মাৰোৱাৰী যুৱ মঞ্চ আৰু মাৰোৱাৰী সন্মিলন, মৰাণহাট শাখাৰ যুটীয়া উদ্যোগত আজি ইয়াৰ ৰাধা কৃষ্ণ বিবাহ ভৱনত এটা চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত মেমোগ্ৰাফিৰ উপৰি উন্নত মানৰ মেচিনেৰে কেন্সাৰৰ প্ৰাৰম্ভিক অৱস্থা পৰীক্ষা কৰাৰ উপৰি, ডায়েবেটিছৰ পৰীক্ষা, দাঁত, চকুৰ চিকিৎসা আৰু ক'ভিড ভেকচিন শিবিৰো অনুষ্ঠিত কৰে। এই উদ্দেশ্যে ৰাধা কৃষ্ণ বিবাহ ভৱনত মাৰোৱাৰী যুৱ মঞ্চৰ মৰাণহাট শাখাৰ সভাপতি মনিষ বেৰীয়াৰ পৌৰোহিত্যত আজি পুৱা এখন উদ্বোধনী সভা অনুষ্ঠিত হয়। সভাৰ আঁত ধৰে সমাজকৰ্মী পৱন ম'ৰে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত মৌচুমী চেতিয়া, পাটসাকো খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ নিৰঞ্জন দাস, মাৰোৱাৰী সন্মিলন মৰাণহাট শাখাৰ সভাপতি অশোক পাছাৰী আৰু উত্তৰ-পূব মাৰোৱাৰী যুৱ সন্মিলনৰ অসম মণ্ডলৰ উপ-সভাপতি ধৰ্মেশ পাৰিকে। শিবিৰ উদ্বোধন কৰি অতিৰিক্ত উপায়ুক্ত মৌচুমী চেতিয়াই উদ্যোক্তাসকলৰ কাম-কাজৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে দুখীয়া-নিছলা ৰাইজৰকে কাম কৰি যাবলৈ আহ্বান জনায় । চেতিয়াই তেওঁৰ দেউতাকৰ চিকিৎসাৰ সময়ত প্ৰয়োজন হোৱা তেজৰ যোগান ধৰি কৰা সহায়ৰ বাবে মঞ্চৰ শলাগ লয় । সভাত আজিৰ চিকিৎসা শিবিৰৰ চিকিৎসক আৰু কৰ্মকৰ্তাসকলকো একোখন গামোচাৰে সম্বৰ্ধনা জনায়। বিয়লি সামৰণী অনুষ্ঠানত চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাই অংশগ্ৰহণ কৰে। বৰুৱাই তেওঁৰ ভাষণত জিলাখনৰ চিকিৎসা ক্ষেত্ৰত মাৰোৱাৰী যুৱ মঞ্চই লোৱা শক্তিশালী পদক্ষেপক শলাগ লোৱাৰ লগতে ভৱিষ্যতৰ দিনতো এনে কাৰ্যসূচী আগবঢ়াই নিবলৈ আহ্বান জনায়। উল্লেখ্য যে আজিৰ শিবিৰত শতাধিক ব্যক্তিয়ে ক'ভিডৰ ভেকচিন লোৱাৰ লগতে ডেৰশতকৈও অধিক ৰোগীয়ে কেন্সাৰৰ প্ৰাথমিক অৱস্থিৰ পৰীক্ষা কৰোৱাই আৰু ৰিপ'ৰ্ট প্ৰদান কৰে।




**নাম সলনি**

মই মোৰ নাম সলনি কৰিছোঁ হবিবুল হাকৰ পৰা হবিবুল হকলৈ। মোৰ নতুন নাম হবিবুল হক। মোৰ পুৰণি নাম আছিল হবিবুল হাক। এতিয়াৰ পৰা মই মানুহৰ মাজত হবিবুল হক নামে পৰিচিত।

গাঁও ঃ পূব দানিৰাম পাতাৰ
পোঃঅঃ তেলিবস্তি
থানা ঃ হোজাই
(অসম)
পিন ঃ ৭৮২৪৩৯

**LOST**

I have lost my HS Final Exam original Marksheet Roll 0632 No 30055 for the year of 2022.
**Md. Monirul Hoque**
S/o Md. Nurul Hoque
Mother. Anuwara Begum
Vill :- Bagali para pather
P O :- chetuwaikhaity
P S :- Laharighat
Dist :- Morigaon ( Assam)
PIN :- 782127
Mobile no ,6003082424

## ৰাশিফলত আজিৰ দিনটো

**১৩ শাওণ, শনিবাৰ, ৩০ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ শুক্লা দ্বিতীয়া, নক্ষত্ৰ ঃ অশ্লেষা, ৰাশি ঃ কৰ্কট**
**সূৰ্যোদয়- ৪-৫০-৪২ সূৰ্যাস্ত- ৬-৮-২৫**



■ **মেষ** ঃ ভ্ৰমণ সফল ■ **বৃষ** ঃ আদৰ্শবাদী মনোভাব ■ **মিথুন** ঃ বিপৰীত লিংগৰ পৰা সাৱধান ■ **কৰ্কট** ঃ সঞ্চয়ী ■ **সিংহ** ঃ প্ৰতিভা বৃদ্ধি ■ **কন্যা** ঃ কৌশল আয়ত্ত ■ **তুলা** ঃ প্ৰিয়জনৰ আগমন ■ **বৃশ্চিক** ঃ গৃহ নিৰ্মাণ ■ **ধনু** ঃ মাতৃৰ ৰোগ ■ **মকৰ** ঃ ছোৱালীৰ সুনাম ■ **কুম্ভ** ঃ হেৰোৱা দ্ৰব্য লাভ ■ **মীন** ঃ মনোবাঞ্ছা পূৰ্ণ

# তিলপুখুৰী এম ই মাদ্ৰাছাত ১০৭টা পৰিয়ালৰ দুৰ্বিষহ জীৱন যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৯ জুলাই ঃ** ২৫ জুলাইত ৰাজ্যৰ বিদ্যালয়সমূহৰ গৰমৰ বন্ধ শেষ হৈছে। আজিৰ পৰা বিদ্যালয়সমূহ খুলি ছাত্ৰ-ছাত্ৰীক পাঠদান দিব যদিও বঙাইগাঁও জিলাৰ তিলপুখুৰী এম ই মাদ্ৰাছাত পাঠদান দিব পৰা নাই। আই নৈৰ ভয়াৱহ খহনীয়াত নিজৰ ঘৰবাৰী হেৰুৱাই ২নং বাঁশবাৰীৰ ১০৭টা পৰিয়ালে বিদ্যালয়খনত আশ্ৰয় গ্ৰহণ কৰি আছে। খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলৰ ঘৰ নিৰ্মাণৰ বাবে নাই ভূমি। যাৰ বাবে তেওঁলোকে এতিয়াও আশ্ৰয় শিবিৰতে থাকিবলগীয়া হৈছে। আজিৰ পৰা বিদ্যালয়সমূহ খুলিছে যদিও তিলপুখুৰী এম ই মাদ্ৰাছাখনত পৰিয়ালসমূহ আশ্ৰয় গ্ৰহণ কৰি থকাত খুলিব পৰা নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক হাতযোৰ কৰি খহনীয়াগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন কৰিবলৈ অনুৰোধ জনাইছে খহনীয়াগ্ৰস্ত ৰাইজে।

# এটি শিশুৰ পুখুৰীৰ পানীত পৰি, আনটো শিশু গা ধুবলৈ গৈ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ জুলাই ঃ** মৰিগাঁও জিলাৰ মায়ং থানাৰ অন্তৰ্গত কুকুৰাৰী গাঁৱৰ ছাইফুল ইছলামৰ আঢ়ৈবছৰীয়া ছাদিক আলমৰ পুখুৰীত পৰি সলিল সমাধি ঘটে। ঘটনাৰ বিৱৰণী মতে কালি মাকে কাম কৰি থাকোতে পুত্ৰ ছাদিক আলমে ওচৰত থকা এটা পুখুৰীৰ পাৰত খেলি থাকোতেই হঠাৎ উজুটি খাই পুখুৰীত পৰাৰ ফলত সংঘটিত হয় এই শোকাৱহ দুৰ্ঘটনা। ততালিকে ঘৰৰ মানুহ আৰু স্থানীয় ৰাইজৰ তৎপৰতাত পুখুৰীৰ পৰা উদ্ধাৰ কৰে যদিও ইতিমধ্যে ছাদিকৰ মৃত্যু হোৱা বুলি জানিবলৈ দিয়ে উদ্ধাৰ কৰা স্থানীয় ব্যক্তিসকলে। আনহাতে, একেদিনাই ১২ বজাত গাগলমাৰী আশীঘড়তো ৭ বছৰীয়া জাকাৰুল ইছলামে সমনীয়াৰ সৈতে পানীত গা ধুবলৈ গৈ মৃত্যু হয়। একেদিনাই দুটি শিশুৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলজুৰি বিৰাজ কৰিছে এক শোকৰ ছাঁ। ঘটনা সম্পৰ্কে স্থানীয় লোকে মায়ং আৰক্ষীক খবৰ দিয়ে। ইতিমধ্যে মায়ং আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰিবলৈ মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# চলচলি সাৰ্বজনীন দুৰ্গাপূজা মণ্ডপত স্থায়ী মাৰ্বলৰ প্ৰতিমা স্থাপনৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পুৰণিগুদাম, ২৯ জুলাইঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম চলচলি কালি সন্ধিয়া স্থায়ী মাৰ্বলৰ প্ৰতিমা স্থাপন উপলক্ষে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। দুৰ্গাপূজা উদ্‌যাপন সমিতিৰ সভাপতি লীলাধৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত থাকি মাৰ্বলৰ প্ৰতিমা স্থাপনৰ ব্যয়বহুল পদক্ষেপত ৰাইজক সহায় সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ১৯৯৬ চনৰে পৰা চলচলিত অনুষ্ঠিত হৈ অহা সাৰ্বজনীন দুৰ্গা পূজা মহোৎসৱে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। এই ৰূপালী জয়ন্তী অতিক্ৰম কৰাৰ সময়ত আগন্তুক দুৰ্গা পূজাত মাৰ্বলৰ স্থায়ী প্ৰতিমা সংস্থাপনৰ পদক্ষেপত বিধায়ক জিতু গোস্বামীয়ে বিশেষ পদক্ষেপ হাতত লৈ কালি অনুষ্ঠিত হোৱা সাধাৰণ সভাত আগন্তুক দুৰ্গা পূজাভাগ মাৰ্বলৰ দুৰ্গা প্ৰতিমাত অনুষ্ঠিত হোৱাৰ কথা ঘোষণা কৰে। দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ সম্পাদক মণ্টুল কুমাৰ শৰ্মাই আঁত ধৰা সাধাৰণ সভাত বৃহত্তৰ চলচলি অঞ্চলৰ প্ৰায় দুইশতাধিক পুৰুষ-মহিলা উপস্থিত থকাৰ লগতে বহুকেইগৰাকী মুছলিম সম্প্ৰদায়ৰ লোক উপস্থিত থাকি মাৰ্বলৰ প্ৰতিমা সংস্থাপনৰ পদক্ষেপত আৰ্থিক সাহাৰ্য আগবঢ়াই আন এক নিদৰ্শন দাঙি ধৰে। উল্লেখ্যে যে, দুৰ্গা পূজা মণ্ডপটো অৰ্ধনিৰ্মিত হৈ থকাত ২০২১ চনৰ দুৰ্গা পূজাত উপস্থিত হৈ বিধায়ক জিতু গোস্বামীয়ে বিধায়ক পুঁজিৰ পৰা পাঁচ লাখ টকা আৰ্থিক অনুদান আগবঢ়ায়। এই আৰ্থিক অনুদান লাভ কৰি ননীমোহন শৰ্মা আৰু প্ৰশান্ত কটকীৰ নেতৃত্বত নিৰ্মাণ হয় দুৰ্গা পূজা মণ্ডপটো। মণ্ডপটোত স্থায়ী মাৰ্বলৰ প্ৰতিমা স্থাপন কৰি দেৱী দুৰ্গাক সকলো সময়তে জাগ্ৰত কৰি ৰাখিবলৈ চলচলিবাসীয়ে লোৱা এই পদক্ষেপক ইতিমধ্যে পুৰণিগুদাম চলচলিৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ লোকে আৰ্থিক সহায় আগবঢ়াইছে। এই আৰ্থিক সাহায্য লাভ কৰি ইতিমধ্যে দেৱী দুৰ্গা, লক্ষ্মী, সৰস্বতী, গণেশ, কাৰ্তিকৰ মূৰ্তি নিৰ্মাণৰ বাবে ৰাজস্থানৰ শিল্পীক দায়িত্ব অৰ্পণ কৰে। শিল্পীসকলে ইতিমধ্যে প্ৰতিমা নিৰ্মাণৰ কাম শেষ কৰাৰ লগতে আগষ্ট মাহৰ শেষৰ ফালে চলচলি পূজা মণ্ডপত প্ৰতিমা সংস্থাপন কৰিব ৰাজস্থানৰ কৰিকৰী শিল্পীসকলে। ইতিমধ্যে এই লৈ বৃহত্তৰ চলচলি অঞ্চলত এক উৎসৱমুখৰ বাতাবৰণ চলি থকাৰ লগতে কালি অনুষ্ঠিত হোৱা সাধাৰণ সভাই আৰ্থিক নাটনি দূৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰি চলচলিবাসীৰ বাবে আন এক সুখৰ বাৰ্তা কঢ়িয়াই আনে। ইফালে, পূজাৰ কেইদিনত মেলাসদৃশ পৰিৱেশ সৃষ্টি হ'ব লগা এই পূজা মহোৎসৱত বিধায়ক জিতু গোস্বামীৰ তৎপৰতাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ দিয়াৰ চিন্তা চৰ্চা কৰিছে উৎসৱ উদ্‌যাপন সমিতিয়ে। প্ৰতিমা সংস্থাপনৰ বিষয়টো চোৱাচিতা কৰিবলৈ কালি সভাত উপস্থিত থকা বঢ়মপুৰ ব্লক বিজেপিৰ সভানেত্ৰী নিভা শৰ্মা, সম্পাদক অৰবিন্দ চৌধুৰী, পূজা সমিতিৰ প্ৰশান্ত কটকী, মণ্টুল কুমাৰ শৰ্মা, হিৰণ্য কুমাৰ শৰ্মাক লৈ এখন সমিতি গঠন কৰি শীঘ্ৰে আৰ্থিক নাটনি দূৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰে বিধায়ক জিতু গোস্বামীয়ে। ইফালে, আৰ্থিক নাটনিৰ ক্ষেত্ৰত দেখা দিয়া সকলো সমস্যা বিধায়কগৰাকীয়ে নিজে চোৱাচিতা কৰিব বুলি সভাত ঘোষণা কৰাত চলচলিবাসী উৎফুল্ল হৈ পৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
৩০ জুলাই, ২০২২ ■ শনিবাৰ ■ ১৩ শাওণ, ১৯৪৪ শক





কংগ্ৰেছৰ নেতা অধীৰঞ্জন চৌধুৰীয়ে ৰাষ্ট্ৰপতিক লৈ কৰা মন্তব্যৰ প্ৰতিবাদত ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশৰ প্ৰতিবাদী কাৰ্যসূচী, শনিবাৰে গুৱাহাটীত

# পুৱাই টিঙিৰি তুলা বিধায়ক ৰাজবংশী

## প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নামত দিচাংমুখত ব্যাপক দুৰ্নীতি

### হিতাধিকাৰীক ধন মুকলাই দিয়াৰ নামত ৱাৰ্ড সদস্য অনিল দাসৰ ৫ হেজাৰ টকা ধন দাবী ঃ মুখ্য কাৰ্যবাহী বিষয়াক হিতাধিকাৰীৰ লিখিত অভিযোগ দাখিল

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৯ জুলাই ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক অভিলাষী আঁচনি হ'ল 'প্ৰধানমন্ত্ৰী আবাস যোজনা (গ্ৰামীণ)'। এই আঁচনিখনৰ উদ্দেশ্য হ'ল গাঁও পঞ্চায়ত এলেকাৰ দৰিদ্ৰ জনসাধাৰণক আঁচনিখনত সাঙুৰি লৈ আশ্ৰয়স্থলী হিচাপে এটি চৰকাৰী পকীঘৰ প্ৰদান কৰা। কেন্দ্ৰীয় চৰকাৰৰ এই অভিলাষী আঁচনিখনক সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে সংশ্লিষ্ট গাঁও পঞ্চায়তৰ নিৰ্দিষ্ট ৱাৰ্ড সমূহৰ ৱাৰ্ড সদস্য সকলে। ইতিমধ্যে ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দিচাংমুখ গাঁও পঞ্চায়তত কিছুমান ৱাৰ্ডত এই আঁচনিখন ৰূপায়ণ হৈ আছে। ইতিমধ্যে পঞ্চায়তখনৰ ৫ নং আলিছিগা ৱাৰ্ডত ৰূপায়ণ কৰি থকা প্ৰধানমন্ত্ৰী আবাস যোজনা আঁচনিখনত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন হৈছে। এই অভিযোগ উত্থাপন কৰিছে ৱাৰ্ডটোৰ জগাই চৰকাৰ নামৰ এগৰাকী দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা হিতাধিকাৰীয়ে। হিতাধিকাৰীগৰাকীয়ে ৱাৰ্ডটোৰ ৱাৰ্ড সদস্য অনিল দাস ওৰফে ভগীৰথ দাসৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ ধন মুকলাই দিয়াৰ নামত ধনদাবী কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ইয়াৰ লগতে হিতাধিকাৰী গৰাকীয়ে শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া অশ্বিনী দলেলৈ এখনি অভিযোগ পত্ৰ প্ৰেৰণ কৰি সমগ্ৰ ধনদাবী ঘটনা অৱগত কৰাৰ লগতে ইয়াৰ এক উচিত তদন্তৰ পোষকতা ■ ৭ পৃষ্ঠাত

## ছিপাঝাৰত বিধায়ক পৰমানন্দ ৰাজবংশী পুৱাতেই শুভ কামত গৈ বন্ধ গে'টৰ সন্মুখত প্ৰসৰ ৰ'দত অপেক্ষা ঃ টিঙিৰি তুলা হৈ ঊৰ্ধ্বতন বিভাগলৈ ফোন কৰি ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৯ জুলাই ঃ** আজি পুৱাতেই ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী ইয়াৰ পশ্চিম চুৱাত থকা ছিপাঝাৰ লেখিকা সমিতিৰ কাৰ্যালয় পৰিদৰ্শন কৰিবলৈ গৈ গে'টত তলা বন্ধৰ বাবে সোমাব নোৱাৰি প্ৰসৰ ৰ'দত বহু সময় ধৰি অপেক্ষা কৰিবলগীয়া হোৱাৰ ঘটনাই ছিপাঝাৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য ছিপাঝাৰ লেখিকা সমিতিৰ কাৰ্যালয় গৃহটোৰ পথটো সংলগ্ন হৈ আছে ছিপাঝাৰ জলসিঞ্চন বিভাগৰ সহকাৰী অভিযন্তাৰ কাৰ্যালয়ৰ পথৰ স'তে। পিছে অসমীয়া সমাজত মিছা কথাৰ ঠেং চুটি বুলি কথা এষাৰ প্ৰচলিত ■ ৭ পৃষ্ঠাত

## পথ দুৰ্ঘটনাত নিহত পশু চিকিৎসক অসীম কুমাৰ দাস



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৯ জুলাইঃ** এক শোকাৰহ পথ দুৰ্ঘটনাত মৃত্যু হয় বাক্সা জিলাৰ মুছলপুৰস্থ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ অসীম কুমাৰ দাসৰ। ঘটনাৰ বিবৰণী অনুসৰি অইন দিনৰ দৰে কালিও পশু চিকিৎসক ডাঃ অসীম কুমাৰ দাসে নিজ কৰ্তব্যস্থলী মুছলপুৰৰ ৰাজ্যিক পশু চিকিৎসালয়ত নিজ কৰ্তব্য সম্পাদন কৰি সন্ধিয়াৰ ভাগত নলবাৰী ■ ৭ পৃষ্ঠাত

## কামৰূপত জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী জিলা দুৰ্যোগ প্ৰাধিকৰণেৰে বিশেষ বৈঠক



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৯ জুলাই ঃ** আজি কামৰূপ জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত শেহতীয়া বানত জিলাখনৰ ক্ষতিগ্ৰস্ত গৃহৰ তালিকা চূড়ান্তকৰণ সন্দৰ্ভত এক বিশেষ বৈঠক অনুষ্ঠিত হয়। পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী তথা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশ গ্ৰহণ কৰা এই বৈঠকত ২৫টা ■ ৭ পৃষ্ঠাত



নগাঁৱত সংবাদ মেলত ৰকিবুল হুছেইন

## ফিল'বাৰীত শিশু শ্ৰমিকসহ দুই ডিআইগাড়ী জব্দ, চাৰি কিশোৰ কিশোৰী পলাতক

# বিজুলীবনত উত্তেজনা

### শিশু শ্ৰমিক ৰোধ কৰিবলৈ সজাগতা সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ২৯ জুলাই ঃ** আজি পুৱা পেঙেৰী আৰক্ষী থানা অধীনৰ বিজুলীবনত একাংশ চাহ বাগিছাত শিশু শ্ৰমিকে কাম কৰাক কেন্দ্ৰ কৰি এক উত্তেজনাময় পৰিৱেশৰ সূচনা হয়। ঘটনাৰ বিবৰন অনুসৰি ফিল'বাৰী দোৱাৰমৰা আৰু আমগুৰিৰ পৰা বিজুলীবনৰ নতুন মাইঠং গাঁৱৰ নিবাসী দান বাহাদুৰ ■ ৭ পৃষ্ঠাত

## হোজাই জিলাত ইউৰিয়াৰ কৃত্ৰিম নাটনি, কৃষকৰ মাজত হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২৯ জুলাই ঃ** হোজাই জিলাৰ বিভিন্ন প্ৰান্তত ইউৰিয়াৰ কৃত্ৰিম নাটনি হৈছে। ফলত কৃষকৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। জানিব পৰা মতে জিলাখনত যি কেইখন ৰিটেইলাৰ বিপণি আছে সেই সমূহত ইউৰিয়া সাৰৰ যোগান নধৰাৰ বাবে কৃষকে সাৰ লাভ কৰা নাই। ফলত ডবকা ৰাজহ চক্ৰকে ধৰি আন আন ৰাজহ চক্ৰৰ এলেকাধীন ৰাজহ গাঁৱত ইউৰীয়াৰ সাৰৰ কৃত্ৰিম নাটনি হোৱাৰ বাবে কৃষকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। জানিব পৰা মতে হোজাই ■ ৭ পৃষ্ঠাত



গুৱাহাটীত আপ আৰু কংগ্ৰেছৰ একাংশ কৰ্মীয়ে তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ ছবি, শুকুৰবাৰে



## মৰিগাঁৱত অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ জুলাই ঃ** আজি দিনৰ ১০.৪৫ বজাত মৰিগাঁও জিলা শিক্ষা বিষয়াৰ কাৰ্যালয় চৌহদত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি লগতে মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই এটা পেঞ্চন সেৱা কেন্দ্ৰ আৰু কৃতজ্ঞতা নামেৰে ৱেবচাইট মুকলি কৰে। এই কেন্দ্ৰৰ যোগেদি অৱসৰ প্ৰাপ্ত আৰু অৱসৰৰ বাবে ৬ মাহ মান বাকী থকা বিষয়া-কৰ্মচাৰীসকলৰ বিভিন্ন দিশসমূহ চোৱা-চিতা কৰি যথা সময়ত পেঞ্চন লাভ ■ ৭ পৃষ্ঠাত

## দিচাং নৈৰ পাৰত, বলি মৰা থানৰ কাষত নিখুজ যুৱকক বিচাৰি কেইবা শতাধিক জনতাৰ উতপ্ত পৰিবেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৯ জুলাই ঃ** নাহৰকটীয়া থানাৰ অন্তৰ্গত ঐতিহাসিক বলিমৰা থানৰ সমিপত দিচাং নৈৰ পাৰত আজি পুৱতি নিশাৰ পৰা কেইবা শতাধিক জনতাই এক উতপ্ত পৰিৱেশৰ সৃষ্টি কৰে। প্ৰাপ্ত তথ্য মতে, নিগাম আদৰ্শ গাৱঁৰ নিবাসী বিনোদ বড়াৰ একমাত্ৰ পুত্ৰ নিকু বড়া(২২), কৰ্মসূত্ৰে বেটাৰী ৰিক্সা চালক। কালি বিয়লি প্ৰায় চাৰি বজাত এজন বন্ধুয়ে পথাৰত কঠিয়া পেলোৱাৰ বাবে নিকুক বাইকেৰে নিজা ঘৰৰ পৰা মাতি লৈ আহিছিলগৈ। বিশেষ সূত্ৰই সদৰী কৰা মতে তিনি বন্ধুৰ ■ ৭ পৃষ্ঠাত



**শাওণী পথাৰৰ ৰ'দ-বৰষুণ গাত নলগা মানুহলৈ...**

*জলপান নিয়া অৱস্থাত তৰুণ অভিনেত্ৰী সুকন্যা ৰাখীক এনেদৰে কেমেৰাৰ লেন্সত আবদ্ধ কৰিলে আয়ুস বৰদলৈয়ে*

NEMCARE Group of Institutions
ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

केनरा बैंक Canara Bank — A Government of India Undertaking — सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ**
ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, গুৱাহাটী-৭৮১০২২, যোগাযোগ নং ঃ ০৩৬১-২৩৩৪০০৮

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **০৭.০৯.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **০৬.০৯.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ০৭.০৯.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/ গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ ঃ খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/ ৮৮৭৬৫৩৪৩০৭ (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ শ্ৰী খেটাৱত ইণ্ডাষ্ট্ৰিছ স্বত্তাধিকাৰী ঃ সুৰেশ কুমাৰ খেটাৱত গেৰাণ্টৰ ঃ (১) শ্ৰীমতী সুচিতা দেৱী খেটাৱত, টি. আৰ. ফুকন ৰোড, নগাঁও, অসম। | ভূমিৰ সকলো অংশ আৰু সম্পদসহ বাণিজ্যিক আৰু আবাসিক অঞ্চলসহ অৱস্থিত আছে টি আৰ পি ৰোড, হয়বৰগাঁও, জিলা-নগাঁও, অসম, পৰিমাপ হ'ল- ০১ কে- ০৭ এল। নামত আছে শ্ৰী সুৰেশ খেটাৱতৰ, দাগ নং-৩২২, ৩২৩, পট্টা নং-১০৮২, ১০৮৭। সম্পদৰ চাৰিসীমা ঃ পূবে- সুচিতা দেৱী খেটাৱতৰ ভূমি, উত্তৰে- শংকৰলাল বাগাৰীয়াৰ ভূমি, পশ্চিমে- বিনোদ খেটাৱত আৰু অন্যান্যৰ ভূমি, দক্ষিণে- বিনোদ খেটাৱতৰ ভূমি। | (ক) মুঠ অনাদায় ঃ ১২৯.৩৫ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ১০২.০০ লাখ (গ) ইএমডি ঃ ১০.২০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |
| ২। | (ক) কানাড়া বেংক, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ ঃ খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/ ৮৮৭৬৫৩৪৩০৭ (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ লক্ষ্মী এজেন্সিছ স্বত্তাধিকাৰী ঃ শ্ৰীমতী সুচিতা দেৱী খেটাৱত গেৰাণ্টৰ ঃ (১) শ্ৰীসুৰেশ কুমাৰ খেটাৱত | ভূমিৰ সকলো অংশ আৰু সম্পদসহ বাণিজ্যিক আৰু আবাসিক অঞ্চলসহ অৱস্থিত আছে টি আৰ পি ৰোড, হয়বৰগাঁও, জিলা-নগাঁও, অসম, পৰিমাপ হ'ল- ০ কে- ১৫ এল। নামত আছে শ্ৰীমতী সুচিতা দেৱী খেটাৱতৰ, দাগ নং-৩২১, পট্টা নং-৯২৪। সম্পদৰ চাৰিসীমা ঃ পূবে- এছ এম খেটাৱতৰ ভূমি, উত্তৰে- শংকৰ লাল বাগাৰীয়াৰ ভূমি, পশ্চিমে- সুৰেশ কুমাৰ খেটাৱত আৰু সুনীল কুমাৰ খেটাৱতৰ ভূমি, দক্ষিণে- টি আৰ পি ৰোড আৰু স্বত্তাধিকাৰীৰ আবাস। | (ক) মুঠ অনাদায় ঃ ১০৭.৩৪ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৭৮.৫৩ লাখ টকা (গ) ইএমডি ঃ ৭.৮৫ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |
| ৩। | (ক) কানাড়া বেংক, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ ঃ খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/ ৮৮৭৬৫৩৪৩০৭ (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ গায়ন ষ্ট্ৰীল ফেব্ৰিকেচন স্বত্তাধিকাৰী ঃ শ্ৰী নিতুল গায়ন গেৰাণ্টৰ ঃ নাই | ভূমিৰ সকলো অংশ আৰু সম্পদসহ বিল্ডিং, পৰিমাপ হ'ল- ০ বিঘা, ০৪ কঠা, ১৬ লেচা। আৰবি আছে পি পি নং-২৩৩, দাগ নং-২১৯৪(পুৰণি-৬৮৭)। অৱস্থিত আছে- মৌজা- চলচলি, কিচাম- পুৰণি গুদাম, জিলা- নগাঁও। নামত আছে শ্ৰী নিতুল গায়নৰ। সম্পদৰ চাৰিসীমা ঃ উত্তৰে- মহেন্দ্ৰ শইকীয়া, দক্ষিণে - প্ৰদীপ দাধৰা, পূবে- পি ডব্লিউ ডি ৰোড, পশ্চিমে- শ্ৰী ভকত হাজৰিকা। CERSAI ID : 400009067041 | (ক) মুঠ অনাদায় ঃ ২০১.৮২ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৭০.০০ লাখ টকা (গ) ইএমডি ঃ ৭.০০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |
| ৪। | (ক) কানাড়া বেংক, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ ঃ খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/ ৮৮৭৬৫৩৪৩০৭ (খ) ঋণ লওঁতা ঃ শ্ৰীমতী প্ৰস্তুতি ৰাণী বৰা, স্বামী ঃ শ্ৰী দ্বীপজ্যোতি শইকীয়া গেৰাণ্টৰ ঃ (১) শ্ৰী দ্বীপজ্যোতি শইকীয়া পিতা ঃ স্বৰ্গীয় জীৱন শইকীয়া (২) শ্ৰীমতী অনুপমা শইকীয়া স্বামী ঃ স্বৰ্গীয় জীৱন শইকীয়া | এখণ্ড ভূমিৰ প্লট, মুঠ এৰিয়া হ'ল- ২ কঠা, ৪ লেচা, লগতে এটা অসম আৰ্হিৰ গুদাম বিল্ডিং নিৰ্মিয়মান অৱস্থাত আছে। অৱস্থিত আছে দাগ নং-১২২৩, ১২২৪, পট্টা নং- ৬০, ২৬৫। গাঁও- কিচাম-নিজ চলচলি, মৌজা- চলচলি, ৰাজহ চক্ৰ- চামগুৰি, জিলা- নগাঁও, নামত আছে শ্ৰীমতী অনুপমা শইকীয়াৰ। সম্পদৰ চাৰিসীমা ঃ উত্তৰে- গণেশ শইকীয়াৰ ভূমি, দক্ষিণে - চলাচলি বামুণগাঁও বেঙেনা আটী ৰোড, পূবে- জিতেন শইকীয়াৰ ভূমি, পশ্চিমে- প্ৰবীণ শইকীয়াৰ ভূমি। | (ক) মুঠ অনাদায় ঃ ৭৫.৯৫ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ১১.৪২ লাখ টকা (গ) ইএমডি ঃ ১.১৪ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (**www.canarabank.com**)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শাখা মুৰব্বী, স্পেছিয়েলাইজড এআৰএম ব্ৰাঞ্চ, ডি. বি. গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, ডাকঘৰ-খানাপাৰা, গুৱাহাটী, পিন-৭৮১০২২, যোগাযোগ নং ঃ ০৩৬১-২৩৩৪০০৮/৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।

**তাৰিখ ঃ ২৯.০৭.২০২২, স্থান ঃ গুৱাহাটী** — **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

इंडियन बैंक Indian Bank — इलाहाबाद ALLAHABAD

মাণ্ডলিক কাৰ্যালয় ঃ শৰ্মা এণ্ড শৰ্মা মাৰ্কেট, দ্বিতীয় মহলা, আৰ জি বৰুৱা ৰোড, চান্দমাৰি, গুৱাহাটী, অসম-৭৮১০০৩
ই-মেইল ঃ zoguwahati@indianbank.co.in

[বিধি ৮(১)]
**দখলৰ জাননী** (স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু, তলত স্বাক্ষৰদানকাৰী ইণ্ডিয়ান বেংক (পূৰ্বৰ এলাহাবাদ বেংক), বালিতাৰা শাখাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৮ আৰু ৯, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন **দাবী জাননী জাৰি কৰা হৈছিল ১৩.১২.২০২১ তাৰিখে ঋণ লওতা শ্ৰীমতী ৰাবিয়া বেগম (ঋণ লওতা আৰু মৰ্টগেজৰ), স্বামী ঃ শ্ৰী চৈয়দ আফতাব হুছেইন, স্বত্তাধিকাৰীঃ মেচাৰ্ছআৰ. বি. ষ্টোৰ, বৰমা ৰোড, ৱাৰ্ড নং- ৮, ডি চি অফিচৰ বিপৰীতে, ডাকঘৰ- নলবাৰী, জিলা-নলবাৰী, অসম- ৭৮১৩৫৫, আৰু শ্ৰী চৈয়দ আফতাব হুছেইন (গেৰেণ্টাৰ) পিতাঃ স্বৰ্গীয় দিলৱৰ হুছেইন, বৰমা ৰোড, ৱাৰ্ডনং- ৮, ডি চি অফিচৰ বিপৰীতে, ডাকঘৰ- নলবাৰী, জিলা-নলবাৰী, অসম- ৭৮১৩৫৫, লগতে আমাৰ বালিতাৰা শাখাত** আদায় দিবলৈ থকা ধনৰাশি **১৪,৩৪,৪০৮.০০ টকা (চৈধ্য লাখ চৌত্ৰিছ হাজাৰ চাৰিশ আঠ টকা কেৱল) ২৬-০৭-২০২১** তাৰিখৰ ভিত্তিত আৰু অতিৰিক্ত সুত এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।
ঋণ লওতা উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু গেৰাণ্টৰ আৰু ৰাইজক সাধাৰণভাৱে নিম্ন স্বাক্ষৰকাৰীয়ে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ (৪) ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ আৰু ৯ অনুসৰি ওপৰোক্ত বিধি ভিত্তিত **২৮ জুলাই, ২০২২ তাৰিখে**।
ঋণ লওতা, গেৰাণ্টৰ আৰু মৰ্টগেজৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা ইণ্ডিয়ান বেংকক আদায় দিবলৈ বাধ্য হ'ব **১৪,৩৪,৪০৮.০০ টকা (চৈধ্য লাখ চৌত্ৰিছ হাজাৰ চাৰিশ আঠ টকা কেৱল) তাৰিখ ২৬-০৭-২০২১** ভিত্তিত আৰু তাৰ ওপৰত অতিৰিক্ত সুত।
উক্ত আইনৰ ধাৰা-১৩ৰ উপধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**

**বন্ধকী সম্পদঃ** ভূমিৰ সকলো অংশ আৰু সম্পদসহ এখণ্ড মুকলি ভূমি আৰু বিল্ডিং, নামত আছে শ্ৰীমতী ৰাবিয়া বেগমৰ, স্বামী ঃ শ্ৰী চৌয়দ আফতাৱ হুছেইন, পঞ্জীয়ন দলিল নং ৩০১/০১৮, তাৰিখ ২০-০২-২০১৮। ভূমিৰ পৰিমাপ হ'ল ১০ লেচা, আৰবি আছে দাগ নং ১৬০০, কে পি পট্টা নং ১৪, অৱস্থিত আছে বৰমা ৰোড, নলবাৰী টাউন, ৱাৰ্ড নং- ৮, মৌজা-নলবাৰী, ডাক আৰু জিলা- নলবাৰী, অসম- ৭৮১৩৩৫।
Hypothecation Assets ঃ মেচাৰ্ছ আৰ. বি. ষ্টোৰৰ Hypothecation ষ্টক, স্থান হ'ল নলবাৰী টাউন, বৰমা ৰোড, ৱাৰ্ড নং-১১, ডাকঘৰ-নলবাৰী, জিলা-নলবাৰী, অসম।

**তাৰিখ ঃ ২৮ জুলাই, ২০২২**
**স্থান ঃ নলবাৰী**
**কৰ্তৃত্বশীল বিষয়া**
(ইণ্ডিয়ান বেংক)

**PUBLIC ANNOUNCEMENT**
**FOR THE ATTENTION OF PUBLIC SHAREHOLDERS OF**
**ZENITH ENTERPRISES LIMITED**
**(Corporate Identification Number: L17114WB1985PLC145227)**
**PURSUANT TO SEBI CIRCULAR NO. SEBI/HO/MRD/DSA/CIR/P/2016/110**
**DATED OCTOBER 10, 2016**
**Registered Office: 5, Middleton Street, Kolkata-700071**
**Tel. No.: +91-33-2287 2607; Email: jkk@kankariagroup.com**

This Public Announcement **("PA")** is being issued by Ms. Anuradha Mehta **(Acquirer)** having office address at Kankaria Park, 5, Middleton Street, Kolkata-700071, West Bengal one of the members of promoter and promoter group of Zenith Enterprises Limited **("ZEL", "Company")**, for providing exit option to the Public Shareholders in accordance with the SEBI Circular No. SEBI/HO/MRD/DSA/CIR/P/2016/110 dated October 10, 2016 read with SEBI Circular No. SEBI/HO/MRD/DSA/CIR/P/2017/5 dated January 05, 2017 and SEBI Circular No. SEBI/HO/MRD/DSA/CIR/P/2017/27 dated March 27, 2017 **("SEBI Circular")** for the acquisition (hereinafter referred to as the **"Exit Offer", "Offer"**) of 23,450 fully paid-up equity shares of ₹ 10/- each **("the Equity Shares")** from the public shareholders of the Company at a price of ₹ 165/- **("the Offer Price")** per Equity Share.

**BACKGROUND OF THE EXIT OFFER**
Zenith Enterprises Limited is a company incorporated under the provisions of the Companies Act, 1956 as a public limited company dated 25th January, 1985 at ROC Shillong. The registered office of the company was changed from the state of Assam to West Bengal w.e.f. 13th April, 2010. Presently, the registered office of the company situated at 5, Middleton Street, Kolkata-700071. The Company is engaged in the business of real estate (rental income) with interest in investment in shares and securities (income from Financial Assets). As on the date of PA, the issued, subscribed and paid up equity share capital of the Company is ₹ 50,00,000/- (Rupees Fifty Lakhs Only) divided into 5,00,000 fully paid up equity shares having face value of ₹ 10/- each **("Equity Shares", "Shares")**. The Promoter and promoter group (including Acquirer) holds 4,76,550 Equity Shares representing 95.31% of Equity Capital. The balance 23,450 Equity Shares representing 4.69% of Equity Capital are held by the Public shareholders of the Company. The company came out with an IPO in the year 1986 and the shares of the company got listed on the Guwahati Stock Exchange Limited **("GSE")**. Consequent to derecognition of GSE vide SEBI Order No. WTM/RKA/MRD/06/2015 dated January 27, 2015; the Company was moved to the Dissemination Board **("DB")** of the BSE Limited **("BSE")**.
In terms of SEBI Circular, the exclusively listed companies appearing on the dissemination board are under an obligation to secure listing on a Nationwide Stock Exchange(s) or alternatively, the promoters of such exclusively listed companies have the option of providing exit to its public shareholders and required to submit the **"Plan of Action"** by June 30, 2017 to the designated stock exchange (in present case BSE). The Company vide its letter dated May 17, 2022 informed BSE that, the plan of action as prescribed by BSE for providing exit to its public shareholders was submitted on May 12, 2022.
In terms of the SEBI Circular, the Acquirer has appointed Intelligent Money Managers Private Limited **("IMMPL")**, SEBI registered Category-1 Merchant Banker (SEBI Registration Number INM000012169) and empanelled as an expert valuer on the panel of BSE Limited, as an **"Independent Valuer"** to determine the fair value of the Shares and to carry out the process of Exit Offer. The Acquirer now seeks to acquire 23,450 Equity Shares of face value of ₹ 10/- each representing 4.69% of Equity Capital of the Company from the public shareholders of the Company. Subsequent to the completion of the process, the Company shall make an application to BSE for removal of its name from DB of BSE.
This PA is being issued in terms of SEBI Circular and published in "Financial Express" (All Editions) - being the English National Daily, "Jansatta" - Hindi (All Editions) and "Dainandin Barta" - Guwahati being the Regional Language newspaper of the region where the GSE was located. The Acquirer will inform the Public Shareholders by way of a notice in the same newspapers in which the present PA is published, of material changes, if any, to the information set out in this PA.

**DETERMINATION AND JUSTIFICATION OF EXIT PRICE**
Intelligent Money Managers Private Limited vide certificate dated May 26, 2022 **("Valuation Report")** have issued a valuation report to determine the fair value of the Equity Shares of the Company. As per the Valuation Report, the fair value per equity share of ₹ 10/- each of the Company works out to ₹ 165/- per equity share. Based on the Valuation Report, Acquirer is making an offer to acquire the Equity Shares from the public shareholders at an Exit Price of ₹ 165/- (Rupees One Hundred Sixty Five only) **("Exit Price")** per Equity Share of face value of ₹ 10/- each. The Exit Price has been determined based on the fair value which is arrived at by applying the Net Asset Value method, Comparable Companies Multiple Value method and Profit Earning Capacity Value method. The Valuation Report is available for inspection at the Registered Office of the Company during office hours from the date of this Public Announcement.

**DETAILS OF THE ESCROW ACCOUNT AND THE AMOUNT DEPOSITED THEREIN**
The total fund requirement for the Offer (assuming full acceptance) is ₹ 38,69,250/- (Rupees Thirty Eight Lakhs Sixty Nine Thousand Two Hundred Fifty only).
In accordance with the Exit Circular, the Promoter and Independent Valuer has entered into an Escrow Agreement dated July 13, 2022 with Canara Bank, a bank incorporated under the provisions of Banking Regulation Act, 1949 and having its registered office at 112, J.C. Road, Bengaluru-560002, Karnataka and having its Canning Street Branch at Narayani Building, 27, Brabourne Road, Kolkata-700001, West Bengal **("Escrow Bank")** in terms of which the Offering Promoter has opened Escrow Account with the Escrow Bank. The Offering Promoter has also deposited ₹ 40,000/- (Rupees Forty Thousand only) being more than 1% of the total consideration payable to the Escrow Account on July 28, 2022.
Further, the Offering Promoter has provided a bank guarantee dated June 18, 2022 **("Bank Guarantee")** in favour of Intelligent Money Managers Private Limited for an aggregate amount of ₹ 38,70,000/- (Rupees Thirty Eight Lakhs Seventy Thousand only) being more than 100% of the Total Consideration payable under the Exit Offer from HDFC Bank Ltd, "Trade Finance Department", Dalhousie Branch, Jardine House, 4, Clive Row, Kolkata-700001, West Bengal, India. The said Bank Guarantee shall be valid upto August 17, 2023 i.e. more than 1 (One) year from the date of closure of Exit Offer Period.

**TIMETABLE FOR THE EXIT OFFER**

| ACTIVITY | DATE | DAY |
|---|---|---|
| EXIT OFFER OPENING DATE (10.00 A.M.) | August 04, 2022 | Thursday |
| EXIT OFFER CLOSING DATE (5.00 P.M.) | August 12, 2022 | Friday |
| LAST DATE FOR PAYMENT OF CONSIDERATION FOR PAYMENT OF SHARES ACQUIRED UNDER EXIT OFFER | September 07, 2022 | Wednesday |

A letter inviting the Public Shareholders to tender their Shares **("Offer Letter")** containing the necessary forms and detailed instructions for submitting the application form will be dispatched to the Public Shareholders. In case of non-receipt of the Letter of Offer, such shareholders of the Company may download the same from Merchant Banker's website i.e., **www.imoney.co.in**. The Public Shareholders who holds Equity Shares of the Company and wish to tender their Equity Share(s) pursuant to the Exit Offer will be required to submit the duly completed Form of Acceptance cum acknowledgement, along with necessary documents as may be specified in the Offer Letter, to the IMMPL at address YMCA Building, 2nd Floor, 25, Jawaharlal Nehru Road, Kolkata-700087, Tel. No: +91-33-4065-6289, E-mail: **info@imoney.co.in/ amit@intelligentgroup.org.in**, either by hand delivery or by registered post/ speed post/ courier, at their own risk, between 10.00 A.M. & 5.00 P.M. on any working day during the Offer Period, so as to reach on or before exit offer closing date i.e. August 12, 2022.

**PROCEDURE FOR SETTLEMENT**
The payment for Equity Shares accepted under the Exit Offer will be made within fifteen (15) working days from the date of closure of Exit Offer by way of pay order/demand draft/ RTGS/NEFT or any other permitted electronic mode of transfer. In case of joint holders, payments will be made in the name of the first holder.

**PROCEDURE FOR ACCORDING CONSENT TO REMAIN AS SHAREHOLDERS**
Public Shareholders who do not want to tender their Equity Shares during the Exit Offer Period and the Exit Window Period and are willing to remain as shareholder of the Company may submit an undertaking annexed to the Offer Letter.

**DECLARATION BY ACQUIRER**
The Acquirer undertakes that she shall acquire the Shares of the Public Shareholders, who have not offered their Shares under Exit Offer Period, up to a period of one year from the completion of offer at the same price determined by the Independent Valuer **(Exit Window Period)**. The procedure for tendering the Shares during Exit Window Period shall be same except the payment of consideration, which shall be released on a monthly basis i.e., within maximum 15 working days of the end of the relevant calendar month in which Shares have been validly tendered by the Public Shareholders **("Monthly Payment Cycle")**.
The Acquirer shall certify to the satisfaction of BSE that appropriate procedure has been followed for providing exit to the public shareholders of the Company. Subsequently, the BSE upon satisfaction shall remove the Company from DB.

This PA is issued by for and on behalf of the Promoter
Sd/-
**(Anuradha Mehta)**
**Acquirer - Member of Promoter and Promoter group of Zenith Enterprises Limited**

Date : July 29, 2022
Place : Kolkata

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

৩০ জুলাই ■ ২০২২ ■ ১৩ শাওণ

# মহিলা আৰু শিশু সুৰক্ষাত আৰক্ষীৰ ভূমিকা অধিক

আজি কেইবাদিন ধৰি সংবাদ মাধ্যমত মানৱ সৰবৰাহ কৰা বাতৰিয়ে ৰাজ্যখনত শিৰোনাম দখল কৰি আছে। এই সম্পৰ্কে ৰাজ্যখনৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান (চিআইডি)-গৰাকীয়ে যোৱা বছৰটোত শিশুকে ধৰি কমেও ২৭৯জনক মানৱ সৰবৰাহকাৰীৰ পৰা উদ্ধাৰৰ কথা সদৰী কৰিছে। আৰক্ষীৰ মুখ্য কাৰ্যালয়ত মহিলা আৰু শিশু সুৰক্ষাৰ সন্দৰ্ভত আলোচনা সভাত এই তথ্য প্ৰকাশ পাইছে। সভাখনত চৰকাৰী লোকৰ উপৰি স্বেচ্ছাসেৱী সংগঠন প্ৰতিনিধি আদিয়েও আলোচনাত অংশগ্ৰহণ কৰে। এইক্ষেত্ৰত টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্সৰ প্ৰতিনিধি যোগদান কৰিছিল আৰু তেওঁলোকে ১১খন জিলাত মহিলাৰ বাবে বিশেষ কোষ স্থাপন কৰি ভুক্তভোগী মহিলাসকলক আইনী সাহায্য, মনস্তাত্বিক সহায় আগবঢ়াইছে। এই সন্দৰ্ভত অসম চৰকাৰৰ সৈতে এক এমএওইউ স্বাক্ষৰ কৰিছে। চৰকাৰে প্ৰতিষ্ঠানটোৰ সহায় সমৰ্থনত শিশু-মহিলা আদিৰ বিৰুদ্ধে সংঘটিত অপৰাধমূলক কাৰ্যৰ অনুসন্ধান আৰু সকলোবোৰৰ সেৱা আগবঢ়োৱাত চৰকাৰ বিশেষকৈ আৰক্ষী বিভাগ তৎপৰ হৈছে। ৰাজ্যত শিশু-মহিলাৰ অপহৰণ তথা মানৱ সৰবৰাহৰ ঘটনা ক'ভিড মহামাৰী আৰম্ভ হোৱাৰ পিছতে বৃদ্ধি পোৱাটো উদ্বেগজনক। লক্ষণীয় যে দেশৰ ভিতৰতে অসমতেই এনে ঘটনা সৰ্বাধিক। তাৰ লগে লগে অসম দ্বিতীয় আৰু তৃতীয় স্থানত থকাৰ কথা প্ৰকাশ পাইছে। তথ্য মতে ২০১৮ চনত ই ৩০০৪ ওপৰত আৰু ২০১৯ত ২০১টা মানৱ সৰবৰাহৰ ঘটনা বৃদ্ধি পাই যোৱা এটা বছৰত ই ২৭৯টা সংঘটিত হৈছে আৰু আৰক্ষীয়ে এই সময়ছোৱাত ১৩১জন অপৰাধীক গ্ৰেপ্তাৰো কৰিছে যদিও এনে অপৰাধ নিয়ন্ত্ৰণ কৰিব পৰা নাই আৰু অপৰাধীয়ে ক'ভিড মহামাৰীৰ সময়ছোৱাত সুযোগ গ্ৰহণ কৰা বুলি প্ৰকাশ। ক'ভিড সময়ত বহুতে কৰ্মসংস্থান হেৰুৱাইছে আৰু দৰিদ্ৰসকল অধিক দৰিদ্ৰ হৈছে। এনে অৱস্থাত চাকৰি-বিবাহ আদিৰ প্ৰলোভনেৰে মহিলা-শিশুক দুষ্ট চক্ৰটোৱে বৈ বহিঃৰাজ্যত গণিকালয়ত বিক্ৰী কৰি যৌন কৰ্মী হ'বলৈ বাধ্য কৰা, বলপূৰ্বক দুবাৰ-তিনিবাৰকৈ বিয়াত বহিবলৈ বাধ্য কৰোৱা হয়। ই দেশৰ ভিতৰত সৰ্বাধিক বুলি প্ৰকাশ পাইছে। শেহতীয়াকৈ আৰক্ষীৰ তৎপৰতাত বহু দৰিদ্ৰ ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ সক্ষম হৈছে। অৱশ্যে উচ্চতম ন্যায়ালয়ে এনে ঘটনাক এফআইআৰ পঞ্জীয়নৰ আদেশ দিছে যদিও আৰক্ষী এইক্ষেত্ৰত তৎপৰ হোৱা দেখা পোৱা নাই বাবেই তদন্তও হোৱা নাই বুলি প্ৰকাশ। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে বিশেষ তৎপৰতা লৈ শিশু-মহিলা সৰবৰাহৰ ক্ষেত্ৰত শূন্য সহনশীল হ'বলৈ ৰাজ্যৰ আৰক্ষীক নিৰ্দেশ দিছে। এইক্ষেত্ৰত চৰকাৰৰ লগত জনসাধাৰণেও সহযোগ কৰিলেহে আৰক্ষী সক্ষম হোৱাই নহয়, এনে অপৰাধীক কৰায়ত্ত কৰাত সফল হ'ব। সময়ত সকলো প্ৰকাশ পাব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# নাটকৰ প্ৰয়োজনীয়তা

সহজ ভাষাত নাটকৰ সংজ্ঞা এনেদৰে দিব পাৰি যে নাটক হ'ল কলা, য'ত মানৱ জীৱন শৈল্পিক অভিব্যক্তি অভিনয়ৰ জৰিয়তে ৰূপায়িত কৰা হয়। সংস্কৃত আলংকাৰিক ধনঞ্জয়ে ইয়াক অৱস্থানুকৃতি বোলাৰ দৰে পাশ্চাত্যত এৰিষ্টটলে ইয়াক কাৰ্যানুকৃতি বুলি কৈছে। নাটক কেৱল সাহিত্যিক অভিব্যক্তি মাত্ৰ নহয়, নাটকৰ পূৰ্ণতা পায় অভিনয়ৰ সাজেৰে। সেয়ে নাটকৰ ক্ষেত্ৰত অভিনয় অপৰিহাৰ্য। সেয়ে পাশ্চাত্যৰ পণ্ডিতৰ মতে নাটক একক নহয় এবিধ মিশ্ৰ কলাহে।

নাটকৰ কেইটামান উল্লেখযোগ্য দিশ হ'ল- কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ সৃষ্টি, নাট্যকাৰৰ জীৱনদৰ্শন। আখ্যান বা কাহিনী নাটকৰ প্ৰথম আৰু প্ৰয়োজনীয় উপাদান। কাহিনী বুলিলেই তাত এটা গল্পৰ কথা আহি পৰে। গতিকে নাটক হ'ল কাৰ্যৰ মাজেৰে ৰূপায়িত কৰা গল্প মাত্ৰ। নাটকৰ কাহিনী ৰচনাত সংযম অপৰিহাৰ্য। নাটকৰ কাহিনীৰ মূল প্ৰাণ হ'ল সংঘাত। সংঘাততেই নাটকৰ পাতনি মেলে আৰু সংঘাতৰ সামৰণিত নাট্য কাহিনীৰো পৰিসমাপ্তি ঘটে। নাটকীয় কাহিনীৰ ক্ৰমবিকাশক পাঁচটা স্তৰত ভাগ কৰা হয়। সেইবোৰ হ'ল- মুখ, প্ৰতিমুখ, গৰ্ভ বা শীৰ্ষ দ্বন্দ্ব, অৱমৰ্শ বা গ্ৰন্থিমোচন, নিৰ্বহন বা উপসংহাৰ। নাট্যকাৰে কাহিনী উপস্থাপনৰ ক্ষেত্ৰত কেতবোৰ কলা-কৌশলৰ আশ্ৰয় লয়। এইবোৰ হ'ল- সুষম, বিষম, নাটকীয় পৰিহাস, উপকাহিনীৰ সংযোগ, পশ্চাৎ অৱলোকন পদ্ধতি ইত্যাদি। এইবোৰ কলা-কৌশলৰ প্ৰয়োগে নাট্যকাহিনীক আকৰ্ষণীয় আৰু গতিশীলতা প্ৰদান কৰে।

কাহিনীৰ পাছতে নাটকৰ উল্লেখযোগ্য উপাদান হ'ল চৰিত্ৰ। কাহিনীৰে চৰিত্ৰৰ বিকাশ কৰা সম্ভৱ নহয়। গতিকে কাহিনী আৰু চৰিত্ৰ একোটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলিব পাৰি। নাটকত চৰিত্ৰক বিকশাই তোলা কাৰ্যৰ দ্বাৰাই একোটা চৰিত্ৰৰ সকলোখিনি বৈশিষ্ট্য ফুটি উঠে। নাটকৰ গুৰুত্বপূৰ্ণ অন্য এটা উপাদান হ'ল- সংলাপ। সংলাপেই হ'ল ঘটনা আৰু চৰিত্ৰ বিকাশৰ মূল আধাৰ। নাটকত সংলাপ চুটি চুটি আৰু অৰ্থবহ হোৱাটো বাঞ্ছনীয়। সংলাপ ৰচনাত নাট্যকাৰৰ বিশেষ দক্ষতা থকাটো অতি প্ৰয়োজন। সেইদৰে পৰিৱেশ সৃষ্টিও নাটকৰ অন্য এক গুৰুত্বপূৰ্ণ বিষয়। নাটকখনৰ গতিশীলতা প্ৰদান কৰে পৰিৱেশ সৃষ্টিয়ে। সাজপাৰ, আচাৰ- ব্যৱহাৰ, মঞ্চসজ্জা এই সকলোবোৰেই নাটকৰ পৰিৱেশ সৃষ্টিত সহায় কৰে। আনহাতে, নাটকৰ পৰিৱেশ সৃষ্টিত গীতেও এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। আৱেগ-অনুভূতিবোৰ গীতৰ মাজেৰে প্ৰকাশ কৰিবলৈ সুবিধা হয়। নাটকৰ জৰিয়তে মানৱ জীৱনৰ জীৱন দৰ্শন ৰূপায়িত হয়। কিন্তু এই জীৱনবোৰ নাট্যকাৰৰ কল্পনাৰ জীৱন। জীৱন সম্পৰ্কে নাট্যকাৰে যি দৃষ্টিভংগী প্ৰদান কৰে সিয়ে কাহিনী আৰু চৰিত্ৰৰ মাজেৰে প্ৰতিভাত হয়। ইয়াকে নাট্যকাৰৰ জীৱনদৰ্শন বোলা হয়।

নাটকক প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি - (ক) পৌৰাণিক, (খ) বুৰঞ্জীমূলক, (গ) সামাজিক আৰু (ঘ) কাল্পনিক।

বৰ্তমানেও আমাৰ সমাজত নাটকৰ অতীৱ প্ৰয়োজন। আজিৰ পৰা কেইবছৰমান আগলৈকে সমাজৰ প্ৰতিজন লোকে বছৰত এবাৰ হ'লেও নাট উপভোগ কৰিছিল। ক'ভিড মহামাৰীয়ে অইন বহুতৰ দৰে অসমত নাটকৰ পৰিৱেশ নিঃশেষ কৰি পেলাইছিল বুলি ক'ব পাৰি। নাটকৰ জৰিয়তে এচাম অভিনেতা-অভিনেত্ৰী, কলা-কুশলী, বনুৱা আদিয়ে নিজৰ নিজৰ পৰিয়াল পোহপাল দিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি দৰ্শকে নাট উপভোগ কৰি মনোৰঞ্জন লাভ কৰাৰ লগতে সমাজত ঘটি থকা অন্যায়-অবিচাৰ আদিৰ বিষয়ে অৱগত হৈছিল। কি ভাল কি বেয়া নিজে বিচাৰ কৰিবলৈ সক্ষম হৈছিল। শেষত ইয়াকে ক'ব পাৰি যে নাটকৰ সমাদৰ বা প্ৰয়োজনীয়তা আগতেও আছিল, এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব।

**অশ্বিনী ডেকা**
*টিহু, নলবাৰী*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# বংগবন্ধুৰ ঢাকাত গৈ কি দেখিলোঁ

■ চুমিন্দ্ৰ চৌধুৰী

কৰ্ম সূত্ৰে তিনি দিন ধৰি বাংলাদেশৰ ৰাজধানী ঢাকা আৰু ইয়াৰ উপকণ্ঠৰ কিছু ঠাই দৰ্শন কৰি ওভতনিৰ আকাশী পথত মোৰ কিছু অভিজ্ঞতা লিখি যুগুতালো। মই অৱগত কৰাব বিচৰা এই কথাখিনিয়ে পাঠকৰ দৃষ্টিগোচৰ কৰিব বুলি আশা কৰিলোঁ।

সাধাৰণতে বাংলাদেশ বুলি ক'লেই আমাৰ ৰাজ্যখনত বাংলাদেশৰ পৰা অনধিকাৰ প্ৰব্ৰজন কৰি থলুৱা লোকৰ মাটি-সম্পত্তি দখল কৰি অসমৰ ভাষিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক জীৱনশৈলীক গ্ৰাস কৰি পেলোৱা ধৰ্মীয় গোড়া অপৰিছন্ন মানুহখিনিৰ কথাই মনলৈ আহে। বাংলাদেশৰ পৰা অনধিকাৰ প্ৰৱেশ কৰি অসমৰ শান্তিপূৰ্ণ পৰিৱেশ বিঘ্নিত কৰা বাংলাদেশৰ এই প্ৰব্ৰজনকাৰী লোকসকলৰ প্ৰতি আমাৰ সদ্ভাৱ নথকাৰ বাবে বাংলাদেশৰ নামটোও আমি শুনিব নিবিচাৰো। তাতে প্ৰব্ৰজনকাৰী এইসকল বিদেশীক বহিষ্কাৰ কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা ৮৫৫জন বীৰ শ্বহীদৰ কথাই প্ৰতিজন অসমীয়াক আৰু আৱেগিক কৰি তোলে। স্বভাৱত আৱেগিক আৰু এলেহুৱা অসমীয়াই কথাৰ ফুলজাৰি মৰাৰ বাদে একো কৰিব নোৱাৰে বুলি প্ৰমাণিত হোৱাৰ পাছত গোজেই গছ হোৱাৰ দৰে প্ৰব্ৰজন কৰা এই বাংলাদেশী লোকসমূহে চতুৰতাৰে চৰকাৰী নথি-পত্ৰ লৈ থলুৱা হৈ পৰিল। ফলত অসমৰ মাটিকালি এক ইঞ্চিমান নাবাঢ়িল যদিও জনসংখ্যাৰ পৰিমাণ হোৱা হোৰে চক্ৰবৃদ্ধি হাৰত বৃদ্ধি পাইছে। লাহে লাহে কৰ্মবিমুখ অসমীয়াৰ খেতিবাতি আৰু ভেটি বাংলাদেশী লোকসকলৰ হাতলৈ যাবলৈ ধৰিছে। ৰাজনৈতিক মুনাফা লাভৰ কাৰণে তাতে আকৌ কিছুমান পাবত গজা অদূৰদৰ্শী স্বাৰ্থান্বেষী মানৱ দৰদী নেতাৰ নেতৃত্বত বিভিন্ন দল-সংগঠনে এই প্ৰব্ৰজনকাৰী লোকসকলৰ সুৰক্ষা আৰু অধিকাৰৰ বিষয়েহে অধিক চিন্তা কৰা পৰিলক্ষিত হৈছে।

কিন্তু মোৰ এই তিনিদিনীয়া বাংলাদেশ ভ্ৰমণ কালত দৃষ্টি গোচৰ হোৱা দেশখনৰ সাম্প্ৰতিক সময়ত পৰিৱৰ্তিত ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক চিন্তাধাৰা দেখি আচৰিত হৈছিলো। ইতিহাস ফঁহিয়াই চালে দেখা যায়, বাংলাদেশে অতীজৰ পৰা বহুত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন আহিছে। এখন প্ৰত্নতাত্ত্বিক গৱেষণাৰ প্ৰতিবেদন মতে প্ৰায় চাৰি হাজাৰ বছৰ পূৰ্বে বাংলাদেশত দ্ৰাবিড় আৰু তিব্বত-বাৰ্মিজ লোকে বাস কৰিছিল বুলি বিশ্বাস কৰা হয়। পিছলৈ আৰ্যসকলৰ আগমনৰ পিছত খ্ৰীষ্টাব্দ চতুৰ্থ শতিকাৰ পৰা ষষ্ঠ শতিকালৈ গুপ্তবংশই বংগত শাসন কৰিছিল। শশাংকা নামৰ এজন স্থানীয় ৰজাই অতি কম সময়ৰ বাবে অঞ্চলটোত শাসন কৰিছিল যদিও তাৰ পিছত এশ বছৰমান ধৰি এই অঞ্চলটো শাসকবিহীন হৈ আছিল। দেশখনৰ ইতিহাসৰ সেই সময়খিনিক মৎসন্যায় পৰ্ব বুলি কোৱা হয়। ইয়াৰ পিছত বৌদ্ধ ধৰ্মাৱলম্বী পাল বংশই বংগ দখল কৰাৰ পিছত এই দেশখনৰ শাসন ব্যৱস্থা পৰৱৰ্তী চাৰিশ বছৰ শাসন কৰিছিল। প্ৰায় এঘাৰশ শতিকাৰ অন্তিম ভাগত পাল বংশৰ পতন ঘটাত হিন্দু ধৰ্মাৱলম্বীৰ সেন বংশই বংগ শাসন কৰিছিল। দ্বাদশ শতিকাত সেন ৰাজবংশৰ ৰজা বল্লাল সেনে মা দুৰ্গা অনিন্দ্য সুন্দৰ ঢাকেশ্বৰী মন্দিৰ প্ৰতিষ্ঠা কৰাৰ পিছত ৰাজধানীখনৰ হৈ পৰিছিল ঢাকা। ১২০৫-১২০৬ খ্ৰীষ্টাব্দত তুৰস্কৰ মূলৰ সেনাপতি মহম্মদ বিন বখতিয়াৰ খিলিজীয়ে হিন্দু ৰজা লক্ষ্মণসেনক পৰাস্ত কৰি দেশখনৰ শাসন ব্যৱস্থা নিজৰ হাতলৈ নিছিল। ১৫৭৫ চনত টুকাৰোই যুদ্ধত দিল্লীৰ বাদশ্বাহ আকবৰে বংগৰ স্বতন্ত্ৰ শাসক দৌদ খান কাৰানীক পৰাস্ত কৰাৰ পাছতে বংগ মোগল সাম্ৰাজ্যৰ অধীনলৈ গৈছিল। মোগলে বংগ দখল কৰি ঢাকাত বংগৰ ৰাজধানী পাতি ইয়াৰ নাম ৰাখিছিল জাহাংগীৰ নগৰ। ১৭৫৭ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পলাশীৰ যুদ্ধত বংগৰ নবাব চিৰাজদ্দৌলাক পৰাস্ত কৰি বংগৰ শাসনভাৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালতে ১৭৭০ খ্ৰীষ্টাব্দত সমগ্ৰ ভাৰতত সংঘটিত হোৱা মনৱন্তৰ নামেৰে জনাজাত দুৰ্ভিক্ষত প্ৰায় ৩০ লাখ লোকৰ মৃত্যু হৈছিল বুলি কোৱা হয়। ইয়াৰ সৰ্বসংখ্যক লোক বংগৰ আছিল। ১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিপ্লৱৰ পিছত বংগৰ শাসনভাৰ প্ৰত্যক্ষভাৱে ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনলৈ হস্তান্তৰ হোৱাৰ পিছত এজন ভাইচৰয়ক বংগৰ প্ৰশাসনিক দায়িত্বভাৰ প্ৰদান কৰা হৈছিল। ১৯০৫ চনত ভাইচৰয় লৰ্ড কাৰ্জনে পূৰ্ববংগৰ সংখ্যাগৰিষ্ঠ মুছলমান বসতিপ্ৰধান অঞ্চলসমূহৰ সৈতে বিহাৰ, ওড়িশাৰ পোন্ধৰখন জিলা আৰু অসমক সামৰি ঢাকাত ৰাজধানী পাতি এখন নতুন প্ৰদেশ গঠন কৰিছিল। এই নতুন প্ৰদেশখনৰ সংখ্যাগৰিষ্ঠ লোক মুছলমান সম্প্ৰদায়ৰ আছিল। প্ৰথমবাৰৰ বাবে চতুৰতাৰে ব্ৰিটিছ শাসন ব্যৱস্থাই বংগ বিভাজন কৰি বছৰ বছৰ ধৰি সদ্ভাৱনাৰে ভাৰতত বসবাস কৰি অহা হিন্দু আৰু মুছলমান পৰস্পৰৰ মাজত বিষ বাষ্প বিয়পাই দিছিল। এই বিভাজনৰ পৰিণতিত শিয়াল বুদ্ধিৰ ব্ৰিটিছসকলে ভাৰতীয় মুছলমানসকলক ধৰ্মৰ ভিত্তিত নিজস্বভাৱে ৰাষ্ট্ৰীয় সংগঠন গঠন কৰিবলৈ উৎসাহিত কৰিছিল। এয়াই আছিল ব্ৰিটিছৰ ভাৰতীয় নাগৰিকসকলক ধৰ্মৰ ভিত্তিত বিভাজন কৰি স্বাধীনতা সংগ্ৰামক দুৰ্বল কৰি তোলাৰ এক গোপন অভিসন্ধি। ইফালে এই বিভাজনৰ সময়ত পশ্চিমবংগত বাস কৰা সংখ্যাগৰিষ্ঠ হিন্দু লোক নিজৰ ৰাজ্যখনতে সংখ্যালঘু হৈ পৰিছিল। পিছত ১৯১১ খ্ৰীষ্টাব্দত পশ্চিমবংগৰ হিন্দুসকলৰ প্ৰবল প্ৰতিবাদৰ সন্মুখীন হৈ ভাইচৰয় লৰ্ড হেষ্টিংছে বংগ ভংগ খাৰিজ কৰি বিভক্ত বংগৰ একত্ৰীকৰণ কৰিবলৈ বাধ্য হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে ১৯৪৭ চনত স্বাধীনতাৰ প্ৰাক্মুহূৰ্তত বংগ প্ৰদেশক আকৌ এবাৰ ধৰ্মীয় আধিপত্যৰ ভিত্তিত বিভাজিত হৈছিল। হিন্দু সংখ্যাগৰিষ্ঠ পশ্চিমবংগ ধৰ্মনিৰপেক্ষ উদাৰ বিচাৰধাৰাৰ ভাৰতত অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে মুছলমান সংখ্যাগৰিষ্ঠ পূৰ্ববংগ গোড়া ধৰ্মীয় বিচাৰধাৰাৰ পাকিস্তানত অন্তৰ্ভুক্ত হৈছিল। ১৯৫৪ চনত পূৰ্ববংগৰ নাম সলনি কৰি পূব পাকিস্তান কৰা হৈছিল যদিও পাকিস্তান চৰকাৰে পূব পাকিস্তানৰ অৰ্থনৈতিক আৰু জনগাঁথনিৰ বিকাশৰ বাবে উদাসীন মনোভাব পোষণ কৰিছিল। লাহে লাহে পূব পাকিস্তানৰ জনসাধাৰণ পশ্চিম পাকিস্তানৰ মইমতালিত বিতুষ্ট হৈ পৰিছিল। ১৯৫২ চনত পশ্চিম পাকিস্তানে দেশখনৰ ৰাষ্ট্ৰ ভাষা উৰ্দু বুলি ঘোষণা কৰাৰ পাছত পূব পাকিস্তানত ভয়ংকৰ ভাষা আন্দোলনৰ সূত্ৰপাত হৈছিল। এই সময়ছোৱাত বাংলাদেশৰ ৰাজনীতিত আৱামি লীগ নামৰ এটা বাংলা জাতীয়তাবাদী দলে আত্মপ্ৰকাশ কৰিছিল। এই দলটোৰ নেতৃত্বতে ১৯৬০ৰ দশকৰ মাজ ভাগত প্ৰথমবাৰৰ বাবে পূব পাকিস্তানক পশ্চিম পাকিস্তানৰ পৰা স্বাধীন কৰাৰ বাবে ছয়দফীয়া আন্দোলনৰ সূচনা হৈছিল। আৱামি লীগৰ নেতা শ্বেখ মুজিবুৰ ৰহমানৰ নেতৃত্বত মূৰ দাঙি উঠা এই প্ৰবল আন্দোলনৰ শংকাত ১৯৬৬ খ্ৰীষ্টাব্দত তেওঁক কাৰাগাৰত বন্দী থৈছিল। পুনৰবাৰ ১৯৬৯ চনত আগৰতলা ষড়যন্ত্ৰ গোচৰত শ্বেখ মুজিবুৰ ৰহমানক গ্ৰেপ্তাৰ হৈছিল যদিও পূৰ্ববংগৰ লোকসকলৰ গণ-বিদ্ৰোহৰ সন্মুখত তদানীন্তন ৰাষ্ট্ৰপতি আয়ুব খানৰ সামৰিক প্ৰশাসনে মুজিবৰক মুকলি কৰি দিবলৈ বাধ্য হৈছিল।

১৯৭০ চনত পূব পাকিস্তানৰ উপকূলীয় অঞ্চলত এক সাংঘাতিক ঘূৰ্ণী বতাহৰ ফলত প্ৰায় ৫ লাখ লোকৰ মৃত্যু হৈছিল। এই সময়ত পাকিস্তানৰ কেন্দ্ৰীয় চৰকাৰৰ অসহযোগিতা আৰু উদাসীন আচৰণত বাংলাদেশৰ জনতা ক্ষুব্ধ হৈ পৰিছিল। সেই বছৰতে অনুষ্ঠিত হোৱা সংসদীয় নিৰ্বাচনত বাংলাদেশৰ আৱামি লীগে সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল যদিও পশ্চিম পাকিস্তানৰ চৰকাৰে নানান অজুহাত দেখুৱাই ক্ষমতা হস্তান্তৰৰ পৰা গা এৰাই চলিছিল। তাৰ পিছতে পাকিস্তানৰ তদানীন্তন ৰাষ্ট্ৰপতি জেনেৰেল ইয়াহিয়া খানৰ সৈতে আৱামী লীগৰ শ্বেখ মুজিবুৰ ৰহমানৰ আলোচনা বিফল হোৱাৰ পিছত পশ্চিম পাকিস্তানৰ সেনাই অপাৰেচন চাৰ্চলাইটৰ চলাই বঙালীসকলৰ ওপৰত নিৰ্বিচাৰ আক্ৰমণ কৰিছিল। এই অপাৰেচনত পশ্চিম পাকিস্তানৰ সেনাই প্ৰায় ত্ৰিশ লাখ লোকক নিৰ্দয়ভাৱে হত্যা কৰিছিল আৰু চাৰি লাখ মহিলাক ধৰ্ষণ কৰিছিল। প্ৰাণৰ মমতাত প্ৰায় এক কোটি লোক ভাৰতলৈ পলাই গৈ পশ্চিমবংগ, ত্ৰিপুৰা, মেঘালয়, বিহাৰ আৰু অসমত আশ্ৰয় লৈছিল। আৱামি লীগৰ অধিকাংশ নেতা ভাৰতলৈ পলায়ন কৰিছিল। বাংলাদেশৰ স্বাধীনতা যোদ্ধাসকলে প্ৰায় ন'মাহ সময় পাকিস্তানী সেনাৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। ১৯৭১ খ্ৰীষ্টাব্দৰ ডিচেম্বৰত ভাৰতৰ সহায়ত মুক্তি বাহিনী আৰু বাংলাদেশ সেনাই পাকিস্তান সেনাক পৰাস্ত কৰিছিল। পশ্চিম পাকিস্তানৰ জেনেৰেল নিয়াজীয়ে ১৯৭১ চনৰ ১৬ ডিচেম্বৰত মিত্ৰশক্তিৰ সেনাধ্যক্ষ ভাৰতৰ জেনেৰেল জগজিৎ সিং আৰোৰাৰ হাতত আত্মসমৰ্পণ কৰিছিল।

পশ্চিম পাকিস্তানৰ পৰা স্বাধীনতা লাভ কৰি পূব পাকিস্তান বাংলাদেশ নামৰ এখন নতুন প্ৰজা গণতান্ত্ৰিক দেশ গঠন হৈছিল। বাংলাদেশত প্ৰথমবাৰৰ বাবে সংসদীয় গণতন্ত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল আৰু শ্বেখ মুজিবুৰ ৰহমানে নৱগঠিত দেশখনৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৩ চনৰ সংসদীয় নিৰ্বাচনত আৱামি লীগে নিৰপেক্ষ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। কিন্তু সেই বছৰ আৰু ১৯৭৪ চনত পুনৰ দেশজোৰা দুৰ্ভিক্ষই দেশখনৰ অৱস্থা শোচনীয় কৰি তুলিছিল।

১৯৭৫ চনৰ ১৫ আগষ্টত শ্বেইখ মুজিব আৰু তেওঁৰ পৰিয়ালৰ সকলো লোকক বাংলাদেশৰ সেনাবাহিনী আৰু তেওঁৰ নিজৰ দলৰ একাংশ ৰাজনীতিবিদে বিশ্বাসঘাতকতা কৰিছিল। নিজৰ দেশৰ ৰাষ্ট্ৰপিতা তথা বংগবন্ধুখ্যাত শ্বেখ মুজিবুৰ ৰহমানৰ হত্যাত সমগ্ৰ বাংলাদেশ শোকাকুল হৈ পৰিছিল। সৌভাগ্যবশতঃ শ্বেখ মুজিবুৰ ৰহমানৰ বিদেশত থকা দুয়োজনী নাবালিকা কন্যা হাছিনা আৰু ৰেহেনা বাচি গৈছিল। বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ জ্যেষ্ঠ পুত্ৰীয়েই হৈছে বৰ্তমান বাংলাদেশৰ প্ৰধানমন্ত্ৰী। বিগত পোন্ধৰ বছৰ ধৰি সু-শাসন প্ৰদান কৰি জনতাৰ বিপুল আস্থাক বিজয় কৰা প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ নেতৃত্বত বাংলাদেশত চলি থকা বিভিন্ন সৰু-ডাঙৰ উন্নয়নশীল প্ৰকল্প আৰু কিছু বিশেষ কথা নিজ চকুৰে দেখি অভিভূত হৈছিলো। নিম্নলিখিত মোৰ সেই চাক্ষুষ অভিজ্ঞতাখিনিকে আপোনালোকক অৱগত কৰাব বিচাৰিছো।

১। বৰ্তমান বাংলাদেশৰ জনসংখ্যা হৈছে ১৭ কোটি আৰু মাটি কালি ১,৪৮,৪৬০বৰ্গ কিলোমিটাৰ। এই মাটি কালিৰ এক তৃতীয়াংশ। আকৌ জল নিমগ্ন হোৱাৰ বাবে প্ৰতি বৰ্গ কিলোমিটাৰত জনবসতি অতি ঘন। সেই বাবে চাফ-চিকুণতাৰ দিশত দেশখনৰ অৱস্থা অতি শোচনীয়।

২। ২০২১-২২ বিত্তীয় বৰ্ষত বাংলাদেশৰ জনমূৰি আয় ২,৮২৪ ডলাৰ বা ২,৪১,৪৭০ বাংলাদেশী টাকালৈ বৃদ্ধি পাইছে, যিটো যোৱা বিত্তীয় বৰ্ষত (২০২০-২১) ২,৫৯১ ডলাৰ আছিল। আনহাতে বৰ্তমান মূল্যত ভাৰতৰ জনমূৰি আয় ২০১৯-২০ চনৰ ১.৩২ লাখ টকাৰ তুলনাত ২০২০-২১ চনত হ্ৰাস পাই ১.২৭ লাখ টকা হৈছিল। স্থিৰ মূল্যত বিগত বৰ্ষত ভাৰতৰ বাৰ্ষিক জনমূৰি আয় পুনৰ হ্ৰাস পাই বিগত ২০২১-২২ বৰ্ষত হৈছে গৈ মাত্ৰ ৯১,৪৮১ টকা।

৩। ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা লাভৰ বাবে বাংলাদেশত ৫৩খন ৰাজহুৱা বিশ্ববিদ্যালয়, ১১২খন স্বীকৃতিপ্ৰাপ্ত চিকিৎসা মহাবিদ্যালয়, ১০৫খন ইঞ্জিনিয়াৰিং কলেজ, ৩,১৯২খন কলেজ আৰু সৰ্বমুঠ ২৩,৫০০খন হাইস্কুল আৰু ১,০৮,৫১৫খন প্ৰাথমিক স্কুলৰ লগতে ৬০০০খন কোৱামি মাদ্ৰাছা আৰু ৭০০০খন আলিয়া মাদ্ৰাছা আছে। আলিয়া মাদ্ৰাছাত বিজ্ঞান, গণিত, ইংৰাজী আৰু বঙালী ভাষা পঢ়ুওৱা হয়। আনহাতে, কোৱামি মাদ্ৰাছাত অকল ইংৰাজী আৰু গণিত শিকোৱা হয়। ইয়াৰ উপৰি বাংলাদেশত পাঁচখন টেক্সটাইল বিশ্ববিদ্যালয় আৰু একচল্লিশখন টেক্সটাইল কলেজ আছে।

৪। বাংলাদেশৰ কপাহী কাপোৰ যথেষ্ট উন্নত মানৰ বুলি জনা যায়। সমগ্ৰ বিশ্বত বাংলাদেশৰ কপাহী কাপোৰৰ চাহিদা বহুত বেছি। অনুকূল জলবায়ুৰ বাবে কপাহো যথেষ্ট উৎপাদন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বাংলাদেশে কপাহ আৰু মৰাপাটৰ খেতিৰ বাবে এক সেউজ বিপ্লৱ আৰম্ভ কৰি পৃথিৱীৰ বিভিন্ন দেশলৈ কপাহী কাপোৰ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে।

বিগত সাত বছৰত বাংলাদেশৰ কাপোৰ উদ্যোগে বাৰ্ষিক ৰাজহ ১৯ বিলিয়ন ডলাৰৰ পৰা ৩৪ বিলিয়ন ডলাৰলৈ প্ৰায় ৭৯ শতাংশ বৃদ্ধি হৈছে। ইয়াৰ ফলত দেশখন বিশ্বৰ দ্বিতীয় বৃহত্তম কাপোৰৰ ৰপ্তানিকাৰক হিচাপে পৰিগণিত হৈছে। বাংলাদেশৰ মুঠ ৰপ্তানিৰ আয়ৰ ৮০ শতাংশই এই খণ্ডটোৱে লাভ কৰিছে। হা-মীম হৈছে বাংলাদেশৰ সৰ্বাধিক জনপ্ৰিয় কাপোৰৰ ব্ৰেণ্ড।

৫। তুলনাত্মকভাৱে দুখীয়া বাংলাদেশৰ ৰাজপথত বিভিন্ন নামী-দামী জাপানীজ গাড়ীবোৰ দেখি মনত বহুত প্ৰশ্নৰ উদয় হৈছিল। পাছত গম পাইছিলো যে জাপানৰ ব্যৱহাৰ হোৱা গাড়ী আৰু বিভিন্ন যন্ত্ৰপাতি বাংলাদেশলৈ আমদানি কৰা হয়। এই গাড়ী আৰু যন্ত্ৰ পাতিবোৰ জাহাজযোগে জাপানৰ পৰা চিট্ৰাগং বন্দৰলৈ অনা হয়। ঢাকাৰ ওচৰৰ আসুলিয়াত থকা ব্যৱহৃত গাড়ী আৰু যন্ত্ৰপাতিৰ পাইকাৰী বজাৰখনত গৈ জাপানৰ নামী-দামী গাড়ীবোৰ একেবাৰে পানীৰ দামত বিক্ৰী হৈ থকা দেখি বুজিছিলো যে বাংলাদেশীসকলে আঁঠুৱা চাই ঠেং মেলিব জানে।

৭। সাম্প্ৰতিক শ্বেখ হাছিনাৰ চৰকাৰে জাপান আৰু মধ্য এছিয়াৰ ধনী দেশসমূহৰ সহায় লৈ পৰিবহণ, শিল্প, শক্তি আদিৰ লগতে দেশখনৰ আন্তঃগাঁথনিৰ সবলীকৰণৰ বাবে যথেষ্ট আগভাগ লোৱাৰ কথা জানিব পাৰিছিলো। দেশখনৰ শ্বাহ জালাল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ভৰি থৈয়েই ওচৰতে নিৰ্মাণৰত হৈ থকা বিশালাকাৰ আনটো বিমানবন্দৰ দেখিয়েই বুজিব পাৰিছিলো যে বাংলাদেশে প্ৰগতিৰ পথত খোজ পেলাইছে। বিমানবন্দৰৰ পৰা হোটেললৈ আহি থাকোতেই চকুত পৰিছিল ঢাকাৰ তেজগাঁৱৰ মহখালী আৰু কমলাপুৰ হৈ কুটুবখালীৰ সৈতে শ্বাহজালাল বিমানবন্দৰক সংযোগী সাতছল্লিচ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঢাকা এলিভেটেড এক্সপ্ৰেছৰে প্ৰকল্পৰ কাম।

আসুলিয়াত যোৱাৰ সময়ত দেখিছিলো জাপানৰ সহযোগত উত্তৰা আৰু মোতিজীল সংযোগী বিশ কিলোমিটাৰ দৈৰ্ঘ্যৰ মেট্ৰ' ৰে'ল প্ৰকল্পৰ কাম। আমি যিটো সময়ত 'কা' আন্দোলন কৰি জাপানৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ছিনজো আবে অসমলৈ অহাৰ হেঙাৰ হৈছিলো তেতিয়া তেওঁ বাংলাদেশক মেট্ৰ' ৰে'ল প্ৰকল্প উপহাৰ দি জাপানলৈ উভতিছিল।

মোৰ এই সীমিত বাংলাদেশ ভ্ৰমণ কালত দেশখনত নিৰ্মাণ হৈ থকা ২.৪ গিগাৱাট ৰূপপুৰৰ একমাত্ৰ পাৰমাণৱিক শক্তি উৎপাদন কেন্দ্ৰটো চোৱাৰো সৌভাগ্য ঘটিছিল।

মূৰৰ ওপৰত তিনি দিন ধৰি ৰাজধানী ঢাকা আৰু ইয়াৰ উপকণ্ঠৰ অঞ্চলসমূহত ভ্ৰমণ কৰাৰ সময়ত আমাৰ অসমলৈ প্ৰব্ৰজন কৰা বাংলাদেশী লোকসকলৰ বিপৰীতে ঢাকাত সৰহসংখ্যক মহিলাকহে বোৰ্খা পৰিধান কৰা দেখিছিলো। পুৰুষৰ সমানে সমানে মাৰ্জিতভাৱে শাৰী, চুৰিদাৰ আৰু হিজাব পৰিহিত মহিলাসকল বিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানলৈ যোৱা দেখিছিলো। বৰ্তমান বাংলাদেশত নাৰীৰ শিক্ষা আৰু কৰ্মসংস্থাপনৰ প্ৰতি অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। বৰ্তমানৰ আৱামী লিগ চৰকাৰখনে যৌন উৎপীড়ন আৰু বিবাহ বিচ্ছেদৰ প্ৰতিৰোধ কৰাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰাৰ লগতে জন্ম নিয়ন্ত্ৰণ আৰু নাৰী সবলীকৰণ প্ৰতিও সমাজত সচেতনতা জগাই তুলিছে।

এটা কথা অকপটভাৱে স্বীকাৰ কৰিব লাগিব যে বাংলাদেশীসকল কঠোৰ পৰিশ্ৰমী। সময়ৰ অপব্যৱহাৰ নকৰি সকলো সময়তে দুপইচা অৰ্জনৰ কথা চিন্তা কৰে। প্ৰতিটো শুকুৰবাৰ ৰাষ্ট্ৰীয় বন্ধৰ দিন যদিও বেছি ভাগ বেচৰকাৰী প্ৰতিষ্ঠান খোলা ৰখা দেখা গৈছিল। প্ৰতিষ্ঠানসমূহৰ প্ৰাৰ্থনাৰ গৃহতে কৰ্মচাৰীসকলক নামাজ পাঠ কৰি পুনৰ কামত লাগি যোৱা দেখিছিলো। ধৰ্ম আৰু কৰ্ম দুয়োটাকে সমান্তৰালকৈ পালন কৰি যোৱা দেখি অনুপ্ৰাণিত হৈছিলো। শুকুৰবাৰে ব্যস্ত ঢাকা মহানগৰীৰ কোনো ৰাস্তা পথত যান-জঁটৰ সৃষ্টি কৰি নামাজ পঢ়া নেদেখিলো। প্ৰায়বোৰ মছজিদত নিয়মানুৱৰ্তিতাৰে নামাজ পাঠ কৰা দেখিলো। কোনো মছজিদতে উচ্চ প্ৰাবল্যৰ শব্দত মাইকত নামাজ পঢ়া শুনা নাছিলো। বৰঞ্চ নবী মহম্মদলৈ কৰা নামাজৰ সৰল আৰু পবিত্ৰ শব্দই মনলৈ পবিত্ৰতা নমাই আনিছিল। মোৰ যাত্ৰা কালত দুই-এজন বাংলাদেশী নাগৰিকক সাক্ষাৎ কৰা সময়ত আমাৰ দৰে তেওঁলোকৰ মাজতো অতিথিক আপ্যায়ন কৰা পৰম্পৰা আছে। অতিথিক চাহ-জলপান নুখুৱাকৈ নেৰে। এইবোৰ দেখি-শুনি এটা কথা অনুভৱ কৰিছিলো যে সচৰাচৰ আমি ভবাৰ দৰে বাংলাদেশখন আজি ইমানো পিছপৰি থকা নাই।

সাম্প্ৰতিক সময়ত ধৰ্মীয় গোড়ামি পৰা আঁতৰি দেশখনে শিক্ষা, ব্যৱসায়, পৰিবহণ, যোগাযোগ, শিল্প আৰু উদ্যোগ, পৰ্যটনৰ বিকাশ প্ৰতি যথেষ্ট আগভাগ লোৱা দেখা গৈছে। বংগবন্ধু তথা বাংলাদেশৰ ৰাষ্ট্ৰপিতা প্ৰয়াত শ্বেখ মুজিবুৰ ৰহমানৰ জ্যেষ্ঠ কন্যা শ্বেখ হাছিনাৰ নেতৃত্ব এসময়ৰ দৰিদ্ৰ দেশখনে আজি প্ৰগতিৰ দিশত সোঁ সোঁৱাই আগুৱাই যাব ধৰিছে। ইয়াৰ পৰা এটা কথা বুজিব পৰা গৈছে যে এখন দেশ বিকাশৰ পথত আগুৱাই যাবলৈ হ'লে এজন দূৰদৰ্শী শাসকৰ লগতে দেশখনৰ নাগৰিকসকলো ধৰ্মীয় গোড়ামিৰ পৰা আঁতৰি আহি দেশৰ উন্নয়ন আৰু বিকাশৰ প্ৰতি সচেতন হোৱাৰ অতি প্ৰয়োজন। আজিৰ প্ৰগতিশীল বাংলাদেশে ধৰ্মীয় আস্থাক দেশৰ বিকাশৰ হেঙাৰ হ'বলৈ নিদি অনুপ্ৰেৰণা আৰু আত্মবিশ্বাসৰ আধাৰ হিচাপে লোৱা উচিত বুলি প্ৰমাণ কৰি দিছে। একমাত্ৰ গোড়া ধৰ্মীয় চিন্তাধাৰাই জীৱনৰ লক্ষ্য নহয়। পৃথিৱীৰ সকলোবোৰ ধৰ্মগ্ৰন্থতো একমাত্ৰ ধৰ্মীয় হোৱাৰ বিপৰীতে ধাৰ্মিক আৰু কৰ্মমুখী হ'বলৈ উপদেশ দিয়া হৈছে। ৰাষ্ট্ৰধৰ্ম হৈছে পৰম ধৰ্ম, গতিকে আহকচোন আমি সকলোৱেই ধৰ্মীয় গোড়ামিৰ পৰা আঁতৰি এখন বিকশিত ভাৰত গঠনত নিজৰ সাধ্যাতীত অৰিহণা আগবঢ়াই যাওঁ।

*সাহিত্য অভিযন্তা*
*নয়দা, উত্তৰ প্ৰদেশ*

# অসম সাহিত্য সভা আৰু গাহৰি বিতৰ্কৰ প্ৰসংগত

■ ব্ৰজেন জীৱন

অসমীয়া স্বাভিমান অসমীয়া ভাষা নামৰ নৌকাখনৰ ব'ঠা ধৰি থকা জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ শিৱসাগৰ কাৰ্যনিৰ্বাহকত বোলে এইবাৰ গাহৰি প্ৰসংগই বেছ প্ৰভাৱ পেলালে। শিৱসাগৰীয়া সাহিত্য সংগঠকসকলৰ ভূমিকাৰ কথা নক'লোৱেইবা। অসম সাহিত্য সভাৰ প্ৰতি থকা চকু চৰহামখাই বিষয়টো ওলাবলৈ যেন বাটহে চাই আছিল। সন্দিকৈ বোলা এজনেতো সাহিত্য সভা আৰু গাহৰি প্ৰসংগত ৰচনাই লিখি পেলালে। মাৰ্ক জোকাৰবাৰ্গৰ সৃষ্টি ফেচবুকত বিষয়টোৱে বাৰুকৈয়ে ঠাই পালে। মানে বিষয়টো ভাইৰেল হৈ পৰিল। গাহৰি খাদ্য নিষিদ্ধ শিৱসাগৰত গাহৰি খাদ্য অসম সাহিত্য সভাত ক'ৰ পৰা আহিল সেই বিষয় এতিয়া শাম কাটিলে। শাম কাটিলে অসমীয়া স্বাভিমান গামোচাৰ পৰিবৰ্তে মিছিং গামোচা প্ৰদানৰ প্ৰসংগও। কোনে কোনে গাহৰিৰ আচৰণ কৰিলে, কোনে কোনে খণ্টি মাৰিছে তাক লৈহে চৰ্চা তুংগত উঠিছে। নকৈ নোৱাৰি বোলো ফটা মুখ, ক'লেও লাগে বোলে ভকতৰ দোষ। দিনবোৰ বহুত সলনি হ'ল। চাৰিওফালে অৰাজকতা। কোনেও কাৰো কথা নামানে। সকলো পণ্ডিত হ'ল। অপণ্ডিত কোনো নাই। সমাজত ডাঙৰ বুলি, জ্যেষ্ঠজন বুলি কোনেও সামান্যভাৱেও শ্ৰদ্ধা নকৰা হ'ল। যুৱ প্ৰজন্মই গুৰু-গোসাঁই নমনা হ'ল। মদ্যপান কৰি যুৱসমাজ অধঃপাতে গ'ল। চৰকাৰে মদ সহজলভ্য কৰি দিয়াত মদ্যপায়ীৰ সংখ্যাও দিনক দিনে বৃদ্ধি হৈ আহিল। মদ্যপান কৰাত অসমৰ মহিলাসকলো পিছপৰি নাথাকিল। দেশৰ ভিতৰতে অসমৰ মহিলা ৰঙীণ পানীয় পিয়াত প্ৰথম হ'ল। অসমৰ জাতীয় সংগঠনসমূহৰ সভা-সমিতিবোৰৰ বিষয়ববীয়াৰ লোলোপ দৃষ্টিও বাঢ়িল মদ-মাংসৰ ওপৰত। মুঠৰ ওপৰত ৰাজ্যখনৰ ভৱিষ্যৎ পোহৰ নে অন্ধকাৰ ধৰিবলৈ টান হৈ পৰিল। সেয়া সময়তহে গম পোৱা যাব। অৱশ্যে যি দেখিছোঁ ভৱিষ্যতে পোহৰ হ'ব বুলি মনে নধৰে। অসম আৰু অসমীয়াৰ ভৱিষ্যৎ অতি বেয়া। অসমীয়া হিচাপে জীয়াই থকাৰ আশা ক্ষীণ হৈ পৰিছে। অসমৰ মাটি বহিৰাগতৰ হাতলৈ গৈ আছে। অসমীয়া শিক্ষিত যুৱকে হা চাকৰি হা চাকৰি কৰি হাবাথুৰি খাব লাগিছে। অথচ বহিৰাগতই আমাৰ চাকৰি- বাকৰি, ঠিকা-ঠুকলি কুক্ষিগত কৰিছে। জাতীয় চেতনা বোলা বস্তু এটা নাই অসমীয়াৰ। হেৰুৱায় পেলাইছে যেন অসমীয়াই নিজৰ জাতীয় সত্তা। তাহানিৰ বদন বৰফুকন আৰু ল'ৰা ৰজাৰ ভঙা-পতাৰ খেল চাই ভাল পোৱা অসমীয়াৰ চৰিত্ৰ আজি জলজল পটপট। প্ৰতিটো অনুষ্ঠানৰ পৰাই যোগ্যজনক আঁতৰাই ধুৰন্ধৰ, দুৰ্নীতিপৰায়ণসকলে নানান কূট-কৌশলেৰে ৰাজপাত দখল কৰি ৰাজভোগ খাই অহা পৰিলক্ষিত হৈছে। আৰু আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম বুলি সান্ত্বনা লভাসকলে ভৃত্যৰ দৰে মদ-মাংস এগাল ডিঙিলৈকে গিলি ঘুমতি মাৰিব লাগিছো। মুঠৰ ওপৰত কি জাতীয় সংগঠন, কি সাংস্কৃতিক সংগঠন, কি অনুষ্ঠান-প্ৰতিষ্ঠান সকলোৱে এক অবুজ ৰাজনীতিৰ মেৰপাকত সোমাই পৰিছে। পাবত গজা এচাম নেতাই পদবী আৰু পদৰ লালসাৰ দৌৰত এনেদৰে দৌৰিব লাগিছে যে সঠিক দিশৰ পৰা পিছলি পৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। ৰাস্তা, ঘাট, সভা, সমিতি সকলোতে ৰাজনীতি আৰু কূটনীতিৰে ভৰি পৰিছে। এতিয়া ইজনে সিজনক টুপী পিন্ধোৱাৰ ৰাজনীতিৰ মেৰপাকত সোমাই পৰিছে। ৰাজনীতিৰ এই মেৰপাকৰ পৰা জাতীয় সংগঠনবোৰ ওলাই আহিব নোৱাৰিলে মহাভাৰতৰ অভিমন্যুৰ দশা যে নহ'ব তাক নুই কৰিব নোৱাৰি। এতিয়াও সময় আছে। জাতীয় সংগঠনৰ নেতাই নিজৰ ভূমিকা যথাৰ্থ ৰূপত পালন কৰক।

*ফোন ঃ ৮৬৩৮৭-৫৯৬৭৯*

# ঐতিহাসিক অসম আন্দোলনৰ প্ৰথমগৰাকী মহিলা শ্বহীদ বৈজয়ন্তী দেৱী (উপাধ্যায়)

■ অপূৰ্ব বৰা

অসম আন্দোলনৰ প্ৰথম মহিলা শ্বহীদ আৰু শোণিতপুৰৰ প্ৰথম শ্বহীদ বৈজয়ন্তী দেৱীৰ জন্ম জয়ন্তীত শোণিতপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থা তৰফৰ পৰা কোটি কোটি নমন আৰু শ্ৰদ্ধা অৰ্পণৰে সোঁৱৰাৰ লগতে তেওঁৰ আত্মজীৱনী কথা চমুকৈ বৰ্ণনা কৰা হৈছে। শোণিতপুৰ জিলাৰ বুঢ়াচাপৰিৰ এটি সৰু পৰিয়ালত ১৯৫৯ চনৰ ১৯ জুলাইৰ দিনা বৈজয়ন্তী দেৱীৰ জন্ম হয়। তেখেতৰ দেউতাৰ নাম অমৰ উপাধ্যায় আৰু মাকৰ নাম শান্তি দেৱী। বৈজয়ন্তী দেৱী অমৰ উপাধ্যায়ৰ তিনিজনী কন্যাৰ ভিতৰত দ্বিতীয়া কন্যা। প্ৰাইমাৰী স্কুলৰ দেওনা পাৰ হৈ বৈজয়ন্তীয়ে শ্বিলঙৰ জেইল ৰোডৰ ছোৱালী হাইস্কুলত পঢ়ে। পাছত তেজপুৰৰ বহুমুখী ছোৱালী কন্যাবিদ্যালয়ত ভৰ্তি হয়। বাল্যকালৰ পৰাই সাংস্কৃতিক মনোভাবাপন্ন বৈজয়ন্তীৰ শিক্ষাৰ লগে লগে আৰম্ভ হয় সাংস্কৃতিক জীৱন। তেখেতে অসমৰ বিভিন্ন ঠাইত নৃত্য, গীত পৰিৱেশন কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। ১৯৭৫ চনত তেখেতে অৰুণাচলত অনুষ্ঠিত হোৱা 'অসম-অৰুণাচল ছাত্ৰৰ সাংস্কৃতিক বিনিময় সন্মিলনত অসমৰ পৰা প্ৰতিনিধিত্ব কৰিছিল। ১৯৭৬ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম গোৰ্খা সন্মিলনৰ সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন গীত-মাত আৰু বিহু পৰিৱেশন কৰি যথেষ্ট কৃতিত্ব অৰ্জন কৰিছিল। সেই সন্মিলনত অংশগ্ৰহণ কৰা তদানীন্তৰ অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই বৈজয়ন্তী দেৱীৰ বিহু নৃত্যত মুগ্ধ হৈ ভাষণ প্ৰসঙ্গত কৈছিল, 'বৈজয়ন্তী দেৱীয়ে অসমৰ কলা-সংস্কৃতিক আঁকোৱালী লৈ বিকাশৰ কাৰণে যি চেষ্টা চলাইছে, ঠিক সেইদৰে অন্যান্য জনগোষ্ঠীৰ লোকেও যাতে বৈজয়ন্তী দেৱীৰ আদৰ্শৰে অনুপ্ৰাণিত হয়।' (বৈজয়ন্তী দেৱীৰ চমু জীৱন, জীতু হাজৰিকা, বৈজয়ন্তী দেৱী সোঁৱৰণী গ্ৰন্থ) তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত চান্দমাৰী স্বেচ্ছাসেৱক বাহিনীৰ সক্ৰিয় সদস্য বৈজয়ন্তী দেৱী। অসম আন্দোলনৰ আৰম্ভণিৰে পৰাই প্ৰতিটো কাৰ্যসূচীতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। এইগৰাকী সক্ৰিয় সদস্যাই 'ৰণশিঙা দিৱস'ত শঙ্খবাদন কৰি সমস্ত গণ-আন্দোলনকাৰীক উদ্বাউল কৰি তুলিছিল আৰু সেইদিনাই তেজপুৰৰ জজফিল্ডৰ ওচৰত, প্ৰছেচনৰত অৱস্থাত শঙ্খবাদনৰ ফলত মস্তিষ্ক আক্ৰান্তত অসুস্থ হৈ পৰে আৰু তেজপুৰ অসামৰিক চিকিৎসালয়ত ১৯৮০ চনৰ ১৬ আগষ্ট শনিবাৰে নিশা ৮.১৫ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। বৈজয়ন্তী দেৱী স্পষ্টবাদী, অমায়িক আৰু মিতব্যয়ী আছিল। গোৰ্খা মাতৃৰ গৰ্ভৰ পৰা জন্মগ্ৰহণ কৰিলেও, অসমী আইৰ এইগৰাকী সুযোগ্য সন্তানে আইৰ কৰুণ বিননি শুনি আগবাঢ়ি আহিছিল আইক উদ্ধাৰ কৰিবলৈ। কিন্তু ভগৱানে তেখেতক আমাৰ মাজৰ পৰা সোনকালেই কাঢ়ি লৈ গ'ল। বৈজয়ন্তী দেৱীৰ মৃত্যুত অসমে এগৰাকী শিল্পী আৰু সক্ৰিয় আন্দোলনকাৰীক হেৰুৱালে। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত বৈজয়ন্তী দেৱীয়ে প্ৰথমৰ পৰাই সক্ৰিয় ৰূপত সহযোগিতা আগবঢ়াইছিল আৰু বিশেষকৈ এগৰাকী সফল শ্ল'গানকাৰী হিচাবে তেখেতে চাঞ্চল্য সৃষ্টি কৰিছিল। শোণিতপুৰ শিল্পী সমাজৰ সভাপতি তথা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ প্ৰবক্তা প্ৰয়াত হেমন্ত বৰুৱাই বৈজয়ন্তী দেৱীৰ সোঁৱৰণী গ্ৰন্থৰ 'এটি স্কেচ ঃ স্বৰ্গগতা বান্ধৱীৰ' নামে লিখনিত লিখিছে— দুহাতেৰে মুখখন ঢাকিবলৈ যিজনী স্বেচ্ছাসেৱিকাই 'যদি হোৱা অসমীয়া আমাৰ লগত যোগ দিয়া' বুলি উচ্চস্বৰে শ্ল'গান দিছিল, সেইজনীয়েই আছিল মোৰ বাল্যকালৰ বান্ধৱী বৈজয়ন্তী। প্ৰাইমাৰী স্কুলত পঢ়ি থকা কালছোৱাতেই বৈজয়ন্তীক মই পাইছিলোঁ সকলো সময়তে হাঁহিৰ খোৰাক যোগাব পৰা, বেদনাৰ মাজতো আনন্দৰ উৎস সৃষ্টি কৰিব পৰা বান্ধৱী হিচাপে। ক্ৰীড়া আৰু সাংস্কৃতিক দিশতো পটু আছিল বৈজয়ন্তী। 'বৈজয়ন্তীক মই যিদৰে বুজিছিলোঁ', নামৰ লিখনিত দৰং কলেজৰ প্ৰাক্তন অধ্যাপক দুৰ্গা প্ৰসাদ উপাধ্যায় ডাঙৰীয়াই লিখিছে— 'বৈজয়ন্তী পৰাজয় স্বীকাৰ নকৰা বিধৰ ছোৱালী, হ'ব পাৰে আমাৰ নিচিনা অনুন্নত সম্প্ৰদায়ৰ ঘৰত জন্মগ্ৰহণ কৰি তাইৰ সুপ্ত প্ৰতিভাই বিকাশৰ যি সম্বল পাব লাগে সেইটো হৈ নুঠাত তাই জেদী, প্ৰত্যাহ্বানমুখী আৰু সেও নমনা স্বভাৱৰ হৈ পৰিছিল। বৈজয়ন্তী স্বৰ্গৰ অপ্সৰাসদৃশ, মৰ্ত্যলোকৰ জোনাকী স্বৰূপ, চান্দমাৰী গাঁৱত তাইৰ ক্ষন্তেকীয়া সূৰুযৰ পোহৰে জিকমিকাই ৰখা শীত বিন্দুস্বৰূপ চান্দমাৰীৰ মাটিত বিলীন হ'ল। মুখত অনবৰত বিৰিঙি থকা হাঁহি, মিলনশীল স্বভাৱ, সামাজিক উন্নতিৰ প্ৰতি অটুট ধাউতী, কিছু জেদী মনোভাবাপন্ন, কলানুৰাগী, সমন্বয়শীলতা আদি বৈশিষ্টতাই তাইৰ ব্যক্তিত্বৰ পৰিচয় দিয়ে।' তেখেতৰ পিতৃ অমৰ উপাধ্যায়ে জানিবলৈ দিয়া মতে বৈজয়ন্তী দেৱী নিৰ্ভীক আৰু স্পষ্টবাদী আছিল। কোনো কথাতে তাই ভয় খোৱা নাছিল। অসম মাতৃক তাই বৰ মৰম কৰিছিল। তাই অসম আন্দোলনৰ প্ৰথম মহিলা শ্বহীদ আৰু শোণিতপুৰৰ প্ৰথম শ্বহীদ হয়। অসম আন্দোলনৰ সময়ত অসম মাতৃক বিদেশীমুক্ত কৰিবলৈ ছজনকৈ গোৰ্খা সন্তানেও প্ৰাণ আহুতি দিছিল। সদৌ অসম ছাত্ৰ সন্থাই ঘোষণা কৰা অসম আন্দোলনৰ ৮৫৫গৰাকী শ্বহীদৰ ভিতৰত বৈজয়ন্তী দেৱী আৰু পাঁচগৰাকী গোৰ্খাৰো নাম আছে। অসম আন্দোলনত অসমৰ প্ৰথম মহিলা শ্বহীদ আৰু শোণিতপুৰৰ প্ৰথম শ্বহীদ বৈজয়ন্তী দেৱীৰ জন্ম-জয়ন্তীত কোটি কোটি নমন আৰু শ্ৰদ্ধা অৰ্পণ কৰাৰ লগতে তেওঁৰ আত্মজীৱনীৰ বিষয়ে কিছু তথ্য দাঙি ধৰি শ্ৰদ্ধাঞ্জলি জনালোঁ।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# সাম্প্ৰদায়িকতাৰ ৰাজনীতি

ভাৰতবৰ্ষত ধৰ্মীয় সাম্প্ৰদায়িকতাৰ উত্থান দিনক দিনে দ্ৰুততৰ হৈ আহিছে। এই ঘটনাটো ভাৰতৰ বস্তুগত প্ৰগতি, মননগত উৎকৰ্ষ আৰু সামাজিক কল্যাণৰ বাবে প্ৰচণ্ড ভাবুকিস্বৰূপ। বিগত কেইটামান বছৰত এই নেতিবাচক আলোড়নে এটা নতুন মাত্ৰা লাভ কৰিছে যাৰ ফলস্বৰূপে ৰাজনৈতিক ক্ষেত্ৰখনত সাম্প্ৰদায়িক নামৰ অপশক্তিটোৱে দখল কৰিছে বিপুল ক্ষমতা। ভাৰতবৰ্ষৰ পটভূমিত অতীতৰে পৰা ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰা অতি প্ৰাসংগিক। আমি নিজেও নিজৰ ধৰ্মক লৈ সদায় গৌৰৱান্বিত। কিন্তু ধৰ্ম আৰু সাম্প্ৰদায়িকতাৰ বীজ সিঁচি সমাজ বা দেশ এখনৰ অস্তিত্ব আৰু সুস্থিৰতা নাশ কৰাটো কোনোদিনে যুক্তিসংগত হ'ব নোৱাৰে। ভাৰতৰ ৰাজনীতিত ব্যাপক আৰু বিস্তাৰিতভাৱে ধৰ্মীয় সাম্প্ৰদায়িকতাক ব্যৱহাৰ কৰাৰ সূত্ৰপাত হৈছিল ইংৰাজ আমলেৰে। ইংৰাজে ভাৰতবৰ্ষত নিজৰ শোষণ আৰু শাসনৰ স্বাৰ্থতেই ধৰ্মীয় সাম্প্ৰদায়িকতাক অতি চতুৰতাৰে ব্যৱহাৰ কৰিছিল। তাৰ উদাহৰণ ভাৰতবৰ্ষৰ ইতিহাসত আজিও বৰ্ণিত আছে। সেই ইংৰাজসকলৰ ভাৱধাৰাৰ দৰে আজিৰ ৰাজনৈতিক নেতাসকলে নিজৰ ৰাজনৈতিক স্বাৰ্থসিদ্ধি নাই কৰা বুলি এতিয়া ক'ব নোৱাৰি।

দেশৰ ৰাজনীতিত এতিয়া কেৱল সাম্প্ৰদায়িকতা। এই সাম্প্ৰদায়িকতাই পৰৱৰ্তী সময়ত কিমান বিষবাষ্পৰ দৰে বিয়পিব পাৰে সেয়া হয়তো কল্পনাৰো অতীত। ভাৰতবৰ্ষত হিন্দু-মুছলমান উভয় পক্ষৰ সাম্প্ৰদায়িক ৰাজনীতি হৈছে আপেক্ষিক বস্তু। আপেক্ষিক এইকাৰণেই যে এটা সাম্প্ৰদায়িক ৰাজনীতিৰ লগত আন এটা সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থান-পতনৰ ওতঃপ্ৰোতভাৱে সম্পৰ্ক আছে। এপিনে ধৰ্মৰ ভিত্তিত ৰাজনীতি কৰি সংখ্যাগুৰুসকল যিমানেই আগুৱাই যাব, আনপিনে ভীত আৰু সন্ত্ৰস্ত হৈ ধৰ্মীয় সংখ্যালঘুসকলেও সিমানেই একগোট হৈ সাম্প্ৰদায়িক ৰাজনীতি আৰম্ভ কৰিব। সংখ্যাগুৰুসকলৰ সাম্প্ৰদায়িক ৰাজনীতিৰ ভয়ত পেপুৱা লাগি ধৰ্মীয় সংখ্যালঘুসকল একত্ৰিত হয় আৰু তেওঁলোকেও সাম্প্ৰদায়িক ৰাজনীতি কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত ধৰ্মক মূল হাতিয়াৰ হিচাপে লৈ ৰাজনীতি কৰা দুয়ো পক্ষৰ চতুৰ ৰাজনীতিকসকলৰ লাভ হয়। হিন্দু নেতাসকলে হিন্দু ভোটাৰক মুছলমানৰ ভয় দেখুৱাই ভোট আদায় কৰে, আনপিনে মুছলমান নেতাসকলে হিন্দুৰ ভয় দেখুৱাই মুছলমানৰ ভোট আদায় কৰে। দুয়ো পক্ষৰেই ৰাজনীতিৰ দোকানখন চলি থাকে অনায়াসে। কেন্দ্ৰত আমি কৰি ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত এতিয়া এইজাতীয় ৰাজনীতিৰ জয়-জয়কাৰ। সাম্প্ৰদায়িক ৰাজনীতিৰ চাকনৈয়াত পৰি সাধাৰণ মানুহে হাবুডুবু খায়, কিন্তু দুয়োপক্ষৰ সাম্প্ৰদায়িক নেতাসকলে তেওঁলোকৰ মাজৰ ব্যক্তিগত সম্পৰ্ক ঠিকেই ৰাখে। কেৱল মাইকৰ সন্মুখত এজনে আনজনক হকে-বিহকে গোৱাল গালি পাৰে। সেই যে আমাৰ এষাৰ কথা আছে- 'লোকক দেখুৱাই কেঁচোৱাই মাতিবা, ভিতৰি নেৰিবা ব্যথা'। এনেকুৱা ৰাজনীতিয়ে জনসাধাৰণ উলম্বভাৱে বিভাজিত হৈ পৰে। নেতাবোৰৰ ৰাজনীতি চলিয়েই থাকে, মাজৰ পৰা বৌ বৌ নৰকত পুৰি মৰে দেশৰ জনতা। তেনেহ'লে এতিয়া জনতাই কৰিব কি?

আধুনিকতাই স্থান লোৱা আমাৰ দেশত কেতিয়ালৈকে থাকিব সাম্প্ৰদায়িকতাৰ স্থান? নেতাসকলে জনতাৰ দুৰ্বলতাৰ সুযোগ লৈ নিজৰ স্বাৰ্থসিদ্ধি আৰু ৰাজনৈতিক সফল হিচাপে কৰি যাব সাম্প্ৰদায়িক মন্তব্য আৰু ফল ভোগ কৰি থাকিব জনতাই। সাম্প্ৰদায়িকতাৰ পোষকতা কৰা প্ৰতিজন মানুহেই শিক্ষিত আৰু সু-প্ৰতিষ্ঠিত। আমি হাজাৰ চেষ্টা কৰি এইবোৰ অশিক্ষিত, দুখীয়া মানুহ বিচাৰি নাপাও যিজন সাম্প্ৰদায়িক হ'ব।

**জনাৰ্দন তালুকদাৰ**
*নলবাৰী, অসম*

# বৰ্তমান অন্ধবিশ্বাসৰ দীঘ-পুতল

লোক বিশ্বাস আচাৰ অনুষ্ঠান, ধৰ্মীয় কৃত্য আৰু ধৰ্মৰ বুনিয়াদ স্বৰূপ। অন্য প্ৰকাৰে লৈ লোক বিশ্বাসক ধৰ্মীয় ক্ৰিয়া-কাণ্ড আৰু আচাৰ অনুষ্ঠানৰ চনদ, হুকুমনামা আৰু পথপঞ্জী বুলিব পাৰি। বিশ্বাস প্ৰধান সমাজত লোক বিশ্বাস পৰম্পৰাগতভাৱেই চলি থাকে। কোনো কোনো পণ্ডিতৰ মতে লোক বিশ্বাসৰ উৎস অযৌক্তিত প্ৰত্যয়। সাধাৰণতে যি সমাজৰ মানসিক দিগন্তৰ পৰিসৰ তুলনামূলকভাৱে সীমিত আৰু বিচাৰ-বিবেচনাৰ পৰিসৰ ঠেক, তেনে সমাজতহে লোক বিশ্বাসৰ জনপ্ৰিয়তা লক্ষ্য কৰিব পাৰি। যিবোৰ নৈসৰ্গিক কাৰণ অথবা জাগতিক ব্যাপাৰ যুক্তি-তৰ্কৰ সহায়ত সমাধান কৰিব নোৱাৰি সেইবোৰৰ আধাৰত লোকবিশ্বাসৰ সৃষ্টি হয়, দ্বিতীয়তে, ভয় আৰু বিস্ময়ভাবৰ বাবেও লোকবিশ্বাসৰ সৃষ্টি হ'ব পাৰে। এই লোক বিশ্বাসৰে এটা প্ৰধান অংশ হ'ল যুক্তিহীন বিশ্বাস বা অন্ধবিশ্বাস। অন্ধবিশ্বাসৰ ইংৰাজী প্ৰতিশব্দ Superstition পদটো লেটিন Stareৰ পৰা উদ্ভৱ হৈছে। Stareৰ প্ৰতিশব্দ Survival। Superstitionৰ সমাৰ্থক গ্ৰীক শব্দ Deisidaimonia আৰু ইয়াৰ অৰ্থ ঈশ্বৰৰ প্ৰতি ভয়। সহজ ভাষাত ক'বলৈ গ'লে যি ব্যাপাৰৰ কাৰ্য-কৰণ যুক্তিনিষ্ঠভাৱে অধ্যয়ন কৰিব পাৰি তাতেই বিজ্ঞানৰ স্থিতি লক্ষ্য কৰা যায়; আৰু য'ত বিজ্ঞান বিফল হৈছে তাতেই অন্ধবিশ্বাস-যাদু আৰু ধৰ্মই প্ৰাধান্য লাভ কৰিছে। দূষিত বায়ু, অশুৱনি শব্দ, প্ৰদূষিত মাটি-পানী আদিয়ে আমাৰ চৌপাশৰ পৰিৱেশক যিদৰে প্ৰদূষিত কৰে ঠিক সেইদৰে অন্ধবিশ্বাসে মানুহৰ মন মগজক কলুষিত কৰি গোটেই সমাজখন প্ৰদুষিত কৰে।

মানুহ যিমানেই শিক্ষা-দীক্ষা আদিত আগবঢ়া নহওক কিয় শতকৰা ৯০% ভাগ মানুহেই লোকবিশ্বাস, অন্ধবিশ্বাস আৰু যাদুবিদ্যাৰ আস্থা স্থাপন কৰে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিয়ে বিভিন্ন ক্ষেত্ৰত ন ন সম্ভেদ দিয়াৰ পাছতো যিসকলে কিছুমান যুক্তি নথকা বিষয়ত খামুচি ধৰি থাকে, সেইসকলেই অন্ধবিশ্বাসী। অধ্যয়ন বিমুখ মনোবৃত্তি, নেতিবাচক দৃষ্টিভংগী, বিজ্ঞানমনস্কতা আৰু যুক্তিবাদী চিন্তাৰ অভাৱ আদিৰ কাৰণতেই আজিৰ সমাজত অন্ধবিশ্বাসে খুপনি পিটি থাকিব পৰা মূল কাৰণ।

সংবিধানৰ ৫১(ক) অনুচ্ছেদ অনুসৰি ভাৰতৰ সকলো নাগৰিকৰ মাজত বিজ্ঞানমনস্কতা, মানৱতা, অনুসন্ধিৎসু আৰু সংস্কাৰৰ বিকাশৰ বাবে ৰাষ্ট্ৰই চেষ্টা কৰিব বুলি উল্লেখ আছে যদিও ব্যৱহাৰিক ক্ষেত্ৰত তাৰ বিপৰীতে অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰতিহে প্ৰায় মানুহ দিনে দিনে আগ্ৰহী হোৱা দেখা গৈছে। দেখি আচৰিত লাগে— যিখন দেশত ৰেইল লাইনৰ দাঁতিত, ৰাজপথত কত শিশুৰ পৰা বৃদ্ধলৈকে ভোকত কলমলাই পৰি থাকে সেইখন দেশতে ভগৱান বিচাৰি শিল এটাৰ ওপৰতে কত গাখীৰ, ঘিউ, মৌ আদিৰ নদী বোৱাই দিয়ে, বানপানীৰ পৰা ৰক্ষা পাবলৈ নদ-নদীৰ পূজাৰ নামত লাখ লাখ-কোটি কোটি টকাৰ ব্যয় কৰা হয়, বমাৰৰ পৰা ৰক্ষা পাবলৈ থাল-বাটি কোবাই চৌদিশ তালফাল কৰা হয় আনকি বৰ্তমানে দায়িত্ব পালনৰ হেতু ৰাষ্ট্ৰৰ মুৰব্বী গৰাকীকো পুৰোহিতৰ দ্বাৰা পূজা-পাতল কৰি শুদ্ধিকৰণ কৰা দেখা গৈছে। এই অবাস্তৱ আৰু অপবৈজ্ঞানিক বিশ্বাসে সমাজখনক সেই আদিম যুগলৈ লৈ যোৱা নাইনে! ইয়াৰ উপৰিও বৰ্তমানে ছ'চিয়েল মেডিয়ায়ো এই ক্ষেত্ৰত এক সবল ভূমিকা গ্ৰহণ কৰিছে। ফে'চবুক, হোৱাটচএপত প্ৰায় সময়তে কিছুমান ফ'টো বিতৰণ হৈ ফুৰে কেৱল এই অন্ধবিশ্বাৰ কৰাল গ্ৰাহত পৰিয়েই। 'এই ফটোখন যিমান পাৰে ছেয়াৰ কৰক, দিনটোত ভাল খবৰ পাব', এই ফটোখন শ্বেয়াৰ কৰিলে আৰ্থিকভাৱে লাভৱান হ'ব' আদিৰ দৰে বহু অযুক্তিকৰ কথা চচিয়েল মেডিয়াৰ বজাৰখনত ঘূৰি ফুৰে, যাৰ পাকচক্ৰত পৰে চচিয়েল মেডিয়া ব্যৱহাৰ কৰা লাখ লাখ, কোটি কোটি মানুহ। একেদৰেই দৈনন্দিন জীৱনতো শুই উঠাৰ পৰাই প্ৰায়সংখ্যক লোকে বিভিন্ন অন্ধবিশ্বাত দিনটো পাৰ কৰে। যেনে— গাড়ীৰ আগেৰে মেকুৰি এটা পাৰ হৈ যোৱাটো অমংগল বুলি ভবা, শুই উঠিয়ে দুটা শালিকী দেখিলে দিনটো শুভ বুলি ভবা আদি কথাবোৰ আজিৰ দিনতো প্ৰায় মানুহেই মানি চলে। ইয়াৰ কাৰণ হ'ল কেৱল যুক্তিহীন মন। যুক্তিবাদী আৰু জ্ঞান অন্বেষী মন এটাই বিজ্ঞানমনস্কতাৰ ফালে বাট দেখুৱাই যিয়ে অন্ধবিশ্বাসক অৱজ্ঞা কৰে। প্ৰকৃততে পৰম্পৰাগত চিন্তা, দেৱতা-অপদেৱতাৰ কাহিনী পঠন-শ্ৰৱণে আমাৰ মনোজগতত অন্ধবিশ্বাসৰ প্ৰাথমিক শিপা মেলাৰ পথ প্ৰশস্ত কৰে। অন্ধবিশ্বাস বিয়পাৰ মূল কাৰণেই হ'ল শৈক্ষিক আৰু ৰাজনৈতিক। চাবলৈ গ'লে শ্ৰেণী বিভক্ত সমাজ এখনত ৰাজনৈতিক প্ৰতিপত্তিৰ বাবেও অন্ধবিশ্বাসে সমাজত খুপনি ধৰি আছে। ইয়াক সহজে আঁতৰ কৰাটো ইমান সহজ কথা নহয়। অপবৈজ্ঞানিক বিশ্লেষণৰ ফলতো সমাজখন আদিম অৱস্থাতে ৰৈ যোৱাৰ দৰে হৈ পৰিছে। এই সমস্যাটো এক মহামাৰীতকৈ কোনোপধ্যে কম নহয়। ইয়াৰ প্ৰতিষেধকৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তিয়েই সচেতন হ'ব লাগিব। নিজৰ নিজৰ মনটোক যুক্তিবাদী কৰি গঢ় দিব লাগিব। বৰ্তমান বিজ্ঞানমনস্ক, যুক্তিবাদী চিন্তাধাৰাৰ জাগৰণ আৰু প্ৰসাৰৰ বহু প্ৰয়োজন নৱপ্ৰজন্মৰ মাজত। বৰ্তমান প্ৰজন্মৰ মাজত যুক্তিবাদ এনেদৰেই বিলাই দিব লাগিব যাতে নৱপ্ৰজন্মই যুক্তিৰ সপক্ষে সাহসেৰে থিয় দি এক সুস্থ সমাজ ব্যৱস্থা গঢ়ি তুলিব পাৰে।

**গীতালি কেওট বৰা**

# বাতৰি কাকত পঢ়াটো ভাল অভ্যাস



সাম্প্ৰতিক সময়ত ডিজিটেল মাধ্যমৰ সক্ৰিয় হোৱাৰ ফলত মানৱ জীৱনৰ পৰা পৌৰাণিক কিছুমান সম্পদ নিষ্ক্ৰিয় হোৱা দেখিবলৈ পাইছোঁ। কিন্তু ইয়াৰ ভিতৰত বাতৰিকাকতে এতিয়া জীৱিত অৱস্থাত আছে বুলি ক'ব পাৰোঁ। কিয়নো কিছুমান লোকে ৰাতিপুৱা ঘৰত বাতৰি কাকতখনৰ পৃষ্ঠাবোৰ এবাৰ চকু ফুৰাব নাপালে শান্তি নহয়। সেয়ে তেওঁলোকে নিজৰ প্ৰিয় বাতৰিকাকতখন ঘৰত ৰাখিবলৈ চেষ্টা কৰে। আচলতে বাতৰিকাকত পঢ়াটো এজন মানুহৰ কাৰণে এটা ভাল অভ্যাস বুলি ক'ব পাৰোঁ। টেলিভিছনত বাতৰি পালেও কাকতখনৰ দৰে সকলো উপলব্ধ নহয়। কিয়নো কাকতখনে স্থানীয়, দেশী-বিদেশী খবৰ দিয়াৰ উপৰিও সম্পাদকীয় পৃষ্ঠাৰ লগতে বিভিন্ন কাকতে বিভিন্ন নামেৰে সম্ভলিত শিতানে কিছুমান পৃষ্ঠাত শিশুৰ পৰা বয়োজ্যেষ্ঠজনৰ উপকৃত হ'ব পৰাকৈ কিছুমান অতি গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰে। ইয়াৰ ভিতৰত অন্যতম উল্লেখিত অসমৰ অন্যতম পুৰণা বাতৰিকাকত আমাৰ অসমে সম্পাদকীয় পৃষ্ঠাৰ লগতে বিন্নমত, জনমত শিতান সম্ভলিত কৰি অসমৰ লগতে দেশী-বিদেশী সমস্যা আৰু সম্ভাৱনাৰ সম্পৰ্কে ন-পুৰণি লেখাৰ মতামত প্ৰকাশ কৰি আহিছে। তদুপৰি কাকতখনে প্ৰতিটো বুধবাৰত বুধ-বিতৰ্ক শীৰ্ষক শিতান ৰাখি অসমৰ লগতে দেশৰ বিভিন্ন সমস্যাৰ সমাধানৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ শিতান ৰাখি সপক্ষে-বিপক্ষে হাতৰ কলমেৰে মাত মাতিবলৈ সুবিধা দিয়া দেখিবলৈ পাইছোঁ। কিয়নো বুধবিতৰ্ক শিতানে সাম্প্ৰতিক সমস্যাবোৰ চৰকাৰক দৃষ্টি নিক্ষেপ কৰিবলৈ সক্ষম হৈছে। তদুপৰি বুধবিতৰ্ক শীৰ্ষক শিতানে যুৱ প্ৰজন্মৰ মাজত এক ভৱিষ্যৎ এগৰাকী ভাল তাৰ্কিক হ'ব পৰাকৈ উৎসাহিত কৰিছে বুলি ক'ব পাৰো। কিয়নো যদিহে বিতৰ্কৰ বিষয়ে জ্ঞাত নহয়, তেতিয়া হ'লে এটা তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাটো অসম্ভৱ। এইকাৰণে অধ্যয়নত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট উপকৃত হৈছে বুলি আমি ক'ব পাৰোঁ। ইয়াৰোপৰিও অসমৰ বিভিন্ন কাকত গোষ্ঠী আছে, য'ত নৱপ্ৰজনন্মক সাহিত্যৰ ক্ষেত্ৰখন এখোজ আগবাঢ়ি যোৱাত সহায় কৰি আহিছে। ইয়াৰ ভিতৰত অন্যতম দৈনিক জনমভূমি, দৈনিক অসম, সাপ্তাহিক জনমভূমি, অসমীয়া প্ৰতিদিন, সাদিন, অগ্ৰদূত, দৈনন্দিন বাৰ্তা, দৈনিক গণ অধিকাৰ, নিয়মীয়া বাৰ্তা, অসম আদিত্য, অসমীয়া খবৰ, সাপ্তাহিক গণস্তম্ভ আদি কাকতৰ বিষয়ে উল্লেখ কৰিব পাৰি। কিয়নো উক্ত কাকত কেইখনে সাপ্তাহিক কবিতা, সাহিত্য, মৌবন, সৌন্দৰ্য্য চৰ্চা,স্বাস্থ্য আদি শিতানতে যুৱ প্ৰজন্মক যথেষ্ট উৎসাহ আৰু কাকত পঢ়াত প্ৰভাৱ পেলাইছে বুলি ক'ব পাৰোঁ। কাৰণ অসমৰ বিভিন্ন কাকত গোষ্ঠীয়েই উল্লেখিত শিতানসমূহত নৱ প্ৰজন্মৰ লেখাকো প্ৰাধান্য দি তেওঁলোকক কাকত পঢ়িবলৈ অধিক আগ্ৰহী কৰিবলৈ সক্ষম হৈছে। বাতৰি কাকত পঢ়াটো আচলতে ভাল অভ্যাস। কিয়নো বাতৰি কাকতে সকলো ধৰণ জ্ঞান দিয়াৰ উপৰিও যুৱপ্ৰজন্মক উৎসাহিত কৰে। সেয়ে আজিৰ পৰা দহ বছৰ আগতে বিদ্যালয়ৰ শিক্ষাগুৰু সকলেও ছাত্ৰ- ছাত্ৰীসকলক বাতৰি কাকত পঢ়াত উৎসাহিত কৰিবলৈ প্ৰাৰ্থনা সভাত দিনটোৰ মুখ্য খবৰৰ বিষয়ে সকলোৰে আগত পাঠ কৰি শুনাবলৈ দিয়া হৈছিল। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে নিজৰ পাঠ্যক্ৰমৰ উপৰিও অন্যান্য খবৰ বাতৰি আৰু জ্ঞানৰ বিষয়ে পাঠদান কৰা। এই কাৰণে আমি বাতৰি কাকত পঢ়াটো এটা ভাল অভ্যাস বুলি ক'ব পাৰোঁ।

**ভাস্কৰজ্যোতি কুটুম**
*হাতীমূৰীয়া, মাজুলী*
*ফোন ঃ ৬০০৫০১২৫৮১*

# সম্বন্ধবোৰ হেৰাইছে

দিন বাগৰি বাগৰি সময়বোৰ সলনি হৈছে। প্ৰকৃতিৰ ওপৰত জীৱশ্ৰেষ্ঠৰ অত্যাচাৰে মানসিক পৰিৱৰ্তন আনিছে। স্থান কাল পাত্ৰ ভেদে মানুহে কথা ক'বলৈ পাহৰিছে। নিজৰ অতীতটোক পাহৰি নতুনৰ সৈতে খোজ দিছে ঠিকেই। কিন্তু অতীতটোৰ অবিহনে বৰ্তমানৰ কোনো অস্তিত্ব নাই। সময় পৰিৱৰ্তনশীল। সেয়েহে সময়ৰ লগে লগে আমি মানৱ জাতিও আগবাঢ়ি যাও। এৰি থৈ যাও আমাৰ সভ্যতা আৰু সংস্কৃতি। যি আমাৰ প্ৰকৃত পৰিচয়। বৰ্তমানত যিবোৰক নিজৰ বুলি সাৰতি আছোঁ, যাক নিজৰ বুলি ভাবিছোঁ। প্ৰকৃততে সেয়া নিজৰ নহয়। সেয়া সময়ৰহে। সময়ে আমাক যি দিছে, সেয়া আমি জীয়াই থকালৈকেহে নিজৰ বুলিব পাৰি। তাৰ পিচত সকলো মাটিৰ লগত মিলি যায়। ই ক্ষন্তেকীয়া। অন্যহাতে যিবোৰ সম্বন্ধ বা সম্পৰ্কক আনি মানৱ জাতিয়ে নিগাজীকৈ ৰাখিব পাৰোঁ। সেয়াহে আমাৰ প্ৰকৃত পৰিচয়। ই ক্ৰম অনুসৰি যুগ যুগান্তৰলৈকে থাকিব। পূৰ্বে আই, পিতাই, দদাই, খুৰী, বৰপিতাই, বৰমা, পেহী, পেহা, জেঠাই, জেঠু, আপাদেউ, নিচাদেউ, তাৰৈদেউ আমৈদেউ মোমাইদেউ, মামীদেউ, মাহীদেউ, মহাদেউ আদি সম্বন্ধবোৰ আছিল। সেই সময়ত সম্বন্ধবোৰৰ দৰে মানুহৰ মনবোৰো আন্তৰিকতাৰে ভৰা আছিল। সেই সম্বন্ধবোৰৰ মাজত মৰম-চেনেহ, ভাতৃত্ববোধ আদি সজীৱ হৈ আছিল। সেই সমূহ সম্বন্ধ বিপদৰ সময়ৰ সাৰথি আছিল। সন্মান, শ্ৰদ্ধা, ভক্তি সকলো সেই সম্বন্ধবোৰৰ মাজতে সোমাই আছিল। লাহে লাহে সময়ে আমাক আগুৱাই লৈ আহিল। কিন্তু আমি এৰি আহিলো আমাৰ সেই সম্বন্ধসমূহ। যিবোৰ আমাৰ অতিকৈ আদৰৰ সম্পতি আছিল। কালৰ বুকুচাত উঠি ঘূৰি ফুৰোঁতে আমিও সলনি হৈ পৰিলো। পূৰ্বৰ আই-পিতাইৰ সলনি মা-দেউতা তাৰ পিচত মামী-ডেডি, তাৰ পিচলৈ বৰ্তমান সময়ত মম্-ডেদ্ হ'লগৈ। আই-পিতাইৰ সময়ত যি শ্ৰদ্ধা-ভক্তি আছিল, মা-দেউতা বুলি কওঁতে অলপ কমি আহিল। মামী-ডেডি বুলি কওঁতে আৰু অলপ কমিল। তাৰ পিচত এতিয়া মম্-ডেদ্ বুলি কোৱাত মান-সন্মান, আদৰ-চেনেহ, শ্ৰদ্ধা-ভক্তি আদি একোৱেই নাইকীয়া হ'ল। তদুপৰি খূৰা-খুৰী, পেহা-পেহী আদিৰ সলনি আঙ্কল্ আৰু আণ্টী হ'ল। সাজ-পোছাকৰ কথাটো নকলোঁৱেই। আগতে ঘৰৰ বিয়া হৈ যোৱা ছোৱালীজনী বছৰৰ মূৰত জোঁৱাইৰ সৈতে ঘৰলৈ আহিলে যি আদৰ-সাদৰ আছিল।শহুৰ-শাহুৱে জোঁৱাইকক কি খুৱাব, কি পিন্ধাব, ইয়াকে লৈ জল্পনা-কল্পনাৰ অন্ত নাইকিয়া হৈছিল। একেবাৰে হাঁহে-বাঁহে-মাহে ডাঙৰ খানা হৈছিল। কিন্তু তাৰ বিপৰীতে এতিয়া মাহত চাৰি-পাঁচবাৰ মাকৰ ঘৰলৈ অহা-যোৱা কৰা জীয়ৰীহঁতক লৈ সেই আদৰো নাইকীয়া হ'ল। আজিৰ প্ৰজন্মৰ বহুতে কাক কি বুলি সম্বোধন কৰিব লাগে তাকো নাজানে। ই আমাৰ বাবে বৰ দুখজনক কথা।

এইখিনিতে মোৰ সৰু কালৰ এটি কাহিনীৰ বিষয়ে চমুকৈ ক'ব খুজিছোঁ। যিটো কাহিনী মই মোৰ আইৰ মুখেৰে কোৱা শুনিছিলোঁ। তেতিয়া মোৰ বয়স তিনি কি চাৰি বছৰ। এনাইদেওৰ ঘৰলৈ যাওঁতে ঘৰৰ পৰা আধা ৰাস্তা চাইকেলেৰে আহিব লাগে। তাৰ পিচতহে লাইন বাছত উঠি এনাইদেওৰ ঘৰৰ যাত্ৰা আৰম্ভ হয়। মই পিতাইৰ চাইকেলখনতে আগফালে উঠো। পিতাই চলাই আৰু মা পিচফালৰ কেৰিয়াত বহে। যাওঁতে ৰাস্তাত বিভিন্নজনে পিতাইক কলৈ যায় বুলি সোধাত বাৰীৰ পৰা আহোঁগৈ বুলি উত্তৰ দিয়ে। য'ত লাইন বাছত উঠিম। তাতেই দদাইদেউ সম্পৰ্কীয় এজনে দোকান দিয়ে। পিতায়েও তাতেই ঘূৰি নহালৈকে চাইকেলখন ৰাখে। দদাইদেউজনে মোক ক'লৈ যোৱা বুলি সোধাত মযডো পিতাইয়ে কোৱাৰ দৰেই বাৰীৰ পৰা আহোঁগৈ বুলি উত্তৰ দিলোঁ। দদাইদেউজনে বোলে পাৰি মানে হাঁহিলে।

এতিয়া কথা হ'ল যে আমি যিমানেই সম্বন্ধবোৰ এৰিছোঁ বা পাহৰিছো। সিমানেই আমাৰ মাজত দূৰত্ব বাঢ়ি গৈ আছে আৰু আমাৰ মগজু সংকুচিত হৈ আহিছে। আমি সম্বন্ধবোৰ নজনাৰ বাবেই বহু সময়ত নিজৰ বাই-ভনীৰ লগতেই বিবাহপাশত আবদ্ধ হ'ব লগা অৱস্থাৰ সৃষ্টি হৈছে। তদুপৰি সম্বন্ধবোৰ নজনাৰ ফলত জ্যেষ্ঠজনকো সন্মান কৰিব নজনা হ'ল। ককাই-ভাই, বাই-ভনীৰ মাজতো আন্তৰিকতাৰ অভাৱে দেখা দিছে। যি আমাৰ নিচেই আপোন। তাৰ পৰাও আমি বহু দূৰলৈ আঁতৰি আহিবলগা হৈছে। ইয়াৰ মূলতেই হৈছে আমাৰ মাজৰ সম্বন্ধবোৰ।

**সত্যজিত গগৈ**
*শিঙিবিল দেউধাই গাঁও*
*নাহৰকটীয়া, ডিব্ৰুগড়*

# ত্যাগ

জীৱ শ্ৰেষ্ঠ মানৱ জাতিৰ প্ৰকৃত ধৰ্ম প্ৰেম, লোকৰ হীত সাধন আৰু ত্যাগ। ত্যাগত শান্তি আৰু আনন্দ পোৱা যায়। যিজন লোকৰ পৰা অন্য লোকৰ হীত সাধন হয়, গতি মুক্তিৰ পথ প্ৰশস্ত হয় সেই কৰ্মই ত্যাগ।মায়াময় সংসাৰত থাকি যিজনে নিজ স্বাৰ্থ বিসৰ্জন দি আনৰ উপকাৰ কৰে তেৱে ত্যাগী। সাত্বিক লোকে নিষ্কাষণ কৰ্ম কৰে। য'ত জীৱ ত'ত শীৱ। তেওঁলোকৰ কৰ্মৰ দ্বাৰা জীৱ জগতৰ কল্যাণ হয়। তেওঁলোকে ভাৱে পৃথিৱীখন মোৰ। গতিকে মই মোৰ পৃথিৱীৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰিব লাগিব। আনহাতে তামষিক আৰু ৰাজষিক জ্ঞানত ভোগ বাসনা থাকে। এনেবোৰ ত্যাগী লোকক হিংসা, অহংকাৰ, পৰশ্ৰীকাতৰ আদিভাৱে পীড়া কৰি থাকে। স্বাৰ্থসিদ্ধিত ব্যস্ত থাকে। এওঁলোকৰ উপকাৰ কৰ্ম কৰাৰ সময় নাথাকে। এনে ত্যাগী লোকে ভক্ত নিন্দা, নাম নিন্দাত ব্যস্ত থাকে। ব্যাভিচাৰ কৰ্মকে সাৰ বুলি ভাবি শান্তিহীন জীৱন যাপন কৰে।

**যোগেশ লহকৰ**
*তুলসীবাৰী, ৰঙিয়া*
*ফোন ঃ ৬৯০১৬৮৮৭০৮*

# বিৰোধীয়ে কিয় ক্ৰছ ভোট দিয়ে?

একো একোটা নিৰ্বাচনত পৰাজয় আৰু হাহাকাৰ। তাৰ লগত সংযোজন হৈছে দোষাৰোপ। অসম কংগ্ৰেছ কেৱল অসম কংগ্ৰেছ বুলি কলে ভুল হ'ব সৰ্বভাৰতীয় পৰ্যায়ত কংগ্ৰেছৰ ক্ষেত্ৰত যেন এয়া নিয়মিত ৰুটিন। ২০১৬ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ এই পৰাজয়ৰ ধাৰা আৰম্ভ হৈ ২০১৯ৰ লোকসভা, ২০২১ ৰ বিধানসভা তাৰ পিছত উপ নিৰ্বাচনত এই পৰাজয়ৰ ধাৰা অব্যাহতি ৰাখিছে। আনকি পৌৰসভা বা পৌৰ নিগমৰ নিৰ্বাচনতো কংগ্ৰেছ তচনচ হৈ পৰিছে। ৰাজ্যসভাত দলীয় প্ৰাৰ্থীক বিশ্বাসঘাতকতা কৰা নজিৰ কংগ্ৰেছৰ আছিলে। শেহতীয়াভাৱে ৰাষ্ট্ৰপতি নিৰ্বাচনত কংগ্ৰেছৰ বিধায়কসকলে এনডিএ সমৰ্থিত প্ৰাৰ্থীক ভোট দি অসমত কংগ্ৰেছক মেৰুদণ্ডহীন কৰি পেলালে। কিমানজনে ক্ৰছ ভোট দিছে সেয়া এতিয়া লৈ স্পষ্ট নহ'লেও কংগ্ৰেছ দলৰ গোটেই কেইজন বিধায়ক অসমৰ সাধাৰণ জনতাৰ নজৰত এতিয়া বিশ্বাসঘাতক। ইতিমধ্য স্বয়ং অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকাৰী সভাপতি ৰানা গোস্বামীয়ে দলীয় বিধায়কসকলক বেশ্যাৰ সতে তুলনা কৰিছে সংবাদ মাধ্যমৰ আগত। কংগ্ৰেছৰ সভাপতি ভূপেন বৰা যিমানেই লম্ফ জম্ফ নকৰক কিয় কংগ্ৰেছৰ ক্ৰছ ভোট দিয়া বিধায়কসকলক চিনাক্ত কৰি শাস্তি দিয়া ইমান সহজ নহ'ব। শাস্তিতো দূৰৰ কথা চিনাক্তকৰণ পৰ্যন্ত কৰিব নোৱাৰে। আৰু যদি সঁচাকৈয়ে চিনাক্ত কৰি শাস্তি দিব যায় তেন্তে অসমত কংগ্ৰেছ থানবান হৈ যাব। অন্যফালে যদি চিনাক্ত কৰিব নোৱাৰে তেন্তে সন্দেহৰ বিষত দলটো অসমত শেষ হৈ যাব। গতিকে এনে এক জটিল সময়ত কংগ্ৰেছৰ ভূমিকা খুবেই লক্ষ্যণীয় হ'ব।

এনেকুৱা নহয় যে অসমত বৰ্তমান চৰকাৰৰ দোষ ত্ৰুটি নাই। যি হৈছে বা যি হৈ আছে সকলো কি সমালোচনাৰ উৰ্ধত নেকি? নিশ্চয় নহয়। বৰ্তমান ৰাজ্যত যে সুস্থিৰ পৰিৱেশ চলিছে তেনেকুৱাও নহয়। হত্যা ধৰ্ষণ নিৰ্যাতন সকলো হৈ আছে এই চৰকাৰৰ দিনতো। তাৰ পিছতো সকলো নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মা জয়ী হয়। হিমন্তৰ দলেই সৰ্বাধিক ভোট পায়। কাৰণ এই ৰাজ্যত এতিয়া অধিকাংশ মানুহ মনত কৰে হিমন্ত বিশ্ব শৰ্মাৰ বিকল্প গ্ৰহণযোগ্য কোনো নেতা নাই। সাধাৰন জনতা দূৰৰ কথা বিৰোধী দলৰ বিধায়কসকলে মনত কৰে হিমন্ত কোৱাৰ দৰে হিমন্ত বিশ্ব শৰ্মা কেতিয়াও প্ৰাক্তন মুখ্যমন্ত্ৰী নহয়। তাৰবাবে ৰাজ্যসভা বা ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধীয়ে ক্ৰছ ভোট দিবলৈ দ্বিধাবোধ নকৰে। আনকি যিবোৰ অৰাজনৈতিক দল-সংগঠনে হিমন্তৰ বিৰুদ্ধে ৰাজপথত নামি আন্দোলন কৰে বা নাগৰিক সভাৰ আয়োজন কৰে তেওঁলোকেও হিমন্তক ক্ষমতাহীন কৰাৰ কথা নকয়। বৰঞ্চ ভিতৰি ভিতৰি হিমন্তৰ ওচৰতে সুশাসন বিচাৰে।

**আনিছুৰ ৰহমান**
*ফোন ঃ ৭০০২৯৯৯৭৩৮*

# যুৱ প্ৰজন্ম আৰু আধ্যাত্মিকতা

বৰ্তমান সময় হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সময়। বিশ্বায়নৰ সময়। ৰাতি পুৱা শুই উঠাৰ পৰা ৰাতি শুৱালৈকে আজিৰ মানুহ কেৱল বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল। পুৰণি চামৰ বিপৰীতে আজিৰ যুৱ চাম তুলনামূলকভাৱে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ সম্পৰ্কে যথেষ্ট অভিজ্ঞ। আজিৰ যুৱচামৰ একাংশই আধ্যাত্মিকতাৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে হেমাহি কৰা বা আধ্যাত্মবোধ যুক্তিহীন বুলি ভাবিবলৈ ধৰে। কাৰণ তেওঁলোকে বিশ্বাসতকৈ সত্যতাৰ ওপৰত আস্থা ৰাখে। সাধাৰণতে আধ্যাত্মিকতা ঈশ্বৰ বিশ্বাসৰ লগত সম্পৰ্কিত। আমি আচলতে কোনো লোকে ঈশ্বৰ বিশ্বাস কৰা বা নকৰাক লৈ প্ৰশ্নৰ অৱতাৰণা কৰিব বিচৰা নাই। কাৰণ কোনোৱে ঈশ্বৰ বিশ্বাস কৰে বা নকৰে সেয়া তেওঁলোকৰ সম্পূৰ্ণ ব্যক্তিগত কথা। অন্য এটা প্ৰসংগ উন্মোচন কৰি আমি ক'ব বিচাৰো যে আমাৰ জীৱনত আধ্যাত্মিকতাৰ গুৰুত্ব অপৰিসীম। সমাজত চলি থকা হত্যা, হিংসা, ধৰ্ষণ, অপৰাধ, অনিয়ম এই সকলোবোৰ সমাজৰ পৰা আঁতৰ কৰাৰ ক্ষেত্ৰত আধ্যাত্মিক জ্ঞানে যথেষ্ট সহায় কৰে। আধ্যাত্মিক জ্ঞানে মানৱীয় প্ৰমূল্যৰ কথা কয়। মানৱ জীৱনৰ প্ৰকৃত আৰু উচ্চ আদৰ্শৰ কথা কয়। সুশৃংখলাসম্পন্ন জীৱন অতিবাহিত কৰিব পৰা কৌশলৰ কথা কয়। নীতি- নিয়ম আৰু অনুশাসনৰ কথা কয়। মানৱ প্ৰেমৰ কথা কয়। গতিকে আজিৰ যুৱ প্ৰজন্মই আধ্যাত্মিকতাক সম্পূৰ্ণৰূপে আওকাণ নকৰি যুক্তিসন্মতভাৱে বিচাৰ-বিশ্লেষণ কৰি আধ্যাত্মিক জ্ঞানেৰে নিজকে পৰিপুষ্ট কৰি জীৱন বাটত আগবাঢ়িব পাৰে।

**বিজিত দাস**
*ৰাঙলী বাহাৰ, মাজুলী*
*ফোন ঃ ৮৮২২৫৫৯৮১১*

# সিহঁতৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব লাগে

ইহঁতৰ দৰে অধৰ্মী, পাপিষ্ঠ তথা সমাজৰ আবৰ্জনবোৰৰ গুপ্তাঙ্গ কাটি পেলাব লাগে। ইহঁতৰ ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰৰ শত্ৰুবোৰৰ জীয়াই কোনো অধিকাৰ নাই। এইসকল মানৱৰূপী পশুবোৰ সমাজৰ কলংক, ইহঁত মৰি যোৱাই শ্ৰেয়। ইহঁত নিচিনা অপকৃষ্ট, দুৰাচাৰী তথা অনিষ্টকাৰী লোক ধৰাৰ বুকুত জীয়াই থাকিলে বিনষ্ট হ'ব সামাজিক পৰিৱেশ। ক্ষতি হ'ব ধৰ্মৰ। ধ্বংস হ'ব যুৱপ্ৰজন্ম। বদনামী হ'ব দেশ তথা ৰাজ্য আৰু ৰুষ্ট হ'ব প্ৰকৃতি। ইহঁতৰ নিচিনা কদৰ্য লোকৰ অধৰ্ম আৰু পাপ কৰ্ম যেতিয়া চৰম সীমা অতিক্ৰম কৰে, তেতিয়াই নানা ধৰণৰ প্ৰাকৃতিক দুৰ্যোগে দেখা দিয়ে, যাৰ কুফল পাপী-তাপী সকলোৱেই ভোগ কৰিব লগীয়া হয়। আজি এইসকল অসুৰৰ কাৰণে মৈৰাবাৰীৰ চৰাঞ্চল হৈ পৰিছে এতিয়া চয়তানৰ ৰম্যভূমি আৰু ব্ৰহ্মপুত্ৰ চৰত চয়তানে পাতিছে তেওঁলোকৰ ৰাজধানী। যৰ পৰা পৰ্ণগ্ৰাফি চিত্ৰ গ্ৰহণকে ধৰি সকলো ধৰণৰ অপৰাধ-অপকৰ্ম তথা চয়তানী কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰা হয়। মাত্ৰ কেইদিনমান আগতে মৈৰাবাৰীৰ ব্ৰহ্মপুত্ৰ চৰত পৰ্ণৰ চিত্ৰ গ্ৰহণ কৰি সামাজিক যোগাযোগ মাধ্যম যোগে ভাইৰেল কৰা কাৰ্য তাৰ প্ৰমাণ। মৈৰাবাৰী বালিৰ চৰত অসংযত অৱস্থাত দেখা গৈছে যুৱক-যুৱতীক। চাৰি যুৱকৰ সৈতে এগৰাকী যুৱতীৰ কামসূত্ৰ। পৰ্ণৰ কায়দাৰেই মুকলিকৈ জলকেলিৰ এই জঘন্য দৃশ্য বন্দী হৈছে মোবাইলৰ কেমেৰাত। এই লৈ এতিয়া সৰ্বত্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। সকলোতে এতিয়া ধিক্কাৰ, ঘৃণা, নিন্দা তিৰস্কাৰ আৰু গঞ্জনাৰ সন্মুখীন মুছলমান সমাজ। মৈৰাবাৰীৰ এইকেইজন কু-সন্তানৰ বাবে আজি কেৱল মৈৰাবাৰী বাসীয়েই নহয় বলকে গোটেই মুছলমান সমাজ লজ্জিত, সমালোচনাৰ পাত্ৰ। কাহানিও নঘটা, নেদেখা, নুশুনা ঘটনা সংঘটিত কৰি শংকৰ-আজানৰ পূণ্যভূমিক অপৱিত্ৰ কৰা ইহঁতৰ দৰে কুলাঙ্গাৰ মিঞা মুছলমানৰ বাবেই আজি ইছলাম, ক্কোৰআন আৰু পয়গম্বৰ হজৰত মহম্মদ (ছঃ) অবিশ্বাসৰ পাত্ৰত পৰিনত হৈছে। নকলেও হয় যে, সাম্প্ৰতিক সময়ত এওঁলোকৰ কাৰণেই সম্প্ৰতি মুছলমান লোক হৈ পৰিছে অশান্তি তথা আতংকৰ কাৰণ। অপৰাধ-অপকৰ্ম তথা অসামাজিক পাপ কৰ্ম কৰাটো এইচাম মুছলমানৰ পেছাত পৰিনত হৈ পৰিছে। যিকোনো অপৰাধেই ইহঁতৰ দৰে মুছলমানৰ এৰাব নোৱাৰা লগৰী। শিক্ষা, স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা, নৈতিকতা তথা আধ্যাত্মিকতাৰ ওপৰত অসচেতন একাংশ মিঞা মুছলমানৰ বাবেই আজি ঈশ্বৰৰ মনোনীত ধৰ্ম ইছলাম সন্দেহৰ আৱৰ্তত। ইছলাম সত্য আৰু শান্তিৰ ধৰ্ম বুলি জহাই ফুৰা সকলৰ মাজৰ পৰাই একাংশ মিঞা মুছলমানেই আটাইতকৈ বেছি ইছলাম বিৰোধী কৰ্মকাণ্ড কৰি আছে। অতদিনে শুনিবলৈ পোৱা গৈছিল যে চুৰি-ডকাইতি, ঠগ-প্ৰৱঞ্চনা, ড্ৰাগছৰ ব্যৱসায় আদিৰ দৰে সমাজ বিৰোধী কাৰ্যসমূহ কৰি আছিল মিঞাসকলে কিন্তু অনবৰত আনৰ দোষ খুচৰি ফৰা জাতিটোৰ একাংশ লোকে এতিয়া অনৈতিক কামতো লিপ্ত হৈ পৰা দেখা গৈছে। বাল্যবিবাহ, বহু বিবাহ, বহু সন্তান জন্ম দিয়া, সাধাৰণ কথাতে পত্নীক তালাক দিয়া, নাৰী নিৰ্যাতন আদি এনেকুৱা অনেকো কুপ্ৰথাৰ বিৰুদ্ধে জাগৰণ সৃষ্টিৰ প্ৰয়াস চলি থকাৰ সময়তে বঙ্গমূলীয় মুছলমানৰ একাংশই যেন লাগি পৰিছে সমাজখনক ধ্বংস কৰিবলৈ। আচলতে এই মিঞা জাতিটো যতেই থাকে ততেই বিশৃংখলতাই বিৰাজ কৰে। হায়-কাজিয়া, মাৰপিট আদি কৰি সমাজত উশৃংখলতা সৃষ্টি কৰি আমোদ পোৱা জাতিটোৰ লোকে কোনো কালেই পৰিৱৰ্তনৰ চিন্তা নকৰে। চাৰিওফালৰ পৰা জাতিটো ছেই ছেই লেই লেইৰ সন্মুখীন হোৱা সত্বেও ইহঁতৰ লাজ নালাগে। ইমান, গালি, অপমান, অপদস্থৰ মুখামুখি হৈয়ো যদি মিঞাৰ শুভবুদ্ধি উদয় নহয় তেন্তে বুজিব লাগিব যে, প্ৰকৃততে এওঁলোক মানুহ নহয়, বলকে মানৱৰূপী পশুহে। নহলে'নো মুছলমান হৈ অসমৰ দৰে ৰাজ্যত পৰ্ণগ্ৰাফী চিত্ৰ নিৰ্মাণ কৰিব পাৰেনে? মৈৰাবাৰীৰ দৰে এখন পূণ্যময়ী ঠাইত এনেকুৱা জঘন্য, পাপ কাৰ্য কৰিবলৈ সাহস কৰেনে? যত বাচকান্দীৰ পীৰ আহম্মদ আলী শ্বেখ চাহাবে জীৱিত কালত প্ৰতি বছৰ ৰমজান মাহত খানকা পাতি ঈশ্বৰ-আল্লাহ ধ্যান-ধাৰণা বা তপ-জপত ব্যস্ত আছিল। যত অৰ্থাৎ মৈৰাবাৰীৰ গাতে লাগি থকা শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান পাতেকিবৰি আলিপুখুৰী সত্ৰ। আৰু তাতেই এনেকুৱা অধৰ্ম, কুকৰ্ম? যৰ পৰা বিলাব লাগিছিল ধৰ্মৰ বাণী। যৰ পৰা সংকলিত হ'ব লাগিছিল শান্তি সম্প্ৰীতিৰ ধ্বজা। যত থাকিব লাগিছিল কেৱল পাৰস্পৰিক সন্মান, প্ৰেম-ভালপোৱা, মানৱতা আৰু আধ্যাত্মিকতাৰ সুগন্ধিযুক্ত মনোৰম পৰিৱেশন। কিন্তু..... কলে কি হ'ব? পাপিষ্ঠ, নৰাধম, পাষণ্ড, মৰ্দ্দনসকলে জানোঁ সেয়া উপলব্ধি কৰিব? এই ক্ষেত্ৰত মৈৰাবাৰীৰ লগতে ৰাজ্যৰ প্ৰতিটো দল-সংগঠন তথা সমাজ সচেতন ব্যক্তি আগবাঢ়ি আহিব লাগিব আৰু সময়ৰ লগত ফেৰ-মাৰি চলিবলৈ মিঞা সম্প্ৰদায়টোৰ লোকসকলেও নিজকে প্ৰস্তুত কৰি তোলাৰ সংকল্পৰে আগবাঢ়ি আহি এনে মানৱৰূপী দানৱবোৰক দমন কৰিব লাগিব। এনে কৰিলেহে নিজকে এজন ভাল মুছলমান বুলি দাবী কৰিব পৰা যাব আৰু ইছলামৰ মান-স্বাভিমান ৰক্ষা পৰিব। মনত ৰাখিব লাগিব যে উল্লেখিত সমাজ বিৰোধী কাৰ্যসমূহ সম্পূৰ্ণৰূপে ইছলাম ধৰ্মৰ পৰিপন্থী। আজি হিন্দুধৰ্মী লোকসকলৰ অৱস্থা বা পৰিৱেশ চালে সহজে অনুমেয় যে, তাৰ তুলনাত মিঞা মুছলমানৰ সমাজৰ অৱস্থা কিমান নিকৃষ্ট, ঘৃণনীয় আৰু কুৎসিত। গতিকে সময় থাকোতেই যদি কিবা এটা কৰা নহয় তেন্তে আজীৱন পস্তাব লাগিব।

**জুলহাছ আলী আহমেদ**
জাগীৰোড, মৰিগাঁও (অসম)
*ফোন ঃ ৯৭০৬৬-৬৬১৯২*

# হৰ ঘৰ ত্ৰিৰংগা



হৰ ঘৰ ত্ৰিৰংগা পতাকা উত্তোলন কৰাৰ বাবে দেশবাসীক উদ্বুদ্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে এক বিশেষ কাৰ্যসূচী। দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপুৰ্তি উদ্‌যাপনৰ লগত সংগতি ৰাখি নিজৰ নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বাবে দেশবাসীক অনুপ্ৰাণিত কৰিবলৈ অচিৰেই 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক ৰাষ্ট্ৰজোৰা অভিযান আৰম্ভ কৰিব কেন্দ্ৰীয় চৰকাৰে। আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ভাৰত তথা ভাৰতবাসীৰ বাবে ত্ৰিৰংগা পতাকা হৈছে ৰাষ্ট্ৰীয় গৌৰৱৰ প্ৰতীক আৰু এই জাতীয় পতাকাক সন্মান জনোৱাৰ বাবে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী ৰূপায়ণৰ পৰিকল্পনা হাতত লোৱা হৈছে। সমগ্ৰ দেশৰ চুকে-কোণে অৰ্থাৎ গাঁৱে-ভূঞে, চহৰে-নগৰে সৰ্বত্ৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ বাবে ভাৰতীয়সকলক উৎসাহিত কৰাই এই অভিযানৰ লক্ষ্য। কেন্দ্ৰীয় চৰকাৰৰ এই হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী গ্ৰহণ কৰাৰ সময়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যবাসীলৈ আহ্বানঃ এইবাৰ এনআৰচিত নহয়, ত্ৰিৰংগা পতাকা উত্তোলন কৰি প্ৰমাণ দিব লাগিব ভাৰত মাতাৰ সন্তানে। হয়, ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ সকলোকে নিজৰ নিজৰ গৃহত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ওদালগুৰিত সৌৰশক্তি প্ৰকল্পৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইদৰে আহ্বান জনাই কয় যে, এই প্ৰকল্পৰ জৰিয়তে ৬৫ হাজাৰ লোকে পোনপটীয়াকৈ বিদ্যুৎ সেৱা লাভ কৰিব। ২০২৬ চনৰ ভিতৰত ৰাজ্য চৰকাৰে ৫০ শতাংশ সৌৰশক্তিৰ দ্বাৰা উৎপাদিত বিদ্যুৎ শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলিও জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী শৰ্মাই। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে, এইবাৰ "এনআৰচিৰ কাৰ্যালয়ত নহয় বৰঞ্চ ভাৰতৰ ত্ৰিবৰ্ণৰঞ্জিত পতাকা উত্তোলন কৰিহে ভাৰতীয়ৰ প্ৰমাণ দিব লাগিব ভাৰত মাতাৰ সন্তানে। দেশ ভক্তৰ প্ৰমাণ দিবলৈ প্ৰতিজন ভাৰতীয়ই ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ সকলোৱে নিজৰ নিজৰ ঘৰ, দোকান, অনুষ্ঠান-প্ৰতিষ্ঠানত আদিত উত্তোলন কৰিব লাগিব দেশৰ মান-স্বাভিমান গৌৰৱৰ প্ৰতীক ত্ৰিৰংগা পতাকা। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পন্থা আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান সচাকৈয়ে শলাগনীয়। প্ৰসংগত যে, ভাৰতীয়ই যদি স্বদেশীয় পতাকাৰ মান-সন্মান অনুধাৰণ নকৰে তেন্তে কোনে কৰিব? যিখন পতাকাক দেশৰ আকাশে-বতাহে উৰুৱাবলৈ বহু ভাৰতীয়ই নিজৰ প্ৰাণ আহুতি দিছিল। অনেকেই ইংৰাজৰ হাতত নিদাৰুণ যন্ত্ৰণা সহিব লগীয়া হৈছিল। জেল-হাজত ভৰি পৰিছিল জাতীয় পতাকাধাৰী স্বাধীনতাকামী ভাৰতীয় লোকেৰে। দিল্লীৰ পৰা গুজৰাট আৰু গুজৰাটৰ লাহোৰলৈ এনেকুৱা এটা গছ বাকী নাছিল য'ত কোনো এজন স্বাধীন ভাৰতৰ স্বপ্নদ্ৰষ্টাক ফাঁচী দিয়া হোৱা নাছিল। আজি সেইসকল ভাৰতীয় পতাকা বাহক তথা স্বাধীনতা সংগ্ৰামী সৈনিকসকল পাহৰণিৰ গৰ্ভত। যিসকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি আমাক পৰাধীনতাৰ গ্লানিৰ পৰা মুক্ত কৰি বিশ্বৰ সৰ্ব সুন্দৰতম পতাকা উপহাৰ দিলে আজি লেই ত্ৰিৰংগা পতাকাক হৰ ঘৰত উত্তোলন কৰা হ'ব ইয়াতকৈ ভাল খবৰ আৰু কি হ'ব পাৰে? কেন্দ্ৰীয় চৰকাৰৰ হৰ ঘৰ ত্ৰিৰংগা অভিযানক সন্মান আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সৰ্বস্তৰৰ নাগৰিকে ত্যাগ, শান্তি আৰু প্ৰগতিৰ ধ্বজা বহনকাৰী ত্ৰিবৰণীয়া জাতীয় পতাকাক সগৌৰৱে নিজৰ নিজৰ উত্তোলন কৰি চেলুট জনোৱা উচিত।

# শোণিতপুৰৰ বুঢ়া ডাঙৰীয়া নামঘৰৰ পৰা টিকামূৰলৈকে নিৰ্মীয়মাণ পথত এম জি এনৰেগ কেলেংকাৰিৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৯ জুলাই ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়। কি চলিছে গাঁও পঞ্চায়তসমূহত ? কেনেদৰে ৰূপায়ণ হৈছে আঁচনি ? কেনেদৰে ব্যৱহৃত হৈছে চৰকাৰী ধন ? চৰকাৰে দিয়াৰ উপৰি কাগজে-কলমে খৰচ হোৱা সত্ত্বেও কিয় অসন্তুষ্ট ৰাইজ ? কিয় ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে? কাৰ বাবে সংঘটিত হৈছে দুৰ্নীতি, দুৰ্ভোগ ভুগিছে ৰাইজে? উল্লেখ্য যে শোণিতপুৰ জিলাৰ গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত বেছেৰীয়া গাঁও পঞ্চায়তৰ অধীনস্থ বাম বেছেৰীয়া গাঁৱৰ সোপোৰা চুবুৰি খণ্ডৰ পশ্চিমে বুঢ়া ডাঙৰীয়া নামঘৰৰ পৰা টিকামূৰলৈকে MGNREGA ২০২০-২১ বিত্তীয় বৰ্ষত গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত বেছেৰীয়া গাঁও পঞ্চায়তে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনিৰ অধীনত কৃষিবান্ধ অৰ্থাৎ পথ নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছিল। আঁচনিৰ ফলকত উল্লেখ কৰা অনুসৰি আঁচনিৰ মুঠ আবণ্টিত ধনৰ পৰিমাণ আছিল ৯ লাখ ৬৮ হাজাৰ। বাম বেছেৰীয়া গাঁৱৰ সোপোৰা চুবুৰিৰ স্থানীয় ৰাইজে উত্থাপন কৰা অনুসৰি আঁচনি ৰূপায়ণৰ দায়িত্বত থকা গোলাপ নাথে ট্ৰেক্টৰেৰে কেই ট্ৰেক্টৰমান মাটি পেলাই আঁচনিৰ কাম আধাতে পেলাই থৈ দিয়ে। স্থানীয় ৰাইজে বেছেৰীয়া গাঁও পঞ্চায়ত কাৰ্যালয়ৰ চৌহদৰ কাষতে থকা গাভৰু উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত গৈ জনোৱাৰ পিছতো কোনো ধৰণৰ সুফল লাভ নকৰাত শোণিতপুৰ জিলাৰ উপায়ুক্তক সকলো বিষয় অৱগত কৰোৱাৰ বাবে লিখিত আৱেদন দাখিল কৰে। স্থানীয় ৰাইজে উত্থাপন কৰা অভিযোগ অনুসৰি ইতিমধ্যে ৬ লাখ ৫৯ হাজাৰ ৪৬৬ টকা ইতিমধ্যে উঠোৱা হৈছে যদিও ইমান টকাৰ কাম হোৱা পৰিলক্ষিত হোৱা নাই বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনিৰ চৰকাৰী ৱেবছাইটৰ পৰা লাভ কৰা তথ্য অনুসৰি ২০২০-২১ বিত্তীয় বৰ্ষৰ মুঠ আবণ্টিত ধনৰ ৯ লাখ ৬৮ হাজাৰ টকাৰ পৰা ৬ লাখ ৫৯ হাজাৰ ৪৬৬ টকা ইতিমধ্যে মোকলাই লোৱা হৈছে। কি আৰু কেনেদৰে কাম নকৰাকৈ ধন আত্মসাৎ কৰা হৈছে পৰৱৰ্তী সময়ত বিভাগীয় তদন্তত পোহৰলৈ আহিব? এইক্ষেত্ৰত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আৰু শোণিতপুৰ জিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়াই হ'ব লক্ষণীয়। স্থানীয় ৰাইজে জনোৱা অনুসৰি এবাৰ বেছেৰীয়া গাঁও পঞ্চায়তৰ নিৰীক্ষণৰ বাবে মানুহ আহিছিল যদিও সম্পূৰ্ণ টকা খৰচ হোৱা কয় ৰাইজে প্ৰশ্ন উত্থাপন কৰাত ৰাইজৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি গুচি যায় । ইয়াতে উল্লেখযোগ্য যে আঁচনি ৰূপায়ণৰ দায়িত্বত থকা গোলাপ নাথে য'তে ত'তে মাটি পেলাই থৈ যোৱাৰ ফলত স্থানীয় ৰাইজে পুৰুষ-মহিলা আৰু যুৱকসকলে সেই মাটি বহলাই বুলিও জানিবলৈ দিয়ে ৰাইজে। আনকি বুঢ়া ডাঙৰীয়া নামঘৰৰ সন্মুখত পেলোৱা মাটিও ৰাইজে বহলায় বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। স্থানীয় ৰাইজে উক্ত আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ সঠিক তদন্তৰ দাবী জনাইছে।




## পুনৰ লিখনৰ নামত ভাৰতীয় ইতিহাসৰ বিকৃতকৰণ আৰু চূড়ান্ত শিক্ষাবিৰোধী জাতীয় শিক্ষা নীতি ২০২০

# কাৰ্যকৰীকৰণৰ বিৰুদ্ধে মানকাচৰত সৰ্বভাৰতীয় প্ৰতিবাদ দিৱস

### অল ইণ্ডিয়া ছেভ এডুকেচন কমিটীৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৯ জুলাই ঃ** দেশৰ বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে দেশৰ শিক্ষাবিদ, বিজ্ঞানী, বুদ্ধিজীৱী, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা প্ৰেমী ৰাইজৰ মূল্যৱান মতামতক উপেক্ষা কৰি আমাৰ দেশৰ ধৰ্মনিৰপেক্ষ শিক্ষাৰ ধাৰণা পথিকৃত মহান মনীষী ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ সোঁৱৰণ দিৱস ২৯ জুলাই ভাৰতীয় শিক্ষা নীতি ২০২০ প্ৰৱৰ্তন কৰে আৰু একেদৰে সম্পূৰ্ণ ফেচিবাদী কায়দাত এই শিক্ষাবিৰোধী জাতীয় শিক্ষানীতি কাৰ্যকৰী কৰাৰ বাবে বিজেপিশাসিত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে উঠিপৰি লাগিছে। এই শিক্ষা নীতি কাৰ্যকৰী হ'লে আমাৰ দেশত ধৰ্মনিৰপেক্ষ বিজ্ঞানভিত্তিক আৰু গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ যিখিনি অৱশিষ্ট এতিয়াও আছে সেয়া সম্পূৰ্ণৰূপে ধূলিসাৎ হ'ব। শিক্ষাৰ সামগ্ৰীক ব্যক্তিগতকৰণৰ ফলত দুখীয়া মধ্যবিত্ত পৰিয়ালৰ ল'ৰা-ছোৱালী শিক্ষাৰ দুবাৰ-ডলিৰ পৰা বাহিৰ ওলাই যাব। বৃত্তিমূলক শিক্ষাৰ নামত উন্নত চৰিত্ৰ গঠনেৰে প্ৰকৃত মানুহ সৃষ্টি শিক্ষাৰ লক্ষ্য নিঃশেষ হ'ব আৰু মুক্ত চিন্তা গঢ়ি উঠাৰ বাবে অপৰিহাৰ্য শিক্ষাৰ প্ৰকৃত স্বাধিকাৰ খৰ্ব কৰি শিক্ষা পৰিচালনাৰ কেন্দ্ৰীকৰণেৰে দেশত ফেচিবাদ প্ৰতিষ্ঠাৰ ভিত্তি কৰা হ'ব। এক ভাষা সূত্ৰৰ নামত ব্যৱহাৰিক ক্ষেত্ৰত অকাৰ্যকৰী সংস্কৃত ভাষা জাপি দিয়া আৰু ইংৰাজী ভাষাৰ গুৰুত্ব হ্ৰাস কৰি উন্নত জ্ঞান অৰ্জনৰ পথ ৰুদ্ধ কৰাই মাথোন নহয় মাতৃ ভাষা বিকাশৰ প্ৰক্ৰিয়াও ব্যৱহাৰিত হ'ব। আজি এই প্ৰতিবাদত বহু লোক সমাগত হয় আৰু উপস্থিত থাকে সংগঠনৰ ৰাজ্যিক সম্পাদক অধ্যাপক প্ৰদীপ মহাপাত্ৰ।

# বিহালী শিক্ষা খণ্ডৰ বৰাজুলি প্ৰাথমিক বিদ্যালয়ত অভিনন্দন অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৯ জুলাই ঃ** বিহালী শিক্ষা খণ্ডৰ অন্তৰ্গত বৰাজুলি প্ৰাথমিক বিদ্যালয়ত আজি এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক বিষ্ণু হোমাগাঁইৰ উদ্যোগত আয়োজিত অনুষ্ঠানটিত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি বিপুল বৰাই। বৰাজুলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আকাশ সৰকাৰ আৰু পল্লৱী বৰাক ক্ৰমে আৰ কে সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু জ্ঞানম একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা হেতু আনুষ্ঠানিক অভিনন্দন জনোৱা হয়। উল্লেখ্য, পল্লৱী বৰাই চাৰিটা বিষয়ত লেটাৰ মাৰ্ক লৈ প্ৰথম বিভাগত আৰু আকাশ সৰকাৰে দুটা বিষয়ত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বৰাজুলি অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। আজিৰ অভিনন্দন অনুষ্ঠানত বিহমাৰী মিকিৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱনাথ মিলি, পূব বিহালী মণ্ডল কেন্দ্ৰ সমন্বয়ক কৃষ্ণ পৌড়েল, বৰজুলি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দিগন্তদাস আৰু সমাজকৰ্মী গণেশ বৰাই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বক্তব্য আগবঢ়ায়। সভাত কৃতী ছাত্ৰ-ছাত্ৰীদ্বয় পল্লৱী বৰা আৰু আকাশ সৰকাৰে নিজৰ অধ্যয়নৰ অভিজ্ঞতা বৰ্ণনা কৰি শিক্ষকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত বিমলা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ঊষা দেৱী আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক কুলপ্ৰসাদ ভট্টৰাইয়ে অংশগ্ৰহণ কৰে।

# নলবাৰীৰ বনগাঁৱত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ তথা সংস্কাৰ মানুহে মানুহৰ বাবে বিষয়ক ৰাইজ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৯ জুলাই ঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, পশ্চিম নলবাৰী খণ্ডৰ উদ্যোগত আৰু ২৬নং বনগাঁও গাঁও পঞ্চায়তৰ সহযোগত পঞ্চায়তখনত আজি দুপৰীয়া ১২ বজাত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ তথা সংস্কাৰ মানুহে মানুহৰ বাবে বিষয়ক এখন ৰাইজমেলৰ আয়োজন কৰা হয় । প্ৰায় শতাধিক লোকৰ উপস্থিতিত পঞ্চায়তখনৰ সভাপতি গীতিমা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত ৰাইজমেলত মুখ্য বক্তা হিচাপে উপস্থিত থাকি প্ৰতিবেদক লাইভৰ সম্পাদকপ্ৰধান তথা যুৱ সমাজকৰ্মী ৰূপক বৈশ্যই অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ ওপৰত বিতংকৈ ৰাইজৰ হিতাৰ্থে ব্যাখ্যা আগবঢ়াই নিজৰ ভাষণত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ দূৰীকৰণ সম্পৰ্কে বিজ্ঞানমনস্কতাৰ প্ৰতি আগ্ৰহী হৈ প্ৰত্যেকে সজাগ আৰু সচেতন হোৱাৰ পোষকতা কৰি ৰসাল বক্তব্য প্ৰদানেৰে উপস্থিত সমূহকে উৎসাহিত কৰি তোলাৰ লগতে এই বাৰ্তা আনলৈও প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। লগতে আজিৰ এই ৰাইজমেলত পঞ্চায়তখনৰ সচিব হেমন্ত দাসে উক্ত বিষয় সম্পৰ্কে নিজৰ মনৰ ভাব ব্যক্ত কৰি ভাষণ প্ৰদান কৰে। আজিৰ এই ৰাইজমেলত কেন্দ্ৰটোৰ খণ্ড সমন্বয়ক বিনোদ সাউদ আৰু সদস্য পংকজ সাউদকে আদি কৰি পঞ্চায়তখনৰ সদস্য তথা আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে।

# হোজাই জলসিঞ্চন বিভাগত তথ্য জনাৰ অধিকাৰ আইন ধোঁৱা চাঙত

### তিনি মাহে তথ্য যোগান দিয়া নাই ঃ উপায়ুক্তক তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২৯ জুলাই ঃ** হোজাই জলসিঞ্চন বিভাগত তথ্য জনাৰ অধিকাৰ আইন ধোঁৱা চাঙত উঠিছে। বাতৰি অনুসৰি যোৱা ঊনৈছ এপ্ৰিল-2022 তাৰিখে ডবকাৰ বাহাৰুল ইছলাম নামৰ যুৱকজনে কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয় যমুনামুখ, হোজাই-লামডিং সংমণ্ডল, জলসিঞ্চন, হোজাইৰ কাৰ্যালয়ত তথ্য বিচাৰি আৱেদন জনাইছিল। হোজাই- যমুনামুখ-লামডিং জলসিঞ্চন বিভাগৰ অন্তৰ্গত যমুনামুখ উপ-সংমণ্ডলৰ অধীনত নমাটি গাঁৱত চলি থকা দীপ টিউবৱেলৰ কামৰ প্লোন ইষ্টিমিট কপী বিচাৰি আৱেদন জনোৱাৰ প্ৰায় তিনি মাহ উকলি যোৱাৰ পিছতো তথ্য লাভ কৰিব নোৱাৰি আজি আৱেদনকাৰী বাহাৰুল ইছলামে পুনৰ হোজাই জিলা উপায়ুক্তৰ কাষ চাপে। উপায়ুক্তক দাখিল কৰা অভিযোগ পত্ৰত উল্লেখ কৰা মতে, হোজাই জলসিঞ্চন বিভাগৰ অধীনত ডবকাৰ নমাটি গাঁৱত দীপ টিউবৱেলৰ কামত বৃহৎ দুৰ্নীতি সংগঠিত হোৱাত চলিত বৰ্ষৰ ১৯ এপ্ৰিলত হোজাই জলসিঞ্চন বিভাগৰ কাৰ্যালয়ত আৰ টি আই আৱেদন কৰিছিল যদিও বৰ্তমানলৈ কোনো ধৰণৰ তথ্য লাভ কৰা নাই। সেয়েহে পুনৰ হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ হস্তক্ষেপ কামনা কৰি তদন্ত সাপেক্ষে দুৰ্নীতিগ্ৰস্ত বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আৱেদন জনায়। লগতে নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ হোজাই জিলা সভাপতি বাহাৰুল ইছলামে হোজাই জলসিঞ্চন আঁচনিৰ প্ৰতিটো কামৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। অন্যথা অনাগত সময়ত কৃষক ৰাইজৰ সহযোগত ছাত্ৰ সংগঠনটোৱে আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে।

# নলবাৰীত আই আই টি এমৰ উদ্যোগত দক্ষতা বিকাশৰ ওপৰত দুদিনীয়া কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৯ জুলাই ঃ** নলবাৰীৰ চহৰৰ চৌধুৰী মাৰ্কেটস্থিত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ আই আই টি এমৰ উদ্যোগত অনুষ্ঠিত কৰা হৈছিল দুদিনীয়া দক্ষতা বিকাশৰ ওপৰত কৰ্মশালা। এই দক্ষতা বিকাশৰ কৰ্মশালাখনৰ শুভাৰম্ভ কৰে অভিনেত্ৰী প্ৰিয়ংকা হালৈয়ে। তদুপৰি প্ৰতিষ্ঠানখনৰ প্ৰধান প্ৰশিক্ষক ইয়ামিন হকে কৰ্মশালাখনৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰাৰ লগতে কম্পিউটাৰৰ দক্ষতা বিকাশৰ ওপৰত পাঠ কৰে কফিল হান্নানে। প্ৰায় শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটো গীত-মাত পৰিৱেশনেৰে সফল সমাপন হয়।

## তেজপুৰত পথ নিৰ্মাণত ব্যাপক অনিয়ম

# নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই এফালৰ পৰা এৰাই গৈছে তৰপে তৰপে ব্লেক টেপিং

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৯ জুলাই ঃ** তেজপুৰত পথ নিৰ্মাণত ব্যাপক অনিয়ম। নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই এফালৰ পৰা এৰাই গৈছে তৰপে তৰপে ব্লেক টেপিং । ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শূন্য সহনশীলতা নীতিক অংগুষ্ঠ প্ৰদৰ্শন কৰি একাংশ ঘোচখোৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত ঠিকাদাৰে চলাইছে লুণ্ঠনৰাজ। জিলাখনৰ ডেকাৰ গাঁও চেণ্টাৰৰ পৰা পুঠিখাঁতী নুৰবাৰী হৈ পৰোৱা চেণ্টাৰলৈ সংযোগী এই পথছোৱা নিৰ্মাণত চলিছে ব্যাপক অনিয়ম। চলিত বৰ্ষৰ মাৰ্চ মাহৰ পৰা আৰম্ভ কৰা এই পথছোৱা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত জহিৰুল ইছলাম নামৰ ঠিকাদাৰজনে লাভ কৰে এই পথছোৱাৰ নিৰ্মাণৰ কাম । ২ কোটি ১২ লাখ ৬৬ হাজাৰ ৯৭২ টকা ব্যয়ৰে নিৰ্মাণ কৰা পথছোৱা কাম সম্পূৰ্ণ হোৱাৰ মাত্ৰ চাৰি মাহতে তৰপে তৰপে এৰাই পৰাত আজি স্থানীয় পুঠিখাঁতী অঞ্চলৰ ৰাইজ ওলাই আহি এইদৰে কয়। বিভাগীয় একাংশ অৰ্থলোভী বিষয়া-কৰ্মচাৰীৰ মিতিৰালিৰ বাবেই ঠিকাদাৰে এনেদৰে অতি নিম্ন মানৰ কাম কৰি দায়িত্ব সামৰা বুলি অভিযোগ কৰে। লগতে এনে ধৰণৰ ঠিকাদাৰক ৰাইজে ব্লেক লিষ্ট কৰিবলৈ চৰকাৰক আৱেদন কৰিছে।

# চাবুৱা দিনজয় হাজাৰীমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী পালনৰ ৰাজহুৱা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ২৯ জুলাই ঃ** বৃহত্তৰ চাবুৱা অঞ্চলৰ এখন ঐতিহ্যমণ্ডিত তথা অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে পৰিচিত দিনজয় হাজাৰীমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইয়াৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাৰজত জয়ন্তী উদযাপনৰ প্ৰস্তুতি চলিছে। ইতিমধ্যে আজি এই জয়ন্তী বৰ্ষ উদযাপনৰ প্ৰস্তুতি সম্পৰ্কীয় চতুৰ্থখন ৰাজহুৱা সভা ২৮ জুলাইত বিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হৈ যায় । চাবুৱাৰ শিক্ষানুষ্ঠানৰ বাটকটীয়া দিনজয় হাজাৰীমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এই জয়ন্তী পালনৰ বাবে আজি শিক্ষানুষ্ঠানখনত বিদ্যালয়ৰ অধ্যক্ষ দীপক বৰ্মনে আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি চান্দ কুমাৰ গোহাঁইয়ে। বিদ্যালয়ৰ বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী অৱসৰপ্ৰাপ্ত শিক্ষক উপস্থিত থকা সভাখনত মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি দিন আৰু মূল অনুষ্ঠানৰ দিন ধাৰ্য কৰাৰ লগতে কাৰ্যসূচী, বাজেট সম্পৰ্কীয় বিষয় সমূহৰ সিদ্ধান্ত গ্ৰহণ কৰে। শুভাৰম্ভণি অনুষ্ঠান ১৮ আগষ্টত ধাৰ্য কৰাৰ বিপৰীতে ২২, ২৩ আৰু ২৪ ডিচেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে তিনিদিনীয়াকৈ মহাৰজত জয়ন্তী উদ্‌যাপনৰ দিন গ্ৰহণ কৰে। ৩২ লাখ টকাৰ বাজেটেৰে উদ্‌যাপন হ'ব লগা উক্ত মহাৰজত জয়ন্তী অনুষ্ঠান প্ৰচাৰৰ বাবে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অনুপম বুঢ়াগোহাঁইৰ কথাৰে শুভাৰম্ভণিৰ দিনা মহাৰজত জয়ন্তী উপলক্ষত এটা শীৰ্ষ গীতো মুকলি কৰিব বুলি জনাইছে। সভাখনত ইজৰাইল নন্দ, অনিল গোহাঁই, কন্দৰ্প গোহাঁই, কুণ্ডিল গোহাঁই, দিব্যজ্যোতি লাহন, শিক্ষয়িত্ৰী মামণি দাস, হৰনাথ দুৱৰা, অনুপম বুঢ়াগোহাঁইকে ধৰি বহুকেইগৰাকী ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। সভাখনি বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলে পৰিৱেশন কৰা এটি কোৰাছেৰে আৰম্ভ হয়।

# গড়গাঁও মহাবিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ গৱেষণাধৰ্মী গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৯ জুলাই ঃ** শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ভৱনত আজি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত পৰিসংখ্যা বিজ্ঞান বিভাগে প্ৰকাশ কৰি উলিওৱা 'Exploring Conventions of Statistical Discourse' নামৰ শীৰ্ষক গৱেষণাধৰ্মী গ্ৰন্থখন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই আনুষ্ঠানিকভাৱে উন্মোচন কৰে। পৰিসংখ্যা বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰঞ্জনা গগৈ আৰু সহকাৰী অধ্যাপিকা বৰ্ণালী দত্তৰ সম্পাদনাত প্ৰকাশিত উক্ত গ্ৰন্থখনত অসমৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ অধ্যাপক, গৱেষক, স্নাতকোত্তৰ আৰু স্নাতক ছাত্ৰ-ছাত্ৰীসমন্বিতে ত্ৰিশৰো অধিক লেখক-লেখিকাৰ প্ৰায় কুৰিখনৰো অধিক পৰিসংখ্যা বিজ্ঞান বিষয়ক গৱেষণা-পত্ৰ সন্নিৱিষ্ট হৈছে। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থ উন্মোচন কৰি দিয়া ভাষণত অধ্যক্ষ ড° সব্যসাচী মহন্তই গ্ৰন্থখনে পৰিসংখ্যা বিজ্ঞানৰ গৱেষণা ক্ষেত্ৰখনলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা বুলি মত পোষণ কৰে। ভাষণত অধ্যক্ষ ড° মহন্তই সম্পাদনা সমিতিৰ এই প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰাৰ লগতে প্ৰকাশিত গ্ৰন্থখনে পৰিসাংখ্যিকীয় গৱেষকসকলক যথেষ্ট সহায় কৰিব বুলি মত পোষণ কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰীণা সন্দিকৈয়ে পৰিসংখ্যা বিজ্ঞান বিভাগৰ এই প্ৰচেষ্টাৰ শলাগ লয় । বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত থকা শিৱসাগৰ কলেজৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিজয় মহনে বিভাগৰ এই প্ৰচেষ্টাৰ শলাগ লয়। গড়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়াকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক ড° পংকজ নাথ, অৰ্থনীতি বিভাগৰ নীলোৎপল চুতীয়াই উক্ত অনুষ্ঠানত ভাগ লয়। বিভাগীয় মুৰব্বী ড° ৰঞ্জনা গগৈয়ে গ্ৰন্থখনৰ প্ৰকাশত অৱদান যোগোৱা সমূহ গৱেষক, লেখক-লেখিকাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই প্ৰতিমুহূৰ্ততে দিয়া দিহা-পৰামৰ্শ আৰু উৎসাহ-উদ্দীপনাই কেনেদৰে গ্ৰন্থখনৰ প্ৰকাশত অৰিহণা যোগালে, তাক শ্ৰদ্ধাৰে সোঁৱৰে।

# শোণিতপুৰত অবৈধ মাৰণাস্ত্ৰ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৯ জুলাই ঃ** শোণিতপুৰত অবৈধ মাৰণাস্ত্ৰ উদ্ধাৰ । আগন্তুক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত শোণিতপুৰ জিলাৰ মিছামাৰী আৰক্ষী থানাৰ অন্তগত বেলশিৰি দৈমৰা অঞ্চলৰ পৰা আজি এক গোপন সুত্ৰৰ ভিত্তিত মাটিত পুতি থোৱা অৱস্থাত দুটা পিস্তল উদ্ধাৰ কৰে । এটা ৯ এম এম আৰু ৭.৬ পিস্তলৰ লগতে সাত জাই সজীৱ গুলী উদ্ধাৰ কৰে । আৰক্ষী বিষয়া মাধুৰীমা দাসৰ নেতৃত্বত তেজপুৰ মহাভৈৰৱ আৰক্ষী চকীৰ আৰক্ষী বিষয়া কল্পজ্যোতি বৰা মিছামাৰী আৰক্ষী থানা আৰু বেলসিৰি আৰক্ষী চকীৰ সহযোগত আজি পুৱতি নিশা মাটিত পুতি থোৱা অৱস্থাত এই দুই মাৰণাস্ত্ৰ উদ্ধাৰ কৰে যদিও বৰ্তমান পৰ্যন্ত এই মাৰণাস্ত্ৰ ক'ৰ পৰা কেনেকৈ আহিল কোনো ধৰণৰ তথ্য সদৰি কৰা নাই। উল্লেখনীয় বিষয়তো হ'ল যে স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত জিলাখনত এনেদৰে অবৈধ মাৰণাস্ত্ৰ উদ্ধাৰ হোৱা ঘটনাই অধিক তৎপৰ কৰি তুলিছে শোণিতপুৰ আৰক্ষীক।

**SHORT EXAMINATION NOTICE**

**THE GAUHATI HIGH COURT AT GUWAHATI**
**(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)**

Written examination in connection with temporary engagement of **Technical Assistant** and **Senior Developer** for the Principal Seat of the Gauhati High Court will be held on **13.08.2022** (Saturday) from 10.00 am to 12.00 noon and from 01.00 pm to 03.00 pm respectively at Guwahati. Roll Nos. of eligible candidates and other details can be seen in the relevant notification published in the official website **(www.ghconline.gov.in)** & Notice Board of Gauhati High Court at Guwahati.

Sd/
Registrar (Administration),
Gauhati High Court, Guwahati

Janasanyog /D/9348/ 22

*No. Tech/URBD/SDRF/IFB/2020-21/5377-86* *Dated. 29/07/2022*

**PRESS NOTICE INVITING TENDER**

The Executive Engineer, PWD, Udalguri (R&B) Division, Udalguri on behalf of Governor of Assam invites bids from approved and eligible Contractors registered with Public works Department (Roads), Assam/Contractors registered with Bodoland Territorial Council in the category of Class-I (A,B &C), Class-II and Class-III for 6 (six) Nos. of works for bids amounting to **Rs.1,87,61,200.00** (approx) (Rupees one crore eighty seven lakh sixty one thousand two hundred) only.

Details may be seen at in the Office of the undersigned during office hours.

Sd/-
Executive Engineer, PWD
Udalguri (R&B) Division
Udalguri

*IPR(BTC)-227/2022*

# ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত ৯০গৰাকী দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰোগীক ৫০ হাজাৰকৈ আৰ্থিক সাহায্য

### পৰিষদ এলেকাৰ জনজাতীয় ছাত্ৰ-ছাত্ৰীক স্কলাৰশ্বিপ প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৯ জুলাই ঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ পৰা কালি ৯০গৰাকী দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰোগীক সহায়ৰ হাত আগবঢ়াইছে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে। ইপিনে পৰিষদ এলেকাৰ ১,৮৫৫গৰাকী জনজাতীয় ছাত্ৰ-ছাত্ৰীক উচ্চতৰ মাধ্যমিক বৰ্ষ আৰু স্নাতক বৰ্ষত অধ্যয়নত কিছু সকাহ দিয়াৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্কলাৰশ্বিপ প্ৰদান কৰে। এই উপলক্ষে পৰিষদৰ সচিবালয় প্ৰাংগণত থকা সভাগৃহত কালি অনুষ্ঠিত এখন সভাৰ জৰিয়তে আনুষ্ঠানিকভাৱে চেক প্ৰদান কৰা হয়। উল্লেখ্য যে ৰাভা হাছং পৰিষদ এলেকাৰ ৩৬টা পৰিষদীয় সমষ্টিৰ অধীনস্থ অঞ্চলসমূহৰ পৰা দুৰাৰোগ্য ৰোগত আক্ৰান্ত অথবা চিকিৎসাধীন অৱস্থাত থকা ৯০গৰাকী ৰোগীক প্ৰত্যেককে ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। পৰিষদৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষৰ আঁচনি অনুসৰি এই সাহায্য আগবঢ়োৱা হৈছে। এই আৰ্থিক সাহায্য প্ৰদান কৰি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয় যে দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰোগীসকলে পৰিষদৰ পৰা পোৱা ৫০ হাজাৰ টকাৰে চিকিৎসা কৰাত যথেষ্টখিনি সকাহ পাব। তেওঁ লগতে জানিবলৈ দি কয় যে ইয়াৰ পূৰ্বেও দুৰাৰোগ্য ৰোগত ভুগি থকা ৰোগীক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। ইপিনে উক্ত সভাত পৰিষদৰ ২০১৯-২০২০ আৰু ২০২০-২০২১ বিত্তীয় বৰ্ষৰ আঁচনি অনুসৰি পৰিষদ এলেকাৰ ১,৮৫৫ গৰাকী জনজাতীয় ছাত্ৰ-ছাত্ৰীক স্কলাৰশ্বিপ প্ৰদান কৰা হয়। উচ্চতৰ মাধ্যমিকত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীক প্ৰত্যেককে ৩,৫০০ টকাকৈ আৰু স্নাতক বৰ্ষত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীক প্ৰত্যেককে ৪,০০০ টকাকৈ স্কলাৰশ্বিপৰ চেক বিতৰণ কৰা হয়। এই বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ হোৱাৰ পিছত প্ৰতিটো সমষ্টিৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক স্কলাৰশ্বিপৰ চেকসমূহ বিতৰণ কৰা হ'ব। আনহাতে, ৰাভা জনগোষ্ঠীৰ গণতান্ত্ৰিক আন্দোলনত আগভাগ লৈ জাতিটোৰ স্বাৰ্থত কাম কৰি থকা নিখিল ৰাভা মহিলা পৰিষদৰ কামৰূপ জিলা সমিতিৰ ৩১গৰাকী বিষয়ববীয়া আৰু সদস্যক প্ৰত্যেককে একোটাকৈ চিলাই মেচিন প্ৰদান কৰে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। লগতে পাঁচগৰাকী হিতাধিকাৰীক পৰিষদৰ উদ্যোগ বিভাগৰ তৰফৰ পৰা ধান বনা কল (ৰাইচ হলাৰ) বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ সময়ত পৰিষদৰ অধ্যক্ষ চাৰু মোহন ৰাভা, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বীৰঞ্জন ৰাভা, সাধাৰণ সম্পাদক তিলক ৰাভাৰ উপৰি কেইবাগৰাকী জিলা আৰম্ভুৰ নেতৃত্বৰ লগতে পৰিষদৰ কাৰ্যবাহী সদস্য আৰু সাধাৰণ সদস্য উপস্থিত থাকে।

## ধেমাজিৰ বালিচৰিত বিজুলী মহোৎসৱৰ উদ্‌যাপন

# নৃত্য-গীত, চলচ্চিত্ৰ, নাট প্ৰদৰ্শনেৰে মুখৰ হৈ পৰিল অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৯ জুলাই ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে ধেমাজি জিলাৰ দ্বিতীয়খন বিজুলী মহোৎসৱ আজি জিয়াঢলৰ বালিচৰিত অনুষ্ঠিত কৰা হয়। অৰুণাচল সীমান্তৱৰ্তী এই দূৰণিবতীয়া অঞ্চলটোত আয়োজিত বিদ্যুৎ মহোৎসৱত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা পৰিষদৰ সভাপতি মোহন গগৈ। মুখ্য অতিথি হিচাপে দিয়া ভাষণত জিলা পৰিষদৰ সভাপতি মোহন গগৈয়ে কয় যে, দেশৰ শক্তি খণ্ডত যোৱা কিছু বছৰত হোৱা প্ৰগতিয়ে আমাৰ দেশৰ সামগ্ৰিক অগ্ৰগতিকে সূচাইছে। আজি য'তে গ্ৰাম্য পথ নিৰ্মাণ হৈছে, য'তে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ দ্বাৰা ঘৰ নিৰ্মাণ হৈছে তাতেই সহজতে বিদ্যুৎ সংযোগ হৈছে বুলি তেওঁ উল্লেখ কৰে। জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠকে দিয়া ভাষণত বিদ্যুতৰ ব্যৱহাৰৰ ক্ষেত্ৰত পালন কৰিবলগীয়া সাৱধানতাসমূহৰ বিষয়ে কয়। তেওঁ কয় যে, আজি দেশৰ বিদ্যুৎ খণ্ডত ইমানেই প্ৰগতি সাধন হৈছে যে, এতিয়া এই দূৰণিবতীয়া সীমান্তৱৰ্তী অঞ্চলটোৰো ঘৰে ঘৰে বিজুলী সংযোগ সম্ভৱ হৈছে, যিটো কেইবছৰ মান আগলৈকে কল্পনাতীত আছিল। সভাৰ আৰম্ভণীতে উত্তৰ-পূব বৈদ্যুতিক শক্তি নিগমৰ প্ৰবন্ধক জ্ঞানজ্যোতি দেউৰীয়ে আদৰণী ভাষণত কয় যে, যোৱা ৮ বছৰৰ ভিতৰত দেশৰ শক্তি খণ্ডত অভূতপূৰ্ব উন্নয়ন সাধন হৈছে। এতিয়া ভাৰতে প্ৰয়োজনতকৈ অধিক বিদ্যুৎ উৎপাদন কৰি বিদেশলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। তেওঁ কয়, এয়া সম্ভৱ হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন আৰু সংকল্পৰ বাবে। সভাত অসম শক্তি বিতৰণ প্ৰতিষ্ঠানৰ উত্তৰ লখিমপুৰ চক্ৰৰ মুখ্য কাৰ্যবাহী বিষয়া অমৰজিৎ শৰ্মাই চমু বক্তব্য আগবঢ়াই বিদ্যুতৰ ব্যৱহাৰৰ ক্ষেত্ৰত পালনীয় সাৱধানতাৰ বিষয়ে ৰাইজক সুন্দৰকৈ বুজাই কয়। বিদ্যুৎ বিভাগৰে ধেমাজিৰ সহকাৰী মহাপ্ৰবন্ধক নিপন সোণোৱালে নিজৰ ভাষণত কয় যে, ধেমাজি জিলাত সৌভাগ্য আঁচনিৰ অধীনত ৫১,৩১৭ টা পৰিয়াললৈ, দীন দয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ অধীনত ১২,৩০৭টা পৰিয়াললৈ বিনামূলীয়াকৈ বিদ্যুৎ সংযোগ প্ৰদান কৰা হৈছে। সভাৰ সামৰণিত শলাগৰ শৰাই আগবঢ়াই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰফুল্ল দেউৰীয়ে। সভাত জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু সাংস্কৃতিক বিষয়া বিদ্যাধৰ দেউৰীও বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাত কেইবাগৰাকীও বিদ্যুতৰ উপভোক্তাই নিজৰ অনুভৱ প্ৰকাশ কৰি বিদ্যুৎ সংযোগে তেওঁলোকৰ জীৱনলৈ অনা ইতিবাচক পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত জন-সজাগতা সৃষ্টিৰ উদ্দেশ্যে সুন্দৰ কেইবাখনো চুটি ছবি আৰু বাটৰ নাট প্ৰদৰ্শন কৰা হয়। তদুপৰি বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশনৰ দ্বাৰা অনুষ্ঠানতো উপভোগ্য হৈ পৰে।

তৃতীয় পৃষ্ঠাৰ পৰা—

## জিলা দুৰ্যোগ প্ৰাধিকৰণেৰে বিশেষ বৈঠক

পুনৰীক্ষণ গোটে যোৱা ২৪ জুলাইৰ পৰা ২৭ জুলাইলৈ বানাক্ৰান্ত গাঁওৰ ক্ষতিগ্ৰস্ত গৃহ সমূহৰ পুনৰীক্ষণত পোৱা তথ্য সমূহৰ পৰ্যালোচনা কৰা হয়। উল্লেখ্য, পুনৰীক্ষণৰ পূৰ্বে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ৰমাগত ৩ খন বৈঠকত বিভিন্ন ৰাজহ চক্ৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত সৰ্বমুঠ ২০,৩৬৫ টা গৃহ আংশিক তথা সম্পূৰ্ণ ক্ষতিগ্ৰস্ত গৃহৰ তালিকাত অন্তৰ্ভূক্ত কৰা হৈছিল। পুনৰীক্ষণৰ ২৫ টা গোটে ইতিমধ্যে ৰঙিয়া ৰাজহ চক্ৰৰ অধীনত ক্ষতিগ্ৰস্ত গাঁওৰ তালিকাভুক্ত ১০৫১টা, কঞা ৰাজহ চক্ৰৰ ৩৮৪টা, কমলপুৰ ৰাজহ চক্ৰৰ ৭৩৩টা, হাজো ৰাজহ চক্ৰৰ ১৫৯০টা, উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ ৪৮০টা ক্ষতিগ্ৰস্ত গৃহৰ চৰজমিন পুনৰীক্ষণ কৰিছে। বানক্ষতিগ্ৰস্ত উত্তৰ কামৰূপৰ ৫টা ৰাজহ চক্ৰৰ অধীনৰ তালিকাভুক্ত ক্ষতিগ্ৰস্ত গৃহৰ প্ৰায় ২১.৮১ শতাংশ পুনৰীক্ষণ গোট সমূহে পৰিদৰ্শন কৰিছে আৰু পুনৰীক্ষণৰ পিছত মুঠ গৃহ ক্ষতিগ্ৰস্তৰ সংখ্যা ২৪৯ টালৈ বৃদ্ধি হৈছে। এতিয়া এই চূড়ান্ত তালিকাখন জিলাৰ অভিভাৱক সচিব ডঃ ওম প্ৰকাশে পুনৰ এবাৰ অৱলোকন কৰাৰ পিছত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ওচৰত দাখিল কৰা হব। আজিৰ বৈঠকত জিলাৰ উপায়ুক্ত কীৰ্তি জল্লী, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, জিলা পৰিষদৰ মুখ্য কাযবাহী বিষয়া পৰাগ কাকতি, চক্ৰ বিষয়া সকল, খণ্ড উন্নয়ন বিষয়া সকলৰ উপৰি ২৫টা পুনৰীক্ষণ গোটৰ মুৰব্বী সকলে অংশ গ্ৰহণ কৰে।

## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত দিচাংমুখত

কৰিছে। স্মৰ্তব্য যে বিগত কংগ্ৰেছ চৰকাৰৰ আমোলতে ২০১১ চনত জগাই চৰকাৰ এগৰাকী দৰিদ্ৰ ব্যক্তি হোৱাৰ হেতুকে হিতাধিকাৰী হিচাপে পঞ্চায়তখনৰ হিতাধিকাৰীৰ তালিকাত নাম সন্নিবিষ্ট হৈছিল। সম্পূৰ্ণ ১১ বছৰৰ পিছত জগাই চৰকাৰলৈ চৰকাৰৰ তৰফৰ পৰা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ এটি গৃহৰ আৱণ্টন হয়। চৰকাৰী গৃহ লাভ কৰি ৱাৰ্ড সদস্যক ঘোঁচ দিব লগীয়া হোৱা জগাই চৰকাৰে কেমেৰাৰ আগত অভিযোগ কৰে যে ৱাৰ্ড সদস্য অনিল দাস ওৰফে ভগীৰথ দাসে তেওঁৰ নামত আৱণ্টিত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহটিৰ ধন মুকলাই দিয়াৰ নামত নগদ ৫ হেজাৰ টকা ঘোঁচ বিচাৰে। দুগৰাকী কন্যা সন্তানৰ পিতৃ তথা ঘৰত এগৰাকী বিশেষ ভাৱে সক্ষম ব্যক্তিক কোনোমতে পোহপাল দি অহা জগাই চৰকাৰে নগদ ৫ হেজাৰ টকা দিবলৈ সামৰ্থ নাছিল। কোনোমতে ১ হেজাৰ টকা ব্যৱস্থা কৰি অনিল দাস ওৰফে ভগীৰথ দাসক দিয়ে যদিও ৱাৰ্ড সদস্য গৰাকীয়ে এই ধনকলৈ অলপো সন্তুষ্ট নহয়। জগাই চৰকাৰক ৱাৰ্ড সদস্য গৰাকীয়ে স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে বাকী ৪ হেজাৰ টকা তেওঁক নিদিয়ে তেতিয়ালৈকে আৱণ্টিত ঘৰৰ ধন জগাই চৰকাৰক মুকলি কৰি দিয়া নহব। জগাই চৰকাৰে ৱাৰ্ড সদস্য গৰাকীক ধন মুকলাই দিবৰ বাবে বহু খাটনি ধৰে যদিও ৱাৰ্ড সদস্যগৰাকীয়ে দাবী কৰা ধন নোপোৱাৰ বাবেই আজিলৈকে জগাই চৰকাৰৰ প্ৰাপ্য ধন মুকলি কৰি দিয়া নাই। উপায়ন্তৰ হৈ হিতাধিকাৰীগৰাকীয়ে আজি শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলেক ৱাৰ্ড সদস্য অনিল দাস ওৰফে ভগীৰথ দাসৰ বিৰুদ্ধে ধন দাবী কৰাৰ সন্দৰ্ভত এখনি অভিযোগ পত্ৰ দাখিল কৰিছে। উল্লেখ্য যে অনিল দাস ৱাৰ্ড সদস্য নিৰ্বাচিত হোৱাৰ পিছৰেই পৰা ৱাৰ্ডটোত ৰূপায়ণ কৰা বিভিন্ন চৰকাৰী আঁচনিত দুৰ্নীতি সংঘটিত কৰি অহাৰ দেধাৰ অভিযোগ আছে। কিন্তু বিজেপিৰ এইগৰাকী ৱাৰ্ড সদস্যই অতি চতুৰালীৰে প্ৰত্যেকবাৰে আইনৰ সুৰুঙাৰ পৰা বাছি গৈছে। সহজ সৰল হিতাধিকাৰীক ভয় ভাবুকি দি অহা এই গৰাকী দুৰ্নীতি পৰায়ন ৱাৰ্ড সদস্যৰ বিৰুদ্ধে স্বয়ং এগৰাকী হিতাধিকাৰীয়ে অভিযোগ দাখিল কৰাৰ পিছত শিৱসাগৰ উন্নয়ন খণ্ডৰ খণ্ড বিষয়া চন্দন কলিতা আৰু মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলে কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া হ'ব লক্ষণীয়। আনহাতে স্বচ্ছ আৰু নিকা প্ৰশাসনৰ কথা কোৱা বিজেপিয়ে এই গৰাকী দুৰ্নীতি পৰায়ন ৱাৰ্ড সদস্য অনিল দাস ওৰফে ভগীৰথ দাসৰ বিৰুদ্ধে দলীয়ভাৱে গ্ৰহণ কৰিব লগীয়া ব্যৱস্থাই পৰিষ্কাৰ কৰি তুলিব বিজেপিৰ স্বচ্ছ আৰু নিকা স্বৰূপটোক।

## পুৱাই টিঙিৰি তুলা বিধায়ক ৰাজবংশী

আছে। যিটো আজি সত্যত পৰিণত হ'ল কিম্বা প্ৰমাণিত হ'ল। জানিব পৰা মতে ছিপাঝাৰ জলসিঞ্চনৰ কাৰ্যালয়টোৰ কৰ্মচাৰীসকলৰ ওপৰত সচেতন লোকসকলে বিধায়কক স'ততে কৰ্মচাৰীৰ অনিয়মিত উপস্থিতি, দেৰিলৈ লাইট জ্বলি থকা আদিৰ অভিযোগ দি অহাৰ পিছত কাৰ্যালয়টোলৈ যাম বুলি অসুবিধাৰ বাবে যাব পৰা নাছিল বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী।পিছে আজি পুৱাতেই কাৰ্যালয়টোৰ সমীপত থকা লেখিকা সমিতিৰ কাৰ্যালয় পৰিদৰ্শন কৰিবলৈ উপস্থিত হওঁতেই সচেতন লোক সকলে বিধায়কক দিয়া অভিযোগ সত্যত পৰিণত হৈ পৰে। বিধায়ক গৰাকীয়ে জলসিঞ্চন বিভাগৰ কাৰ্যালয়টোৰ সন্মুখত থকা তলাবন্ধ গে'টত প্ৰসৰ ৰ'দত ১০ বজা পৰ্যন্ত অপেক্ষা কৰি এটা সময়ত অতিষ্ঠ হৈ তাত উপস্থিত থকা জলসিঞ্চন বিভাগৰ দুগৰাকী কৰ্মচাৰী সুধি তেওঁলোকৰ তাত গে'টৰ চাবি নাই বুলি জানিব পাৰি অতিষ্ঠ বিধায়ক গৰাকীয়ে বিভাগৰ ঊৰ্ধ্বৰ্তন বিষয়ালৈ ফোন কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই সময়ত বিধায়ক গৰাকীৰ লগত ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়া, আলোচনাপন্থী আলফা নেতা ৰঞ্জু চহৰীয়া, লেখিকা সমিতিৰ কেইবাজনো বিষয়ববীয়া উপস্থিত আছিল।ইফালে ছিপাঝাৰৰ উন্নতি তথা উন্নয়নকলৈ দিনে-নিশাই অহৰহ ভাবে লাগি পৰা বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীৰ তেনে তৎপৰতাত ছিপাঝাৰৰ ৰাইজে আদৰণি জনাইছে। আগলৈয়ো তেনে তৎপৰতা অব্যাহত থকাৰো আশা প্ৰকাশ কৰে। একাংশ লোকে ছিপাঝাৰৰ আৰু কেইটামান কাৰ্যালয়ত যেতিয়াই-তেতিয়াই অহা যোৱা কৰি মাহিলি দৰমহা আদায় কৰি থকা বুলি অভিযোগ উত্থাপন কৰিছে। এই সকলৰ ওপৰতো বিধায়কয়ে ব্যৱস্থা গ্ৰহণ কৰাৰ পোষকতা কৰিছে।

## দিচাং নৈৰ পাৰত, বলিমৰা থানৰ কাষত

লগ লাগি দিচাঙৰ আনটো পাৰলৈ কঠিয়াৰ মোঠা পাৰ কৰি থাকোতে ই নিকু নামৰ যুৱকজন নদীৰ কোবাল সোতত উটি যায় আৰু এটা সময়ত অন্তৰ্ধান হয়। উক্ত খবৰ গাঁৱত বিয়পি পৰাৰ লগে লগে হোৱা দোৱা লাগি এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয় আৰু ঢল পুৱাতেই কেইবা শতাধিক লোকে দিচাঙৰ পাৰত লোকাৰণ্য হৈ পৰে। অৱশেষত স্থানীয় প্ৰশাসনৰ তৎপৰতাত এছ ডি আৰ এফ বাহিনীৰ ডুবাৰুৰ সহযোগত সন্দেহজনক দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা প্ৰায় দুই কিঃমিঃ আঁতৰত নদীৰ মাজত নিকুৰ মৃত দেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনাক সাধাৰণ জনতাই সহজভাৱে ল'ব পৰা নাই। এয়া এক পৰিকল্পিত হত্যা বুলি একাংশ জনতাই ক'ব খোজে। অৱশ্যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনে প্ৰকৃত তথ্য ফাদিল কৰিব।

## পথ দুৰ্ঘটনাত নিহত পশু চিকিৎসক অসীম

জিলাৰ টিহু চ'কত থকা নিজ ঘৰলৈ যায়। সন্ধিয়া প্ৰায় ৮ মান বজাত এগৰাকী বন্ধুৰ সৈতে পথত খোজ কাঢ়ি থাকোতেই পিছফালৰ পৰা অহা এখন তীব্ৰ বেগী বলেৰ' গাড়ীয়ে খুন্দিয়াই পশু চিকিৎসক ডাঃ অসীম কুমাৰ দাসক। ফলত ঘটনাস্থলীতে মৃত্যু হয় চিকিৎসক গৰাকীৰ। ঘটনাৰ পিছতে আজি পুৱাৰ ভাগত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰী শ্বহীদ মকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৰণোত্তৰ পৰীক্ষাৰ পিছত দিনৰ ভাগত মৃতদেহটো ঘৰলৈ অনাৰ পিচত এক শোকাকুল পৰিৱেশত বহু গুণমুগ্ধ ব্যক্তি তথা মুছলপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ কৰ্মচাৰী সকলেও প্ৰয়াত পশু চিকিৎসকগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে শোকাকুল পৰিৱেশত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখ্য প্ৰয়াত পশু চিকিৎসক ডাঃ অসীম কুমাৰ দাসক পশু চিকিৎসা বিভাগে তামুলপুৰ ৰাজ্যিক পশু চিকিৎসালয়লৈ বদলি কৰিছে। সেইমতে ১ আগষ্টত তামুলপুৰ ৰাজ্যিক পশু চিকিৎসালয়ত যোগদান কৰাৰ কথা আছিল। মৃত্যুৰ সময়ত প্ৰয়াত দাসে পত্নী আৰু এগৰাকী পুত্ৰ আৰু কন্যাক এৰি থৈ যায়।

## হোজাই জিলাত ইউৰিয়াৰ কৃত্ৰিম নাটনি

জিলাত ১২৪খন ৰিটেইলাৰ আৰু ১১খন ডিলাৰ আছে। নিয়ম মতে এই কেইখন ডিলাৰে জিলাখনত ১২৪ খন ৰিটেইলাৰক (খুচুৰা ব্যৱসায়ী) ইউৰীয়াসমূহ যোগান ধৰাৰ পাছত তেওঁলোকে কৃষকসকলৰ মাজত ইউৰীয়া সাৰ বিক্ৰী কৰিব লাগে। কিন্তু পৰিতাপৰ বিষয় যে জিলা কৃষি বিভাগে কৃষকৰ এই সমস্যাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা নাই। এই সন্দৰ্ভত হোজাই জিলা খুচুৰা সাৰ বিক্ৰেতা সন্থাৰ এখন সভা কালি অনুষ্ঠিত হৈ যায়। সন্থাৰ সভাপতি মানিক ভৌমিকৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কৃষকৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰা হয়। লগতে সন্থাৰ কাৰ্যকৰী সভাপতি শহিদুল ইছলামেও ভাষণ প্ৰসংগত ইউৰিয়া সাৰৰ নাটনি সন্দৰ্ভত আলোকপাত কৰাৰ অন্তত সন্থাৰ সম্পাদক কৃষ্ণ দাসে অসম চৰকাৰৰ কৃষি বিভাগে অনতি পলমে হোজাই জিলাৰ ৰিটেইলাৰসকলক ইউৰীয়া সাৰ যোগান ধৰিবলৈ দাবী জনায়। উল্লেখ্য এক বিশেষ সূত্ৰে জানিব পৰা মতে অসম চৰকাৰৰ ৰাসায়নিক সাৰ কৃষি বিপণন কেন্দ্ৰই সাৰ কোম্পানীসমূহক টকা দিব নোৱাৰাৰ বাবেই ইউৰীয়া সাৰ ক্ৰয় কৰিব পৰা নাই। গতিকে কৃষকৰ স্বাৰ্থত যাবতীয় ব্যৱস্থা গ্ৰহণ কৰি সাৰ সহজতে উপলব্ধ কৰাৰ ব্যৱস্থা কৰিবলৈ সজোৰে দাবী উত্তাপন কৰে। উল্লেখযোগ্য যে ডবকা ৰাজহ চক্ৰৰ এলেকাৰ প্ৰায় কৃষিভূমিত জলসিঞ্চনৰ পানী লাভ কৰাত কৃষকৰ ধান খেতি আগত আৰম্ভ হয় বাবে সাৰ প্ৰয়োজন হয়। ফলত ডবকা, আমবাৰী, মোৰাঝাৰ, চৌধৰী বজাৰ, চামৰালি আদি অঞ্চলত সাৰৰ অভাৱ অনুভৱ কৰে কৃষকে। ফলত সমস্যাৰ সন্মুখীন হয়। ইপিনে কিছুদিন পূৰ্বেও হোজাই জিলা উপায়ুক্ত, হোজাই কৃষি বিষয়াৰ সৈতে কৃষকৰ সমস্যা আলোচনা কৰাৰ লগতে ৰাজ্যৰ কৃষিমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ হোজাই জিলা খুচুৰা সাৰ বিক্ৰেতা সন্থাই স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## বিজুলীবনত উত্তেজনা

চেত্ৰী আৰু অচ্ছালাল চাহুৰ নেতৃত্বত দুখন ডি আই গাড়ীৰ সহায়ত অকতৃত্বশীলডাৱে ব্যক্তিগত চাহ বাগিছাত কাম কৰিবলৈ লৈ আহিছিল। এইদল শ্ৰমিকৰ লগত পাঁচোটিকৈ শিশু শ্ৰমিকো আছিল। এই বাতৰি লাভ কৰি সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ একাংশ বিষয়ববীয়াই গাড়ী ৰখাই একপ্ৰকাৰৰ তালাচী চলাই শিশু শ্ৰমিকসহ আন শ্ৰমিকসকলক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।ইয়াৰ সবিশেষ তথ্য লাভ কৰি তিনিচুকীয়া শিশু শ্ৰমিক বিষয়াক খবৰ কৰাত ঘটনাস্থলীলৈ দুগৰাকী বিষয়া আহি ঘটনা বুজ লৈ পেঙেৰী আৰক্ষী সহযোগত দুই শ্ৰমিকক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এ -চি- চি 2603 নম্বৰ আৰু আন এখন ডি আই গাড়ীৰে লৈ অহা এই শ্ৰমিক সকলৰ মাজৰ পৰা আন চাৰি শিশু শ্ৰমিকক কৌশলেৰে পূৰ্বেও অভিযোগ থকা দান বাহাদুৰ চেত্ৰীয়ে পলোৱাই আঁতৰাই পঠাই। মূল অভিযুক্ত দান বাহাদুৰ ছেত্ৰীক বিষয়াজনে তীব্ৰ সকীয়নি প্ৰদান কৰাৰ বিপৰীতে অচ্ছালাল চাহুক chield Labour Act [P&R]1986 অধীনৰ section 3 উলংঘা কৰাৰ অপৰাধত এক জাননী প্ৰেৰণ কৰি আদালতত হাজিৰ হবলৈ নিৰ্দেশ দিয়াৰ উপৰিও কাৰণ দৰ্শোৱাৰ এক জাননী তাৎক্ষণিকভাৱে প্ৰেৰণ কৰিছে। আন এক অভিযোগ অনুসৰি দান বাহাদুৰ চেত্ৰীৰ গাড়ী চালকজনৰ কোনো বৈধ ড্ৰাইভিং লাইছেঞ্চ নথকাৰ উপৰিও ওঠৰৰ অনুৰ্ধৰ বুলি জানিব পৰা গৈছে আৰু সেয়া উচিত তদন্তৰ দাবী তুলিছে সংগঠনটোৱে। ইপিনে এনে শিশু শ্ৰমিকক যাতে কোনো কালে সমগ্ৰহ ফিল'বাৰী অঞ্চলটোত কামত খটাব নোৱাৰে তাৰো এক সজাগতাৰ সভা বিজুলীবন ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰ্যলয়ত সম্পন্ন হৈ যায়।এই সভাত আদিবাসী ছাত্ৰ সংগঠনটোৰ ফিল'বাৰী আঞ্চলিকৰ সভাপতি সহিতে বিষয়ববীয়াসকলৰ ওপৰিও স্থানীয় ৰাইজ উপস্থিত থাকে।

## মৰিগাঁৱত অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্ত

কৰিব পৰাকৈ সকলে দিশৰ সহায় আগবঢ়োৱা হ'ব। এই কেন্দ্ৰটোত পেঞ্চনাৰ সকলে যাতে অলপ জিৰণি লৈ আৰামেৰে তেখেত সকলৰ নথি পত্ৰ জমা দিব পাৰে তাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। আজিৰ এই অনুষ্ঠানত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্ত অৰুন্ধুতী নৰহ মিপুন, জিলা শিক্ষা বিষয়া বুলি গগৈ, পেঞ্চন সেৱা কেন্দ্ৰৰ নডেল বিষয়া হাবিবা উল্লাহ, বিভাগীয় মুৰব্বী বিষয়া, পেঞ্চনাৰসকল আৰু শিক্ষক-কৰ্মচাৰীসকলো উপস্থিত থাকে।

## নগাঁৱত সংবাদ মেলত ৰকিবুল হুছেইন

# ক্ৰছ ভোটিং বিৰোধীৰ ষড়যন্ত্ৰ

### বিভিন্ন এজেঞ্চীৰ দ্বাৰা কংগ্ৰেছৰ নেতাসকলক জেৰা কৰাটোৰেই এইখন চৰকাৰৰ কাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ জুলাই ঃ** বৰ্তমান মানুহৰ উপাৰ্জনৰ পথ প্ৰায় বন্ধ হোৱাৰ দৰে হৈছে। ফলত মানুহৰ অৱস্থা বেয়া হৈছে। এতিয়া বজাৰ সমাৰত মানুহৰ ভীৰ কমি গৈছে। আমি ভাবিছিলো গৰম বা অন্য কাৰনত এই পৰিবেশৰ সৃষ্টি হৈছে। আচলতে সেয়া নহয়। এই মন্তব্য কংগ্ৰেছৰ জেষ্ঠ নেতা তথা বিৰোধী দলৰ উপ দলপতি ৰকিবুল হুছেইনৰ। আজি নগাঁৱত আয়োজিত এক সংবাদ মেলত এই মন্তব্য কৰি হুছেইনে কয় যে আমি ভাবিছিলোঁ গৰম বা বানপানীৰ কাৰনত মানুহৰ বজাৰত ভীৰ কমিছে। কথাটো তেনেকুৱা নহয়। উপাৰ্জন নোহোৱাৰ বাবেই আন দোকানৰ কথা বাদেই গেলামালৰ দোকানটো মানুহৰ ভীৰ কমি গৈছে। সাধাৰণ ৰাইজৰ উপাৰ্জন কমি গৈছে। সেই কথাখিনি চৰকাৰে গুৰুত্ব দিয়া উচিত। তেওঁ লগতে কয় বিভিন্ন সমস্যাই মানুহক আগুৰি ধৰিছে। তাৰ পিছতো চৰকাৰে ফিতাহি মাৰি ঋণ লৈ আছে। ঋণ লোৱা কথাবিলাক ইতিমধ্যে ন্যায়ালয় পাইছেগৈ। চৰকাৰৰ কাম কাজত ৰাইজ অতিষ্ঠ হৈছে বুলি মন্তব্য কৰি হুছেইনে কয় চৰকাৰ একেবাৰে ভালদৰে চলাব পৰা নাই। কাৰো নাম উল্লেখ নকৰাকৈ কংগ্ৰেছ নেতা গৰাকীয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমালোচনা কৰি কয় দেশত এতিয়া কি চলি আছে সেয়া ৰাইজে উপলব্ধি কৰিব পাৰিছে। প্ৰসংগক্ৰমে হুছেইনে শ্ৰীলংকাৰ কথাও উল্লেখ কৰে। এতিয়া বৰ্তমানৰ চৰকাৰৰ কাম হৈছে চৰকাৰৰ বিভিন্ন এজেঞ্চিৰ জৰিয়তে বিৰোধী বিশেষকৈ কংগ্ৰেছৰ নেতাসকলক জেৰা কৰাটো। বিভিন্ন প্ৰকাৰৰ ভয়- ভীতি প্ৰদৰ্শন কৰাটো চৰকাৰৰ একমাত্ৰ কাম হৈছে। চৰকাৰৰ জন বিৰোধী নীতিৰ বিৰুদ্ধে গণন্ত্ৰানিকভাৱে প্ৰতিবাদ কৰিবলৈ যাওতে ৰাজীৱ ভৱনৰ বাহিৰলৈ ওলোৱাত কংগ্ৰেছক বাধা প্ৰদান কৰিছে। আমাৰ কৰ্মীৰ ওপৰত দমনৰাজ চলাইছে। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ত অসমৰ কংগ্ৰেছ বিধায়কে ক্ৰছ ভোটিং কৰা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত হুছেইনে কয় সেই সময়তে আমাৰ চাৰি পাচজনমান বিধায়ক এনে কাৰ্যত জৰিত থকাৰ সন্দেহ উপজিছিল। এই বিষয়টো প্ৰদেশ কংগ্ৰেছৰ লগতে কংগ্ৰেছৰ উদ্ধতম কৰ্তৃপক্ষই তদন্ত কৰি আছে। তেওঁ লোকে এই ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। এই বিষয়টোক লৈ কংগ্ৰেছ বিৰোধী একাংশই কংগ্ৰেছৰ ২৪ জন বিধায়কৰ মাজত সন্দেহৰ সৃষ্টি কৰিছে। আমাৰ বিধায়কৰ নাম এই ক্ষেত্ৰত বহু বাৰ উল্লেখ কৰিছে। কিন্তু এ আই ইউ ডি এফৰ কথা কোনেও উল্লেখ কৰা নাই। ৰাষ্ট্ৰপতি নিৰ্বাচনত এ আই ইউ ডি এফে লোৱা ভূমিকা বিষয়ে সকলোৱে জানে। কংগ্ৰেছৰ নিলম্বিত বিধায়কৰ শশী কান্ত দাসৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত হুছেইনে কয় যে তেওঁ মুখ্যমন্ত্ৰীৰ লগত ঘূৰি আছে। কংগ্ৰেছক যদি বেয়া পাইছে তেন্তে বিজেপিলৈ গৈ বিজেপিৰ টিকটত জিকি আহক বুলি কটাক্ষ কৰে ইফালে ক্ৰছ ভোটিঙ সন্দৰ্ভত মন্তব্য কৰি প্ৰাক্তন মন্ত্ৰী গৰাকীয়ে কয় যে অযথা সন্দেহে গিৰিয়েক-ঘৈণিয়েকৰ সংসাৰ ভাঙে। ক্ৰছ ভোটিঙক বিৰোধীৰ ষড়যন্ত্ৰ বুলিও মন্তব্য কৰিলে ৰকিবুল হুছেইনে।

## ধুবুৰীত ভয়ংকৰ পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৯ জুলাই ঃ** ধুবুৰীৰ জি টি ৰোডৰ ঘাইপথত নিশা ১.৩০ মান বজাত বিষয়া গৰাকীৰ বাহনখনে বিদ্যুতৰ খুটাত খুন্দিয়াওৱাৰ ফলত গুৰুতৰ আঘাতপ্ৰাপ্ত হয় আৰক্ষী বিষয়া গৰাকীৰ লগতে চালক। বিষয়া গৰাকীৰ আৰু চালকক ধুবুৰী চিলাৰায় চিকিৎসালয়ত ভৰ্তি কৰায়। ব্যক্তিগত নাৰছিংহোমত প্ৰাথমিক চিকিৎসাৰ পিচত আজি উন্নত চিকিৎসাৰ বাবে ধুবুৰী সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক উন্নত চিকিৎসাৰ বাবে পাটনা লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য জি টি বি কোড ডি টি ও কাৰ্য্য কাৰ্যালয়ৰ সন্মুখত থকা বিল্ডিং নিৰ্মাণৰ বাবে এজন লোক নিশাৰ সময়ত পথৰ মাজত শিল পাথৰ ৰখাৰ বাবে আৰক্ষীৰ গাড়ী পথেদি পাৰ হোৱাৰ সময়ত সাইদ কাটিবলৈ গৈ লাইট পোষ্টত খুন্দা মাৰে। ঘটনাৰ সময়ত আৰু এজন কনিষ্টবল সামান্য আঘাত প্ৰাপ্ত হয়।



'হালে বাই' শীৰ্ষক ভিডিঅ' গীত উন্মোচনৰ মুহূৰ্তত অভিনেত্ৰী বৰ্ণালী পূজাৰীসহ অন্যান্য, গুৱাহাটী প্ৰেছ ক্লাবত

## লক্ষীপুৰত গোৱালপাৰা জিলা আৰক্ষী অধীক্ষকৰ চোৰাং গৰু ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২৯ জুলাই ঃ** অবৈধভাৱে গো সৰবৰাহ ৰোধৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ নদী পথত গোৱালপাৰা আৰক্ষীৰ বিশেষ অভিযান। কালি গোৱালপাৰাৰ আৰক্ষী অধীক্ষক পি ভি ৰাকেশ ৰেড্ডীয়ে লক্ষীপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভীমকান্ত পেগু আৰু জলেশ্বৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মনিময় তামুলীৰ সহযোগত ব্ৰহ্মপুত্ৰ উপকুলীও অঞ্চলকে ধৰি চৰাঞ্চলত অতৰ্কিতে চলায় চোৰাং গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান। যন্ত্ৰচালিত নাৱেৰে লক্ষীপুৰ জলেশ্বৰ চুনাৰীৰ পৰা চৰাচঞ্চলকে ধৰি বুঢ়াবুঢ়ীলৈকে নদী পথত চলায় এনে অভিযান। গোৱালপাৰা জিলা আৰক্ষী অধীক্ষক গৰাকীয়ে সময়ে সময়ে এনেদৰে চলাই আহিছে অভিযান। অৱশ্যে আজিৰ এই অভিযানত কোনো চোৰাং গৰু ব্যৱসায়িক আটক কৰিবলৈ সক্ষম হোৱা নাই যদিও গোৱালপাৰা আৰক্ষীয়ে চোৰাং গৰু ব্যৱসায়িৰ বিৰুদ্ধে বিগত বৰ্ষত ৩১টাকৈ গোচৰ ৰুজু কৰিছে। ৪১৫টা গৰু জব্দ কৰিছে আৰু ১৪ খনকৈ গৰু ভৰ্তি চাৰিচকীয়া বাহন আৰু চাৰিখন গৰু ভৰ্তি নাও জব্দ কৰাৰ লগতে ৪৪ গৰাকীকৈ চোৰাং গৰু ব্যৱসায়িক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বুলি আৰক্ষী অধীক্ষক গৰাকীয়ে জানিবলৈ দিয়ে। প্ৰসঙ্গত উল্লেখনীয় যে চোৰাং গৰু ব্যৱসায়ীয়ে ব্ৰহ্মপুত্ৰ নদী পথেৰে আৰক্ষীৰ চকুত ধূলি দি গৰু সৰবৰাহ কৰি কৰি আহিছে যদিও সময়ে সময়ে এনে চোৰাং ব্যৱসায়ী আৰক্ষীৰ জালতো পৰিছে। এনে চোৰাং গৰু ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিব বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে ব্যক্ত কৰে।

## উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ পৰা বঞ্চিত হিতাধিকাৰীৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় ঘেৰাও

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৯ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰে দুখীয়া দৰিদ্ৰলৈ আগবঢ়াই অহা বৰ্ষৰ প্ৰধান মন্ত্ৰী আবাস যোজনা ২০২২-২৩ বৰ্ষাৰ গৃহৰ দ্বিতীয়খন অতিৰিক্ত তালিকাৰ পৰা উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ বহু হিতাধিকাৰী বাদ পৰাৰ তথ্য পোহৰলৈ আহিছে। বিগত ২০১৮-১৯ বৰ্ষতেই উত্তৰ মহুৰা পঞ্চায়তত বিভাগীয় নীতি নিয়মেৰে প্ৰতিটো দৰিদ্ৰ পৰিয়ালৰ ঘৰে ঘৰে গৈ প্ৰায় হাজাৰ অধিক ঘৰ জিঅ' টেগ কৰা হৈছিল যদিও বৰ্তমান ৪৩১টা ঘৰহে দ্বিতীয়খন অতিৰিক্ত তালিকাত প্ৰকাশ পোৱাত বহু দৰিদ্ৰ পৰিয়াল চৰকাৰী গৃহৰ পৰা বঞ্চিত হৈ পৰাত জাঙুৰ খাই উঠিছে। এই লৈ কালি উত্তৰ মহুৰা পঞ্চায়ত কাৰ্যালয়ত পঞ্চায়ত সভানেত্ৰী পুতলা দাস আৰু পঞ্চায়ত প্ৰতিনিধি বৰ্গৰে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি সভাৰ সিদ্ধান্তমৰ্মে আজি উত্তৰ মহুৰাবাসীয়ে বোকাখাত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় ঘেৰাও কৰে। খণ্ড উন্নয়ন বিষয়াৰ উপস্থিতিত খণ্ড উন্নয়ণ কাৰ্য্যালয়তে ৰাইজক লৈ এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। সভাত ৰাইজৰ ফালৰ পৰা পি এম এ ৱাই ঘৰ ইতিমধ্যে পোৱা হিতাধিকাৰীৰ নামত পুনৰ গৃহ আৰন্তন পোৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰা, পুনৰ জিঅ' টেগ কৰি বঞ্চিত হোৱা দৰিদ্ৰ পৰিয়ালৰ নাম পি এম এ ৱাই হিতাধিকাৰী তালিকাত অন্তৰ্ভুক্ত কৰি প্ৰকাশ কৰা আদি দাবী উত্থাপন কৰা হয়। ইয়াৰ পাছতে খণ্ড উন্নয়ন বিষয়া পাৰ্থজিত গগৈয়ে সকলো বিষয় চালি জাৰি চাই বিভাগীয় উৰ্ধতম বিষয়াৰে আলোচনা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰাৰ লগতে থাকি যোৱা দৰিদ্ৰ হিতাধিকাৰীসকলৰ শুদ্ধ নাম তালিকা প্ৰেৰণ কৰিবলৈও আহ্বান জনায়।

### প্ৰলয়ংকৰী বানত ৰহা ৰাজহ চক্ৰৰ অধীনৰ ১২১খন গাঁৱৰ ব্যাপক ক্ষতিসাধন

## ১০৪টা গড়কাপ্টানী পথ বিধ্বস্ত, ৬৫টা স্থানত ছিগিল পথ-মথাউৰি, ৯৯৯৯.৭০ হেক্টৰ কৃষি ভূমি বিনষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৯ জুলাই ঃ** দুটাকৈ বানত ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত ব্যাপক ক্ষতিসাধন হৈছে। দুটাকৈ বলিয়া বানে বৃহত্তৰ ৰহা অঞ্চলৰ হেজাৰ হেজাৰ লোকৰ ঘৰবাৰী, খেতি-বাতি, পশুধন সা-সম্পতি আদি বিনষ্ট কৰিলে।কলঙ,কপিলী, হাৰিয়া আৰু বৰপানী নৈৰ বাঢ়নী পানীয়ে মথাউৰি ভাগি নৈপৰীয়া ৰাইজৰ ঘৰ দুৱাৰ পৰ্যন্ত ভাগি নিয়াত ৰহাৰ বহু স্থানত বৰ্নাতই নিজৰ ঘৰবাৰী ভেটি মাটি পৰ্যন্ত হেৰুৱাই হাহাকাৰ কৰিছে। বহু পথ বিধস্ত হোৱাৰ লগতে মথাউৰি ভাগি চিগি গ'ল। বানত বহু শিক্ষানুষ্ঠান, চৰকাৰী বেচৰকাৰী কাৰ্যালয় আদিৰো বিস্তৰ ক্ষতিসাধন হ'ল। দুৰ্গাজানত ১৩ টা, দেউবালি কাকতিগাৱৰ ১১টা আৰু দুবৰিতলিৰ ৩ টা পৰিয়াল এতিয়া গৃহহীন হৈ আজিও পথৰ ওপৰত আৰু আশ্ৰয় শিবিৰতে থাকিবলগীয়া হৈছে। এই দুৰ্ভগীয়া পৰিয়ালকেইটাই ঘৰৰ লগতে ভেটি মাটিকনো হেৰুৱালে। ভেটিত এতিয়া প্ৰকাণ্ড খালৰ সৃষ্টি হল। কেৱল দুৰ্গাজান, দেউবালিয়েই নহয় ৰহা সমষ্টিৰ ৰহা চকী, মাজগাঁও, হাৰিয়ামুখ, দুৱৰিতলি,গড়মূৰ, দীঘলিআটি আদৰ্শ গাও আদিকে ধৰি বিভিন্ন স্হানত বহু পৰিয়ালৰ এতিয়া ঘৰ বুলিবলৈ নায়েই। ৰহা চকী, হাৰিয়ামুখ, দুৰ্গাজান আদিত পথ মথাউৰিৰ চিন মোকাম নোহোৱাত ৰাইজে এতিয়া বাহৰ সাকোৰেই যাতায়ত কৰিবলগীয়া হৈছে। বিভাগীয় সুত্ৰমতে ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত মুঠ ১২৮খন গাৱৰ ১২১ খন গাৱেই এইবাৰ বানত ক্ষতিগ্ৰস্ত হৈছে। ৰহা নগৰৰ লগতে ৰহাৰ প্ৰতিখন পঞ্চায়তৰ গাঁৱৰেই বিধস্ত অৱস্থা। ৰহা ৰাজহ চক্ৰৰ ১২১খন গাঁৱৰ ১লাখ ৫৮ হেজাৰ ১৭৪ জন লোক বানৰ কবলত পৰি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে মুঠ ৯৯৯৯.৭০ হেক্টৰ কৃষিভূমি বিনস্ত হৈছে বুলি জানিব পৰা গৈছে। আনহাতেদি প্ৰায় ত্ৰিশ হেজাৰো অধিক পশুধনো এই বানৰ কবলত পৰি সমস্যাৰ সন্মুখীন হৈছে।ইপিনে এই বলিয়া বানত ৰহা ৰাজহ চক্ৰৰ অধীনৰ বিভিন্ন অঞ্চলত মুঠ ১২ জন লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। আনহাতেদি লোকনিৰ্মাণ বিভাগৰ সূত্ৰৰ পৰা জানিব পৰা মতে বানত বৃহত্তৰ ৰহা অঞ্চলৰ ১০৪ টা পথ বিধ্বস্ত হোৱাৰ লগতে ৬৫ টা স্থানত মথাউৰি তথা পথ চিগি গৈছে। এই পথ আৰু মথাউৰি পুনঃ নিৰ্মাণ তথা মেৰামতিৰ বাবে মুঠ ৭৬ কোটি টকাৰ প্ৰয়োজন হ'ব বুলি জানিব পৰা গৈছে। এই বিধস্ত পথ মথাউৰিসমূহ মেৰামতি কেতিয়া হব সেই লৈয়ো এতিয়া প্ৰশ্ন উঠিছে।

## ২৫ লাখটকীয়া গৃহ আজিও অসম্পূৰ্ণ

### ছিপাঝাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৯ জুলাই ঃ** উন্নয়নৰ নামত কি চলিছে কিম্বা হৈছে, ক'ৰ পৰা আহিছে, কিমান টকা খৰচ হৈছে ইত্যাদি কথাবোৰ যেন সৰ্বসাধাৰণ লোকসকলে এইলৈ আওভাও একোৱেই নাপায়। জানিব পৰা মতে ২০১৫-১৬ বৰ্ষত ছিপাঝাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ত ২৫ লক্ষ টকা ব্যয়ৰে নিৰ্মান কৰা হৈছিল এটা গৃহ। যিটো গৃহ আজি পাঁচটা বছৰ পিছতো অসম্পূৰ্ণ অৱস্থাতেই পৰি থকাত সচেতন লোক সকলে আশ্বৰ্য প্ৰকাশ কৰিছে। ইফালে আধৰুৱা হৈ পৰি থকা গৃহটো অসামাজিক কামৰ নিৰাপদ স্থান হৈ পৰা বুলি অভিযোগ উত্থাপন হৈছে। সচেতন লোক সকলে গৃহটোৰ আৱণ্টিত ধনৰাশিৰ শেষ হ'ল নে আছে তাক একোকে জানিব নোৱাৰা বুলি প্ৰকাশ কৰি বিধায়ক গৰাকীয়ে গৃহটো সম্পূৰ্ণ কৰাৰ বাবে কাৰ্যব্যৱস্থা হাতত ল'বলৈ অনুৰোধ জনাইছে। আনহাতে উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পিছৰ ফালে হাবি জংঘলে আগুৰি ধৰি অৰণ্যময় কৰি তোলাৰ পিছতো বিভাগে চাফ চিকুণনতাৰ পৰা আঁতৰি থকাত একাংশ সচেতন লোকক ভৱাই তুলিছে।



ৰে'ল ষ্টেচনৰ সমীপত জিএমচি কৰ্মীয়ে নলাৰ পৰা লেতেৰা জাবৰ-জোঁথৰ পথৰ কাষত ৰখাত যমৰ যাতনাত ভুগিছে ৰাইজে

## ১০৩বছৰীয়া টংক বৰাক ৰে'ল প্ৰশাসনৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৯ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ অধীনস্থ উত্তৰ-পূব সীমান্ত ৰে'লৰে ৰঙিয়া মণ্ডলে আজি শুক্ৰবাৰে ধেমাজি জামুগুৰি কোঁচ গাঁৱৰ মুক্তিযোদ্ধা টংক বৰাক উষ্ম সম্বদ্ধনা জনায়। ১০৩ বছৰ ভৰি দিয়া মুক্তিযোদ্ধা টংক বৰাৰ স্বাস্থ্যৰ বুজলোৱা লগতে দীৰ্ঘায়ু কামনা কৰে উত্তৰ পূব ৰে'লৰে বিভাগৰ ৰঙিয়া মণ্ডলৰ সুৰক্ষা বিষয়া অনিৰুদ্ধ চৌধুৰীয়ে। আজি এই অনুষ্ঠানত উপস্থিত থাকে চিলাপথাৰ ৰেলৰে আৰক্ষী থানাৰ পৰিদৰ্শক জয়ন্ত কোঁৱৰ, উপ -পৰিদৰ্শক ধীৰেশ্বৰ ৰাভা, ধেমাজি ৰেলৰে ষ্টেচন অধীক্ষক কামদেৱ পেগুৰ লগতে বিভিন্ন বিষয়া-কৰ্মচাৰীসকলে আহি প্ৰবীণ মুক্তিযোদ্ধা টংক বৰাক বিশেষ সম্বৰ্ধনা জনায় সন্মান প্ৰদৰ্শন কৰে।


**SHORT NOTICE INVITING TENDER**

Sealed quotation in prescribed format affixing court fees stamp Rs. 8.25 (Rupees Eight & twenty five paisa) only are invited by the undersigned from registered govt. supplier/firms having experience in the relevant field for supply of following materials under PMMSY 2021-22. The detailed terms and conditions along with bid documents in prescribed format may be collected from the o/o of the Sub-Divisional Fisheries Development Officer, Hojai before 12.00 PM on 10/08/2022 which will be received up to 1.00 PM on 10/08/202 and will be opened at 2.00 PM of the same day in presence of quotationers or their authorize representatives at o/o of the Sub-Divisional Fisheries Development Officer, Hojai.

The undersigned reserves the right to accept/reject any quotation without assigning any reason thereof.

| Items | *Quantity | Rate (Rs) | Estimated cost (Rs) | EMD amount in Rs. | |
|---|---|---|---|---|---|
| | | | | General (2% of estimated cost) | SC/ST/OBC/MOBC (1% of estimated cost) |
| Fish Seed (>5 inch) | 57000 Nos. | 5.00 | 285000.00 | | |
| Pelleted Fish Feed (50% floating & 50% sinking) | 5651 Kg | 46.00 | 259946.00 | | |
| Rice Polish | 1750 Kg | 10.00 | 17500.00 | | |
| Mustard Oil Cake | 1750 Kg | 30.00 | 52500.00 | | |
| Fingerling for Wet land Stocking | 800 Nos. | 3.00 | 2400.00 | | |
| Quantity may increase or decrease depending on the requirement of the scheme PMMSY, for the year 2021-22 | | | | | |

Janasanyog /C/7313/22

Sd/-
District Fishery Dev. Officer, Nagaon

## প্ৰথম পৃষ্ঠাৰ পৰা—



## আমিনুল বা এইসকল ব্যক্তি

উপস্থিত থকা মন্ত্ৰীগৰাকীক সাংবাদিকে বিধায়ক আমিনুল ইছলামে অন্য ইছ্যুসমূহ তল পেলাবলৈ চৰকাৰে জেহাদীৰ নাটক কৰা বুলি কৰা মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া জানিব বিচৰাত এইদৰে কয়। মন্ত্ৰী হাজৰিকাই লগতে কয় যে যেতিয়া আমি জেহাদীৰ লগত বা জেহাদী মডিউলৰ লগত সংযুক্ত ব্যক্তি ক'ৰবাত ধৰো, তেতিয়া তেওঁলোকৰ গাত পোৰণি হয়। কাৰণ তেওঁলোকো ভাৰতবিৰোধী। এই যে মৈৰাবাৰীত কোনোবা এজন মাদ্ৰাছা শিক্ষক ধৰা পৰিছে, তেওঁৰ বাংলাদেশী সন্ত্ৰাসবাদী সংগঠনৰ লগত ধনৰ লেন-দেনৰ প্ৰমাণ আছে। চৰকাৰে এনেয়ে ঘপকৈ এই কাম কৰা নাই। এনআইএয়ে বেংগালুৰুত এজন ব্যক্তি ধৰিছে। তাৰ যোগসূত্ৰত অসমত দুজন ব্যক্তি ধৰিছে। কিবা নহয় কিবাতো আছে। এনেয়েতো কৰিব নোৱাৰে। ক'ৰ্ট-কাছাৰী দেশত আছে। নহ'লেতো তেওঁলোক ক'ৰ্টত যাব, মানৱ অধিকাৰত যাব। আমি কিবা আছে কাৰণেহে কৰিছো। কিন্তু আকৌ কৈছো যে আমিনুল ইছলামহঁতো এই ভাৰতবিৰোধী শক্তিৰ অন্যতম অংগ। গতিকে ভাৰতবিৰোধী লগৰ শক্তিক যদি আমি ধৰো বা তেওঁলোকক শাস্তি দিওঁ তেতিয়াহ'লে গা ফৰফৰাবই। কাৰণ কেতিয়াবা যদি বন্দুকটো তেওঁৰ গালৈকো যায়। বন্দুক শব্দটো মই উদাহৰণ হিচাপে কৈছো। মই গুলীয়াম বুলি কোৱা নাই। উদাহৰণ হিচাপে কৈছো। গুলীটো যদি তেওঁৰ গালৈকো যায়, তেতিয়া তেখেতেও কষ্ট পাব। গতিকে নিজৰ সংগীক বচাবলৈ ভাৰতবিৰোধী শক্তিৰ অন্যতম অংশ আমিনুল ইছলামে সেয়ে এনেকুৱা মন্তব্য কৰিছে বুলিও মন্ত্ৰী পীযূষ হাজৰিকাই কয়। আনহাতে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই দলৰ সাংসদ, বিধায়ক আৰু নেতা- কৰ্মীসকলক ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ৰছ ভোটিঙৰ বিষয়টোৰ পৰা বিৰত থাকিবলৈ জনোৱা অনুৰোধ সন্দৰ্ভত মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে আমি কেতিয়াবা দেখা পাওঁ যে ব্ৰহ্মপুত্ৰত নিজে গৈ গৈ ফচি যায় আৰু কেতিয়াবা কোনোবা মৃত্যুমুখত পৰে। মৃত্যুৰ কথা ক'ব নাপায়, তথাপি কৈছো। মই কৈছো যে নিজে ভুল কৰি বা উচটাই দি মাৰি গৈ জপিয়াই পৰে আৰু বেয়া অৱস্থা এটাত পৰে। তেনেকুৱা অৱস্থা এটা হৈছে ভূপেন বৰাৰ। ভূপেন বৰাই ইমান বেছিকৈ ক'লে যে অমুকৰ বিৰুদ্ধে তমুক কৰিম, তমুকৰ বিৰুদ্ধে তমুক কৰিম, অমুকে ভোট দিলে, তমুকে ভোট দিলে। এতিয়া দিল্লীত চাগৈ সুধিলে যে প্ৰমাণ কি আছে কোৱা। প্ৰমাণ দিবলৈতো একো নাই। গতিকে ক'বলৈ বাধ্য হৈছে যে সকলোৱে যাতে এইক্ষেত্ৰত চুপ হৈ থাকে। কালিলৈকে যিগৰাকী ব্যক্তিয়ে সৰব হৈ আছিল যে যিসকলে ক্ৰছ ভোটিং কৰিলে কাকো ৰেহাই দিয়া নহ'ব, কেৰিয়াৰ ধ্বংস কৰি দিয়া হ'ব, অমুক কৰি দিয়া হ'ব, তমুক কৰি দিয়া হ'ব। কিন্তু আজি হঠাৎ কৈ দিলে যে কোনোৱে যাতে এই বিষয়ে মুখ নোখোলে। মানে নিজে উচটাই দি কৰি নিজে ফচিছে। সেয়ে ভূপেন বৰাক সাৱধান হ'বলৈ অনুৰোধ কৰিছো। আনহাতে, অখিল গগৈ এআইইউডিএফ-বিজেপিৰ ওচৰত হ'লচেলত বিক্ৰী গৈছে আৰু কংগ্ৰেছ ৰিটেইলত বিক্ৰী গৈছে আৰু ইয়াৰ বাবে তেওঁ লাজ পোৱা বুলি কৰা মন্তব্য সন্দৰ্ভত মন্ত্ৰী হাজৰিকাই কয় যে অখিল গগৈ কিহত বিক্ৰী গৈছে তেওঁ নিজে ভালকৈ জানে। তেওঁ হ'লচেল নে ডাঙৰ ডিষ্ট্ৰিবিউটৰশ্বিপত, চিএনএফ, জিলা, ৰাজ্যিক নে আন কি পৰ্যায়ত বিক্ৰী গৈছে তেওঁ জানে। সেয়ে তেওঁকে সুধিব বুলি কয়।

**বঙাইগাঁৱত মন্ত্ৰী পীযুষ হাজৰিকাই মুকলি কৰিলে পেন্সন সেৱা কেন্দ্ৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৯ জুলাই ঃ** আজি বঙাইগাঁও জিলাত জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই 'কৃতজ্ঞতা' ডিজিটেল পৰ্টেলযোগে পেন্সনৰ কাম সমাধা কৰা 'পেন্সন সেৱা কেন্দ্ৰ' এটি মুকলি কৰে। কেন্দ্ৰটি পুৰণি বঙাইগাঁও হাইস্কুলৰ পৰা চলোৱা হ'ব। এই উপলক্ষে বীৰঝৰা পাব্লিক লাইব্ৰেৰীত অনুষ্ঠিত সভাত এই অনলাইন পেন্সন সেৱা কেন্দ্ৰটি মুকলি কৰা হয়। পেন্সন সেৱা কেন্দ্ৰটি মুকলি কৰি দিয়া ভাষণত মন্ত্ৰী হাজৰিকাই কয় যে বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশাসনিক সংস্কাৰৰ ফলস্বৰূপে এই কেন্দ্ৰটি স্থাপন কৰা হৈছে। বৰ্তমানে ২৭খন জিলাত এনেকুৱা পেন্সন সেৱা কেন্দ্ৰ মুকলি কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে। সদ্যহতে কেৱল শিক্ষা বিভাগত 'কৃতজ্ঞতা' ডিজিটেল পৰ্টেলযোগে জিলাই জিলাই পেন্সনৰ কাম সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হৈছে। পিছলৈ আন আন বিভাগৰ পেন্সনৰ কামো 'কৃতজ্ঞতা' অনলাইন পৰ্টেলযোগে কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনলাইন পৰ্টেলযোগে পেন্সনৰ কাম কৰিলে গুৱাহাটীৰ মুখ্য কাৰ্যালয়লৈ পেন্সনৰ কামত তাঁত-বাতি কাৰি থাকিব নালাগিব। যেনেদৰে প্ৰশাসনীয় সংস্কাৰৰ অংশ হিচাপে জাতিৰ প্ৰমাণ -পত্ৰ স্কুলতেই দিয়াৰ ব্যৱস্থা কৰা হৈছে,'বসুন্ধৰা' পৰ্টেলযোগে মাটিৰ কেছ সমাধা কৰাৰ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে শুকুৰবাৰে অসমৰ ২৬খন জিলাত এই সেৱা কেন্দ্ৰ উদ্বোধন কৰা হ'ল। তেজপুৰত অহা তিনি আগষ্টত মুকলি কৰা হ'ব। এই পেন্সন সেৱা কেন্দ্ৰৰ পৰা শিক্ষক তথা কৰ্মচাৰীসকলৰ যথেষ্ট সুবিধা হ'ব বুলি আমি আশা কৰিছো। আগতে আমি বাতৰি কাকত বা টিভিত দেখো যে শিক্ষকে পেন্সন নাপাই মৃত্যুমুখত পৰিলে । অৱসৰ লোৱাৰ পিছত পাঁচ - ছয় বছৰ ধৰি পেন্সনেই নাপালে আৰু শিক্ষক বা কৰ্মচাৰীগৰাকী মৃত্যুমুখত পৰিল। এইখন অসমত এনেকুৱা ঘটনা ঘটাৰ আগতে আমি টি ভি বা বাতৰি কাকত দেখিবলৈ পাওঁ। গতিকে তেনে ঘটনা যাতে অসমত পুনৰাবৃত্তি নহয় তাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে এটা বহু ডাঙৰ সংস্কাৰ কৰিলে । এই কামটোৰ জৰিয়তে এটা কৃতজ্ঞতা পৰ্টেল আমি আৰম্ভ কৰিলো। যিগৰাকী শিক্ষক-কৰ্মচাৰীয়ে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিব সেইগৰাকী কৰ্মচাৰীয়ে এবছৰ পূৰ্বে পেন্সন সেৱা কেন্দ্ৰত গৈ আবেদন কৰিব লাগিব আৰু চৰকাৰে তেওঁলোকৰ পেন্সনৰ গোটেই কামখিনি কৰাই দিয়াৰ ব্যৱস্থা কৰিব। ফলত যিগৰাকী চাকৰিয়ালে যিদিনাখন অৱসৰ ল'ব সেইদিনাখনেই পেন্সনৰ যিখিনি প্ৰাপ্য সেইখিনি নিজৰ হাতত পোৱাৰ ব্যৱস্থা কৰা হ'ব। সভাত ৩২নং বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে চৰকাৰে গ্ৰহণ কৰা এই ব্যৱস্থাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদীপ পাঠকে আদৰণী ভাষণ ৰখা সভাত ৩৪নং অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মন, জিলা আৰক্ষী অধীক্ষক স্বপ্নলীল ডেকা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সভাত শলাগৰ শৰাই আগবঢ়ায় বঙাইগাঁও জিলা চক্ৰৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মনে।

## আৰক্ষীয়ে পুলিয়ে-পোখাই

অমিতাভ সিনহাই এক সংবাদ মেল আয়োজন কৰি কয়, এই ১১গৰাকী জেহাদীক জিলাখনৰ বিভিন্ন স্থানৰ পৰা বিশেষ তৎপৰতা অৱলম্বন কৰি আমি গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছো। আৰক্ষী অধীক্ষকগৰাকীয়ে ইয়াকো কয়, যোৱা মাৰ্চ আৰু এপ্ৰিল মাহত এটা মোকৰ্দমা ৰুজু কৰিছিলো। মোকৰ্দমাটো হৈছিল আনছাৰুল বাংলা টিম, অল কায়দা [illegible] ন্যায়ালয়ত আবেদন জনাম। আৰক্ষী অধীক্ষক সিনহাই কয়, বাংলাদেশৰ পৰা অহা আনছাৰুল বাংলা টিমৰ আমাৰ হাতত গ্ৰেপ্তাৰ হোৱা লোকসকলে বিভিন্ন মেল-মিটিঙৰ জৰিয়তে স্থানীয় লোকৰ সংস্পৰ্শলৈ আহিছিল। এই জেহাদীসকলৰ তথ্যৰ ভিত্তিত জেহাদীসকলে ক'ত ক'ত খোপনি পুতি তেওঁলোকৰ নেটৱৰ্ক শক্তিশালী কৰিব লৈছে সেই সম্বন্ধে আমাৰ লগতে অসম আৰক্ষীয়ে জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে, গ্ৰেপ্তাৰ হোৱা ৮টা জেহাদীক আজি জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাৰ পিছত বৰপেটা আৰক্ষীয়ে অধিক তথ্যৰ বাবে পুনৰ ৯ দিনৰ বাবে আৰক্ষীৰ জিম্মাত লয়।

**মৈৰাবাৰীত গ্ৰেপ্তাৰ জেহাদীৰ লিংক মেন মুফতি মুস্তাফাক গ্ৰেপ্তাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৯ জুলাই ঃ** মৰিগাঁও জিলাৰ অন্তৰ্গত চহৰীয়াগাঁৱৰ জমিউল হুদা নামৰ মাদ্ৰাছা চলাই অহা মুফতি মুস্তাফাক জেহাদী কাৰ্যত জড়িত থকাৰ অভিযোগত কালি মৈৰাবাৰীৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তেওঁৰ বেংকৰ পাছবুকৰ লগতে ম'বাইল ফোনো জব্দ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে মাদ্ৰাছাৰ ছগৰাকী শিক্ষকৰ লগতে এগৰাকী শিক্ষয়িত্ৰীকো মৈৰাবাৰী থানালৈ আনি সোধা-পোছা কৰে। ২০১৮ চনত স্থাপন কৰা হৈছিল মাদ্ৰাছাখন। মাদ্ৰাছাখনত কটকটীয়া নিৰাপত্তাৰ বাবে আৰক্ষী মোতায়েন কৰা হৈছে। মুফতি মুস্তাফাক মৰিগাঁও সদৰ থানাত জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## হাজোৰ পাখামেলাত 'দৈনন্দিন

হাজোত সচেতন মহলে। নিশ্চিতভাৱে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমক এইদৰে হেয় জ্ঞান কৰিলে অনাগত দিনত ভৱিষ্যৎ প্ৰজন্মই আমাৰ সমাজ ব্যৱস্থাৰ পৰা কি শিক্ষা ল'ব সেয়াহে ভাবিবলগীয়া বিষয় হৈ পৰিছে বুলি চৰ্চিত হৈছে। হাজো সাংবাদিক সন্থা, অসম নাট্য সন্মিলন হাজো শাখা, বৰদৈচিলা প্ৰকাশন গোষ্ঠীৰ লগতে বিভিন্ন দল-সংগঠন, ব্যক্তিবিশেষে উক্ত ঘটনাক আজি তীব্ৰ গৰিহণা দিয়ে।

## অসমৰ ১৮৬৫১.২৯ হেক্টৰ

চৰকাৰে ১৯৭১ চনতেই সেই সময়ৰ প্ৰাক্তন মুখ্য নিৰ্বাচনী বিষয়া কে. ভি. কে. সুন্দৰমৰ নেতৃত্বত অসম-নগালেণ্ডৰ সীমা বিবাদ নিস্পত্তিৰ বাবে সুন্দৰম আয়োগ গঠন কৰি দিছিল। কিন্তু আয়োগৰ ওচৰত নগাৰ অদ্ভুত দাবী অসমৰ ৪,৯৭৫ বৰ্গ মাইল ভূমি নিজৰ বুলি দাবী কৰি সেই ভূমি নগালেণ্ডত অন্তৰ্ভুক্তৰ দাবী আয়োগে নস্যাৎ কৰাত সীমা সমস্যাৰ বিবাদ সুন্দৰম আয়োগে সমাধান কৰিব নোৱাৰিলে। প্ৰায় ৬৬ হেজাৰ হেক্টৰ ভূমি দুই ৰাজ্যৰ মাজত আজিও বিবাদমান অঞ্চল হিচাপে চিহ্নিত হৈ থকাৰ পাছত নগা লোকৰ অসমৰ ভূমিৰ ওপৰত দৈনিক বৃদ্ধি পাই আহিছে অবাধ বেদখল। কেৱল সেইয়াই নহয় গোলাঘাট জিলাৰ A.B.C.D.E.F. এই পাঁচটা চেক্টৰ, শিৱসাগৰ আৰু কাৰ্বি আংলং জিলাৰো অসম-নগালেণ্ড সীমান্তৰ অসমৰ ভূমিৰ ওপৰত নিতৌ বৃদ্ধি পাই আহিছে নগাৰ আগ্ৰাসন, হত্যা, অগ্নি সংযোগ, ভাবুকি আদি। শেহতিয়াকৈ যোৰহাট জিলাৰ মৰিয়নিৰ অসম-নগালেণ্ড সীমান্তৰ বিগত সাত বছৰতেই অৰ্থাৎ ২০১৪ চনৰ পৰা ২০২২ চনৰ জুন মাহলৈকে অসমৰ মুঠ ১৯খন গাঁও আৰু ৩৯.৬৩ হেক্টৰ মাটি যোৰহাট বন সংমণ্ডলৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চল, খেতিপথাৰ, বাগান আদি নগাৰ বেদখলৰ কবলত পৰিছে। তথ্য জনা অধিকাৰ আইনৰ যোগেদি লাভ কৰা তথ্য অনুসৰি জিলাখনৰ দিচৈ ভেলী সংৰক্ষিত বনাঞ্চল এলেকাৰ ১৪ খন গাঁও আৰু ১১.৯১ হেক্টৰ খেতিপথাৰ, চাহ বাগান মিলি নগালেণ্ডৰ ভূমিত সোমাইছে। একেদৰে দিচৈ সংৰক্ষিত বনাঞ্চলৰ এখন গাঁৱকে ধৰি ২০ হেক্টৰ চাহ বাগান, খেতিপথাৰ আৰু তিৰো হিলচৰ ৪ খন গাঁও, ৭.৭২ হেক্টৰ খেতিপথাৰ, চাহবাগানৰ ভূমি যোৱা সাত বছৰত নগাৰ বেদখলৰ কবলত। আনহাতে, মৰিয়নি নিউ সোনোৱাল অঞ্চলৰ ১৪ কিলোমিটাৰ দূৰৰ অসম-নগালেণ্ড সীমাৰ অসমৰ ভূমিত নগাই স্থাপন কৰিলে "ছোটোপালা চেক গেট"। শেহতীয়াকৈ 'বিত্ত বস্তি' নামেৰে আন এখন গাঁও স্থাপন কৰি নগাই অসমৰ ভূমিত বিভিন্ন নগা বস্তি, ব্যৱসায়িক প্ৰতিষ্ঠান, স্কুল-কলেজ, চৰকাৰী কাৰ্য্যালয়, গীৰ্জা আদি স্থাপন কৰাৰ লগতে নগালেণ্ড চৰকাৰ বুলি ফলক আদি আঁৰি দিছে। উল্লেখ্য যে অসম-নগালেণ্ডৰ এই জলন্ত ভূমি সমস্যা, নগাৰ আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ যোৱা যোৰহাটৰ অতিৰিক্ত উপায়ুক্ত, মৰিয়নি সমষ্টিৰ বিধায়কো নগা উগ্ৰপন্থীয়ে গুলি ফুটাই খেদি পঠাইছিল বিগত বৰ্ষত। ২০১৫ বৰ্ষত এই বিবাদমান অঞ্চলতেইনগাৰ উগ্ৰপন্থীৰ গুলিত হৰেণ ভূমিজ নামৰ এজন ছাত্ৰও নিহত হৈছিল। তথ্য জনা অধিকাৰ আইনৰ যোগেদি লাভ কৰা তথ্য অনুসৰি আজিৰ তাৰিখলৈকে অসমৰ দিচৈ সংৰক্ষিত বনাঞ্চলৰ ৫০০ হেক্টৰ, তিৰো সংৰক্ষিত বনাঞ্চলৰ ৪,৮২৯.১৫ হেক্টৰ আৰু দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ ১৩,৩২২.১৪ হেক্টৰ অসমৰ ভূমি, চাহ বাগান, খেতিপথাৰ, ৰবৰৰ বাগান ইত্যাদি নগাই অবাধ বেদখল কৰিলে। পৰিণতিত নিতৌ বিনিদ্ৰ নিশা, জীৱন-সম্পত্তিৰ নিৰাপত্তাহীনতা অৱস্থাৰে পাৰ কৰিছে সীমান্তৰ অসমীয়াই, তৎস্বত্বেও জাতি-মাটি-ভেটি, খিলঞ্জীয়াৰ সুৰক্ষা দিয়া, উন্নয়নৰ প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই নিয়া ৰাজ্য চৰকাৰ এই ক্ষেত্ৰত মৌন আৰু নিৰ্বিকাৰ। নিৰ্বিকাৰ কেন্দ্ৰীয় চৰকাৰ। সীমান্তবাসী অসমীয়াৰ জীৱনক লৈ হেতালি খেলা কেন্দ্ৰ-ৰাজ্য চৰকাৰে কেতিয়ালৈ সুৰক্ষিত কৰিব সীমান্তবাসী অসমীয়াক।

## ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত

পৰিৱেশ আৰু ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু, চৰাই-চিৰিকটিয়ে যাতে পৰ্যটকসকলক আকৰ্ষণ কৰিব পাৰে তাৰ বাবে ধ্যান দিব লাগিব। বনাঞ্চল ধ্বংস বা চিকাৰ কৰি দুপইচা উপাৰ্জনৰ পথ পৰিত্যাগ কৰিব লাগিব । ৰাষ্ট্ৰীয় উদ্যানে স্থানীয় লোকৰ কৰ্মসংস্থাপনৰ বাট মুকলি কৰিব । বাঘে যেনেকৈ জংঘলৰ থাৰ্মমিটাৰ হৈ বনাঞ্চলৰ পৰিসৰ বৃদ্ধি কৰে। তদ্ৰূপ মানুহ নামৰ জীৱশ্ৰেষ্ঠ জাতিটো বনাঞ্চল ৰক্ষাৰ হকে থাৰ্মমিটাৰ হ'ব লাগিব। তেতিয়াহে আমাৰ মানৱীয়তাৰ আচল পৰিচয় দিয়া হ'ব। এনেদৰে কয় বি টি আৰৰ বন বিভাগৰ ই এম ৰণজিৎ বসুমতাৰীয়ে। কচুগাঁও বন সংমণ্ডলৰ অধীনস্থ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ কচুগাঁওস্থিত ফৰেষ্ট বাংলোত আজি ১২সংখ্যক আন্তঃৰাষ্ট্ৰীয় বাঘ দিৱসত অংশগ্ৰহণ কৰি ই এম বসুমতাৰীয়ে কয় যে একাংশ ৰাজনৈতিক চিকাৰীয়ে বনাঞ্চলত চিকাৰ কৰাৰ উচটনি দিয়ে। অৱশ্যে বন ৰক্ষাৰ নিমিত্তে গঠিত স্বেচ্ছাসেৱী সংগঠনসমূহে দিন-ৰাতি একাকাৰ কৰি কৰ্তব্য পালন কৰি আছে । ৰাইজেও ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰত সজাগ হ'ব লাগিব। ৰাষ্ট্ৰীয় উদ্যানখন গঢ়ি তোলাৰ বাবে এখন কনভেচন চেণ্টাৰ কৰা হ'ব। এশ বছৰ পুৰণি ফৰেষ্ট আই বিটো তাহানি কালৰ ছিষ্টেমতে নিৰ্মাণ কৰাৰ বাবে তিনি কোটি টকা ধাৰ্য কৰা হৈছে। আই বিটোৱে যাতে পৰ্যটকসকলক আকৰ্ষিত কৰিব পাৰে । আজিৰ এই বাঘ দিৱসত WlT নামৰ স্বেচ্ছাসেৱীৰ দীপাংকৰ লহকৰে বাঘ বিশ্বৰ ১৩খন দেশত পোৱা যায়। ২০০খন দেশৰ ৭০ শতাংশ লোকে বাঘক ভাল পায়। বাঘ সংৰক্ষণৰ বাবে বিশ্বৰ ভিতৰত আটাইতকৈ উপযুক্ত স্থানৰূপে পৰিগণিত হৈছেৰায়মনা ৰাষ্ট্ৰীয় উদ্যান। লহকৰে কচুগাঁও বনাঞ্চলৰ ইতিবৃত্ত দাঙি ধৰি এক তত্ত্বগধুৰ ভাষণ দিয়ে। স্বেচ্ছাসেৱী সনতান ডেকাই ৰাষ্ট্ৰীয় উদ্যানৰ জন্মবৃত্তান্ত সম্পৰ্কে সভাত উপস্থিত ৰাইজৰ মাজত সাৱলীল ভাষণৰে বিস্তৃতভাৱে ব্যাখ্যা কৰে। বাঘ দিৱসত কচুগাঁও ৰেঞ্জৰ ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰ, ৰাইমনা ৰেঞ্জৰ ৰেঞ্জাৰ বিশ্বজিৎ বসমুতাৰীৰ লগতে বন বিভাগৰ বিষয়া-কৰ্মচাৰী,স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মকৰ্তা, উক্ত অঞ্চলৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ উপস্থিত থাকে।

## পাঁচ বছৰত ৰাজ্যৰ শিক্ষাখণ্ড

গ্ৰহণ কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে দেশৰ বিভিন্ন ৰাজ্যৰ শিক্ষাৰ্থীসকলক দুপৰীয়াৰ পুষ্টিদায়ক আহাৰ যোগান ধৰাৰ ক্ষেত্ৰত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে গ্ৰহণ কৰি অহা ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। সমগ্ৰ দেশব্যাপী প্ৰায় ১৮ লাখ ছাত্ৰ-ছাত্ৰীলৈ মধ্যাহ্ন আহাৰ যোগান ধৰা অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ ৬৫ সংখ্যক ৰন্ধনশালা যোৰহাটত স্থাপন হোৱাৰ আজিৰ দিনটো ৰাজ্যখনৰ বাবে আনন্দ আৰু প্ৰাপ্তিৰ দিন বুলি তেওঁ অভিহিত কৰে। উল্লেখ্য যে এই ৰন্ধনশালা স্থাপনৰ বাবে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে ১৪ কোটি টকা ব্যয় কৰিছে। আজিৰে পৰা শুভাৰম্ভ হোৱা এই কেন্দ্ৰীয় ৰন্ধনশালাৰ জৰিয়তে প্ৰথম পৰ্যায়ত যোৰহাটৰ ১৫৭ খন বিদ্যালয়ৰ ১২ হাজাৰ ছাত্ৰ-ছাত্ৰীলৈ দুপৰীয়াৰ আহাৰ যোগান ধৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত এই ৰন্ধনশালাৰ পৰা ৩০ হাজাৰ ছাত্ৰ-ছাত্ৰীলৈ দুপৰীয়াৰ আহাৰ যোগান ধৰাৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বৰ্তমান অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ ৫৭০ খন বিদ্যালয়ৰ ৪৩ হাজাৰ ২০৮ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ নিয়মীয়াকৈ আহাৰ যোগান ধৰি আহিছে বুলি সদৰি কৰে। তেওঁ কয় যে এই ধৰণৰ পৰৱৰ্তী এটা কেন্দ্ৰীয় ৰন্ধনশালা মাজুলীত স্থাপন কৰা হ'ব আৰু এই ৰন্ধনশালাটো স্থাপনৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনলৈ ১৪ কোটি টকা আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে ৰাজ্যৰ আন ৯ টা স্থানতো অনুৰূপ ৰন্ধনশালা স্থাপনৰ বাবে ৰাজ্যৰ শিক্ষা বিভাগে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ সৈতে শীঘ্ৰে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিব। ৰাজ্যখনৰ ১০ লাখ শিক্ষাৰ্থীলৈ যাতে এনেদৰে পুষ্টিকৰ দুপৰীয়াৰ আহাৰ যোগান ধৰিব পৰা যায় তাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যায়ক্ৰমে আগবাঢ়িব বুলিও তেওঁ কয়। ছাত্ৰ-ছাত্ৰীলৈ মধ্যাহ্ন আহাৰ যোগানৰ ক্ষেত্ৰত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ এনে ভূমিকাই ৰাজ্যৰ চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাৰ সবলীকৰণৰ দিশত প্ৰভূত অৰিহণা যোগাব বুলিও তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাটোক শক্তিশালীকৰণৰ অৰ্থে ৰাজ্য চৰকাৰে বহু কেইটা পদক্ষেপ আৰু সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে পদক্ষেপৰ আধাৰতে চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষাত অসমৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে উন্নত ফল প্ৰদৰ্শন কৰিব পাৰে তাৰ বাবে তৃতীয় শ্ৰেণীৰ পৰাই গণিত আৰু বিজ্ঞান পাঠ্যক্ৰমৰ শিক্ষাদান ইংৰাজী ভাষাত কৰাৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে বিদ্যালয়ৰ পাঠ্যক্ৰমত সমাজবিদ্যা বিষয়টো প্ৰত্যাহাৰ কৰি ভূগোল আৰু বুৰঞ্জী বিষয় প্ৰৱৰ্তন কৰাৰ পৰিকল্পনা লৈছে আৰু এই বিষয় দুটাত মাতৃভাষাৰ মাধ্যমতে পাঠদান কৰা হ'ব। তেনেদৰে যিসমূহ বিদ্যালয়ত পৰ্যাপ্ত আন্তঃগাঁথনি আৰু শিক্ষক আছে তেনে বিদ্যালয়ত মাতৃভাষাৰ মাধ্যমৰ লগতে ইংৰাজী মাধ্যমতো শিক্ষাদানৰ ব্যৱস্থা আৰম্ভ কৰা হ'ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে আগন্তুক পাঁচ বছৰত ৰাজ্যৰ শিক্ষাখণ্ডক দেশৰ অন্যতম শ্ৰেষ্ঠ শিক্ষাখণ্ডৰূপে গঢ়ি তোলাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। তেওঁ প্ৰসংগক্ৰমে কয় যে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ জৰিয়তে এইদৰে বিদ্যালয়ৰ শিক্ষাৰ্থীসকললৈ মধ্যাহ্ন ভোজনৰ আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰাৰ বাবে মধ্যাহ্ন আহাৰ যোগান ব্যৱস্থাটোত পূৰ্বৰে পৰা জড়িত হৈ থকা ৰান্ধনী আৰু সহায়িকাসকলে চিন্তিত হ'ব নালাগে। তেওঁলোক অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে কেন্দ্ৰীয় ৰন্ধনশালাৰ পৰা যোগান ধৰা খাদ্য পৰিবেশন কৰাৰ কামত নিয়োজিত হৈ থাকিব। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে ইস্কনৰ প্ৰতিষ্ঠাপক স্বামী শ্ৰীল প্ৰভুপাদৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীকে ধৰি বহুকেইগৰাকী বক্তাই ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বিধায়ক ভৱেন্দ্ৰনাথ ভৰালী, ৰূপজ্যোতি কুৰ্মী, অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ কৰ্মকৰ্তাসকলৰ লগতে নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকন, যোৰহাট জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## তৃতীয়-দ্বাদশ শ্ৰেণীলৈকে বিজ্ঞান-গণিতৰ পাঠ্যপুথি আৰু পাঠদান হ'ব ইংৰাজী মাধ্যমত

কৃতজ্ঞতা পেন্সন সেৱা কেন্দ্ৰ এটি মুকলি কৰে। উল্লেখ্য যে এই 'কৃতজ্ঞতা' হৈছে কেন্দ্ৰীয় চৰকাৰৰ 'ভৱিষ্য' পৰ্টেলৰ আৰ্হিত অসম চৰকাৰে গঢ়ি তোলা এক পৰ্টেল। এই পৰ্টেলৰ দ্বাৰা অসম চৰকাৰৰ অধীনস্থ পেন্সন লাভ কৰা কৰ্মচাৰীসকলে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ দিনাই তেওঁলোকৰ পেন্সন সম্পৰ্কীয় কাম-কাজ আগবঢ়াই নিব পাৰিব। এই পৰ্টেল আৰু সেৱা কেন্দ্ৰৰ জৰিয়তে অনলাইনত পেন্সন সম্পৰ্কিত সকলো যাৱতীয় কাম কৰাটো সম্ভৱ হোৱাৰ লগতে পেন্সনৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কেও তথ্য লাভ কৰিব পৰা যাব। এই ব্যৱস্থাই অৱসৰ লোৱা কৰ্মচাৰীসকলৰ পেন্সন সমন্ধীয় কাম-কাজ সৰল কৰি তুলিব মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই সেৱা কেন্দ্ৰ মুকলি কৰি শিক্ষামন্ত্ৰী পেগুৱে অসম কেবিনেটে ৰাজ্যৰ শিক্ষা খণ্ডৰ সংস্কাৰৰ বাবে লোৱা পদক্ষেপে অসমীয়া ভাষা বা মাধ্যমৰ কোনো ক্ষতি নকৰে বুলি দৃঢ়তাৰে মন্তব্য প্ৰকাশ কৰি কয় যে- এনে সিদ্ধান্তই অসমীয়া ভাষা তথা অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ কোনো ক্ষতি নকৰে। কেবিনেটে লোৱা সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা মাধ্যমিক স্তৰত ছাত্ৰ-ছাত্ৰীসকলে ৬টা বিষয়ৰ সলনি ৭ (৬+১)টা বিষয় অধ্যয়ন কৰিব লাগিব বুলি পেগুৱে প্ৰকাশ কৰে। বৰ্তমানৰ পাঠ্যক্ৰমৰ পৰা সমাজ অধ্যয়ন প্ৰত্যাহাৰ কৰি পুনৰ ভূগোল আৰু বুৰঞ্জী বিষয় অন্তৰ্ভুক্ত কৰা হৈছে বুলি মন্ত্ৰী পেগুৱে জানিবলৈ দিয়ে। ইয়াৰ সমান্তৰালভাৱে এতিয়াৰ পৰা তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী মাধ্যমত সকলো ছাত্ৰ-ছাত্ৰীয়ে অধ্যায়ন কৰিব লাগিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাসমূহত ছাত্ৰ-ছাত্ৰীসকলে যাতে ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয় সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি শিক্ষামন্ত্ৰী পেগুৱে প্ৰকাশ কৰে। আজিৰ কৃতজ্ঞতা পেন্সন সেৱা কেন্দ্ৰ উদ্বোধনী অনুষ্ঠানত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত আদিকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতেই মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ উপায়ুক্ত আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত পুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰ উদ্বোধন কৰে।

## জয়েৰে যাত্ৰা আৰম্ভ অসমৰ

কৰিছে। ৬৩.৫ কিলোগ্ৰাম শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা থাপাই ৰাউণ্ড অৱ ৩২ত পাকিস্তানৰ ছুলেইমান বালোচক ৫-০ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰে নিজৰ শাখাত প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ উন্নীত হয় তাৰকা বক্সাৰগৰাকী। মেছখনত প্ৰথমৰ পৰাই বালোচৰ ওপৰত আধিপত্য বিস্তাৰ কৰি শিৱ থাপাই সম্পূৰ্ণ একপক্ষীয়ভাৱে বিজয় সাব্যস্ত কৰে। উল্লেখ্য যে বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰাক্তন ব্ৰঞ্জ বিজয়ী তথা পাঁচবাৰৰ এছিয়ান চেম্পিয়নশ্বিপৰ পদক বিজয়ী শিৱ থাপাক কমনৱেলথ গেমছৰ সম্ভাব্য পদক বিজয়ীৰ তালিকাত ধৰা হৈছে। অৱশ্যে শিৱৰ এই সফলতাৰ বিপৰীতে আজি অভিযান আৰম্ভ কৰা আন এগৰাকী অসমৰ খেলুৱৈ তানিয়া চৌধুৰীয়ে প্ৰথমখন খেলতে পৰাজিত হ'বলগীয়া হৈছে। লন বলত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা তানিয়াই স্ক'টলেণ্ডৰ ডী হ'গানৰ বিপক্ষে ১০-২১ ব্যৱধানত পৰাস্ত হয়। এই সাফল্যই ৰাজ্যবাসীক আনন্দিত কৰি তুলিছে। অনাগত খেলসমূহতো অসমৰ খেলুৱৈৰে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ব বুলি সকলোৱে আশাবাদী।

## খোৱাঙত প্ৰধান শিক্ষকক

হাতে-লোটে ধৰি গ্ৰেপ্তাৰ কৰে। ঘোচ লৈ ধৰা পৰা লোকজন মৰাণ ফটিছোৱা নেপালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নৱজ্যোতি শৰ্মা। শিক্ষকজনে শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ ভিতৰতে বাজী পহুমৰাৰ এখন বিদ্যালয়ৰ এজন শিক্ষকৰ পৰা ছাৰ্ভিচ বুক বনোৱাৰ বাবত এহাজাৰ টকা উৎকোচ লৈছিল। এই ধন লৈ থকা অৱস্থাতে মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাই টকাসহ গ্ৰেপ্তাৰ কৰে শিক্ষকজনক। দলটোৱে কাৰ্যালয়টোত কেইবা ঘণ্টা ধৰি শিক্ষকজনক জেৰা চলোৱাৰ লগতে বহু নথি-পত্ৰ আৰু কম্পিউটাৰসহ ইলেক্ট্ৰনিক সামগ্ৰী জব্দ কৰে। ভিজিলেঞ্চ দলটোৱে শিক্ষকজনৰ বাসগৃহতো অভিযান চলায়। উল্লেখ্য, শিক্ষকজনে ২০১৩ চনৰ পৰাই কাৰ্যালয়টোত সহায়ক হিচাপে থাকি বিভিন্ন শিক্ষকৰ পৰা উৎকোচ লোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া আছিল।

**মৈৰাবাৰীত কৃষি বিভাগে যোগান ধৰা চৰকাৰী ধান বিক্ৰী কৰিবলৈ আহি ৰাইজৰ ৰোষত কৃষি সম্প্ৰসাৰণ সহায়ক ছামচুল হক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৯ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত দলৈগাঁৱৰ পৰা কালি বিয়লি চৰকাৰে বিনামূলীয়াকৈ কৃষকক যোগান ধৰি অহা ধান লুকাই বিক্ৰী কৰিবলৈ যাওঁতে স্থানীয় ৰাইজৰ ৰোষৰ বলি হ'ল ধুৰন্ধৰ কৃষি সম্প্ৰসাৰণ সহায়ক ছামচুল হক। ক্ষুব্ধ কৃষক ৰাইজে তদন্তক্ৰমে দুৰ্নীতিগ্ৰস্ত কৃষি সম্প্ৰসাৰণ সহায়কগৰাকীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় আৰক্ষীৰ হাতত চমজাই দিয়ে। জানিব পৰা মতে, দলৈগাঁৱৰে এঘৰত চৰকাৰী ধানখিনি গোপনে ৰাখিছিল কৃষি সম্প্ৰসাৰণ সহায়ক ছামছুল হকে। মৈৰাবাৰী উন্নয়ন খণ্ডৰ অধীনত থকা উলুবাৰী, বৰচাপৰি আৰু লোচনাবৰী পঞ্চায়তত বিতৰণ কৰিবলৈ অহা চৰকাৰী ধানখিনি গোপনে বিক্ৰী কৰিবলৈ যাওঁতে ৰাইজে প্ৰত্যক্ষ কৰি কৃষি সম্প্ৰসাৰণ সহায়ক ছামচুল হকক আটক কৰি ধানসহ মৈৰাবাৰী আৰক্ষীক চমজাই দিয়ে।

## অৰ্পিতাৰ ফ্লেটৰ পৰা উদ্ধাৰ

গ্ৰেপ্তাৰ কৰা হৈছিল। আজি দুপৰীয়া প্ৰায় ১২ বজাত শাৰীৰিক পৰীক্ষাৰ বাবে এখন পৃথক বাহনত ইএছআই চিকিৎসালয়ত উপস্থিত হৈছিল। চিকিৎসালয়ত প্ৰৱেশ কৰোঁতে পাৰ্থই কয়— 'মই ষড়যন্ত্ৰৰ বলি হৈছো'। মন্ত্ৰিত্বকে ধৰি তৃণমূলৰ (টিএমচি) সকলো পদ হেৰুওৱাৰ পিছত পাৰ্থ চেটাৰ্জীয়ে প্ৰথমবাৰৰ বাবে নীৰৱতা ভংগ কৰিলে। ইফালে, চিকিৎসালয়ৰ সন্মুখত উপস্থিত হোৱাৰ লগে লগে অৰ্পিতা মুখাৰ্জী কান্দোনত ভাগি পৰে। গাড়ীখনৰ পৰা তেওঁ নামিব নিবিচাৰিছিল। অৰ্পিতাই গাড়ীৰ পৰা নামিবলৈ চেষ্টা কৰাৰ সময়তে গাড়ীৰ পৰা বাগৰি পৰে। তেওঁক পিছত হুইলচেয়াৰত গাড়ীলৈ লৈ যোৱা হয়। অৰ্পিতাই তেতিয়াও কান্দিয়েই আছিল। অৰ্পিতাক আজি মানসিকভাৱে বিধ্বস্ত অৱস্থাত দেখা যায়। অবৈধ ধনৰ সন্ধান কৰিবলৈ গৈ অৰ্পিতাৰ ঘৰত ই ডিয়ে উদ্ধাৰ কৰিছে কেতবোৰ বিশেষ নিষিদ্ধ সামগ্ৰী। সেই সামগ্ৰী দেখি আনকি ই ডিৰ বিষয়াসকলৰো চকু থৰ লাগিছে। কিন্তু কি নিষিদ্ধ সামগ্ৰী ওলাল অৰ্পিতাৰ ঘৰত ? ই ডিৰ সূত্ৰই প্ৰকাশ কৰা মতে পাৰ্থ চেটাৰ্জীৰ 'অন্তৰংগ বন্ধু' অৰ্পিতা মুখাৰ্জীৰ ফ্লেটৰ পৰা 'যৌন পুতলা' উদ্ধাৰ হৈছে। অৰ্পিতা মুখাৰ্জীৰ ফ্লেটৰ পৰা বৃহৎ পৰিমাণৰ ধন উদ্ধাৰ হোৱাৰ লগতে ছেক্স টয় অৰ্থাৎ যৌন পুতলাও উদ্ধাৰ হৈছে। এই যৌন পুতলাসমূহ মডেল অৰ্পিতাই নিজে ব্যৱহাৰ কৰিছিল নে আন কাৰোবাৰ বাবে সেইবোৰ অনা হৈছিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। উল্লেখ্য, ভাৰতত বহুতে অনলাইনৰ জৰিয়তে যৌন পুতলা ক্ৰয় কৰি আহিছে।

## স্মৃতি ইৰাণীৰ কন্যাৰ বাৰ

হ'বলৈ কোৱা হৈছে। শুকুৰবাৰে গোচৰটোৰ শুনানিৰ সময়ত আদালতক কোৱা হয় যে কংগ্ৰেছ নেতাসকলে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কন্যাৰ বিৰুদ্ধে ছ'চিয়েল মিডিয়াত লিখা সকলোবোৰ কথা বিলোপ কৰিব লাগিব। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ, পৱন খেৰা আৰু নেটা ডিছুজাক জাননী প্ৰেৰণ কৰিছে ন্যায়ালয়ে। কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীৰ জীয়ৰীৰ বিৰুদ্ধে মৃতকৰ নামত বাৰৰ লাইচেঞ্চ জাৰি কৰাৰ অভিযোগ উত্থাপিত হৈছিল। স্মৃতি ইৰাণীয়ে ঘটনাটোৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত মানহানিৰ গোচৰ ৰুজু কৰিছিল। দিল্লী উচ্চ ন্যায়ালয়ে শুকুৰবাৰে গোচৰটোৰ শুনানি গ্ৰহণ কৰে। জয়ৰাম ৰমেশ, পৱন খেৰা আৰু নেটা ডিছুজাই অবৈধ বাৰবোৰ তৎক্ষণাৎ বিলোপ কৰিব লাগে বুলি টুইট কৰিছিল। জয়ৰাম ৰমেশে আদালতৰ নিৰ্দেশো টুইট কৰি লিখিছিল— এই গোচৰটোৰ উত্তৰ দিবলৈ আদালতৰ দ্বাৰা এখন জাননী প্ৰেৰণ কৰা হৈছে। আমি আমাৰ বিবৃতিও আদালতত উপস্থাপন কৰিম। স্মৃতি ইৰাণীয়ে আমাৰ বিৰুদ্ধে যি অভিযোগ কৰিছে সেয়া আমি মিছা প্ৰমাণ কৰিম। কেইদিনমান আগতে, তিনিজন কংগ্ৰেছ নেতালৈ জাননী প্ৰেৰণ কৰা হৈছিল। এইটো কোৱা হৈছিল যে কংগ্ৰেছ নেতাসকলে স্মৃতিৰ জীয়ৰীৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰাৰ বাবে চৰ্তহীন ক্ষমা বিচাৰিব লাগে। জাননীখনত এইটোও কোৱা হৈছিল যে জইশ ইৰাণীয়ে কোনো বাৰ নচলায়। এনে অভিযোগবোৰে জইছ আৰু তেওঁৰ মাতৃক বদনাম কৰিছে। ২২ জুনত সুৰাৰ দোকান, চিলি ছ'লছ কেফে আৰু বাৰৰ অনুজ্ঞা-পত্ৰ নৱীকৰণ কৰা হয়। অনুজ্ঞা-পত্ৰখন এন্থনি ডি'গামা নামৰ এজন ব্যক্তিৰ নামত কৰা হৈছিল। কিন্তু তেতিয়া এজন স্থানীয় অধিবক্তা ইৰেছ ৰড্ৰিগেজে অভিযোগ কৰিছিল যে বিভ্ৰান্তিকৰ নথিপত্ৰ দাখিল কৰি অনুজ্ঞা-পত্ৰ প্ৰাপ্ত কৰা হৈছিল। তেওঁ সকলো নথি-পত্ৰ চাবলৈ আৰটিআই আবেদন দাখিল কৰিছিল। এয়া জনা যায় যে এন্থনী ডি'গামাৰ ১৭ মে', ২০২১ তাৰিখে মৃত্যু হৈছিল। খাদ্য বিশেষজ্ঞ কুনাল বিজয়কাৰৰ সৈতে হোৱা আলোচনাত স্মৃতি ইৰাণীৰ কন্যা জইশে কয় যে গোৱাত আন্তঃৰাষ্ট্ৰীয় মানৰ খাদ্য নাই। সেই অভাৱ তেওঁৰ ৰেষ্টুৰেণ্ট চিলি ছ'লছৰ দ্বাৰা পূৰণ কৰা হ'ব।

## ১,৪৮২টা ৱেবছাইট ব্লক

(আই টি) আইন, ২০০০ৰ ধাৰা ৬৯ এৰ উদ্ধৃতি দি ব্লক কৰা হৈছিল। ধাৰাটোত কোৱা হৈছে যে চৰকাৰৰ যিকোনো সংস্থা বা যিকোনো মধ্যস্থতাকাৰীক জনসাধাৰণৰ বাবে তথ্যৰ প্ৰৱেশ বন্ধ কৰিবলৈ ক'ব পাৰি 'সাৰ্বভৌমত্ব আৰু সততাৰ স্বাৰ্থত ভাৰতৰ প্ৰতিৰক্ষা, ৰাষ্ট্ৰৰ সুৰক্ষা, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বা ৰাজহুৱা শৃংখলা বা ওপৰৰ সৈতে জড়িত কোনো জ্ঞানযোগ্য অপৰাধ সংঘটিত কৰাত প্ৰৰোচনা ৰোধ কৰাৰ বাবে'। 'তথ্য প্ৰযুক্তি আইনৰ ৬৯ এ ধাৰা চৰকাৰে বাৰে বাৰে কণ্টেণ্ট চেঞ্চৰ কৰিবলৈ ব্যৱহাৰ কৰি আহিছে, প্ৰায়ে ধাৰাটোৰ বিধান উলংঘা কৰি যিয়ে যিকোনো তথ্যৰ প্ৰৱেশ বন্ধ কৰাৰ সীমিত ভিত্তিৰ কথা উল্লেখ কৰিছে।' আইনী সঞ্চালক প্ৰসন্ত সুগাথানে কয় SFLC.in. ধাৰা 69ৰ অধীনত ব্লক কৰা URL ৰ সংখ্যা হৈছে 9, 21, 362, 62, 471, 500, 633, 1385, 2799, 3635, 9849, 6096 আৰু 1482 (মাৰ্চ 2022 লৈকে) বছৰৰ ভিতৰত 2010, 2011, 2012, ২০১৪, ২০১৫, ২০১৬, ২০১৭, ২০১৮, ২০১৯, ২০২০, ২০২১ আৰু ২০২২ (মাৰ্চ ২০২২ লৈকে) ক্ৰমে indianexpress.com দ্বাৰা প্ৰৱেশ কৰা আৰটিআয়ে প্ৰকাশ কৰিছে। তথ্য প্ৰযুক্তি (তথ্য ৰাজহুৱা প্ৰৱেশৰ বাবে বাধা দিয়াৰ বাবে পদ্ধতি আৰু সুৰক্ষা) নিয়ম, ২০০৯ৰ নিয়ম ১৬ৰ অধীনত লাভ কৰা সকলো অনুৰোধ আৰু অভিযোগৰ সন্দৰ্ভত কঠোৰ গোপনীয়তা বজাই ৰাখিব লাগে। অৰ্থাৎ চৰকাৰে কোনো গুৰুত্বপূৰ্ণ তথ্য নিদিয়াকৈ যিকোনো URL ব্লক কৰিব পাৰে, ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বৃহত্তৰ স্বাৰ্থত। কিন্তু সুগাথানৰ মতে 'ব্লক কৰা নিয়মত গোপনীয়তা দফাৰ ফলত এনে ব্লক সম্পৰ্কীয় সকলো আদেশ আৰু তথ্য জনসাধাৰণৰ পৰিসৰৰ বাহিৰত থাকে। প্ৰায়ে ব্যৱহাৰকাৰীসকলক, যাৰ বিষয়বস্তু তললৈ নমাই অনা হয়, তেওঁলোককো অৱগত কৰা নহয় আৰু এইটো মূলতঃ শ্ৰেয়া সিংঘল বনাম ইউনিয়ন অৱ ইণ্ডিয়াত ধাৰাটো আৰু নিয়মসমূহ ৰক্ষা কৰাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ যুক্তিৰ বিৰুদ্ধে যায়।'

## শোণিতপুৰত সজীৱ গুলিসহ

সক্ষম হয়। এই সন্দৰ্ভত আজি শোণিতপুৰৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুৰিমা দাসে কয় যে, এক গোপন সুত্ৰৰ পম খেদি তেজপুৰ মহাভৈৰৱ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু বেলশিৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে মিছামাৰী আৰক্ষী থানাৰ প্ৰভাৰী বিষয়াৰ সহযোগত বেলশিৰিৰ দৈমালু চেণ্টাৰৰ সমীপত এক অভিযান চলোৱা হয়। এই অভিযান কালত বাটৰ কাষৰ বননিত পৰিত্যক্ত অৱস্থাত বগা ৰঙৰ প্লাষ্টিকৰ বস্তাৰ ভিতৰত এটা ৭.৬৫ আৰু এটা ৯ এম এম পিষ্টলৰ লগতে সাতজাঁইকৈ সজীৱ গুলি উদ্ধাৰ কৰা হয়। অনাগত স্বাধীনতা দিৱসক কেন্দ্ৰ কৰি যাতে জিলাখনত কোনো দুৰ্বৃত্তই কূটাঘাতমূলক কাণ্ড সংঘটিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা আৰক্ষী সপ্তম হৈ থকাৰ সময়তে আজি পুৱা প্ৰায় ৫.৩০ মান বজাত আৰক্ষীয়ে সজীৱ গুলিসহ দুটাকৈ পিষ্টল উদ্ধাৰ কৰা ঘটনা তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। এই সন্দৰ্ভত অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে কয় যে, পূৰ্বতে উগ্ৰপন্থী সংগঠন এন ডি এফ বিৰ অধ্যুষিত অঞ্চল বুলি চিহ্নিত উক্ত এলেকাত উদ্ধাৰ হোৱা এই মাৰণাস্ত্ৰ কোনো উগ্ৰপন্থী সংগঠনৰ প্ৰাক্তন সদস্যই সৰবৰাহৰ বাবে এইদৰে মাৰণাস্ত্ৰ কেইটা লুকুৱাই ৰখা বুলি সন্দেহ কৰা হৈছে যদিও ঘটনা সন্দৰ্ভত সম্প্ৰতি অনুসন্ধান অব্যাহত আছে।

## উচ্চতৰ মাধ্যমিক চূড়ান্ত

ৰূপজ্যোতিৰ পৰিয়ালে ধনৰ অভাৱত চিকিৎসকৰ ওচৰলৈ নিব পৰা নাই ৰূপজ্যোতিক। যিজন যুৱকৰ সাফল্যৰ বাবে এদিন সমগ্ৰ নগাঁওবাসীয়ে গৌৰৱ কৰিছিল। ১৯৯৬ চনত ৰূপজ্যোতিয়ে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ষষ্ঠ স্থান লাভৰ পাছত তেওঁৰ ঘৰলৈ মানুহৰ সোঁত বৈছিল। গামোচা, শৰাই আৰু সম্বৰ্ধনা-পত্ৰৰে ওপচাই দিছিল ৰূপজ্যোতিক। কিন্তু এনে এজন মেধাৱী ছাত্ৰৰ বিপদৰ সময়ত কাষত আজি কোনো নাই। চৰকাৰী চাকৰিৰ মেৰপেঁচৰ বাবেই যে স্নাতকোত্তৰ ডিগ্ৰীধাৰী যুৱকজনৰ মেধাৰ অপমৃত্যু ঘটিছে। জটিল ৰোগত আক্ৰান্ত যুৱক ৰূপজ্যোতিৰ এতিয়া বিছনাখনেই সংগী হৈ পৰিছে। এসময়ত সুন্দৰ কবিতা লিখা ৰূপজ্যোতিয়ে অসুস্থ দেহাৰেই বৰ্তমানো কোনোবাই ক'লে আবৃত্তি কৰে কবিতা। স্বাভিমানী ৰূপজ্যোতিয়ে কাৰো পৰা ব্যক্তিগত সহায় নিবিচাৰে। তেওঁৰ মতে, সকলো মানুহে যন্ত্ৰণাৰ মাজত দিন কটাবলগীয়া হৈছে। সকলোৰে নিজৰ নিজৰ সমস্যা আছে। তেনে ক্ষেত্ৰত মোৰ সমস্যা কাৰো ওপৰত জাপি দিব বিচৰা নাই। ৰূপজ্যোতিয়ে একমাত্ৰ অসম চৰকাৰৰ পৰা সহায় বিচাৰিছে। বৰ্তমান ৰূপজ্যোতিৰ একমাত্ৰ ভৰসা হৈ পৰিছে অসম চৰকাৰৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা।

**নগাঁৱত পেন্সন সেৱা কেন্দ্ৰ মুকলি শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাৰ**

## শীঘ্ৰে লোড শ্বেডিঙৰ পৰা ৰাইজে সকাহ পাব ঃ গাৰ্লোচা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ জুলাই ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে আজি নগাঁৱতো পেন্সন সেৱা কেন্দ্ৰ মুকলি কৰা হয়। নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত এই সেৱা কেন্দ্ৰ মুকলি কৰে শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচাই। এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই ব্যৱস্থাৰ জৰিয়তে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল উপকৃত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমাৰ চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ পেন্সন প্ৰক্ৰিয়া সবলীকৰণৰ বাবেই এই সেৱা কেন্দ্ৰ মুকলি কৰা হৈছে। উল্লেখ যে অসম চৰকাৰে পেন্সন প্ৰক্ৰিয়া সবলীকৰণৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যিক পেন্সনাৰসকলৰ বাবে প্লেটফৰ্ম কৃতজ্ঞতাই পেন্সন সেৱা কেন্দ্ৰসমূহৰ কাৰ্যকলাপত সহায় কৰাৰ লগতে কৃতজ্ঞতা পৰ্টেলত অৱসৰপ্ৰাপ্তসকলৰ দ্বাৰা অনলাইনত প-প্ৰত্ৰ দাখিলৰ সুবিধা লাভ কৰিব। আনহাতে, সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম প্ৰগতিৰ দিশত আগবাঢ়িছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে পেন্সন সেৱা কেন্দ্ৰই ৰাজ্যৰ কৰ্মচাৰীসকলৰ পেন্সন ব্যৱস্থাক সবলীকৰণ কৰি তুলিব। বিদ্যুতৰ লোড শ্বেডিঙৰ বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ জানিবলৈ দিয়ে যে এই সমস্যাটো সমাধানৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। শীঘ্ৰে লোড শ্বেডিঙৰ পৰা ৰাইজে সকাহ পাব। নগাঁৱৰ লোড শ্বেডিঙৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় শিশু গ্ৰামত এটা ট্ৰেন্সফৰ্মাৰৰ ক্ষতি সাধন হোৱাৰ বাবে এই সমস্যা হৈছে যদিও বিদ্যুতৰ যোগান নিয়মীয়া কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি নগাঁৱৰ বিদ্যুৎ বিভাগৰ বিষয়াৰ লগত এক বৈঠকত মিলিত হয়। পেন্সন সেৱা কেন্দ্ৰৰ মুকলি অনুষ্ঠানত বিধায়ক জিতু গোস্বামী, নগাঁও জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ আদিয়ে অংশগ্ৰহণ কৰে।

## পুখুৰীত পৰি শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৯ জুলাই ঃ** দৰঙৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত বামুণঝাৰত পুখুৰীত পৰি মৃত্যু হয় এটি দুবছৰীয়া শিশুৰ। মাতৃৰ সৈতে দুদিন পূৰ্বে মোমায়েকহঁতৰ ঘৰত অহা মনজিৎ মেধি নামৰ শিশুটি সমনীয়াৰ সৈতে খেলি থাকোঁতে সমীপৰ পুখুৰীত পৰি মৃত্যু হয়। ততাতৈয়াকৈ শিশুটি পাথৰিঘাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইতিমধ্যে বুঢ়া আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। উল্লেখ, মঙলদৈ পুণিয়াৰ মহিন্দ্ৰ মেধি আৰু দীপিকা ৰাজবংশীৰ একমাত্ৰ পুত্ৰ আছিল মনজিৎ।

## বামুণীৰ বৰলালুং গাঁৱৰ ৰঞ্জিত বৰদলৈ হত্যাকাণ্ডৰ গোচৰত অভিযুক্ত সাতজনৰ আদালতত আত্মসমৰ্পণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৯ জুলাই ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত তথা পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ বামুণীৰ বৰলালুং গাঁৱত ৰঞ্জিত বৰদলৈ নামৰ এজন লোকক জীৱন্তে জ্বলাই দিয়া ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত অভিযুক্ত সাতগৰাকীয়ে নগাঁও আদালতত আত্মসমৰ্পণ কৰিছে। উল্লেখ্য, গাঁওখনৰ সবিতা পাটৰ নামৰ এগৰাকী মহিলাক হত্যা কৰাৰ সন্দেহত বৰলালুং গাঁৱৰ ৰাইজে ৯ জুলাইত ৰাইজ মেল পাতি অভিযুক্ত ৰঞ্জিত বৰদলৈক গছত বান্ধি মাৰধৰ কৰাৰ লগতে জীৱন্তে গাত ডিজেল ঢালি জ্বলাই দি গাঁত খান্দি পুতি থৈছিল। এই লৈ চামগুৰি থানাত এটা গোচৰ ৰুজু কৰি চামগুৰি আৰু পুৰণিগুদাম আৰক্ষীয়ে ১৩জন অভিযুক্তক চিনাক্ত কৰি পাঁচজনক ইতিপূৰ্বে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল যদিও বাকীকেইজন অভিযুক্ত পলাতক অৱস্থাত আছিল। শেহতীয়াকৈ ঘটনাটোৰ লগত জড়িত ৭গৰাকী অভিযুক্তই নগাঁও আদালতত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা অভিযুক্তসকল হৈছে ক্ৰমে ঘনকান্ত বৰদলৈ, কৃষ্ণকান্ত বৰদলৈ, মিণ্টু বৰদলৈ, পানীৰাম বৰদলৈ, কান্ত বৰদলৈ, অজয় বৰদলৈ আৰু ধ্ৰুৱ বৰদলৈ। ইফালে এতিয়াও ঘটনাটোৰ মূল অভিযুক্ত কাঁচিৰাম বৰদলৈ পলাতক অৱস্থাত আছে যদিও কাঁচিৰামৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। ইফালে আত্মসমৰ্পণ কৰা সাতজন অভিযুক্তক পুৰণিগুদাম আৰক্ষীয়ে তিনি দিনৰ জিম্মাত লৈ তদন্ত অব্যাহত ৰাখিছে।

## লাহৰীঘাটৰ বৰহলৌকান্দাত ব্ৰহ্মপুত্ৰৰ বিধ্বংসী তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বৰহলৌকান্দাত ব্ৰহ্মপুত্ৰৰ বিধ্বংসী তাণ্ডৱ। বানপানী শুকোৱাৰ পিছতেই বৰহলৌকান্দাত লুইতৰ খহনীয়াই অধিক কালৰূপ ধাৰণ কৰিছে। যোৱা এপষেকত এই অঞ্চলত অব্যাহত থকা খহনীয়াই কালৰূপ ধাৰণ কৰি ২০টাকৈ পৰিয়ালক গৃহহীন কৰিছে। ইয়াৰ উপৰি এই বিধ্বংসী খহনীয়াত শ্বহীদ মোজাম্মিল হক বালিকা প্ৰাথমিক বিদ্যালয়খন জাহ গৈছে। কেমেৰাত বন্দী হৈছে খহনীয়াৰ ভয়াৱহ দৃশ্য। নৈপৰীয়া ৰাইজে খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ দাবী জনাইছে চৰকাৰক।

## নগাঁৱত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ৫১জনলৈ বৃদ্ধি, মৃত্যু ৭

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৯ জুলাই ঃ** নগাঁও জিলাত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে জাপানীজ এনকেফেলাইটিছ ৰোগীৰ সংখ্যা। জিলাখনত নিতৌ এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত ৰাইজ আতংকিত হৈ পৰা পৰিলক্ষিত হৈছে। চৰকাৰী তথ্য অনুসৰি আজিৰ তাৰিখলৈকে জিলাখনত এই ৰোগত আক্ৰান্তৰ সংখ্যা ৫১গৰাকীলৈ বৃদ্ধি পাইছে আৰু ৭জনৰ মৃত্যু হৈছে। অৱশ্যে বেচৰকাৰী তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। জিলাখনত জাপানীজ এনকেফেলাইটিছৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ তৰফৰ পৰা কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও সেয়া মুঠেই সন্তোষজনক নহয়। জিলাখনত ৫১গৰাকী জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হ'লেও ইয়াৰে কেইবাগৰাকী ৰোগী সুস্থ হৈ ঘৰলৈ উভতি গৈছে বুলি জানিব পৰা গৈছে।

## কেতবোৰ জ্বলন্ত সমস্যা

ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। জিলাখনৰ প্ৰায় শতাধিক অধিবক্তাই স্বাক্ষৰ কৰা স্মাৰক-পত্ৰখনত উল্লেখ কৰা মতে, ৰাজ্যখনত শেহতীয়াকৈ খাদ্য সামগ্ৰীকে ধৰি দৈনন্দিন প্ৰয়োজনীয় অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি আকাশলঙ্ঘী হৈছে। মূলতঃ মূল্যবৃদ্ধিৰ বাবে সৰ্বসাধাৰণ ৰাইজে অৰ্থ সংকটৰ সন্মুখীন হৈছে। বিশেষকৈ পে'ট্ৰল-ডিজেলৰ মূল্যবৃদ্ধিৰ বাবে এইদৰে সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱা বুলি দাবী কৰিছে। সমান্তৰালভাৱে ৰাজ্যখনত নিবনুৱা সমস্যায়ো ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ইয়াৰ প্ৰভাৱ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত যথেষ্ট পৰিছে। চৰকাৰৰ ভুল নীতিৰ বাবেই দেশত সম্প্ৰীতি মন্দাৱস্থাৰ সৃষ্টি হৈছে। তদুপৰি, নতুন উদ্যোগ স্থাপনৰ বিপৰীতে এটা এটাকৈ উদ্যোগ মৃত্যুমুখত পৰিছে। এইক্ষেত্ৰতো চৰকাৰে কোনো সঠিক ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰিছে অধিবক্তা সংগঠনটোৱে। ইপিনে, চৰকাৰে এম জি এনৰেগ আৰু চাহ শ্ৰমিকসকলকো উপযুক্ত মজুৰি দিবলৈ সক্ষম হোৱা নাই। আনহাতে, কৰ'নাজনিত জটিল পৰিস্থিতিৰ বাবে বিগত প্ৰায় দুবছৰকাল লকডাউন হৈ থকাৰ ফলত কনিষ্ঠ অধিবক্তাসকলে আৰ্থিক সমস্যাৰ সন্মুখীন হৈছে। যাৰ বাবে বহিঃৰাজ্য কেৰালা, তামিলনাডু, তেলেংগানাৰ আৰ্হিত অসমতো কনিষ্ঠ অধিবক্তাসকলক মাহিলি পাঁচ হাজাৰ টকাকৈ তিনি বছৰলৈকে আৰ্থিক অনুদান দিয়াৰ দাবী জনায়। চৰকাৰে ৰে'লৱে মাটি বিক্ৰী কৰা বন্ধ কৰাৰ লগতে চৰকাৰী মাটিত দীৰ্ঘদিন ধৰি স্থায়ীভাৱে বসবাস কৰা ভূমিহীন লোকক মাটিৰ আবণ্টন দিয়াৰ দাবী উত্থাপন কৰাৰ লগতে এঘাৰদফীয়া দাবীসম্বলিত এখন স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা বুলি জনাইছে সংগঠনটোৰ জিলা সমিতিৰ সভাপতি অধিবক্তা নুৰুল হাচান আৰু সম্পাদক হাৰুন আল ৰছিদে।

## বিদ্যালয়ৰ পোছাকতে

কৰ্মকাৰ (১৯) একে বাগিচাৰে শংকৰ ভূমিজৰ (২৫) মাজত প্ৰেমৰ সম্পৰ্ক ঘটে । ফলত যোৱা এপ্ৰিলৰ ২৬ তাৰিখে শংকৰ ভূমিজৰ সৈতে ৰেণু বিদ্যালয়ৰ পৰাই পলাই যায়। কালি নৱ-বিবাহিত ৰেণু কৰ্মকাৰে তেওঁৰ স্বামীগৃহৰ এটা কোঠাত বিদ্যালয়ৰ পোছাকতে চিপ লৈ মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰেণু কৰ্মকাৰৰ পিতৃয়ে জনোৱা মতে তেওঁৰ কন্যা পলাই যোৱাৰ পিছত পৰিয়ালৰ তৰফৰ পৰা দেৰগাঁও থানাত এটা গোচৰ ৰুজু কৰিছিল। গোচৰৰ ভিত্তিত দুয়োপক্ষই ১৪ দিনৰ দিনা থানাত উপস্থিত হৈ উভয়পক্ষৰ মাজত বুজাবুজি হয়। লগতে নৱ-বিবাহিত ৰেণুৱে যিমান দিনলৈ পঢ়িবলৈ ইচ্ছা কৰে শংকৰ ভূমিজে পঢ়ুৱাৰো সন্মতি প্ৰকাশ কৰে। ইয়াৰ মাজতে ৰেণুৱে বহুবাৰ স্বামীৰ সৈতে থাকিবলৈ অনিচ্ছা কৰি দেউতাকলৈ মোবাইল ফোনৰ জৰিয়তে মেছেজ পঠায়। পৰৱৰ্তী সময়ত ৰাজহুৱা বিচাৰ বহুৱাই দুয়োপক্ষ সমিল-মিলেৰে থকাৰ প্ৰতিশ্ৰুতিৰেও লিখিত চুক্তি কৰা হয়। ৰেণু ভূমিজ স্থানীয় ভোলাগুৰি কমলা মিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২য় বৰ্ষৰ ছাত্ৰী আছিল। কালি স্বামী দুপৰীয়া কামৰ পৰা ঘৰলৈ আহি ৰেণুৱে পঢ়া কোঠাটোৰ দুৱাৰ-খিৰিকী ভিতৰৰ পৰা বন্ধ থকা দেখা পায়। ঘটনা সন্দৰ্ভত বাদুলীপাৰ গাঁওৰক্ষী বাহিনী আৰু গাঁওপ্ৰধানক অৱগত কৰাত দুয়োপক্ষৰ লোক আহি শংকৰৰ গৃহত উপস্থিত হোৱাৰ পিছত কোঠাটোৰ দুৱাৰ ভাঙি ৰেণুৱে চিপ লৈ ওলমি থকা প্ৰত্যক্ষ কৰে। লগে লগে ঘটনাৰ সম্পৰ্কত দেৰগাঁও আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ লোক আহি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত স্বামীগৃহত ৰেণুৰ মৃতদেহ আহি পোৱাত দুয়োপক্ষৰ মাজত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পৰিস্থিতিয়ে পিছত আক্ৰমণাত্মক ৰূপ লয়। কোনো লোকে ৰেণুৰ স্বামী শংকৰক ইটাৰে মূৰত আঘাত কৰাৰ ফলত সংজ্ঞাহীন হৈ ঢলি পৰে। ঘটনাৰ সম্পৰ্কে আৰক্ষীক অৱগত কৰাত দেৰগাঁও আৰক্ষী আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। কি পৰিস্থিতিত নৱ-বিবাহিত স্কুলীয়া ছাত্ৰীগৰাকীয়ে আত্মহত্যা কৰিবলৈ পালে সেইলৈ ৰহস্যৰ সৃষ্টি হৈছে।

# গোৱাত কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীৰ কন্যাৰ ‘বাৰ’ আছে নেকি

## টুইট আঁতৰাব লাগিব কংগ্ৰেছ নেতাই, দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ




**নতুন দিল্লী, ২৯ জুলাইঃ** গোৱাত স্মৃতি ইৰাণীৰ কন্যাৰ অবৈধ বাৰ থকা সম্পৰ্কে কৰা সকলো টুইট আঁতৰ কৰিব লাগিব কংগ্ৰেছ নেতাই। আজি এই নিৰ্দেশ দিয়ে দিল্লী উচ্চ ন্যায়ালয়ে। কংগ্ৰেছৰ তিনিওজন নেতাকো বিষয়টো সন্দৰ্ভত আদালতত হাজিৰ হ'বলৈ কোৱা হৈছে। শুকুৰবাৰে গোচৰটোৰ শুনানিৰ সময়ত আদালতক কোৱা হয় যে কংগ্ৰেছ নেতাসকলে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কন্যাৰ বিৰুদ্ধে ছ'চিয়েল মিডিয়াত লিখা সকলো বোৰ কথা বিলোপ কৰিব লাগিব। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ, পৱন খেৰা আৰু নেটা ডিচুজাক জাননী প্ৰেৰণ কৰিছে ন্যায়ালয়ে।কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীৰ জীয়ৰীৰ বিৰুদ্ধে মৃতকৰ নামত বাৰৰ লাইচেঞ্চ জাৰি কৰাৰ অভিযোগ উত্থাপিত হৈছিল। স্মৃতি ইৰাণীয়ে ঘটনাটোৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত মানহানিৰ গোচৰ ৰুজু কৰিছিল। দিল্লী উচ্চ ন্যায়ালয়ে শুক্ৰবাৰে গোচৰটোৰ শুনানি গ্ৰহণ কৰে। জয়ৰাম ৰমেশ, পৱন খেৰা আৰু নেটা ডিচুজাই অবৈধ বাৰবোৰ তৎক্ষণাৎ বিলোপ কৰিব লাগে বুলি টুইট কৰিছিল।জয়ৰাম ৰমেশে আদালতৰ নিৰ্দেশো টুইট কৰি লিখিছিল, “এই গোচৰটোৰ উত্তৰ দিবলৈ আদালতৰ দ্বাৰা এখন জাননী প্ৰেৰণ কৰা হৈছে। আমি আমাৰ বিবৃতিও আদালতত উপস্থাপন কৰিম। স্মৃতি ইৰাণীয়ে আমাৰ বিৰুদ্ধে যি অভিযোগ কৰিছে সেয়া আমি মিছা প্ৰমাণ কৰিম। কেইদিনমান আগতে, তিনিজন কংগ্ৰেছ নেতালৈ জাননী প্ৰেৰণ কৰা হৈছিল। এইটো কোৱা হৈছিল যে কংগ্ৰেছ নেতাসকলে স্মৃতিৰ জীয়ৰীৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰাৰ বাবে চৰ্তহীন ক্ষমা বিচাৰিব লাগে। জাননীখনত এইটোও কোৱা হৈছিল যে জইশ ইৰাণীয়ে কোনো বাৰ নচলায়।এনে অভিযোগবোৰে জইছ আৰু তেওঁৰ মাতৃক বদনাম কৰিছে। চচ জুনত, সুৰাৰ দোকান, চিলি চ'লচ কেফে আৰু বাৰৰ অনুজ্ঞাপত্ৰ নৱীকৰণ কৰা হয়। অনুজ্ঞাপত্ৰখন এন্থনি ডি'গামা নামৰ এজন ব্যক্তিৰ নামত কৰা হৈছিল। কিন্তু তেতিয়া এজন স্থানীয় অধিবক্তা ইৰেছ ৰড্ৰিগেজে অভিযোগ কৰিছিল যে বিভ্ৰান্তিকৰ নথিপত্ৰ দাখিল কৰি অনুজ্ঞাপত্ৰ প্ৰাপ্ত কৰা হৈছিল। তেওঁ সকলো নথিপত্ৰ চাবলৈ আৰটিআই আবেদন দাখিল কৰিছিল। এয়া জনা যায় যে এন্থনী ডি'গামাৰ ৰজ্জমে, চজ্মচৰ তাৰিখে মৃত্যু হৈছিল। খাদ্য বিশেষজ্ঞ কুনাল বিজয়কাৰৰ সৈতে হোৱা আলোচনাত স্মৃতি ইৰাণীৰ কন্যা জইশে কয় যে গোৱাত আন্তঃৰাষ্ট্ৰীয় মানৰ খাদ্য নাই। সেই অভাৱ তেওঁৰ ৰেষ্টুৰেণ্ট চিলি ছ'লছৰ দ্বাৰা পূৰণ কৰা হ'ব।ৰ



*ফ্লায়িং কফিনখ্যাত মিগ-২১ বিমানৰ প্ৰতি দেশৰ বায়ু সেনাৰ আস্থা আৰু বিশ্বাস হ্ৰাস পাইছে নেকি, কিয়নো সঘনে এই বিমানৰ দুৰ্ঘটনাত বহু মেধাৱী জোৱানৰ অকাল মৃত্যু হৈ আহিছে*


# মিগ-২১ যুঁজাৰু বিমান দুৰ্ঘটনাগ্ৰস্ত ৰাজস্থানত মৃত দুই পাইলট




**বাৰমেৰ, ২৯ জুলাইঃ** ৰাজস্থান প্ৰদেশৰ বাৰমেৰ জিলাত ভাৰতীয় বায়ু সেনাই প্ৰশিক্ষণৰ কাৰণে ব্যৱহাৰ কৰা মিগ-২১ নামৰ এখন যুঁজাৰু বিমান দুৰ্ঘটনাত পতিত হৈছে। এই দুৰ্ঘটনাৰ ফলত দুজন পাইলটৰ কৰুণ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। বৃহস্পতিবাৰে বিয়লি সংঘটিত হৈছিল এই ভয়ানক দুৰ্ঘটনা। গোটেই বিমানখন ভস্মীভূত হোৱাৰ উপৰিও অগ্নিকাণ্ড বিয়পি পৰিছিল কাষৰীয়া অঞ্চলতো। কমেও আধা কিলোমিটাৰ দূৰলৈকে অগ্নিশিখা দৃষ্টিগোচৰ হৈছিল। বিমানখনত সেই সময়ত আছিল ফ্লাইট লেঃ আদিত্য বাল আৰু উইং কামাণ্ডাৰ মোহিত ৰাণা। দুইজন সেনা বিষয়াৰ কৰুণ মৃত্যু হৈছে। বৰ্তমানলৈকে দুৰ্ঘটনাৰ কাৰণ সদৰী কৰা হোৱা নাই। ইয়াৰে মোহিত ৰাণাৰ বয়স হৈছিল ৩৯ আৰু আদিত্যৰ বয়স হৈছিল ২৬ বছৰ। হিমাচল প্ৰদেশৰ মাণ্ডি জিলাৰ পৰা আহিছিল মোহিত ৰাণাই। তেওঁৰ পিতৃ ৰামপ্ৰকাশ এগৰাকী অৱসৰপ্ৰাপ্ত ভাৰতীয় স্থলসেনাৰ কৰ্ণেল। বৰ্তমান ৰামপ্ৰকাশে চণ্ডীগড়ত বসবাস কৰে। এই ঘটনাই মাণ্ডিল জিলাত শোকৰ ছাঁ পেলাইছে। স্থানীয় উপায়ুক্ত অৰিন্দন চৌধুৰীয়ে কয় যে শ্বহীদ মোহিত ৰাণাৰ শেষকৃত্য সম্পন্ন কৰা হ'ব চণ্ডীগড়ত। ইফালে ভাৰতীয় সেনাই ব্যৱহাৰ কৰি অহা মিগ-২১ যুদ্ধ বিমানৰ সঘন দুৰ্ঘটনাক লৈ দেশৰ বায়ু সেনাবাহিনীত সৃষ্টি হৈছে তীব্ৰ অসন্তুষ্টিৰ। কিয়নো এই যুদ্ধ বিমান ব্যৱহাৰ কৰিয়ে বিগত সময়ত বহুকেইজন জোৱানে প্ৰাণ হেৰুৱাব লগা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই দুৰ্ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মৃত সেনা বিষয়া দুগৰাকীৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। অৱশ্যে এই দুৰ্ঘটনাৰ তদন্তৰ বাবে বায়ু সেনাবাহিনী তৎপৰ হোৱা বুলি কোৱা হৈছে। কি কাৰণত মিগ-২১ বিমান সঘনে দুৰ্ঘটনাত পতিত হৈ আহিছে সেয়া উদ্ধাৰ কৰিবলৈ তদন্ত সমিতিক দায়িত্ব অৰ্পণ কৰা বুলি প্ৰকাশ পাইছে।

### যুদ্ধবিৰোধী প'ষ্ট

# জৰিমনা ভৰিলে ৰাছিয়াৰ সাংবাদিকে



**মস্কো, ২৯ জুলাইঃ** কক ৰাছিয়াৰ এখন আদালতে ইউক্ৰেইনত ৰাছিয়াৰ যুদ্ধক সমালোচনা কৰাৰ বাবে দেশখনৰ এগৰাকী মহিলা সাংবাদিকক জৰিমনা বিহিছে। মেৰিনা অ'ভচিয়ানকোভাক ৮২২ ডলাৰ (ৰাছিয়ান মুদ্ৰাত ৫০,০০০ ৰুবল) জৰিমনা বিহা হৈছিল। ভাৰতীয় মুদ্ৰাত এয়া প্ৰায় ৬৬ হাজাৰ টকা। আন্তৰ্জাতিক সংবাদ সংস্থাৰ বাতৰি মতে মেৰিনা ৰাছিয়াৰ চৰকাৰী দূৰদৰ্শনৰ এগৰাকী প্ৰাক্তন সাংবাদিক। ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ আৰম্ভণিতে যুদ্ধ বিৰোধী স্থিতিৰ বাবে তেওঁ চাকৰি হেৰুৱাইছিল। শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত তেওঁ ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ বিৰোধিতা কৰি ৰাজহুৱাভাৱে পোষ্ট দিছিল।

# এবছৰতে হেৰুৱালে নিজৰ আধা সম্পত্তি

## এছিয়াৰ আটাইতকৈ ধনী মহিলাগৰাকীৰ দুৰ্দশা

**বেইজিং, ২৯ জুলাইঃ** কক তেওঁ এছিয়াৰ আটাইতকৈ ধনী মহিলা। নাম তেওঁৰ ইয়াং হুয়ান।কিন্তু যোৱা এবছৰত চীনা ব্যৱসায়ীগৰাকীয়ে তেওঁৰ সম্পত্তিৰ আধাতকৈও বেছি হেৰুৱাইছে। দৰাচলতে চীনৰ ৰিয়েল ইষ্টেট উদ্যোগটো বিধ্বস্ত হৈ পৰিছে। তাৰ ফলতে ইয়াং হুয়ান বিলিয়নেয়াৰৰ তালিকাৰ তললৈ অৱনমিত হৈছে।চীনৰ ৰাসায়নিক ফাইবাৰ ব্যৱসায়ী ফেন হংৰেই এতিয়া এছিয়াৰ আটাইতকৈ ধনী মহিলা হোৱাৰ দৌৰত আগবাঢ়িছে।চীনৰ সৰ্ববৃহৎ ৰিয়েল ইষ্টেট কোম্পানী হৈছে কান্ট্ৰি গাৰ্ডেন। ইয়াঙৰ সেই কোম্পানীটোত সৰ্বাধিক শ্বেয়াৰ আছে। ব্লুমবাৰ্গ বিলিয়নেয়াৰ ইণ্ডেক্স অনুসৰি, যোৱা বছৰ ইয়াঙৰ সম্পত্তিৰ পৰিমান আছিল ২,৩৭০ কোটি ডলাৰ। ভাৰতীয় মুদ্ৰাত প্ৰায় এক লাখ ৮৯ হাজাৰ কোটি টকা।এই বছৰ সেয়া ৫২ শতাংশ হ্ৰাস পাই ১,১৩০ কোটি ডলাৰ হৈছে। বুধবাৰে ইয়াঙৰ কোম্পানীটোৱে জানিবলৈ দিছে যে ই শ্বেয়াৰ বিক্ৰী কৰি কোম্পানীটোলৈ নগদৰ যোগান বৃদ্ধি কৰিব। তেতিয়াই দেখা যায় যে কোম্পানীটোৰ শ্বেয়াৰৰ মূল্য বজাৰত ১৫ শতাংশ হ্ৰাস পাইছে। ইয়াঙৰ পিতৃ কান্ট্ৰি গাৰ্ডেন কোম্পানীৰ প্ৰতিষ্ঠাপক আছিল। ২০০৫ চনত ইয়াৰ মালিকীস্বত্ব ইয়াঙৰ হাতলৈ আহে। চীনৰ ৰিয়েল ইষ্টেট উদ্যোগটোত ২০২০ চনৰ পৰা মন্দাৱস্থা চলিছে। বহুতো কোম্পানীয়ে আনকি বেংকৰ পৰা ঋণ লৈ পৰিশোধ কৰিব নোৱাৰিলে। তেওঁ সময়মতে ফ্লেটবোৰ ক্ৰেতাসকলক হস্তান্তৰ কৰিব পৰা নাই। ফলত গ্ৰাহকসকলো ক্ষুব্ধ হৈ পৰিছে।



### মন্ত্ৰীৰ জন্মদিনত অনুপস্থিত কিয়!

# তেলেংগানাৰ ৪ পৌৰকৰ্মীক নিলম্বন

**হায়দৰাবাদ, ২৯ জুলাই ঃ** তেলেংগনাৰ এগৰাকী মন্ত্ৰীৰ জন্মদিনত অনুপস্থিত থাকিল চাৰিগৰাকী পৌৰ কৰ্মী। এয়াই হ'ল অপৰাধ। গতিকে চাৰিওজন পৌৰ কৰ্মীক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। এই ঘটনাই সমগ্ৰ ৰাজ্যখনতে সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়াৰ। উল্লেখ্য যে ৰাজ্যখনৰ পৌৰ বিভাগৰ মন্ত্ৰী কেটি ৰামাৰাওৰ জন্মদিন আছিল যোৱা ২৪ জুলাই তাৰিখে। তেওঁৰ এই জন্মদিন উদযাপন কৰা হৈছিল বেল্লামপলি চৰকাৰী হাস্পতালত পুৱা ১০ বজাত। জন্ম দিনৰ অনুষ্ঠানত উপস্থিত থাকিবলৈ স্থানীয় সকলো পৌৰ কৰ্মীক কাঢ়া নিৰ্দেশ দিয়া হৈছিল। ৱাটছএপ মেছেজৰ জৰিয়তে সকলো কৰ্মীকে উপস্থিত থকাৰ নিৰ্দেশনা দিয়া হৈছিল। কিন্তু লক্ষ্যণীয় বিষয় হ'ল এয়ে যে চাৰিজন পৌৰ কৰ্মী মন্ত্ৰীৰ জন্ম দিৱসত উপস্থিত হ'ব নোৱাৰিলে। কাৰণ তেওঁলোকৰ হাতত স্মাৰ্টফোন নাছিল। গতিকে মন্ত্ৰীৰ জন্মদিনত উপস্থিত থাকিবলৈ জাৰি কৰা নিৰ্দেশনা এই পৌৰ কৰ্মীকেইজনে লাভ কৰা নাছিল। গতিকে জন্ম দিনৰ কাৰ্যসূচীত উপস্থিত নথকাৰ বাবে তেওঁলোকক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছিল। ইয়াৰ উত্তৰ পৌৰ কৰ্মীকেইজনে যথাযথভাৱে প্ৰদান কৰিছিল। কিন্তু এই উত্তৰত তেওঁলোকৰ বৰমূৰীয়াসকল সন্তুষ্ট নহ'ল। সেয়েহে চাৰিওজন পৌৰ কৰ্মীক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। এই নিলম্বনৰ পিছতে এতিয়া তেলেংগানাত শাসকীয় টি আৰ এছ চৰকাৰৰ বিৰুদ্ধে বিৰোধী বিজেপি দলে কঠোৰ ভাষাৰে সমালোচনা কৰা দেখা গৈছে। স্থানীয় বিজেপি নেতা অমিত মালব্যই কয় যে কে টি আৰ কোনো ৰজাৰ পুত্ৰ নহয় যে সকলোবোৰ প্ৰজা তেওঁৰ জন্মদিনত উপস্থিত থাকিব লাগিব। কোনোবা চৰকাৰী কৰ্মচাৰী জন্মদিনত উপস্থিত নাথাকিলে সেই কাৰ্য দোষণীয় হ'ব নোৱাৰে। নিজৰ কৰ্তব্যত উপস্থিত নাথাকিলেহে চৰকাৰী কৰ্মচাৰীক দোষণীয় বুলি গণ্য কৰাৰ থল আছে। মন্ত্ৰীৰ ব্যক্তিগত কাৰ্যসূচীত উপস্থিত নাথাকিলে কেতিয়াও চৰকাৰী আইনৰ জৰিয়তে কৰ্মচাৰীসকলক সাঙুলি ল'ব নোৱাৰিব। গতিকে তেলেংগানা চৰকাৰে এক স্বৈৰাচাৰী আৰু অগণতান্ত্ৰিক প্ৰক্ৰিয়াৰে চৰকাৰ চলাইছে বুলি বিজেপিৰ স্থানীয় মুখপাত্ৰ অমিত মালব্যই অভিযোগ কৰিছে। অৱশ্যে নিজৰ দায় সাৰিবলৈ পৌৰ কৰ্তৃপক্ষই ওলোটাই কৰ্মীকেইজনৰ বিৰুদ্ধে অভিযোগ অনা বুলি শেহতীয়াকৈ প্ৰকাশ পাইছে। জন্মদিন উপলক্ষে চিকিৎসালয় চৌহদত বৃক্ষ ৰোপণৰ কাৰ্যসূচী আছিল। বেল্লামপলি পৌৰ কৰ্তৃপক্ষই ইয়াৰ বাবে নিজৰ সকলো কৰ্মচাৰীক উপস্থিত থকাৰ কাঢ়া নিৰ্দেশ জাৰি কৰিছিল। কিন্তু একাংশ কৰ্মচাৰীয়ে কৰ্তৃপক্ষৰ এই নিৰ্দেশ সজ্ঞানে অগ্ৰাহ্য কৰিছে। গতিকে কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিজৰ আভ্যন্তৰীণ বিষয় বুলি অভিমত প্ৰকাশ কৰিছে টি আৰ এছ দলৰ মুখপাত্ৰ কৃশাংকই।



# সময়ে সকলো ক'ব ঃ পাৰ্থ চেটাৰ্জী

**কলকাতা, ২৯ জুলাই ঃ** শিক্ষক নিযুক্তি কেলেংকাৰীত জড়িত হৈ পৰা পশ্চিমবংগৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীক তৃণমূল কংগ্ৰেছে বহিষ্কাৰ কৰাৰ পিছত শুকুৰবাৰে নেতাজনে বিশেষ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা দেখা নগ'ল। সম্প্ৰতি এনফোৰ্চমেণ্টৰ জিম্মাত আছে পাৰ্থ চেটাৰ্জী। তেওঁৰ ঘনিষ্ঠ বান্ধৱীৰ বাসগৃহৰ পৰা বৰ্তমানলৈকে ৫০ কোটিতকৈ অধিক নগদ টকা উদ্ধাৰ কৰিছে। এই ধনৰাশি কেনেকৈ ক'ৰ পৰা আহিল সেই বিষয়ে মুখ খোলা নাই এসময়ৰ প্ৰভাৱশালী মন্ত্ৰীজনে। মাথো সময়ৰ ওচৰত সকলো এৰি দিয়া দেখা গ'ল। কলকাতাত তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে সময়ে সকলো নিৰূপণ কৰিব। কোন সঁচা, কোন মিছা আৰু কোন দোষী সেয়া সময়ে প্ৰমাণ কৰিব। উল্লেখ্য যে যোৱা ২৩ জুলাই তাৰিখে পাৰ্থ চেটাৰ্জীক এনফোৰ্চমেণ্ট বিভাগে গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ এদিনৰ পূৰ্বে তেওঁৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জী নামৰ মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। অৰ্পিতাৰ বাসগৃহৰ পৰা উদ্ধাৰ হৈছে পাহাৰসদৃশ নগদ ধন, আ-অলংকাৰ আৰু অন্যান্য বহু মূল্যৱান সম্পদ। আনকি এখন বিশেষ ডায়েৰী হাতত পৰিছে তদন্তকাৰী সংস্থাৰ। এসময়ত শিক্ষা বিভাগৰ দায়িত্বত থাকোতে নিযুক্তি কেলেংকাৰী সংঘটিত কৰিছিল আৰু তাৰ ধাৰাবাহিকতা বৰ্তমানেও অব্যাহত আছে।



# গুজৰাটৰ পঞ্চায়ত মন্ত্ৰীৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ

## বিৰোধীৰ অভিযোগক লৈ বিব্ৰত গেৰুৱা শিবিৰ

**আহমেদাবাদ, ২৯ জুলাইঃ** গুজৰাটৰ শাসকীয় বিজেপি দলৰ বিধায়ক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী অৰ্জুন সিং চৌহানৰ বিৰুদ্ধে এগৰাকী মহিলাক ধৰ্ষণ কৰাৰ লগতে যৌন আতিশয্য চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগে এতিয়া ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে। অভিযোগ অনুসৰি ২০১৫ চনৰ পৰা ২০২১ চনলৈকে মহিলাগৰাকীক অবিৰতভাৱে যৌন নিৰ্যাতন চলাই আহিছিল। বুধবাৰে মহিলাগৰাকীৰ স্বামীয়ে হালদাৰভাছ আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰিছে। মহিলাগৰাকীৰ স্বামীয়ে এই গোচৰ ৰুজু কৰা বুলি প্ৰকাশ পাইছে। নিজৰ ক্ষমতা প্ৰয়োগ কৰি, আৰক্ষীৰ ভয় দেখুৱাই মহিলাগৰাকীৰ সৈতে মন্ত্ৰী অৰ্জুন সিং চৌহানে যৌন সম্পৰ্ক ৰক্ষা কৰি আহিছিল বুলি স্বামীয়ে অভিযোগ উত্থাপন কৰিছে। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে বিভিন্ন সময়ত উক্ত মহিলাগৰাকীক বিভিন্ন স্থানলৈ তলব কৰে। কেতিয়াবা চৰকাৰী সভা বুলি বা অন্য কেতিয়াবা সুকীয়া সুকীয়া কাৰ্যসূচীৰ বাবে মহিলাগৰাকীক তলব কৰা বুলি অভিযোগ উত্থাপন কৰা হৈছে। অকল মন্ত্ৰী অৰ্জুন সিঙেই নহয়, মন্ত্ৰীৰ নিৰ্দেশত বিজেপি দলৰ বেলেগ বেলেগ প্ৰভাৱশালী ব্যক্তিৰ সৈতেও জোৰ জুলুম কৰি মহিলাগৰাকীক যৌন সম্পৰ্কৰ বাবে বাধ্য কৰি আহিছে। এনে এক ভয়ংকৰ অভিযোগ সম্পৰ্কত ইতিমধ্যে মাহমেদাবাদ তালুক আৰক্ষী থানাত পঞ্জীয়ন হোৱাৰ পিছত গোচৰটো অধিক অনুসন্ধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইফালে এই অভিযোগ উত্থাপিত হোৱাৰ পিছত তৃণমূল কংগ্ৰেছ দলে টুইটাৰৰ জৰিয়তে বিজেপিৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ উঠিছে। কোৱা হৈছে যে বিজেপিৰ কেবিনেট মন্ত্ৰী তথা বিধায়কে গুজৰাটত মহিলাৰ নিৰাপত্তাৰ বাবে কি কৰি আছে সেয়া আৰক্ষী থানাত স্পষ্ট হৈ পৰিছে। মহিলাৰ নিৰাপত্তাৰ প্ৰতিশ্ৰুতি ক'ত হেৰাল বুলি দেশৰ প্ৰধানমন্ত্ৰীৰ লগতে বিজেপিৰ নেতৃত্বৰ প্ৰতি প্ৰশ্ন কৰিছে তৃণমূল কংগ্ৰেছে। ৰাজ্যখনত আগন্তুক বিধানসভাৰ নিৰ্বাচনত এই বিষয়টোৱে গুৰুতৰ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ইতিমধ্যে গেৰুৱা শিবিৰে মন্ত্ৰী অৰ্জুন সিঙক অপসাৰণ কৰাৰ দিশত আগবঢ়া বুলি প্ৰকাশ পাইছে।



### ৰাষ্ট্ৰপত্নী মন্তব্য

# ঝাৰখণ্ড বিধানসভাত বিজেপিয়ে প্ৰতিবাদ কৰিলে কংগ্ৰেছ নেতাৰ বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে

**ৰাচী, ২৯ জুলাইঃ** ঝাৰখণ্ড বিধানসভাৰ চৌহদৰ ভিতৰত প্ৰতিবাদমুখৰ হৈ পৰিল বিৰোধী বিজেপি দলৰ বিধায়কসকল। তেওঁলোকে কংগ্ৰেছ নেতাই দিল্লীত এদিনৰ পূৰ্বে কৰা মন্তব্যৰ বিৰুদ্ধে এনেদৰে সোচ্ছাৰ হৈ পৰিল। লগতে কংগ্ৰেছৰ নেতা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীয়ে ৰাজহুৱাভাৱে ক্ষমা বিচৰিব লাগে বুলি দাবী উত্থাপন কৰিছে। উল্লেখ্য যে কংগ্ৰেছৰ সাংদ তথা লোকসভাত দলটোৰ দলপতি হৈ থকা অধিৰঞ্জন চৌধুৰীয়ে বৃহস্পতিবাৰে দেশৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপত্নী হিচাপে অভিতি কৰিছিল। কংগ্ৰেছ নেতাৰ এই নতুন তুলনাই ৰাজধানী দিল্লীত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা গৈছে। বিজেপিৰ মহিলা মন্ত্ৰী আৰু সাংসদসকলে কঠোৰ ভাষাৰে সমালোচনা কৰিছে কংগ্ৰেছৰ সাংসদজনক। লগতে এনে অপমানজনক মন্তব্য প্ৰকাশ কৰাৰ বাবে দলটোৰ নেত্ৰী ছোনিয়া গান্ধীয়ে নৈতিক দায়িত্ব মূৰ পাতি ল'ব লাগে বুলিও দাবী কৰিছে। দিল্লীত হোৱা এই বিতৰ্ক আৰু সমালোচনাই এতিয়া দেশৰ অন্যান্য স্থানলৈয়ো প্ৰসাৰিত হোৱা দেখা গৈছে। ঝাৰখণ্ড বিধানসভাত ইয়াৰে প্ৰতিফলন ঘটিল শুকুৰবাৰে। ভাৰতীয় জনতা পাৰ্টীৰ বিধায়কসকলে বিধানসভা সদনৰ বাহিৰলৈ ওলাই আহি প্ৰতিবাদত মুখৰ হোৱা দেখা গ'ল। হাতে হাতে বেনাৰ আৰু প্লেকাৰ্ড লৈ ৰাহুল গান্ধী, ছোনিয়া গান্ধীয়ে ৰাজহুৱাকৈ ক্ষমা খুজিব লাগে বুলি দাবী জনোৱা দেখা গ'ল। আনকি কংগ্ৰেছৰ সাংসদ অধিৰঞ্জন চৌধুৰীৰ বিৰুদ্ধে শাস্তিমূলক পদক্ষেপ ল'বলৈ দাবী কৰিছে। ৰাজ্যখনত বিজেপিৰ মুখ্য সচেতক বিৰাঞ্চি নাৰায়ণে সংবাদ মাধ্যমৰ আগত কয় যে তেওঁলোকে বিধানসভাৰ মজিয়াত এটা ভৰ্ৎসনাৰ প্ৰস্তাৱ উত্থাপন কৰিব। যদিহে কংগ্ৰেছে ৰাজহুৱাভাৱে ক্ষমা নোখোজে তেনেহ'লে তেওঁলোকে এই প্ৰস্তাৱৰ জৰিয়তে কংগ্ৰেছৰ হীন মানসিকতা উদঙাই দিব। বিজেপিৰ বিধায়ক অনন্ত ওজা আৰু নীৰা যাদৱে কয় যে কংগ্ৰেছৰ এই মন্তব্যৰ দ্বাৰা মহিলাসকলৰ অন্তৰত আঘাত দিয়া হৈছে আৰু মহিলাসকলক অপমান কৰা হৈছে। স্বয়ং ৰাষ্ট্ৰপতিয়েও কংগ্ৰেছৰ এনে কু-মন্তব্যৰ পৰা সাৰি যাব পৰা নাই বুলি বিজেপিৰ বিধায়কসকলে আক্ষেপ প্ৰকাশ কৰিছে। উল্লেখ্য যে দ্ৰৌপদী মুৰ্মুৰ প্ৰসংগত কংগ্ৰেছ নেতাৰ এই মন্তব্যৰ পিছতে কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণী, নিৰ্মলা সীতাৰমণ আদিৰ উপৰিও কেবাজনো মহিলা সাংসদে সদনৰ বাহিৰত সৰৱ হৈ পৰা দেখা গৈছিল। অৱশ্যে নিজৰ ভুল স্বীকাৰ কৰি কংগ্ৰেছ সাংসদজনে এই মন্তব্যৰ কাৰণে দুখ প্ৰকাশ কৰিছে আৰু জিভা পিছলি যোৱাৰ বাবেহে এনে মন্তব্য উচ্চাৰিত হোৱা বুলি ব্যক্ত কৰিছে। এয়া কোনো ইচ্ছাকৃত নহয় বুলিও কংগ্ৰেছ নেতাজনে মন্তব্য কৰিছে। অৱশ্যে আৱশ্যক হ'লে ৰাষ্ট্ৰপতিৰ ওচৰত ক্ষমা প্ৰাৰ্থী হ'বলৈ সাজু থকা বুলি অধিৰঞ্জন চৌধুৰীয়ে ব্যক্ত কৰিছে। কিন্তু তেওঁ বিজেপিৰ নেতা বা কৰ্মীসকলৰ ওচৰত ক্ষমা নোখোজে বুলিও স্পষ্ট কৰি দিছে।





*মথুৰাৰ এগৰাকী শিক্ষয়িত্ৰী, বলদেৱ গ্ৰাম পঞ্চায়তৰ অন্তৰ্গত বিদ্যালয়ত হোৱা কৃত্ৰিম বানৰ বাবে ছাত্ৰই চকীৰে দলং সাজি দিছে শিক্ষয়িত্ৰীগৰাকীক অহা-যোৱা কৰিবৰ বাবে*



# এনফ'ৰ্চমেণ্টৰ উপৰি তদন্তত নিয়োজিত চিবিআই

**কলকাতা, ২৯ জুলাইঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰী তদন্ত কৰি থকা এনফোৰ্চমেণ্ট বিভাগৰ লগতে এতিয়াৰ পৰা বিষয়টো চিবিআই-এ নতুনকৈ তদন্ত কৰিব। কলকাতা উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশৰ ভিত্তিত এই সিদ্ধান্ত লোৱা হৈছে। ৰাজ্যখনৰ গ্ৰুপ-চি আৰু গ্ৰুপ-ডি পদবী নিযুক্তিৰ বাবে শিক্ষা খণ্ডত হোৱা এই কেলেংকাৰীৰ সময়ত পাৰ্থ চেটাৰ্জী আছিল শিক্ষামন্ত্ৰী। ইতিমধ্যে তেওঁৰ হাতৰ পৰা পাহাৰ সদৃশ দুৰ্নীতিৰ ধন উদ্ধাৰ কৰিছে এনফোৰ্চমেণ্টে। এতিয়াও বহু ধন আৰু গোপন তথ্য আহৰণ কৰিবলৈ বাকী আছে। সেয়েহে চিবিআইকো এই তদন্ত প্ৰক্ৰিয়াত জড়িত কৰা দেখা গৈছে। ইফালে এনফোৰ্চমেণ্টৰ জিম্মাত থকা অৰ্পিতা মুখাৰ্জীয়ে কান্দোনত ভাঙি পৰা দেখা গৈছে। কলকাতাত থকা দুটা এপাৰ্টমেণ্টৰ পৰা পৃথকে পৃথকে অভিযান চলোৱাৰ অন্তত প্ৰায় ৫০ কোটি নগদ ধন উদ্ধাৰ কৰিছে। চাৰে চাৰি কোটি টকা মূল্যৰ সোণ-হীৰা আদিৰ গহণা জব্দ কৰা হৈছে। ৫৪ লাখ টকাৰ বৈদেশিক মুদ্ৰা আৰু ৭৪ লাখ টকাৰ সোণৰ অলংকাৰ সুকীয়াকৈ লুকুৱাই থোৱা অৱস্থাৰ পৰা উদ্ধাৰ কৰা বুলিও প্ৰকাশ পাইছে। এই বৃহৎ পৰিমাণৰ ধনৰাশিৰ বিষয়ে কলকাতাৰ এসময়ৰ মডেল আৰু অভিনেত্ৰী অৰ্পিতা অৱগত নহয় বুলি শুকুৰবাৰে আদালতলৈ অনাৰ সময়ত চিঞৰি চিঞৰি অৱগত কৰা বুলি প্ৰকাশ পাইছে।



## এটা বৰ্ষত ভৰি দিলে 'শুশ্ৰূষা নিউৰ ৰিহেব' চেণ্টাৰে



গুৱাহাটী মহানগৰৰ, ৰুক্মিনী গাঁৱত অৱস্থিত 'শুশ্ৰূষা নিউৰ ৰিহেব চেণ্টাৰে' বৃহস্পতিবাৰে সফলতাৰে এটা বছৰ অতিক্ৰম কৰে। সেই উপলক্ষে "শুশ্ৰূষা নিউৰ ৰিহেব চেণ্টাৰত" দিনজোৱা কাৰ্যসূচীৰে উলহ-মালহেৰে উদ্‌যাপন কৰা হয় বৰ্ষপূৰ্তি অনুষ্ঠান। উক্ত অনুষ্ঠানত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী নন্দিতা গাৰ্লোচা, গুৱাহাটী মেডিকেল কলেজৰ ডাঃ মৃণাল ভূঞা আৰু যুৱ-প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰবীণ ৰবাৰ লগতে উপস্থিত থাকে বহুতো বিশিষ্ট ব্যক্তি। 'শুশ্ৰূষা নিউৰ ৰিহেব চেণ্টাৰ' এনে এটা অনুষ্ঠান যি উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ নিউৰ ৰিহেব চেণ্টাৰ। য'ত এজন মেডিকেলৰ পৰা অহা ৰোগীয়ে কেনেকৈ সুন্দৰভাৱে জীৱন যাপন কৰিব পাৰি তাক গুৰুত্ব দি চিকিৎসা সেৱা প্ৰদান কৰা হয়। পৰিচালন সঞ্চালক ডাঃ আব্দুল চাত্তাৰৰ নেতৃত্বত প্ৰতিষ্ঠা লাভ কৰা 'শুশ্ৰূষা নিউৰ ৰিহেব চেণ্টাৰে' বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে বৃহস্পতিবাৰে সফলতাৰে এটা বছৰ অতিক্ৰম কৰাত অনুষ্ঠানটোৰ সৈতে জড়িত সকলো ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰে।

### শ্ৰমিকৰ ওপৰত চলোৱা শোষণ, অত্যাচাৰ সহ্য কৰা নহ'ব ঃ আপ, অসম

## শ্ৰমিক আইন সংশোধনেৰে শ্ৰমিকক সকলো ধৰণৰ চৰকাৰী সা-সুবিধা প্ৰদান কৰক ঃ ডাঃ ভবেন চৌধুৰী

### শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ পদত্যাগ দাবী আম আদমি পাৰ্টীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ জুলাই ঃ** আজি দেশে স্বাধীনতাৰ ৭৫ বছৰীয়া অমৃত উৎসৱ উদ্‌যাপন কৰিবলৈ আয়োজন কৰিছে। কিন্তু আজিও ইংৰাজৰ দিনৰ গিমিটিয়া শ্ৰমিক সমস্যাৰ অন্ত নপৰিল। আজিও নহ'ল ১৯৫১ চনৰ শ্ৰমিক আইন সংশোধনৰ ব্যৱস্থা। দেশ স্বাধীনতাৰ পাছত বহুকেইটা নিৰ্বাচন পাৰ হ'ল। কিন্তু সলনি নহ'ল তেওঁলোকৰ শ্ৰমিকৰ ভাগ্য। কংগ্ৰেছৰ পিছত এইবাৰ বিজেপি মিত্ৰদলৰ চৰকাৰে নিৰ্বাচনী এজেণ্ডা অনুসৰি চাহ শ্ৰমিকৰ ৩৫০ টকা মজুৰি বৃদ্ধিৰ সপোন, সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত চাহ জনজাতি লোকক জনজাতীয়কৰণ ইত্যাদি ইত্যাদি অলেখ প্ৰতিশ্ৰুতি দিছিল। কিন্তু অতীত লৈ ৰ'ল সেই সকলোবোৰ প্ৰতিশ্ৰুতি। এই অভিযোগ আপৰ। অসম চৰকাৰৰ শ্ৰম বিভাগৰ অকৰ্মণ্যতাৰ বাবে বিগত কেইমাহ দিনত সেপেটেকটাত মইনা নায়ক, শিৱসাগৰত ভানু ভূমিজৰ দৰে বহু কিশোৰ-কিশোৰীৰ মৃত্যু বা আজীৱন পংগুত্বক আঁকোৱালি ল'ব লগা হৈছে। শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ পদত্যাগ দাবী কৰি এক প্ৰেছ বিজ্ঞপ্তিযোগে আপ, অসমৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে কয় যে শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে নিজে বাগিচাত জন্মগ্ৰহণ কৰি শ্ৰম বিভাগৰ দায়িত্বত থকাৰ পিছতো চাহ শ্ৰমিকৰ বহু সংখ্যক কিশোৰ-কিশোৰীক বিভিন্ন হোটেল, ব্যৱসায় প্ৰতিষ্ঠানৰ লগতে ঘৰত বনকৰা শ্ৰমিক হিচাপে নিয়োজিত কৰি নিৰ্যাতন চলাই প্ৰাণে মৰাৰ সংখ্যা দিনে বৃদ্ধি পাবলৈ ধৰাটো মন্ত্ৰীজনৰ ব্যৰ্থতাক উদঙাইছে। লগতে ৰাজ্যিক সমন্বয়ক গৰাকীয়ে বহু সময়ত বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে চাহ বাগিচা পৰিদৰ্শন কৰাৰ নামত কেৱল বাগিচা কৰ্তৃপক্ষক দেখা কৰি অলপ পেট্ৰ'ল-ডিজেল, কেইটামান টকা আৰু চাহপাতৰ টোপোলা গ্ৰহণ কৰি নিজৰ দায়িত্ব সামৰে বুলি অভিযোগ দিয়ে। যি সময়ত পিছপৰা জনজাতীয় মহিলা দ্ৰৌপদী মুৰ্মুক দেশৰ সৰ্বোচ্চ আসনত বহুৱাই কৃতিত্বৰ দাবী কৰা হৈছে, প্ৰচাৰ চলোৱা হৈছে, ঠিক একে সময়তে বিজেপি চৰকাৰে বাগিচাই বাগিচাই বুলড'জাৰেৰে চাহ পুলি উঠাই উচ্ছেদ অভিযান চলাই আহিছে বুলি দলটোৱে অভিযোগ দিয়ে। মইনা নায়কৰ দুৰ্ঘটনা কেৱল এটা বিক্ষিপ্ত ঘটনাই নহয়, ইমান দিনে বাগিচাত শ্ৰমিক আইন উলংঘা কৰি শ্ৰমিকক শোষণ, বঞ্চনা কৰাৰ যেন এক জ্বলন্ত সাক্ষী। মইনা নায়কৰ দুৰ্ঘটনাত Factory Act, 1948 (Chapter 2, Clause No. : 7A-General duties of the Occupier), Chapter 4, Clause No. 21 (providing machine hencing), Clause No. 22 (Work on or near machinery in motion) Section 40B of Chapter 4 (Appoinment of Safety Officers) and Section 111A (right of worker) উলংঘন হৈছে যদিও মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ হোৱা বাবে কোম্পানী মালিকৰ ওপৰত চৰকাৰে কোনোধৰণৰ ব্যৱস্থা লোৱা দেখা নগ'ল। মইনা নায়কৰ দুৰ্ঘটনাৰ উচিত তদন্ত কৰি দোষীক কঠোৰ শাস্তিৰে ন্যায় দিবলৈ আম আদমি পাৰ্টীয়ে দাবী জনায়। অসমত আজি দহ লক্ষতকৈ অধিক শ্ৰমিকৰ তেজ ঘামৰ বিনিময়ত চাহ ফেক্টৰীৰ চকৰি ঘূৰি আছে। অথচ চাহ শ্ৰমিক থকা মাটিত কোনোবাই ভৰি থ'লে অনুভৱ কৰিব পাৰিব তেওঁলোকে আজিও কি পৰিৱেশত বাস কৰি আছে। নিজা মাটি নথকাৰ বাবে তেওঁলোকে আজি বহু চৰকাৰী আঁচনিৰ পৰা বঞ্চিত। বাগিচাৰ চিকিৎসালয়সমূহৰ অৱস্থা তথৈবচ। সেয়েহে আম আদমি পাৰ্টীয়ে শ্ৰমিক মন্ত্ৰী, কোম্পানীৰ মালিকবোৰে যুগ যুগ ধৰি শ্ৰমিকক কৰি অহা প্ৰতাৰণা, শোষণৰ পৰা ৰক্ষা কৰি শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ লগতে সকলো ধৰণৰ চৰকাৰী সা-সুবিধা দিবলৈ আহ্বান জনায়।



*নগাঁৱত কৃতজ্ঞতা পেন্সন সেৱা কেন্দ্ৰ মুকলি কৰিছে মন্ত্ৰী নন্দিতা গাৰ্লোচাই, শুকুৰবাৰে*

### অৰুণাচলত নিৰুদ্দেশ হোৱা অসমৰ শ্ৰমিকক লৈ সৰৱ নেমছু

## ক্ষতিপূৰণ আৰু চিবিআইৰ তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৯ জুলাই ঃ** অসমৰ মধ্যভোগী দালাল আৰু অৰুণাচলীৰ ঠিকাদাৰৰ অত্যাচাৰৰ সন্মুখীন হৈ খাদ্য আৰু জীৱন সংকটত পৰি নিজৰ প্ৰাণ বচোৱাৰ উদ্দেশ্যৰহে অসমৰ ১৯ গৰাকীকৈ শ্ৰমিকক যোৱা ৯ জুলাইত পলায়ন কৰিবলৈ বাধ্য হৈছিল। পলায়নৰ পিছত এই শ্ৰমিকসকলে বাট বিচাৰি গভীৰ অৰণ্যৰ দিক্ বিদিক হেৰুৱাই পেলাইছিল। এই মন্তব্য উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ নেমছুৰ। উল্লেখ্য যে, আজি তেজপুৰস্থ শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কাৰ্যালয়ত অৰুণাচলত অসমৰ শ্ৰমিক নিৰুদ্দেশ হোৱাৰ সন্দৰ্ভত নেমছুৱে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত নেমছুৰ সভাপতি বদৰুল ইছলামে অৰুণাচল প্ৰদেশৰ কুৰোঙ কুৰ্মে জিলাত নিৰুদ্দিষ্ট অসমৰ কোকৰাঝাৰ, বাক্সা,বৰপেটা জিলাৰ ১৯ জনকৈ শ্ৰমিকৰ বিষয়ে নেমছু'ৰ ফালৰ পৰা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, অসম আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰেৰণ কৰাত শ্ৰমিকসলক উদ্ধাৰৰ বাবে অভিযান তীব্ৰতৰ কৰি তুলিছিল বুলি জানিবলৈ দিয়ে। এই নিৰুদ্দিষ্ট ১৯ জন শ্ৰমিকক অসমৰ মধ্যভোগী দালালে নি অৰুণাচলৰ ঠিকাদাৰক চমজাই দিয়াৰ পিছত চীন আৰু ভাৰতৰ দুৰ্গম সীমান্ত অঞ্চলত তথা কুৰঙ কুমে জিলাৰ কলৰিয়াঙ থানাৰ অন্তৰ্গত সীমান্ত পথ নিৰ্মাণ সংস্থাৰ অধীনত পথ নিৰ্মানৰ কামত নিয়োজিত কৰা হৈছিল। এই শ্ৰমিককলক অসমৰ পৰা অৰুণাচললৈ নিয়া একাংশ ঠিকাদাৰ আৰু মধ্যভোগী দালাল জড়িত আছে বুলি অভিযোগ উত্থাপন কৰি সভাপতি ইছলামে কয় যে, এই ১৯ জন শ্ৰমিকক অসমৰ মধ্যভোগী দালাল বঙাইগাঁৱৰ অভয়াপুৰীৰ ৰেজাউল হক, উত্তৰ লখিমপুৰৰ ৰহমত আলিয়ে নি অৰুণাচল প্ৰদেশৰ 'টানিক্সক্স নামৰ উপ-ঠিকাদাৰ জনক লাখ লাখ টকাৰ বিনিময়ত গতাই দিছিল। বিগত ঈদৰ পূৰ্বে এই শ্ৰমিকসকলে ঘৰলৈ অহাৰ বাবে তেওঁলোকৰ মাজত এক আলোচনা চলিছিল। এই আলোচনাৰ খবৰ পাই মধ্যভোগী দালাল ৰেজাউল হক, ৰহমত আলি আৰু টানিয়ে তেওঁলোকৰ ৰেচন আৰু দোকানৰ বাকী লগে লগে বন্ধ কৰি দিছিল। বৰ্তমানলৈকে এজন শ্ৰমিকৰ মৃতদেহ পোৱা বুলি ঘোষণা কৰিছে অৰুণাচল প্ৰদেশ চৰকাৰে, আৰু ৫ জনক চিকিৎসা কৰি ঘৰলৈ যাব দিয়ে আৰু বাকীসকল সন্ধানহীন বুলি অৰুণাচল আৰক্ষীয়ে জানিব দিয়ে। এই সমগ্ৰ বিষয়টোত অৰুণাচল চৰকাৰ আৰু প্ৰশাসনৰ ভূমিকা সম্পূৰ্ণ ৰহস্যজনক বুলি আজি মন্তব্য কৰে। কিয়নো কুৰোং কুমে জিলাৰ আৰক্ষী অধীক্ষকৰ মতে এই ঘটনাত শ্ৰমিক হেৰুৱাৰ গোচৰ ০৬/২০২২ নম্বৰত পঞ্জীয়ন হয় আৰু কলৰীয়ঙ থানাৰ আৰক্ষী বিষয়াৰ মতে ০৯/২০২২ নম্বৰত মিছিং গোচৰ পঞ্জীয়ন কৰা হয়। নেমছুৰ নেতৃত্বসকলে মৃতদেহ উদ্ধাৰ হৈছে যদিও অৰুণাচল চৰকাৰ আৰু প্ৰশাসনে সকলো তথ্য লুকুৱাই ৰাখিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি অৰুণাচল প্ৰদেশৰ চৰকাৰ আৰু আৰক্ষীক টানি নামৰ উপ ঠিকাদাৰ জনৰ নামত হত্যাৰ গোচৰ ৰুজু কৰিবলৈ অনুৰোধ জনায়। মৃত্যুমুখত পৰা শ্ৰমিকসকলৰ পৰিয়ালক চৰকাৰে ৫০ লাখকৈ টকাৰে এককালীন আৰ্থিক সাহাৰ্য আগবঢ়াবলৈ কেন্দ্ৰীয় আৰু অৰুণাচল চৰকাৰক দাবী জনাই এই ক্ষেত্ৰত অসম চৰকাৰ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ ভূমিকা বৰ্তমানেও নীৰৱ বুলি কয় নেমছুৰ সভাপতিগৰাকীয়ে। প্ৰসংগক্ৰমে এই ঘটনাৰ সন্দৰ্ভত অসম চৰকাৰে ক্ষিপ্ৰতাৰে অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ লগত বহি সমগ্ৰ বিষয়টো তদন্তৰ আওতালৈ আনিব লাগে বুলি মন্তব্য কৰাৰ লগতে ঘটনাৰ সন্দৰ্ভত চিবিআইৰ তদন্তৰো দাবী উত্থাপন কৰে।

## তামুলপুৰ জিলা ৰাভা জাতীয় সংগঠনসমূহৰ বিশেষ অভিৱৰ্তন জামুগুৰিত

### অভিৱৰ্তনৰ লাইখুঁটা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ জুলাই ঃ** তামুলপুৰ জিলাৰ ৰাভা জাতীয় সংগঠনসমূহৰ এখন বিশেষ অভিৱৰ্তন ৩১ জুলাই তাৰিখে তামুলপুৰ জিলাৰ জামুগুৰিত এদিনীয়া দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। সেই উপলক্ষে ভেৰাখাট ইন্দ্ৰজ্যোতি সংঘ আৰু পুথিভঁৰাল প্ৰাংগণত অভিৱৰ্তনৰ মূল ৰভাৰ লাইখুঁটা এক মাংগলিক পৰিৱেশত স্থাপন কৰা হয়। ৰাভা জনগোষ্ঠীৰ বিভিন্ন জাতীয় সংগঠনসমূহৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীৰ উপস্থিতিত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰে ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য তথা তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীয়ে। লাইখুঁটা স্থাপন কৰি প্ৰাক্তন বিধায়কগৰাকীয়ে এই অধিৱেশনৰ সৰ্বোতোপ্ৰকাৰ সফলতা কামনা কৰাৰ লগতে অসমৰ অন্যতম জনজাতি জনগোষ্ঠী 'ৰাভা জনগোষ্ঠীৰ আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক আৰু ৰাজনৈতিক' আদি দিশত আলোকপাত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। আজি লাইখুঁটা স্থাপন অনুষ্ঠানত আহ্বায়ক মণ্ডলীৰ মুখ্য আহ্বায়ক ৰবেন ৰাভা, বাক্সা জিলা ৰাভা সাহিত্য সভাৰ সভাপতি সুৰেন ৰাভা, বাক্সা জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি গোলাপ ৰাভা, আহ্বায়ক মণ্ডলীৰ অন্যতম মাধৱ চন্দ্ৰ ৰাভা, তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভাকে ধৰি ৰাভা জনগোষ্ঠীৰ স্থানীয় বহুসংখ্যক লোক উপস্থিত থাকে।

## কলিয়াবৰ প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী উপলক্ষে যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ সোঁৱৰণী সাহিত্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৯ জুলাই ঃ** কলিয়াবৰ প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অসমৰ এগৰাকী বিশিষ্ট বুদ্ধিজীৱী, অৰ্থনীতিবিদ, সাংবাদিক তথা সাহিত্য অকাদেমিৰ অনুবাদ বঁটা প্ৰাপক কলিয়াবৰৰ সু-সন্তান প্ৰয়াত যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ এখন সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সদৌ অসম ভিত্তিত আয়োজিত এই প্ৰতিযোগিতাখন গল্প, প্ৰবন্ধ আৰু কবিতা এই তিনিটা ভাগত অনুষ্ঠিত হ'ব। গল্প প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হ'ব। ১৮ বছৰৰ পৰা ২৫ বছৰলৈকে ক শাখা আৰু ২৫ বছৰৰ ঊৰ্দ্ধৰ সকলোৰে বাবে খ শাখা। প্ৰথম তিনিটা স্থান দখল কৰাসকলক ক শাখাত যথাক্ৰমে ৩ হাজাৰ, ২ হাজাৰ আৰু ১ হাজাৰ টকা আৰু খ শাখাত যথাক্ৰমে ৫ হাজাৰ, ৩ হাজাৰ আৰু ২ হাজাৰ টকাৰ নগদ মামনিৰ লগতে মানপত্ৰ আদিও প্ৰদান কৰা হ'ব। জাতীয় চেতনা সমৃদ্ধ অথবা সমাজ জীৱনৰ যিকোনো বিষয়ৰ গল্প প্ৰতিযোগিতাৰ বাবে প্ৰেৰণ কৰিব পাৰে। প্ৰবন্ধ প্ৰতিযোগিতা ক শাখাত ১৩ ৰ পৰা ১৮ বছৰ আৰু খ শাখাত ১৮ বছৰৰ ঊৰ্দ্ধৰ সকলোৰে বাবে মুকলি থাকিব। ক শাখাত প্ৰবন্ধৰ বিষয়- 'মই যদি সাংবাদিক হওঁ' আৰু খ শাখাত প্ৰবন্ধৰ বিষয়- 'সাম্প্ৰতিক সময়ৰ সাংবাদিকতা ঃ সম্ভাৱনা আৰু সংকট'। প্ৰবন্ধ প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এনেধৰণৰ- ক শাখাত প্ৰথম তিনিটা স্থান দখল কৰাসকলক নগদ ৩ হাজাৰ, ২ হাজাৰ আৰু ১ হাজাৰ টকাৰ মাননি আৰু মানপত্ৰ আদি প্ৰদান কৰা হ'ব। খ শাখাত প্ৰথম তিনিটা স্থান দখল কৰাসকললৈ নগদ ৫ হাজাৰ ৩ হাজাৰ আৰু ২ হাজাৰ টকাৰ নগদ মাননি আৰু মানপত্ৰ আদি। কবিতা প্ৰতিযোগিতাৰ বাবে যিকোনো বিষয়ৰ ওপৰত লিখা কবিতা প্ৰেৰণ কৰিব পাৰে। কবিতা প্ৰতিযোগিতাৰ ক শাখা ১৮ৰ পৰা ২৫ বছৰ বয়সলৈ আৰু খ শাখাত ২৫ বছৰৰ ঊৰ্দ্ধৰ সকলোৰে বাবে মুকলি। দুয়োটা শাখাতে প্ৰথম তিনিটা স্থান দখল কৰা সকলক যথাক্ৰমে ৩ হাজাৰ, ২ হাজাৰ আৰু ১ হাজাৰ টকাৰ নগদ মাননিৰ লগতে মানপত্ৰ, কিতাপৰ টোপোলা আদি প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ বাবে গল্প, কবিতা, প্ৰবন্ধসমূহ স্পষ্ট আখৰেৰে হাতে লিখি অথবা ডিটিপি কৰি সভাপতিযসম্পাদক, কলিয়াবৰ প্ৰেছ ক্লাব, জখলাবন্ধা (জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত), পিন- ৭৮২১৩৬ এই ঠিকনাত নাইবা প্ৰেছ ক্লাবৰ ই-মেইল kaliaborpressclub@gmail.comত অহা ৩১ আগষ্টৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। যোগাযোগৰ বাবে দূৰভাষ নম্বৰ ৯৯৫৪৮৯৫৪০৩ আৰু ৯৮৫৪৩৬৯৪৪১। প্ৰতিযোগিতাৰ ফলাফল বাতৰি কাকতযোগে প্ৰচাৰ কৰাৰ লগতে পুৰস্কাৰসমূহ অহা নৱেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া কলিয়াবৰ প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানত প্ৰদান কৰা হ'ব।

## মাজুলীৰ বিশিষ্ট সংগীত শিল্পীৰ কণ্ঠত 'বাঁহৰ আগলিত পূৰ্ণিমাৰে জোন' শীৰ্ষক গীত উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৯ জুলাই ঃ** অসমৰ কাব্য কাননত ব্যতিক্ৰম কাব্য ৰীতিৰে জনপ্ৰিয়তা লাভ কৰা বিৰল ব্যক্তিত্ব অধিকাৰী 'সুগন্ধি পখিলাৰ' কবি হীৰেন ভট্টাচাৰ্যৰ ৮৩ সংখ্যক জন্ম দিনৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰি মাজুলী বিশিষ্ট শাস্ত্ৰীয় সংগীতৰ সাধক তথা অনাতাঁৰ শিল্পী মিতালী গোস্বামীয়ে কণ্ঠদান কৰা কবিজনাৰ 'বাঁহৰ আগলিত পূৰ্ণিমাৰে জোন' শীৰ্ষক গীত টি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই উদ্দেশ্যে আয়োজিত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'ৰোযেশ্বৰ ভাগৱতী' সোঁৱৰণী সভাকক্ষত আয়োজন কৰা সভাত কবিগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সাংস্কৃতিক বিষয়া তথা প্ৰবীণ শিল্পী তৰুণ বৰুৱাই। সভাত সমূহীয়াকৈ গীতটো উন্মোচন কৰাৰ পিছত অডিঅ, ভিডিঅ' প্ৰদৰ্শন কৰা হয়। ইতিমধ্যে কেইবাটাও গীতেৰে অসমত জনপ্ৰিয়তা লাভ কৰা মিতালী গোস্বামীৰ গীতৰ ওপৰত বক্তব্য আগবঢ়ায় ক্ৰমে তৰুণ বৰুৱা, ড° আনন্দ হাজৰিকা, প্ৰভাত বুঢ়া ভকত আৰু কৰুণা বৰাই। শিল্পীগৰাকীয়ে অনুভৱ ব্যক্ত কৰাৰ লগতে গীতটোৰ আঁৰৰ শিল্পীসকলৰ লগতে সমৱেত সুধী সমাজক কৃতজ্ঞতা জ্ঞাপন কৰে। কবি ভট্টাচাৰ্যৰ গীতটিৰ সুৰকাৰ চন্দন বেজবৰুৱা আৰু সংগীত পৰিচালনা সৌৰভ মহন্তৰ। কথা শিল্পী দীপক বৰুৱাই আঁত ধৰা সভাখনত ড° দেৱজিৎ শইকীয়া, ৰঞ্জিৎ কুমাৰ ভূএগ, ডিম্বেশ্বৰ দত্ত, ডাঃ অমূল্য গোস্বামী, দিব্যজ্যোতি শইকীয়া, ডাঃ মঞ্জিল গোস্বামী, মল্লিকা গোস্বামী, উৎপলা বৰা, ৰূপা দত্ত আদি ব্যক্তি আৰু শিল্পীসকল উপস্থিত থাকে। সভাত হীৰেন ভট্টাচাৰ্যৰ কবিতা পাঠ কৰে প্ৰতীক্ষাৰাণী বৰাই।

## পৰ্বতঝোৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ উদ্যোগত 'দেশভক্তি দিৱস' পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৯ জুলাই ঃ** অসম চৰকাৰৰ এক সিদ্ধান্ত মৰ্মে কালি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ তথ্য আৰু জনসংযোগ কাৰ্যালয়ৰ উদ্যোগত বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ৰ সভাকক্ষত দ্বিতীয়বাৰৰ বাবে দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যুবাৰ্ষিকী পালন কৰা হয়। অসমৰ জাতীয় সংগীতেৰে আৰম্ভ হোৱা সভাখনত স্থানীয় সমাজকৰ্মী সুবল ৰাভাই সভাপতিত্ব কৰে। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা পৰ্বতঝোৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অনছুলা বসুমতাৰীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি দেশভক্ত তৰুণৰাম ফুকনৰ নীতি-আদৰ্শ আৰু অৱদান সম্পৰ্কে সুললিত বক্তব্য আগবঢ়ায়। লগতে নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ট্ৰাইবেল সংঘৰ সভাপতি নিৰঞ্জন ব্ৰহ্মাই দেশভক্তগৰাকীৰ জীৱন সম্পৰ্কে আলোকপাত কৰাৰ উপৰি সুধাকণ্ঠৰ 'অসম আমাৰ ৰূপহী' গীতটিৰে উপস্থিত ৰাইজক আনন্দিত কৰে। আজিৰ অনুষ্ঠানত পৰ্বতঝোৰা মহকুমাৰ সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ প্ৰিতম ডেকা, কাজিগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ফণী ব্ৰহ্ম আৰু খোপাতি হাইস্কুলৰ শিক্ষক নাৰায়ণ চন্দ্ৰ শৰ্মায়ো দেশভক্ত তৰুণৰাম ফুকনৰ আদৰ্শ, কৰ্মৰাজি তথা স্বদেশৰ কাৰণে তেখেতৰ যি মহান অৱদান, সেই সম্পৰ্কে চমু ভাষণ আগবঢ়ায়। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা কালিৰ এই অনুষ্ঠানটিত কাজিগাঁও হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক কৃষ্ণ কুমাৰ ব্ৰহ্ম, কাজিগাঁও হাইস্কুলৰ শিক্ষক উৎপল ব্ৰহ্ম, বগৰীবাৰী হাইস্কুলৰ শিক্ষক শ্যামল পাল, অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালক ধৰ্মেশ্বৰ দাস, হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ অধীক্ষক ইন্দ্ৰমোহন নাথ, মহকুমা কৃষি বিষয়া ৰাকেব ব্ৰহ্ম আদিও উপস্থিত থাকে। লগতে একাংশ ছাত্ৰ-ছাত্ৰীৰ উপৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, সাংবাদিক আদি উপস্থিত থাকি দেশভক্তগৰাকীক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে ৰাষ্ট্ৰীয় সংগীতেৰে আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সামৰণি পৰে বুলি মহকুমা তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই জনাইছে।

## অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কল্যাণ আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২৯ জুলাই ঃ** অসমৰ লাঞ্চিত, বঞ্চিত, নিষ্পেষিত সংখ্যালঘু জাতি-জনগোষ্ঠীৰ উন্নয়নৰ হকে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ চমুকৈ ASSP য়ে সংখ্যালঘুৰ বিভিন্ন সমস্যাৰ ওপৰত মাত মাতি আহিছে। উল্লেখযোগ্য যে, সংখ্যালঘু অধ্যুষিত অঞ্চলত কু-সংস্কাৰ, অন্ধ বিশ্বাস, মদ-ভাং, জুৱা খেল, বাল্য বিবাহ আদি নিৰ্মূলৰ বাবে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কল্যাণ আঞ্চলিক সমিতি গঠন কৰা হয়। বৃহস্পতিবাৰে ২ নং শিয়ালমাৰী এম স্কুলত দৰং জিলা সমিতিৰ উদ্যোগত জিলা সমিতিৰ সভাপতি মফিদুল ইছলামৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত সৰ্বসাধাৰণ ৰাইজৰ প্ৰস্তাৱ আৰু সমৰ্থন মৰ্মে মুছলিম উদ্দিনক সভাপতি, বিল্লাল হুছেইনক সাধাৰণ সম্পাদক, ৰাছিদুল পাটোৱাৰীক মুখ্য সাংগঠনিক সম্পাদক হিচাপে লৈ ৩১জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়। উক্ত সভাত কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মোজাম্মেল হক, জিলা সমিতিৰ মুখ্য উপদেষ্টা নুৰুল হক তালুকদাৰ, সাঃ সম্পাদকয় ছফিউৰ ৰহমান আৰু তফিকুল ৰহমান উপস্থিত থাকে। ছিপাঝাৰৰ ধলপুৰৰ উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন কৰাত পৰিয়ালসমূহৰ মাজত সৃষ্টি হোৱা সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰশাসনৰ লগত আলোচনাত মিলিত হোৱাৰ আশ্বাস প্ৰদান কৰে জিলা সভাপতি মফিদুল ইছলামে। অঞ্চলটোৰ প্ৰায় শতাধিক সচেতন লোকে সভাত অংশগ্ৰহণ কৰে।

## শালবাৰীত জনজাতি উন্নয়ন পৰিষদৰ এশগৰাকী কুকুৰা পালকক চেক বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৯ জুলাই ঃ** বিটিআৰৰ এক আঁচনিৰ জৰিয়তে শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটী বসুমতাৰীৰ পৃষ্ঠপোষকতাত কালি শালবাৰী মহকুমা কেন্দ্ৰত আনুষ্ঠানিকভাৱে কুকুৰা পালকৰ মাজত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰা হয়। দিনৰ এঘাৰ বজাত চেক বিতৰণী কাৰ্যসূচী উদ্বোধন কৰে শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে। এই অনুষ্ঠানত শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটী বসুমতাৰীৰ লগতে জালাহ ৰাজহ চক্ৰ বিষয়া তথা শালবাৰী মহকুমা সমাজ কল্যাণ বিষয়া ৰিতোত্তম বৰাই মুখ্য অতিথিৰূপে, ইউপিপিএলৰ নেতা -নেত্ৰী ক্ৰমে সুৰেশ সৰকাৰ, থানেশ্বৰ বসুমতাৰী, সত্যজিৎ বড়ো, মালতী স্বৰ্গীয়াৰী, ডালিমী খেৰকটাৰীয়ে সন্মানীয় অতিথিৰূপে উপস্থিত থাকি হিতাধিকাৰীসকলক আৰ্থিক অনুদানৰ চেকসমূহ বিতৰণ কৰে। উল্লেখ্য যে এছ এ' পি ডি আঁচনিৰ জৰিয়তে শালবাৰী মহকুমাৰ এশগৰাকী জনজাতিৰ কুকুৰা পালকক প্ৰতিগৰাকীক ২০ হাজাৰকৈ টকাৰ আৰ্থিক অনুদানৰ চেক প্ৰদান কৰে।

## উত্তৰ-পূব চাৰিগাঁও পঞ্চায়তৰ অভিলাষী পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ যোৰহাট, ২৯ জুলাই ঃ** যোৰহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৩নং উত্তৰ-পূব চাৰিগাঁও গাঁও পঞ্চায়ত এলেকাধীন অঞ্চলত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰাৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰিছে। ২৯ জুলাইৰ বিয়লি ৪.৩০ বজাৰ পৰা পঞ্চায়ত কাৰ্যালয়ত হ'বলগীয়া ৰাজহুৱা সভাত এই আঁচনিৰ শুভাৰম্ভ কৰিব। পঞ্চায়তৰ অধীনৰ সকলো ধৰ্মীয় অনুষ্ঠানত স্বচ্ছতা ৰক্ষাৰ্থে ডাষ্টবিন প্ৰদান আৰু পঞ্চায়তলৈ অহা প্ৰতিজন ব্যক্তিলৈ নিৰাপদ খোৱাপানী আগবঢ়োৱাৰ আঁচনিও সভাত শুভাৰম্ভ কৰিব। পঞ্চায়তখনৰ সভাপতি মুনীন বৰাই সভাত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## জয়সাগৰত কলাদৰ্শনৰ উদ্যোগত শিক্ষান্ত পৰীক্ষাৰ ষষ্ঠ স্থানপ্ৰাপক প্ৰাৰ্থনা দত্তক উষ্ম অভিনন্দন

### কলাদৰ্শনৰ শ্ৰষ্টা, শিল্পী আজানুৰ ৰহমানক ৰাজ্যিক পৰ্য্যায়ৰ চৰকাৰী স্বীকৃতি প্ৰদানৰ প্ৰস্তাৱ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৯ জুলাই ঃ** শিশু অৱস্থাৰ পৰাই নাট, শিল্পৰ চৰ্চাৰে এক ব্যতিক্ৰমী চিন্তা, উদেশ্য সন্মুখত লৈ ন ন সৃষ্টিৰ স্ৰস্টা, জয়সাগৰ কলাদৰ্শনৰ আত্মাস্বৰূপ শিল্পী আজানুৰ ৰহমানৰ উদ্যোগত আৰু কলাদৰ্শন 'ফাইন আৰ্ট'ৰ সৌজন্যত বুধবাৰে জয়সাগৰস্থিত কলাদৰ্শনৰ কাৰ্যালয়ত এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। শিক্ষাবিদ মণিকা শইকীয়াৰ পৌৰোহিত্যত আয়োজিত অভিনন্দন অনুষ্ঠানত শিক্ষাবিদ ড° হেমন্ত কুমাৰ ফুকন, শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকা, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° প্ৰৱীণ শৰ্মা, ভাস্কৰ বসুমতাৰী, প্ৰণৱ দাস, ইমৰান হাজৰিকাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চলিত বৰ্ষত বৃহত্তৰ অঞ্চলটোৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষষ্ঠ স্থানপ্ৰাপ্ত প্ৰাৰ্থনা দত্তক অভিনন্দন জনোৱাৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানটোত ড° হেমন্ত ফুকনে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিকাৰ কেতবোৰ ন ন কৌশল ব্যক্ত কৰাৰ লগতে কি দৰে বিজ্ঞানৰ প্ৰতি নিজৰ ধাউতি বৃদ্ধি কৰিব পাৰি সেই সন্দৰ্ভতো এক মননশীল বক্তব্য প্ৰদান কৰে। কলাদৰ্শনৰ বৰ্তমানৰ ছাত্ৰী তথা শিক্ষান্ত পৰীক্ষাৰ স্থানপ্ৰাপক প্ৰাৰ্থনা দত্তৰ মাতৃ শিক্ষয়িত্ৰী জুৰি শইকীয়ায়ো থোকাথুকি মাতেৰে কৈ গৈছিল প্ৰাৰ্থনাৰ আজিৰ এই প্ৰাপ্তিৰ আঁৰৰ যন্ত্ৰণাৰ কথা। প্ৰাৰ্থনা যিদিনা পিতৃ হাৰা হৈছিল সেই দিনাই মই স্বামী হাৰা হৈছিলো। কিন্তু বুকুত অদম্য সাহস বান্ধি জন্মদাত্ৰী পিতৃৰ পৰিয়ালটোৰ ছাঁত ভগৱানক সাৰথি কৰি আগুৱাই গৈছিলো । অৱশেষত সকলোৰে প্ৰচেষ্টা, আশীৰ্বাদত প্ৰাৰ্থনাই পিতৃৰ আধৰুৱা সপোন বাস্তৱায়িত কৰি কেৱল আমাৰ পৰিয়ালটোৰেই নহয় সমগ্ৰ শিৱসাগৰলৈ গৌৰৱ আনিলে। কিন্তু এইক্ষেত্ৰত প্ৰাৰ্থনাৰ নিয়মিত অধ্যয়ন, একাগ্ৰতাই সফলতাৰ মূল কাৰক বুলি অভিহিত কৰে। আনহাতে, প্ৰাৰ্থনা নতুন প্ৰজন্মৰ শিক্ষাৰ্থীসকলৰ বাবে আদৰ্শ বুলি অভিহিত কৰা শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকাই প্ৰাৰ্থনাক অভিনন্দন জনাই শিক্ষাৰ্থীসকলক প্ৰতিযোগিতামূলক মনোভাৱেৰে আগুৱাই যাবলৈ আহ্বান জনায়। আজানুৰ ৰহমানৰ সৃষ্টি কলাদৰ্শনৰ সৌজন্যত আয়োজিত অনুষ্ঠানটোক এক অনন্য অনুষ্ঠান বুলি অভিহিত কৰা খলিলুৰ ৰহমান হাজৰিকাই আজানুৰ ৰহমান এগৰাকী ব্যতিক্ৰমী আজন্ম শিল্পী বুলি অভিহিত কৰে । অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই একাংকিকা নাট লিখি পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা আজানুৰ ৰহমান একাধাৰে নাট্যকাৰ, অভিনেতা, পৰিচালক, চিত্ৰ শিল্পী, ভাস্কৰ্য শিল্পীৰ উপৰি এগৰাকী যাদুৰ শিল্পী বুলিও মন্তব্য কৰে। আনহাতে, সভাপতিৰ আসনৰ পৰা শিক্ষাবিদ মণিকা শইকীয়াই কয় যে,আদানুৰ ৰহমানে বিগত প্ৰায় তিনিটা দশকতকৈও অধিক সময় কেৱল সৃষ্টিৰ সাধনাতহে নিজকে নিমগ্ন ৰাখিছে। ওৱেটো জীৱন হাজাৰ হাজাৰজনক চিত্ৰ শিল্পৰ প্ৰশিক্ষণ দি অহাৰ লগতে সংস্কৃতিৰ পথাৰখনলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়াই অহা আজানুৰ ৰহমান আজি যেন সৰ্বদিশৰ পৰা উপেক্ষিত বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। সেয়েহে আজানুৰ ৰহমানৰ দৰে বৰেণ্য, আজন্ম শিল্পীক বৰ্তমানৰ চৰকাৰখনৰ তৰফৰ পৰা বিশেষভাৱে স্বীকৃতি প্ৰদান কৰিবলৈ আহ্বান জনায়। আনহাতে, কলাদৰ্শনৰ নিয়মীয়া প্ৰশিক্ষাৰ্থী তথা শিক্ষান্ত পৰীক্ষাত ষষ্ঠ স্থানপ্ৰাপক প্ৰাৰ্থনা দত্তক মানপত্ৰ, স্মাৰক, শৰাই, গামোচাৰে বিশেষভাৱে সন্মানিত কৰা অনুষ্ঠানটোতেই অভিনন্দন গ্ৰহণ কৰি প্ৰাৰ্থনা দত্তই নিয়মীয়াকৈ পাঠ্যপুথি খৰচি মাৰি অধ্যয়ন কৰিলে সকলোৱে কৃতকাৰ্যতা লাভ কৰিবই বুলি মন্তব্য কৰে। অনুষ্ঠানটোত জয়সাগৰ অঞ্চলৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি, অভিভাৱক, শিক্ষাৰ্থী উপস্থিত থাকে।





*ভানু ভূমিজৰ হত্যাৰ প্ৰতিবাদত সদৌ অসম ভূমিজ সমাজৰ অৱস্থান ধৰ্মঘট, সোণাৰিত শুকুৰবাৰে*

### তামুলপুৰৰ দ্বাৰকুছিত এবিএমছুৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠান

## ১০গৰাকী কীৰ্তিমানক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ জুলাই ঃ** সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ তামুলপুৰ জিলা সমিতিৰ অন্তৰ্গত দ্বাৰকুছি আঞ্চলিক এবিএমছুৰ উদ্যোগত কালি তামুলপুৰ জিলাৰ এবিএমছুৰ মুখ্য কাৰ্যালয়ত এখন বিশেষ সম্বৰ্ধনা অনুষ্ঠানত বৃহত্তৰ দ্বাৰকুছি অঞ্চলৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১০গৰাকী কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। তামুলপুৰ জিলাৰ দ্বাৰকুছি এবিএমছুৰ কাৰ্যালয়ত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত সভাপতিত্ব কৰে দ্বাৰকুছি আঞ্চলিক সমিতিৰ সভাপতি নছেদ আলীয়ে। সম্পাদক কামাল হুছেইনে আঁত ধৰা সভাখনত উপস্থিত থাকে এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক টাইছন হুছেইন। সভাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় নেতা টাইছন হুছেইনে কয় যে আজি আমি যি শিক্ষা পদ্ধতিৰে শিক্ষা লাভ কৰিছো তথাপি আমি প্ৰকৃত গুণগত শিক্ষা লাভ কৰিবলৈ সক্ষম হোৱা নাই । সেয়ে গুণগত শিক্ষাৰে আমি অনাগত দিনত আগবাঢ়িব লাগিব। আজিৰ সমাজখনত ছাত্ৰ-ছাত্ৰীসকল সু-শিক্ষিত হ'লেও সমাজৰ দায়বদ্ধতাৰ পৰা আঁতৰি যোৱা যেন অনুভৱ কৰিছোঁ। শিক্ষাৰ উদ্দেশ্য হ'ল সু-নাগৰিক সৃষ্টি কৰা। তেওঁ পুনৰ কয় যে প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি আমাৰ সমাজখনৰ শিক্ষা আৰু সংস্কাৰ একেলগে আগবঢ়াই নি শিক্ষা বাস্তৱমুখী কৰি তুলিব পাৰিলে সমাজৰ উন্নয়ন সম্ভৱ বুলি ক'ব খোজে ছাত্ৰ নেতাগৰাকীয়ে ।দ্বাৰকুছি অঞ্চলৰ উচ্চ মাধ্যমিকৰ ৫গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ৫গৰাকী মুঠ ১০গৰাকী কীৰ্তিমানক ফুলাম গামোচা, মানপত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা সভাত তামুলপুৰ জিলা এবিএমছুৰ সভাপতি বদৰুদ্দিন খান, সাধাৰণ সম্পাদক বুবুল আলী, উপ - সভাপতি ফিজুল হক, চিকনীবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক কনক ভূএগ, ২নং চিকনীবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিনেশ বড়ো, দ্বাৰকুছি এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ছিদ্দিক আলী, দ্বাৰকুছি ভিচিডিচিৰ অধ্যক্ষ বিৰলাও বড়ো প্ৰমুখ্যে বিশিষ্ট লোক, ছাত্ৰ নেতা-কৰ্মী, কীৰ্তিমান ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকল উপস্থিত থাকে।

বাৰ্মিংহাম কমনৱেলথ গেমছ

## লন বলত অসমৰ তানিয়া চৌধুৰী পৰাস্ত

**বাৰ্মিংহাম, ২৯ জুলাই ঃ** দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই কমনৱেলথ গেমছত সুন্দৰ জয়েৰে অভিযান আৰম্ভ কৰিছে যদিও অসমৰ তানিয়া চৌধুৰীয়ে লন বলৰ দুয়োখন মেচত আজি পৰাস্ত হৈছে। উল্লেখ্য যে তানিয়াৰ মেচেৰেই ভাৰতে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আজি অভিযান আৰম্ভ কৰে। কিন্তু অসম কন্যা তানিয়া প্ৰথম মেচত স্কটলেণ্ডৰ বিৰুদ্ধে ২১-১০ ত পৰাস্ত হোৱাৰ বিপৰীতে দ্বিতীয় মেচতো ফাল্কলেণ্ড আইছলেণ্ডৰ খেলুৱৈৰ হাতত ২১-২০ ত পৰাস্ত হয়। লন বলত ভাৰতৰ পুৰুষ দলো নিউজিলেণ্ডৰ হাতত ২৩-৬ আৰু স্কটলেণ্ডৰ হাতত ১৯-১২ ৰ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে কমনৱেলথ গেমছৰ ভাৰতীয় লন বল দলত অসমৰ তিনি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ১২ জনীয়া দলত স্থান লাভ কৰিছে অসমৰ তানিয়া চৌধুৰী, নয়নমণি শইকীয়া আৰু মৃদুল বৰগোঁহায়ে।

## যুৱ অলিম্পিকত পদক লাভ কৰা উশ্বু দলক উষ্ম আদৰণি

**গুৱাহাটী, ২৯ জুলাই ঃ** চতিয়া প্ৰেছ ক্লাবৰ উদ্যোগত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত অসম যুৱ অলিম্পিকত জিলিকি উঠিবলৈ সক্ষম হোৱা বিশ্বনাথ উশ্বুৰ খেলুৱৈসকল আজি উষ্ম আদৰণি জনোৱা হয় । চতিয়া ৰেলৱে ষ্টেচনত দুপৰীয়া গুৱাহাটীৰ পৰা ৰেল যোগে নিজ গৃহলৈ উভতি অহা উশ্বু খেলুৱৈসকলক উষ্ম আদৰণি জনায় চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ লগতে জিলা ক্ৰীড়া বিষয়া খনিন্দ্ৰ মুদৈ , চতিয়া পৌৰসভা , চতিয়া আঞ্চলিক ছাত্ৰ সন্থা , চতিয়া আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে। উল্লেখ্য যে বিশ্বনাথৰ ১৬ জনীয়া উশ্বু দলে অসম যুৱ অলিম্পিকত অংশগ্ৰহণ কৰি নটা সোণ , ১১ টা ৰূপ আৰু ১১ টা ব্ৰঞ্জসহ মুঠ ৩১ টাকৈ পদকৰে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয় ।এই সফলতাকলৈ বিশ্বনাথ উশ্বুৰ প্ৰশিক্ষক পদ্ম জায়ৰু যথেষ্ট উৎফুল্লিত।



গ্ৰীষ্মকালীন টেনিছ প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰা খেলুৱৈসকল

## ৰাজ্যিক টাইকোৱান-ড'ৰ সফল সামৰণি

**গুৱাহাটী, ২৯ জুলাই ঃ** অভয়াপুৰীত সদ্য সমাপ্ত অসম ৰাজ্যিক টাইকোৱান-ড' প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সদৌ নগাঁও জিলা টাইকোৱান-ড' সন্থাৰ ল'ৰা-ছোৱালী দলে চাৰিটা সোণৰ পদক, ছটা ৰূপৰ আৰু নটা ব্ৰঞ্জৰ পদকৰে সৰ্বমুঠ ১৯টা পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সদৌ নগাঁও জিলা টাইকোৱান-ড' সন্থাৰ প্ৰশিক্ষক তথা ৰাষ্ট্ৰীয় ৰেফাৰী জয়প্ৰকাশ শৰ্মা আৰু মুখ্য পৰিচালক পাৰ্থপ্ৰতিম হাজৰিকাই জনোৱামতে, উক্ত প্ৰতিযোগিতাত সুকণ্যা দেৱী, পৰিণীতা দাস, অস্মিতা ৰয়, ময়ুখ কাশ্যপে সোণৰ পদক, মাধুৰ্য শইকীয়া, ৰাহাট আহমেদ, নিলোৎপল কলিতা, অৰ্ণিবান পাল,গাণিছা জৈন,আয়ুচ সিঙে ৰূপৰ পদক, নীলগ্ৰীৱ ভৰদ্বাজ, নিৰ্বাণ ভৰদ্বাজ, ডিকু হাজৰিকা, হনসিনী শৰ্মা,নন্দিলৰাজ, নীল শৰ্মা (দুটা), চন্দন আৰু নিহাল পাৰভিজে ব্ৰঞ্জৰ পদক পাইছে। পদকপ্ৰাপ্ত খেলুৱৈসকলক স্থানীয় বিধায়ক ৰূপক শৰ্মাই এক বিশেষ অনুষ্ঠানত আনুষ্ঠানিকভাৱে অভিনন্দন জনায়।

# বাৰ্মিংহাম কমনৱেলথ গেমছত আজি লাভলীনাৰ খেল

## পাকিস্তানৰ বক্সাৰক হৰুৱাই অসমৰ শিৱ থাপাৰ অভিযান



**বাৰ্মিংহাম, ২৯ জুলাই ঃ** কমনৱেলথ গেমছত দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে অভিযান আৰম্ভ কৰিছে। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০-৬৩.৫ কিলোগ্ৰাম শাখাত খেলা শিৱই আজি প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰে। অসমৰ অৰ্জুন বঁটা বিজয়ী বক্সাৰ শিৱ থাপাই পাকিস্তানৰ প্ৰতিদ্বন্দ্বীগৰাকীক আক্ৰমণাত্মক খেলেৰে আটাইকেইটা গেমতে ধৰাশায়ী কৰে। উল্লেখ্য যে, মাত্ৰ ১৮ বছৰ বয়সত লণ্ডন অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰি ইতিহাস ৰচা অসমৰ শিৱ থাপা কমনৱেলথ গেমছত ভাৰতৰ অন্যতম পদক প্ৰত্যাশী খেলুৱৈ। বিশ্ব বক্সিং চেম্পিয়নশ্বিপত পদক জয়েৰে অসমবাসীক গৌৰৱান্বিত কৰা বক্সাৰগৰাকীয়ে এছিয়ান বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক জয় কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আজি ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আছিল অসম সন্তান বক্সাৰ শিৱ থাপাৰ ওপৰত। ভাৰত বনাম পাকিস্তানৰ এই বক্সিং যুঁজ লৈ ইতিমধ্যে চাপ-ৰোমাঞ্চ বৃদ্ধি পাইছিল ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ মাজত। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা শিৱই বিশ্ব চেম্পিয়নশ্বিপত পদক লাভ কৰাৰ লগতে কেবাখনো আন্তৰ্জাতিক প্ৰতিযোগিতাত দেশক পদক দিছে যদিও পূৰ্বে কমনৱেলথ গেমছত খেলাৰ পাছতো পদক লাভ কৰা নাই। এইবাৰ অভিজ্ঞ শিৱৰ পৰা পদক আশা কৰা হৈছে। ইফালে, শিৱৰ লগতে বক্সিঙত অলিম্পিক পদক জয়ী অসম কন্যা লাভলীনা বৰগোঁহায়ো কমনৱেলথ গেমছত কাইলৈ খেলিব। নিউজিলেণ্ডৰ নিকলছনৰ মুখামুখি হ'ব লাভলীনা। উল্লেখ্য যে এই সময়ত চৰ্চা আৰু চাপত আছে লাভলীনা। কমনৱেলথ গেমছৰ ভিলেজত প্ৰশিক্ষক সন্ধা গুৰুঙক প্ৰৱেশ কৰিব নিদিয়াত অনুশীলনত ব্যাঘাত জন্মা বুলি লাভলীনাই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰশিক্ষকৰ অনুপস্থিতিত তেওঁ মানসিক অস্থিৰতাৰ সন্মুখীন হোৱা বুলি কৈ এয়া ৰাজনীতি বুলিও টুইটাৰত লাভলীনাই উল্লেখ কৰিছিল। এই বিষয় লৈ ক্ৰীড়াৰ পৰা ৰাজনীতিলৈ হৈ-চৈ লগাত প্ৰশিক্ষক গুৰুঙে ভিলেজত প্ৰৱেশৰ অনুমতি পত্ৰ লাভ কৰিছে। কিন্তু ইয়াৰ বাবে ভাৰতীয় বক্সিং দলৰ পৰা বাদ পৰি গ'ল চিকিৎসক আৰু মহিলাৰ মুখ্য প্ৰশিক্ষক ভাস্কৰ ভাট। ইফালে, কালি উদ্বোধনী অনুষ্ঠানৰ মাজতে আঁৰতি আহি আন এক বিতৰ্কত সোমাই পৰিছে অসম কন্যা। এতিয়া খেলত সফলতাই লাভলীনাৰ একমাত্ৰ উত্তৰ।



## ৫ আগষ্টত ছুপাৰ ডিভিজন লীগৰ ফাইনেল

**গুৱাহাটী, ২৯ জুলাই ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ চুপাৰ ডিভিজন ফুটবল লীগৰ ফাইনেল খেলখন অহা পাঁচ আগষ্টত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে নৈশলোকত সন্ধিয়া সাত বজাত অনুষ্ঠিত কৰা হ'ব বুলি সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে জনাইছে। উক্ত খেলত অংশ গ্ৰহন কৰিব মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘ আৰু ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাই। খেলখনত উপস্থিত থাকিব অসম চৰকাৰৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী তথা নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি জয়ন্ত মল্ল বৰুৱা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ আদি। বঁটা বিতৰণী সভাৰ অন্তত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ন কৰা হ'ব। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতিত আয়োজকে কামনা কৰিছেষ উল্লেখ্য যে নলবাৰী সকলো ক্ৰীড়া বিভাগকে একেটা ছাতিৰ তলত কাম কৰি যোৱাৰ পোষকতা কৰাৰ লগতে গ্ৰাম্যাঞ্চলৰ বিভিন্ন ন ন ক্লাৱ-সংঘক স্বীকৃতি প্ৰদান কৰাত ফুটবলকে ধৰি বিভিন্ন খেল সক্ৰীয় হোৱাটো পৰিলক্ষিত হৈছে।

## ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি মালয়েছিয়ালৈ জাষ্টেন'

**গুৱাহাটী, ২৯ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভিতৰুৱা গাঁৱৰ পৰা গৈ নিজস্ব ক্ৰীড়া প্ৰতিভাৰে ৰাজ্যৰ নাম উজলাবলৈ সক্ষম হৈছে এগৰাকী সুনিপুন ক্ৰীড়াবিদে। উল্লেখ্য যে শেহতীয়াকৈ ৰাষ্ট্ৰীয় মুৱাই থাই চেম্পিয়নশ্বিপত অসম দলক প্ৰতিনিধিত্ব কৰি ৪৬ কেজি শাখাত সোনৰ পদক লাভ কৰি সফলতা লাভ কৰিছে মেৰাপানীৰ জাষ্টেন' চুতীয়াই। এতিয়া অহা ন আগষ্টৰ পৰা মালয়েচিয়াত অনুস্থিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবেও নিৰ্বাচিত হৈছে খেলুৱৈগৰাকী। দৰিদ্ৰ পৰিয়ালৰ কন্যা জাষ্টেন'ই বিগত তিনিবছৰ ধৰি অভিজ্ঞ প্ৰশিক্ষক শান্তনু ৰাজখোৱাৰ তত্বাৱধানত মুৱাই থাইৰ প্ৰশিক্ষণ গ্ৰহন কৰি আহিছে। ইফালে মুৱাই থাইৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে চৰকাৰী পক্ষই আজি পৰ্যন্ত কোনো ধৰণৰ পদক্ষেপ হাতত নোলোৱাত আৰ্থিক সংকটত পৰি উন্নত প্ৰশিক্ষণৰ বাবে থমকি ৰ'ব লগাত পৰিছে জাষ্টেন'। মেৰাপানীবাসীয়ে আৰ্শীবাদ আৰু শুভেচ্ছা জনাইছে যে আগন্তুক মালয়েচিয়াত অনুষ্ঠিত হ'বলগা আন্ত:ৰাষ্ট্ৰীয় প্ৰতিযোগিতাতো সোণৰ পদক আজুৰি আনি দেশলৈ কঢ়িয়াই আনক।

দবা অলিম্পিয়াড আৰম্ভ

# আকৰ্ষণীয় অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰিলে উদ্বোধন



**চেন্নাই, ২৯ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চেন্নাইৰ জেএলএন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এক বিশাল অনুষ্ঠানত ৪৪ সংখ্যক দবা অলিম্পিয়াড মুকলি কৰে। অনুষ্ঠানটোত উপস্থিত আছিল তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন, অভিনেতা ৰজনীকান্ত আৰু কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰ। উল্লেখ্য যে প্ৰধানমন্ত্ৰীয়ে যোৱা ১৯ জুনত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় ষ্টেডিয়ামত দবা অলিম্পিয়াডৰ টৰ্চ ৰিলে মুকলি কৰিছিল। প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে ভাৰতত আয়োজিত হৈছে। 'তামিলনাডুত বহুতো মন্দিৰ আছে যত সুন্দৰ ভাস্কৰ্য আছে আৰু ই বিভিন্ন ক্ৰীড়াক প্ৰতিনিধিত্ব কৰে। তামিলনাডুৰ দবা খেলৰ সৈতে এক শক্তিশালী ঐতিহাসিক সম্পৰ্ক আছে। ৰাজ্যখনে বহুতো দবা মাষ্টাৰ প্ৰস্তুত কৰিছে। ই এক প্ৰাণৱন্ত সংস্কৃতি আৰু আটাইতকৈ পুৰণি ভাষা 'তামিল'ৰ ঘৰ, উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয়। উল্লেখ্য যে, প্ৰতিযোগিতাখনৰ শিখা দৌৰে ৪০ দিনৰ ভিতৰত দেশৰ ৭৫ খন উল্লেখনীয় স্থান ভ্ৰমণ কৰিছে আৰু প্ৰায় ২০,০০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিছে। চুইজাৰলেণ্ডস্থিত ফিডেৰ মুখ্য কাৰ্যালয়লৈ যোৱাৰ পূৰ্বে এই দৌৰ মহাবলিপুৰমত সমাপ্ত হয়। অহা ১০ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া দবা অলিম্পিয়াডত ১৮৭ খন দেশে অংশ লৈছে। অলিম্পিয়াডৰ এটা সংস্কৰণত অংশগ্ৰহণ কৰা দেশৰ সংখ্যাৰ ক্ষেত্ৰত ই এক বিশ্ব অভিলেখ।

## ৰাষ্ট্ৰীয় কাৰাটেত সাফল্য

**গুৱাহাটী, ২৯ জুলাই ঃ** অল ষ্টাইল কাৰাটে ডো এছোছিয়েচন অসম চমুকৈ আচকাৰ তত্বাৱধানত বিলাসপুৰত অনুষ্ঠিত অল ইণ্ডিয়া কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা ১৩ বছৰৰ অনূৰ্ধ্ব ১৪ গৰাকী কিশোৰে পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে । দলটোৰ নেতৃত্ব লোৱা মুখ্য প্ৰশিক্ষক আবুল হাজৰিকা, প্ৰশিক্ষক কিশোৰ কুমাৰ পাঠক আৰু পৰিচালক প্ৰদীপ ৰাভাৰ নেতৃত্বত দলটো চত্তিছগড়লৈ গৈছিল । সোণ, ৰূপ, ব্ৰঞ্জৰ পদক লাভ কৰা খেলুৱৈসকল হ'ল বৰষা দাস, জুমন দাস, মাইনা দাস, সোণমণি ৰাভা, প্ৰণতি শীল, ইনাচ আহমেদ, মানৱ কুমাৰ ডেকা, টনভি ডেকা, ময়ুৰী কাশ্যপ, সুভাষণা দাস, হিমাংশু দাস, দেৱৰাজ শীল আৰু ৰীতুৰাজ ৰাজবংশী।

## টাং চু ডুৰ খেলুৱৈৰ সফলতা

**গুৱাহাটী, ২৯ জুলাই ঃ** সোণাপুৰ টেপেচিয়া অসম ডনবস্ক বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকত বিশ্বনাথ জিলা টাং ডু ডু সন্থাৰ ফালৰ পৰা ছজনীয়া এক দলে অংশগ্ৰহণ কৰিছিল। অংশগ্ৰহণ কৰা বিশ্বনাথ জিলাৰ দলটোৱে উক্ত প্ৰতিযোগিতাত দুটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে । পদক লাভ কৰা খেলুৱৈ দুজন হৈছে ৰিচি সোনাৰী (৪৬ কেজি শাখা) আৰু ৰাহুল ফাংচু (৫৫ কেজি শাখা)। দলটোৰ টিম মেনেজাৰ হিচাপে আছিল সুৰজীৎ বৰুৱা আৰু প্ৰশিক্ষক হিচাপে আছিল নিহাৰ শঞ্জইকীয়া। অসম চৰকাৰৰ তত্ত্বাৱধানত তথা অসম অলিম্পিক সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত পদক লাভ কৰি সমগ্ৰ বিশ্বনাথ জিলালৈ গৌৰৱ কঢ়িয়াই অনা খেলুৱৈ দুগৰাকীলৈ বিশ্বনাথ জিলা টাং চু ডু সন্থাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হৈছে।

## তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল আৰম্ভ

**গুৱাহাটী, ২৯ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত বৃহস্পতিবাৰৰ পৰা নৱ কুমাৰ ভূঞা তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগ আৰম্ভ হৈছে। এই লীগৰ আজিৰ উদ্বোধনী খেলত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবে প্ৰশান্ত লালুঙৰ অনবদ্য হেট্ৰিকৰ সহায়ত এছ টি ক্লাবক ৪-০ গ'লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। দলৰ হৈ চাহাবুদ্দিন আহমেদে আনটো গ'ল দিয়ে। উল্লেখ্য যে নগাঁও ক্ৰীড়া সংস্থাৰ তৃতীয় ডিভিজনৰ মুঠ সাতটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী অভিজিৎ ৰংহাঙক সহায় কৰে ৰিয়াজ আহমেদ, কৃষ্ণকান্ত দাস আৰু অ'হিদুজ জামানে। উল্লেখ্য যে, লীগ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰাক্তন ফুটবলাৰ আব্দুল মতিনে। উদ্বোধনী অনুষ্ঠানত ক্ৰীড়া সংগঠক অসীম ভাৱাল, ৰমেশ আগৰৱালা, দিলীপ তালুকদাৰ আৰু মৃণাল কুমাৰ হাজৰিকা আদি উপস্থিত থাকে।

## বাৰ্মিংহামত প্ৰথম মেচত পৰাস্ত মহিলা ক্ৰিকেট দল

### টেবুল টেনিছ-বেডমিণ্টন-মহিলা হকীত ভাৰতৰ জয়



**বাৰ্মিংহাম, ২৯ জুলাই ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আজি ভাৰতীয় মিক্সড বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰে। ইফালে, ভাৰতৰ মহিলা টেবুল টেনিছ দলে প্ৰথম মেচত দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে প্ৰথম মেচত বাৰ্বাডোজক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰিবলৈ সক্ষম হয়। ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছে। কিন্তু ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮) প্ৰথম মেচত তিনি উইকেটত পৰাস্ত হয় অষ্ট্ৰেলিয়াৰ (১৫৭-৭) হাতত। ইফালে, সাঁতোৰ আৰু চাইক্লিঙতো ভাৰতীয় খেলুৱৈ ব্যৰ্থ হয়।

## সাঁতোৰত যোৰহাট-শিৱসাগৰৰ সফলতা

**গুৱাহাটী, ২৯ জুলাইঃ** অসম যুৱ অলিম্পিক গেমছৰ সাঁতোৰ ল'ৰাৰ ৫০ মিটাৰ বেক ষ্ট্ৰোকত গোলাঘাটৰ জনজয় জ্যোতি হাজৰিকাই স্বৰ্ণ জয় কৰাৰ লগতে শিৱসাগৰৰ মঞ্জিম গগৈয়ে ৰূপৰ পদক আৰু ব্ৰঞ্জৰ পদকটো জয় কৰে কামৰূপৰ ৰেহান মিৰ্জাই। ইফালে ছোৱালীৰ ৫০ মিটাৰ বেক ষ্ট্ৰোকত, যোৰহাটৰ কৃষ্ণাই স্বৰ্ণ জয় কৰে। আনহাতে গোলাঘাটৰ ভাৱনা গগৈয়ে ৰূপ আৰু যোৰহাটৰ অনুসূয়া বৰাইব্ৰঞ্জৰ খিতাপ অৰ্জন কৰে। ইফালে ল'ৰাৰ ১০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত শিৱসাগৰৰ বাসিত আহমেদে স্বৰ্ণ জয় কৰে। আনহাতে শিৱসাগৰৰ পাৰ্থ দত্তই ৰূপৰ পদক আৰু গোলাঘাটৰ মৃগাংগ গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ছোৱালীৰ ১০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত চৰাইদেউৰ দিশা গগৈয়ে স্বৰ্ণ জয় কৰে। আনহাতে যোৰহাটৰ অৰিস্থা শইকীয়াই ৰূপ আৰু কামৰূপৰ দিবিয়াশ্ৰী হাজৰিকাই ব্ৰঞ্জৰ পদক লাভ কৰে।

# মৰিয়নি ফুটবল লীগৰ কাটনীবাৰী বনাম হাতীজুৰিৰ খেল ড্ৰ'



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মৰিয়নি, ২৯ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত দিহিঙ্গীয়া পাৰ চাহ বাগিচা ফুটবল দল আৰু হাতীজুৰি এফচিৰ মাজত অনুষ্ঠিত হয়। খেলখন যথেষ্ট উত্তেজনাপূৰ্ণ আছিল। আৰম্ভণিৰ পৰাই দুয়োদলে গ'ল দিবলৈ হেঁচা প্ৰয়োগ কৰে যদিও কোনো দলে প্ৰথমাৰ্ধত গ'ল দিব নোৱাৰিলে। প্ৰথম অৰ্ধৰ খেল গ'ল শূন্যভাৱে সমাপ্ত হোৱাৰ পিছত দ্বিতীয়াৰ্ধত দুয়ো দলে যথেষ্ট উজ্জীৱিত খেল প্ৰদৰ্শন কৰে। দুয়োদলেই কেইবাটাও গল দিয়াৰ সুবিধা অথলে যোৱায়। ফলত খেলখন নিৰ্ধাৰিত সময়ত গল শূন্যভাৱে সমাপ্ত হয়। দুয়োদলে পইন্ট ভগাই লয়।

## প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ২৯ জুলাই ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হালোগাও ক্ৰীড়া সন্থাৰ সৌজন্যত ভকতৰাম ভাণ্ডাৰ কায়স্থ সোৱৰণী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতা খন অহা সাত আগষ্টৰ পৰা আৰম্ভ হ'ব। হালোগাও অভয় চৰণ চৌধাৰী ষ্টেডিয়ামত আয়োজন কৰা উক্ত প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত অংশ ল'ব বিচৰা ইচ্ছুক প্ৰতিযোগী দল সমূহক ৯৮৬৪০৩৭৭৭৬ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## ৪ আগষ্টৰ পৰা বি ডিভিজন ফুটবল লীগ

**গুৱাহাটী, ২৯ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ বি ডিভিজন ফুটবল লীগখন অহা চাৰি আগষ্টৰ পৰা অনুষ্ঠিত হব। বি ডিভিজনৰ দল সমূহে ২৭ জুলাইৰ ভিতৰত যোগদান নিশ্চিত কৰিব লাগিব। খেলুৱৈ সকলৰ পঞ্জীয়ন ক্ষেত্ৰত আধাৰ কাৰ্ড বাধ্যতামূলক। ইফালে ১৩ বছৰ অনুৰ্ধ্ব ফুটবল প্ৰতিযোগিতাখনিত ইচ্ছুক উপ ক্ৰীড়া সন্থা আৰু ক্লাব সমূহে যোগদান নিশ্চিত কৰি ফুটবল বিভাগৰ সদস্য হেমিদুৰ ৰহমানৰ লগত যোগাযোগ কৰিব পাৰিব। লগতে জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত ইচ্ছুক প্ৰাক্তন ফুটবল খেলুৱৈ সকলে ডি লাইচেন্স কৰিব বিচাৰিলে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ পৰা প-পত্ৰ সংগ্ৰহ কৰি ফুটবল বিভাগক জমা দিবলৈ অনুৰোধ জনাইছে। এই সন্দৰ্ভত ফুটবল বিভাগৰ সভাপতি ললিত বড়া সভাপতিত্বত ফুটবল বিভাগৰ সম্পাদক ফাইজউদ্দিন আহমেদে উদ্দেশ্য বাখ্যা কৰা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয় । সভাত জেষ্ঠ ক্ৰীড়া সংগঠক অমল বৰুৱা, উপ সভাপতি দ্বিজেন শইকীয়া, যুটীয়া সম্পাদক বিমান বুঢ়াগোহাঁই আৰু ফুটবল বিভাগৰ সদস্য সকল উপস্থিতি থাকি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

## নুৰুল আমিন প্ৰাইজমানি নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল সমাপ্ত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ২৯ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ সফলতাৰে সামৰণি পৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগত ডিফেণ্ডিং চেম্পিয়ন সঞ্জীৱন সমাজে মুঠ-১৬পইণ্ট সংগ্ৰহৰে পইণ্ট তালিকাৰ শীৰ্ষত অৱস্থানৰে বিজয়ী খিতাপ অক্ষুন্ন ৰাখিছে। আনহাতে ষ্টাৰ স্প'ৰ্টিং ক্লাবে মুঠ-১৪পইণ্ট প্ৰাপ্তিৰে দ্বিতীয়স্থানত অৱস্থান কৰি ৰাৰ্ণাছ আপৰ সন্মান লাভ কৰে। এইবাৰৰ লীগত ৰেডিয়েল ক্লাবে তৃতীয় স্থান, নগাঁও ৰাজস্থানী যুৱক সংঘই চতুৰ্থ, অম্লান গোষ্ঠীয়ে পঞ্চম, উদয় সংঘই ষষ্ঠ, ত্ৰিনয়ন গোষ্ঠীয়ে সপ্তম আৰু বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীয়ে অষ্টমস্থান পায়। সঞ্জীৱন সমাজ বনাম ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ মাজৰ লীগৰ অন্তিম খেলখন গ'লশূন্যভাৱে ড্ৰ' হয়। সঞ্জীৱন সমাজৰ গ'লৰক্ষক ৰোহিত কুমাৰ ৰায় শ্ৰেষ্ঠ খেলুৱৈৰূপে বিবেচিত খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে পাৰ্শজ্যোতি দাস,কল্যাণ বৰুৱা আৰু কৃষ্ণকান্ত দাসে। লীগত সৰ্বোচ্চ গ'লদাতাৰ বঁটা অম্লান গোষ্ঠীৰ ব্ৰজেন মুছাহাৰীয়ে অৰ্জন কৰে। এই লীগৰ অন্তত সামৰণি অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা, প্ৰশান্ত কুমাৰ বৰা, জীৱন চুড়াণা, পৱন বৰুৱা, অসীম ভাৱাল, প্ৰমোদ কোঠাৰী, ৰমেশ আগৰৱালা, সমীৰ হাজৰিকা, দিলীপ তালুকদাৰ, মৃণাল হাজৰিকা আৰু বীৰেন কুণ্ডু আদিয়ে বিভিন্ন পুৰস্কাৰসমূহ বিতৰণ কৰে। উল্লেখ্য যে, চেম্পিয়ন দলক ট্ৰফী সহ পঁচিশ হেজাৰ টকা, ৰাৰ্ণাছ আপ দলক ট্ৰফীসহ পোন্ধৰহেজাৰ টকা আৰু তৃতীয়স্থান লাভ কৰা দলক দহহেজাৰ টকাৰ প্ৰাইজমানি প্ৰদান কৰা হয়।



বেংককত অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় জুডু ৰেফাৰীৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ প্ৰমাণ পত্ৰ লাভ কৰা গুৱাহাটীৰ অভিজিৎ দাস

## যুৱ অলিম্পিকত ১১ টা পদক লাভ টাং চু ডু দলৰ

**গুৱাহাটী, ২৯ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা অসম অলিম্পিকৰ টাং চু ডু খেলত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি শিৱসাগৰ দলটোৱে ছটা সোন দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে প্ৰতিযোগিতাত অনুৰণ বুঢ়াগোহাঁই, দ্বীপজ্যোতি গগৈ, বিজয় গোৱালা, অৰ্ঘা বুঢ়াগোহাঁই, অন্বেষা বৰা আৰু চাহিন পাৰবিনে সোণৰ পদক লাভ কৰাৰ বিপৰীতে অভিষেক শইকীয়া আৰু অৰিন্দম দিহিঙীয়াই ৰূপৰ পদক লাভ কৰে। একেদৰে দলটোৰ ৰিদিপ কোৱৰ, সংঘামিত্ৰা বৰুৱা আৰু মুহিনী কটকীয়ে লাভ কৰে ব্ৰঞ্জৰ পদক। টিম মেনেজাৰ হাৰুণ আলিৰ তত্বাৱধানত যোৱা দলটোত নিৰ্মল বৰা প্ৰশিক্ষক আৰু ৰেফাৰী হিচাপে যোৱা বিচিত্ৰ বুঢ়াগোহাঁই, দীপাংকৰ চেতিয়া, শিৱানী প্ৰিয়দৰ্শিনী বুঢ়াগোহাঁই আৰু মানস প্ৰতীম কোৱৰে দলটোৰ এনে কৃতিত্বক খেলুৱৈসকলক প্ৰশংসা কৰিছে।

# যোগীঘোপাত সাঁকো ভাগি তলত পৰিল বাইক আৰোহী ঃ আহত চালক

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৯ জুলাই ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত খোৰাগাঁৱৰ শ্বহীদ খৰ্গেশ্বৰ ৰায় পথত আজি এটা অঘটন সংঘটিত হয়। পথটোত থকা এখন বাঁহৰ সাঁকোখন হঠাৎ ভাগি পৰাত মটৰচাইকেল আৰোহী এজন দুৰ্ঘটনাত পতিত হয়। জানিব পৰা মতে, হেলাপাখিৰীৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উত্তৰ খোৰাগাঁও সংযোগী শ্বহীদ খৰ্গেশ্বৰ ৰায় পথত থকা সাঁকোখনেৰে এখন মটৰচাইকেল পাৰ হ'ব খোজঁতেই সাঁকোখন ভাগি পৰে। ঘটনাত কথমপি প্ৰাণৰক্ষা পৰে মটৰচাইকেল আৰোহীজন। স্থানীয় লোকৰ তৎপৰতাত মটৰচাইকেল আৰোহীজনৰ লগতে মটৰচাইকেলখনো উদ্ধাৰ কৰে। মটৰচাইকেল আৰোহীজন সামান্য পৰিমাণে আহত হয়। উল্লেখ্য যে, উত্তৰ খোৰাগাঁও সংযোগী শ্বহীদ খৰ্গেশ্বৰ ৰায় পথৰ উক্ত স্থানত পূৰ্বতে এখন কাঠৰ দলঙেৰে ৰাইজে অহা যোৱা কৰিছিল। দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত জৰাজীৰ্ণ অৱস্থাত পৰি থাকি দলংখন ক্ৰমান্বয়ে জহি খহি নিশেষ হল ।পিছত উপায়ন্তৰ হৈ ৰাইজে এখন বাঁহৰ সাঁকো নিৰ্মাণ কৰি যাতায়ত অব্যাহত ৰাখিছিল। কিন্তু মেৰামতিৰ অভাৱত জহিখহি যাব ধৰা বাঁহৰ সাঁকোখনেৰে ৰাইজে বিপদসংকুলভাৱে যাতায়াত কৰি আছিল যদিও অৱশেষত এই অঘটনটো সংঘটিত হয়। সম্প্ৰতি পথটোৰ বাঁহৰ সাঁকোখন এইদৰে ভাগি পৰাত ৰাইজৰ যাতায়াত কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে । সেয়ে বিভাগীয় কৰ্তৃপক্ষ তথা জননেতাক দৃষ্টিগোচৰ কৰাৰ লগতে ইয়াত এখন দলং নিৰ্মাণ কৰিববলৈ অনুৰোধ জনাইছে এদত অঞ্চলৰ ৰাইজে।



# নগাঁৱত চলাচল বন্ধৰে ই-ৰিক্সা চালকৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ জুলাই ঃ** যানবাহন আৰক্ষীৰ কাৰ্যকলাপত অতিষ্ঠ হৈ আজি নগাঁও চহৰত ই-ৰিক্সা চালক সন্থাই চকা বন্ধ কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱা ৫ বজাৰ পৰা বিয়লি ৬ বজা পৰ্যন্ত চালক সকলে ই-ৰিক্সা চলাচল বন্ধ ৰাখে। চহৰখনত ই-ৰিক্সাই ব্যাপক যানজট সৃষ্টি কৰি অহাৰ অভিযোগত বিগত দুদিন ধৰি যানবাহন আৰক্ষীয়ে ই-ৰিক্সা চালক সকলক ব্যাপক পৰিমাণৰ ফাইন আদায় কৰাৰ লগতে বিভিন্ন ধৰণে হাৰাশাস্তি কৰাৰ অভিযোগ তুলি আজি চহৰখনত দিনটোৰ বাবে চালক তথা মালিক সকলে ই-ৰিক্সা চলাচল বন্ধ ৰাখে। একাংশ চালকে সংবাদ মাধ্যমৰ আগত অভিযোগ কৰা মতে, " চাকৰিৰ কাৰণে হাহাকাৰ কৰি ফুৰি সংস্থাপন নাপাই তেওঁলোকে উচ্চ শিক্ষা গ্ৰহণ কৰি ই-ৰিা চলাই জীৱন নিৰ্বাহ কৰি আছে। তেনে অৱস্থাত সামান্য আইন অমান্য কৰাৰ অজুহাত দেখুৱাই যানবাহন আৰক্ষী তথা পৰিবহণ বিভাগে ১০ ৰ পৰা ১৫ হাজাৰ টকা পৰ্যন্ত জৰিমনা আদায় কৰাত তেওঁলোকে মুৰে কপালে হাত দিবলগা হৈছে। এইদৰে তেওঁলোকৰ ওপৰত আৰক্ষীৰ হাৰাশাস্তি অব্যাহত থাকিলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত থাকিব বুলি জানিব পৰা গৈছে ।ইপিনে ই ৰিক্সা চালকৰ অভিযোগক নাকচ কৰিছে যান-বাহন আৰক্ষীয়ে । আৰক্ষীয়ে জনোৱা মতে অধিকাংশ ই-ৰিক্সা চালকৰে নাই প্ৰয়োজনীয় নথি-পত্ৰ । বহু ই-ৰিক্সাৰে নাই পঞ্জীয়ন পত্ৰ, ইনচ্যুৰেঞ্চ আৰু লাইচেন্স । আনহাতে ই-ৰিক্সা চালকৰ দৌৰাত্ম্য সৰ্বজনবিদিত ।

প্ৰসংগ বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ

# ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ সংবাদ মেল, বড়ো সাহিত্য সভা বা সমগ্ৰ বড়ো জাতি গণতান্ত্ৰিক আন্দোলনৰ বাবে সাজু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৯ জুলাই ঃ** ৰাজ্যখনৰ শিক্ষামন্ত্ৰীয়ে অসমৰ কোনো বিদ্যালয় প্ৰাদেশিকীকৰণ নহয় বুলি কৰা ঘোষণা কৰা কাৰ্যত জাঙুৰ খাই উঠিল নিখিল বড়ো সাহিত্য সভা ।আজি টংলা প্ৰাইমেৰী বড়ো সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদ মেলত সাংবাদিকক সম্বোধন কৰি ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ নেতৃবৃন্দই কয় অসম চৰকাৰৰ শিক্ষা বিভাগে যি হঠকাৰী সিদ্ধান্ত লৈ বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ কৰিব বিচাৰিছে সেয়া বাতিল নকৰিলে তীব্ৰৰ পৰা তীব্ৰতৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব। বড়ো সাহিত্য সভা নতুবা সমগ্ৰ বড়ো জাতিয়ে এই সংগ্ৰামখনত অংশগ্ৰহণ কৰিব। তেওঁলোকে কয় ২০২০ৰ ২৭ জানুৱাৰীত তৃতীয় বড়ো শান্তি চুক্তি বিটিআৰৰ ৬.৩ দফা অনুযায়ী বিটিএডি অঞ্চলৰ অপ্ৰাদেশিকীকৃৎ বিদ্যালয়সমূহ প্ৰাদেশীশিকীকৰণ কৰা হ'ব বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছিল ইয়াৰ উপৰিও এৰছু আৰু বড়ো সাহিত্য সভাৰ স'তে ২০২১ চনৰ ১৯ডিচেম্বৰত ছেবাৰ অধ্যক্ষ আৰ চি জৈনৰ অধ্যক্ষতাত গঠিত হোৱা কমিটিৰ জৰিয়তে অপ্ৰাদেশিকীকৃত বড়ো মাধ্যমৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ হ'ব বুলি আলোচনা কৰা হৈছিল। আনহাতে চলিত বৰ্ষৰ ২২জুনত বড়ো মাধ্যমৰ অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ বাবে বাজেট প্ৰস্তুত কৰা হ'ব বুলিও ঘোষণা কৰা হৈছিল। অসম চৰকাৰে ওলোটা খৰ মৰাত সংবাদ মেলৰ যোগেদি বিজেপি নেতৃত্বাধীন চৰকাৰখনলৈ তীব্ৰ হুংকাৰ দিয়ে বড়ো সাহিত্য সভাই। আইৰ মুখৰ মাত ,মাতৃ ভাষা মাধ্যমৰ বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ কৰাৰ অসাংবিধানিক নীতি আৰু ইংৰাজী ভাষা বলপূৰ্বক জাপি বিচৰা কাৰ্য কোনো কালে সফল হ'ব দিব নোৱাৰো । ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ নেতৃবৃন্দই সংবাদ মেলৰ যোগেদি চৰকাৰৰ বিৰুদ্ধে তীব্ৰৰ পৰা তীব্ৰতৰ গণতান্ত্ৰিক আন্দোলন কৰাৰ ৰণ হুংকাৰ দিয়ে।

# নগাঁৱৰ ধিং গেটৰ পৰা ২২টা ড্ৰাগ্ছ ভৰ্তি কণ্টেইনাৰ জব্দ

আটক ড্ৰাগ্ছ সৰবৰাহকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ জুলাই ঃ** নগাঁৱত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। আজি সন্ধিয়া নগাঁও চহৰৰ ধিং গেটৰ লাচিত নগৰৰ পৰা হয়বৰগাঁও আৰক্ষীয়ে এটা ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে জব্দ কৰে ২২ টাকৈ ড্ৰাগছ ভৰ্তি কন্টেনাৰ ।আটকাধীন ড্ৰাগছ সৰবৰাহকাৰীটোৰ নাম মুক্তাৰ হুছেইন। মুক্তাৰ হুছেইন দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহ লগত জড়িত আছিল। সৰবৰাহকাৰীটোৰ পৰা জব্দ কৰা ড্ৰাগছ খিনিৰ বজাৰ মূল্য প্ৰায় ৫০,০০০ হাজাৰ টকা বুলি জানিব দিয়ে আৰক্ষীয়ে ।হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তৰঙ্গ পাটোৱাৰীৰ নেতৃত্বত ধিং গেটৰ লাচিত নগৰত আজি চলিছিল এই ড্ৰাগছ বিৰোধী অভিযান।

স্কুলবাছত বিদ্যালয়লৈ পঠিওৱা আপোনাৰ সন্তানটি কিমান সুৰক্ষিত ?

# পৰিবহণ বিভাগৰ দ্বাৰা জব্দ চাৰিখনকৈ আনফিটনেছ স্কুলবাছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নৰে, ২৮ জুলাই ঃ** স্কুল বাছত যাত্ৰা কৰা আপোনাৰ সন্তানটি কিমান সুৰক্ষিত ? সম্প্ৰতি অভিভাৱক সকলৰ বাবে ই এক লাখ টকীয়া প্ৰশ্ন । পুৱাই পুৱাই আপোনাৰ সন্তানটিক ঘৰৰ সন্মুখৰ পৰা তিনিআলি চাৰিআলিৰ পৰা অঞ্চলৰ দহ বাৰ জন কনকন ছাত্ৰছাত্ৰীৰ লগতে স্কুল বাছত উঠাই দি হয়তো অভিভাৱক সকলে এক স্বস্তিৰ নিস্বাসেৰে সকলো বিভিন্ন নিজ নিজ কৰ্মস্থলীলৈ ৰাওনা হয় । এটাই আশাত স্কুল বাছত সন্তানটি গৈছে যেতিয়া কোনো ভয় বা সংকাৰ কাৰণ নাই । কোনো ভয় সংকা নোহোৱাকৈ স্কুল বাছ খনে আপোনাৰ সন্তানক বিদ্যালয়ৰ গন্তব্যস্থানত উপস্থিত কৰাবগৈ । কিন্তু এই স্কুল বাছ সমূহত নিজৰ সন্তানক অভিভাৱক সকলে বিনাদিগ্ধাই বিদ্যালয়লৈ পঠাইছে হয় কিন্তু অভিভাৱক সকলে এবাৰ ভাবি চাইছেনে স্কুল বাছত বিদ্যালয়লৈ যাত্ৰা আৰম্ভ কৰা এইসকল ছাত্ৰছাত্ৰী কিমান সুৰক্ষিত । আপোনাৰ সন্তানে যাত্ৰা কৰা এই স্কুল বাছ সমূহৰ কিমান সুবিধাজনক আপোনাৰ সন্তান বিদ্যালয়লৈ পঠিওৱা এইসমূহ স্কুল বাছ । সম্প্ৰতি ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে ব্যৱহাৰ কৰা স্কুল বাছ সমূহৰ ক্ষেত্ৰত ছাত্ৰছাত্ৰী সকলৰ অভিভাৱক সকল কিমান সজাগ । ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নগাঁও জিলাৰ বহু সংখ্যাক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে সম্প্ৰতি বহু বছৰৰ পুৰণি কোনো ফিটনেছ নথকা স্কুল বাছ ব্যৱহাৰ কৰি আহিছে বোৰত যাত্ৰা কৰাতো ছাত্ৰছাত্ৰী সকলৰ বাবে মুঠেই গ্ৰহণযোগ্য নহয় । তেনে ফিটনেছ নথকা বহু বছৰ পুৰণি কেইবাখনো স্কুল বাছৰে কনকন ছাত্ৰছাত্ৰী সকলক বিদ্যালয়লৈ কঢ়িওৱাই থকাৰ বাব আজি নগাঁও জিলা পৰিবহণ বিভাগে চাৰিখনকৈ পুৰণি তথা ফিটনেছ নথকা স্কুলবাছ জব্দ কৰি আনিবলৈ সক্ষম হয় । উল্লেখ্য যে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰছাত্ৰী সকলক স্কুলবাছত কঢ়িওৱাৰ বাবে উচ্চতম ন্যায়ালয়ৰ যি এক নিৰ্দ্দেশনা আছিল এই সমূহ নিৰ্দেশনা আজি পৰ্যন্ত নগাঁৱৰ ব্যক্তিগত খণ্ডৰ কেইবাখনো বিদ্যালয়ে মানি নহাৰ এক গুৰুত্বৰ অভিযোগ বহুদিনীয়া । তাৰ অংশস্বৰূপে আজি নগাঁও জিলা পৰিবহণ বিষয়াৰ নেতৃত্বত প্ৰবৰ্তক বিষয়াৰ এটি দলে নগাঁৱৰ মৰিকলং স্থিত লয়লা ইংলিছ মিডিয়াম হাইস্কুল,খ্ৰীষ্টজ্যোতি হাইস্কুল নগাঁও,সৰ্ব্বপলি ৰাধাকৃষ্ণণ চিনিয়ৰ চেকেণ্ডাৰী স্কুল নগাঁও,বিমলা একাডেমী জখলাবন্ধা এই কেইখন বিদ্যালয়ৰ পৰা চাৰিখনকৈ নঠিপত্ৰৰ অভাৱ,আন ফিটনেছ আদি কেইবাটাও বিষয়ৰ বাবে স্কুলবাছ কেইখন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইতিমধ্যে নগাঁও জিলা পৰিবহণ বিভাগৰ তৰফৰ বৰ্তমান বহুকেইখন ব্যতিক্ৰম খণ্ডৰ বিদ্যালয়ৰ লগত এইক্ষেত্ৰত বিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলোচনাৰ বাবে নগাঁৱৰ পৰিবহণ বিষয়া গৰাকীয়ে যোগাযোগ কৰিও বিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা কোনো সুফল পোৱা নাইবুলি জানিব পৰা গৈছে । জব্দকৃত স্কুল বাছ কেইখনৰ পৰিবহণ বিভাগৰ ৰেজিষ্ট্ৰেচন নম্বৰ সমূহ ক্ৰমে - লয়লা ইংলিছ মিডিয়াম হাইস্কুলৰ আনফিটনেছ বাহন নং- এ এছ ০২ ই ০৫৯৫, খ্ৰীষ্টজ্যোতি হাইস্কুল নগাঁও এ এছ ০২ ই ১৩৪৪,বিমল একাডেমি জখলাবন্ধা এ এছ ০২ এচি ৯২৭৭,সৰ্ব্বপলি ৰাধাকৃষ্ণণ চিনিয়ৰ চেকেণ্ডাৰী স্কুল নগাঁৱৰ নঠিপত্ৰৰ অভাৱ আনফিটনেছ স্কুল বাছৰ নম্বৰটো হল এ এছ ০৯ এ ২৪১৫। উল্লেখ্য যে নগাঁও পৰিবহণ বিভাগৰ তৰফৰ পৰা এতিয়াৰে পৰা আনফিটনেছ,নঠিপত্ৰৰ সম্পূৰ্ণ নথকা ব্যক্তিগত খণ্ডৰ স্কুলবাছ সমূহৰ ক্ষেত্ৰত এই অভিযান কাৰ্যসূচী অব্যাহত থাকিব লগতে যি সমূহ বিদ্যালয়ৰ স্কুলবাছ সমূহৰ কোনো সম্পূৰ্ণ নঠিপত্ৰ অবিহনেই বৰ্তমানো বিদ্যালয়ৰ কনকন ছাত্ৰছাত্ৰী সকলক কঢ়িয়াই আছে সেইসমূহ বিদ্যালয়ৰ স্কুলবাছ সমূহক অযোগ্য ঘোষণা কৰাৰ লগতে পঞ্জীয়ন বাতিল হব বুলি জিলা পৰিবহণ বিভাগৰ তৰফৰ পৰা জানিব দিছে ।




# মেৰাপানীত অ'এনজিচিৰ উদ্যোগত স্বাস্থ্য পৰীক্ষাৰ মেগা কেম্প

সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত পাঁচ শতাধিক লোকৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, ১০০জনক চশমা, ৩৪জনক চকুৰ অপাৰেচনৰ সুবিধা ঃ অ'এনজিচিৰ কাৰ্যক ভূয়সী প্ৰশংসা স্থানীয় ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৯ জুলাই ঃ** ভাৰতীয় তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অ'এনজিচি ৰ যোৰহাটস্থিত চিনামৰা আসাম এণ্ড আসাম আৰাকান বেচিনৰ সৌজন্যত তথা প্ৰতিষ্ঠানটো কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ যোগেদি আজি মেৰাপানীৰ কাছমাৰী চেটেলাইট তৈল ক্ষেত্ৰৰ অধীনৰ ভেলৌগুৰি মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে স্বাস্থ্য আৰু চকু পৰীক্ষাৰ মেগা কেম্প অনুষ্ঠিত হৈ যায়। দেশৰ বৃহৎ ৰাজখণ্ডৰ প্ৰতিষ্ঠানটোৱে অঞ্চলটোৰ পৰা খাৰুৱা তেল নিষ্কাষণৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাৰ প্ৰতি সহাঁৰি জনাই চি এচ আৰ পুঁজিৰ অধীনত এই বিশাল স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰে। অ'এনজিচিয়ে জনহিতকৰ কাম বুলি উল্লেখ কৰি মেৰাপানী সীমাৰ ভিতৰুৱা অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্য সম্পৰ্কীয় সমস্যা, চকুৰ সমস্যা সমাধানৰ বাবে অনুষ্ঠিত কৰে স্বাস্থ্য শিবিৰটো । সেই উপলক্ষে আজি যোৰহাটস্থিত চিনামৰা বেচিনৰ উচ্চপদস্ত বিষয়া সকল ক্ৰমে আৰ পি এচ সিনহা, মহিন্দৰ খান্না, লিলি চাৰাং, বিকাশ গুপ্তা, পি কে চেনীৱাৰী, অজয় লাল দত্ত, মনচমিতা চিৰান, ধৃতি দাস আদিৰ উপস্থিতিত মেৰাপানীৰ সীমান্তদণ্ডাধীশ অম্লান ফুকনে ফিতা কাটি স্বাস্থ্য শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। মেৰাপানীৰ ভেলৌগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত আমন্ত্ৰণক্ৰমে দিনজোৰা কাৰ্যসূচীৰে এই স্বাস্থ্য শিবিৰত যোৰহাটৰ মেডিকেল কলেজৰ চিকিৎসকৰ লগতে চন্দ্ৰপ্ৰভা নেত্ৰ চিকিৎসালয়ৰ চিকিৎসক সকলে ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় বিনামূলীয়া ঔষধো বিতৰণ কৰে। আজি অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰটোত অঞ্চলটোৰ পাঁচ শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষাৰ লগতে প্ৰয়োজনীয় ঔষধ, শতাধিক লোকৰ চকু পৰীক্ষাৰ পাছত বিনামূলীয়া চশমা প্ৰদান কৰাৰ লগতে চকুৰ অসুখত বিশেষভাৱে আক্ৰান্ত ৩৪ গৰাকী লোকক অ'এনজিচিৰ ব্যৱস্থাপনাত যোৰহাটৰ চন্দ্ৰপ্ৰভা নেত্ৰ চিকিৎসালয়লৈ চকুৰ অস্ত্ৰোপ্ৰচাৰৰ বাবে লৈ যোৱা হয়। স্বাস্থ্য শিবিৰটোৰ উদ্ধোধনী অনুষ্ঠানত মেৰাপানী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিযেশ্বৰ শইকীয়া, চি আৰ পি এফৰ বিষয়া বি কে গগৈ আৰু স্থানীয় গাঁওবুঢ়া সকল উপস্থিত থাকে। উল্লেখ্য যে, অ'এনজিচি য়ে অঞ্চলটোৰ পৰা খাৰুৱা তেল নিষ্কাষণৰ সমান্তৰালভাৱে অঞ্চলটোৰ ৰাইজৰ বাবে বিভিন্ন ধৰণৰ জনহিতকৰ কাম কৰি আহিছে বুলি অৱগত কৰে বিষয়া কৰ্মচাৰী সকলে আৰু তাৰেই অংশস্বৰূপে মেৰাপানী সীমান্তত ইতিমধ্যে এখন এম্বুলেন্স বাহন, ৰাষ্ট্ৰা ঘাট, বিদ্যালয় গৃহ, শৌচাগাৰ আদি নিৰ্মাণ কৰা বুলি জানিবলৈ দি পৰৱৰ্তী সময়তো ৰাইজৰ বাবে বিশেষ উন্নয়ণমূলক কাম কাজ কৰি যাব বুলি আশ্বাস দিয়ে।



# মানাহত ব্যাঘ্ৰ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৯ জুলাই ঃ** আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস । বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানতো উদযাপণ কৰা হৈছে বিশ্ব ব্যাঘ্ৰ দিৱস । বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ উদ্যোগত আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উপলক্ষে আজি মানাহৰ বাঁঞ্জহবাৰী বনাঞ্চলৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা বনাঞ্চলিক কাৰ্যালয়লৈ এক শান্তি সমদল বাহিৰ কৰে । উল্লেখ্য যে, যোৱা ৫ জুলাইত বিটিআৰৰ কৰ্তৃপক্ষই মানাহৰ পৰ্যটকৰ ৰাজহ বৃদ্ধিক কেন্দ্ৰ কৰি বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ ধাৰাবাহিক প্ৰতিবাদী আন্দোলন অব্যাহত থকাৰ মাজতেই কালি ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাই তৎকালীনভাৱে




ক্ষেত্ৰ সঞ্চালকক বদলিৰ নিৰ্দেশ দিয়াৰ লগতে তদন্ত ঘোষণা কৰাৰ পিছতে আজি আন্দোলনৰ পৰিবৰ্তে ব্যাঘ্ৰ দিৱসৰ লগত সংগতি ৰাখি শান্তি সমদল বাহিৰ কৰাৰ উপৰি বৃক্ষৰোপণ কাৰ্যসূচীও ৰূপায়ন কৰে বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমিতি।

# উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'লৱে সুৰক্ষা বাহিনীৰ দ্বাৰা উদ্ধাৰ ৯৪.৪৯ লাখ টকাৰো অধিক মূল্যৰ নিষিদ্ধ চোৰাং সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ২৯ জুলাই ঃ** ৰে'লত নিষিদ্ধ আৰু চোৰাং সামগ্ৰী পৰিবহণৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'লৱে সুৰক্ষা বাহিনীয়ে (আৰপিএফ) ২৩ ৰ পৰা ২৭ জুলাই, ২০২২ লৈ ৯৪.৪৯ লাখ টকাৰো অধিক মূল্যৰ নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উত্তৰ পূব সীমান্ত ৰে'লৱেৰ অন্তৰ্গত বিভিন্ন ষ্টেচন আৰু ৰে'লত নিয়মীয়া তালাচী আৰু অভিযানৰ সময়ত মৰ্ফিন, সুৰা, বিদেশী চিগাৰেট, গাঞ্জা ইত্যাদি বিভিন্ন নিষিদ্ধ চোৰাং সামগ্ৰীবোৰ সুৰক্ষা বাহিনীয়ে উদ্ধাৰ কৰে। আনহাতে ৰে'লৱে সুৰক্ষা বাহিনীয়ে নিষিদ্ধ সামগ্ৰী পৰিবহণৰ লগত জড়িত থকাৰ অভিযোগত চাৰিজন লোককো কৰায়ত্ত কৰে। ২০২২ চনৰ ২৭ জুলাই, তাৰিখে সংঘটিত এক ঘটনাত, গুৱাহাটীস্থ ৰে'লৱে সুৰক্ষা বাহিনী আৰু জিআৰপিৰ বিষয়াবৰ্গ ও কৰ্মচাৰীসকলে গুৱাহাটী ৰেল ষ্টেচনত ২০৫০৩ ডাউন (ৰাজধানী এক্সপ্ৰেছ) ৰেলখনত যুটীয়া অভিযান চলায়। অভিযানৰ সময়ত, তেওঁলোকে উক্ত ৰেলখনৰ পৰা প্ৰায় ৭০ লাখ টকা মূল্যৰ ৭৩০ গ্ৰাম মৰ্ফিন উদ্ধাৰ কৰি দুজন লোকক কৰায়ত্ত কৰে। কৰায়ত্ত কৰা ব্যক্তিকেইজনে ডিমাপুৰৰ পৰা দিল্লী অভিমুখী ৰেলত টিকট অবিহনে যাত্ৰা কৰিছিল। পিছত, কৰায়ত্ত কৰা ব্যক্তিকেইজনক পৰৱৰ্তী আইনী ব্যৱস্থা গ্ৰহণৰ বাবে অ' চিজিআৰপি, গুৱাহাটীৰ হাতত অৰ্পণ কৰা হয়। উক্ত দিনাই উত্তৰ পূব সীমান্ত ৰে'লৱেৰ ৰেলৱে সুৰক্ষা বাহিনীয়ে ১২৪২৩ ডাউন (ৰাজধানী এক্সপ্ৰেছ) ৰে'লখনত বিভিন্ন অভিয়ান চলাই প্ৰায় ৭ লাখ টকাৰ বিদেশী চিগাৰেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গুৱাহাটীৰ জিআৰপিৰ সৈতে যুটীয়াভাৱে চলোৱা এক অভিযানত তেওঁলোকে প্ৰয়াগৰাজ (এলাহাবাদ)ৰ বাবে যাত্ৰাৰ কোনো ধৰণৰ টিকট অবিহনে ডিমাপুৰৰ পৰা যাত্ৰা কৰি অহা এজন লোকক কৰায়ত্ত কৰে। উক্ত দিনাই সংঘটিত আন এটা ঘটনাৰ সন্দৰ্ভত ৰেলৱে সুৰক্ষা বাহিনীয়ে বাগডোগ্ৰা ৰে'ল ষ্টেচনত ১৩২৪৭ ডাউন (কেপিটেল এ'প্ৰেছ) ৰে'লখনত অনুসন্ধান চলাই থকা অৱস্থাত প্ৰায় ৫৯ হাজাৰ টকা মূল্যৰ দাবীবিহীন সুৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য, ২০২২ চনৰ ২৩ৰ পৰা ২৬ জুলাই পৰ্যন্ত উত্তৰ পূব সীমান্ত ৰে'লৱেৰ ৰেলৱে সুৰক্ষা বাহিনীয়ে আগৰতলা, ডিমাপুৰ, ধৰ্মনগৰ, নিউ কোচবিহাৰ, কাটিহাৰ আৰু নিউ বঙাইগাঁও ৰেলৱে ষ্টেচনত চলোৱা বিভিন্ন পৰীক্ষণ আৰু অভিযানৰ সময়চোৱাত প্ৰায় ১৬.৯০ লাখ টকা মূল্যৰ গাঞ্জা, সুৰা আদি নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰপিএফযকাটিহাৰৰ চিপিডিএছ দলে কাটিহাৰৰ জিআৰপিৰ সৈতে যুটীয়া তালাচী অভিযানৰ সময়চোৱাত সুৰা উদ্ধাৰৰ সৈতে এজন লোকক আটক কৰিবলৈ সক্ষম হয়। ইয়াত উল্লেখ কৰিব পাৰি যে উঃ পূঃ সীমান্ত ৰে'লৱেৰ ৰে'লৱে সুৰক্ষা বাহিনীয়ে ২০২২ চনৰ জানুৱাৰীৰ পৰা জুন মাহলৈ নিষিদ্ধ চোৰাং সামগ্ৰী পৰিবহণৰ ৪২৭ টা ঘটনা ধৰা পেলাবলৈ সক্ষম হয় আৰু ১৬.৯৮ কোটি টকাৰ অধিক মূল্যৰ নিষিদ্ধযচোৰাং সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাত, ৰেলৱে সুৰক্ষা বাহিনীয়ে নিষিদ্ধযচোৰাং সামগ্ৰী পৰিবহণৰ সৈতে জড়িত থকা ৯১জন লোককো কৰায়ত্ত কৰে।






শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি